# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1978

( Budget Session )

Volume I

No. 30

Dated the 21st June, 1978

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... — ... | 1—42 |
| 2. | Voting on Demands for Grants . — ... | 43—106 |
| 3. | The Assam Appropriation (No. II) Bill, 1978 | 107—162 |
| 4. | Calling Attention .... ... .... ... ... ... | 169—171 |
| 5. | Matter under Rule 301 . ... ... ... .... | 172—173 |
| 6. | Statement by Minister .. ... ... ... ... | 174— |
| 7. | Adjournment . ... .... . — .... ... | 174— |

Proceedings of the Budget session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Wednes day, the 21st June, 1978 with the Hon. Speaker in the Chair, 11 ( Eleven ) Ministers, 3 (Three) Ministers of State, 4 (Four) Parliamentary Secretries and 82 (Eighty two) Members present.

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

**Date : 21st June, 1978**

***Re* : Third Rcfinery**

Shri PROMODE GOGOI asked :

265. Will the Minister, Mines and Mineral be pleased to state—

(a) Whether the Private Members resolution unanimously adopted by the Assembly on 18th February, 1975 demanding a Third Oil Refinery in the Areas

Shri A. F. GOLAM OSMANI (Minister, Mines and Minerals) replied :

265. (a)—Yer.

| | |
|---|---|
| as near as possible to the Oil fields in Assam, was Forwarded to the Central Government ? | |
| (b) If so, what steps have been taken by the Government the above resolution ? | (b)-The Assam Government taken up the matter with the highest authority in the Government of India in the Ministry of Petroleum, Etc. |

Shri Promode Gogoi :-Mr. Speaker Sir, whether the Government is aware of the fact that the Minister-in-charge of Petroleum, Government of India had made a statement on the floor of the parliament on 14th March, 1978 that Government of India has set up a study group to examine feasibility of a 3rd Refinery in Assam ?

Shri A. F. Golam Osmani. (Minister) :— Sir, so far record available with us no formal communication has yet been received in this regard.

Shri promode Gogoi :— Sir, the statement was made on the table of the parliament on 14th March, whether aftar that statement State Government have taken up the matter with the Government so that case may be appropriately represented before thc Study Group ?

Shri A. F. Golam osmani.(Minister) :— Sir, Ihave already told that we have not received any formal communication from the Union petroleum Ministry. During my last visit to New Delhi in the last part of April. 1978 a discussion was initiated with the Union petroleum Minister to that effect and we have requested him to take positive steps in view of resolution

of 1976. He told me that he would examine the possibility of a 3rd Refinery in Assam in view of the Assemdly resolution which was adopted unanimously.

Shri Giasuddin Ahmed :– Sir, whether in persuance of that discussion, any t rms of reference was given by the Government of India about the Study Group as mentioned by the Honourable Membor Shri Gogoi ?

Shri A. F. Golam Osmani. (Minister):—We did not know about terms of reference of the Study Group. In fact, at that time, I was also not aware of the Study Group. the talk was mainly about the expansion of the existing refinieries. We initiated the discussion only to know about the technical feasibility of setting up a 3rd Refinery and expansion of the exiisting refineries aswll The Union petroleum Minister assured that all these aspects will be examined.

শ্ৰীযোগেন গগৈ ঃ অধ্যক্ষ মহোদয়, অসমৰ তৃতীয় এটা পুৰ্ণাঙ্গ শোধানাগাৰ প্ৰতিষ্ঠাৰ কাৰণে অসম বিধান সভাৰ মজিয়াত প্ৰস্তাৱ গৃহীত হৈছিল - সেইটোৰ এটা গুৰুত্ব আছে আৰু আমিও বিধান সভাৰ সদস্য হিচাবে গুৰুত্ব উপলব্ধি কৰিছো। এতিয়া তাৰ বিৰোদ্ধে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে অসমত খাৰুৱা তেল উলিয়াই বিদেশত বিক্ৰি কৰা কথা ওলাইছে এইটো সচাঁনে ?

Shri A. F. Golam Osmani. (Minister) Sir so far informations are available with us there is no proposal for taking out Assam 's cutside crude the countery

Shri Promode Gogoi ;– Sir, I have already mentioned that the Union Minister-in-charge of petroleum had made an announcement in the Floor of the Lok Sabha

that a Study Group has been fermed by the Government of India to examine the addittional requirement of a 3rd refinery in Assam. I want to know whether the Government of Assam have taken appropriate action to represent the case before the Study Group formed by the petroleum Ministry.

Shri A. F. Golam Osmani. (Minister.) Sir, as I have already told to the Honourable Members that no formal communications have yet been received by us to this effect as such we did not and could not represent.

Shri Promode Gogoi : – Sir, my question is that a statement was made by the Union petroleum Minister in the floor of the Lok Sabha on 14th March, 1978 adout forming a Study Group. Whather the State Government, even now, at this stage, will take up the matter with the Study Group so that the case is properly represented.

Shri A. F. Golam Osmani (Minister) :—Sir, as the honourable member expects Government of Assam is very much concerned about the expansion of existing refineries as wall as to have a 3rd refinery. Unless and until we are asked to submit some papers we cannot do it. When times comes we will make appropriate approaches.

Shri Khagendra Nath Borborua : – What is the total quantity of crude necessitating to establishment of a 3nd refinery ?

Shri A. F. Golam Osmani. (Minister.) : – Sir, the figure of crude extracted in Assam in 1977 is 4. 46 million tonnes. It is more or less 4.35 million tonnes, utilized by the refineries. But that ONGC and other oil extracting who are operating in Assam organisations / are in a position to extract more crude and in fact there will be additional extraction to make necessary supplies to the Bongaigaon Refinery.

Shri Premandar Borah : Sir, considering that this area is industrially not developed and considering that a unanimous resolution was adopted in this Assembly for setting up a 3rd refinery in Assam, may I know from the Honourable Minister what impression he got from the Union Petroleum Minister.

Shri A. F. Golam Osmani, ( Minister ) Sir, from my discussion with the Union Petroleum Minister Shri H.N. Bahuguna, I had the impression that he would look into our case sympathetically.

**বিঃ আগমনিত নতুন ৰাজহ চক্ৰ খোলাৰ অনুমোদন**

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

২৬৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

(ক) গোলকগঞ্জ থানা এলেকাৰ আগমনিত এটা চাৰ্কেল অফিচ স্থাপনৰ কাৰণে চৰকাৰে অনুমোদন দিয়াটো সচাঁনে ?

শ্ৰীলক্ষেশ্বৰ গোঁহাই (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৬। (ক) – আগমনিত এটা মতুন ৰাজহ চক্ৰ খোলাত চৰকাৰে অনু-মোদন জনাইছে ।

(খ) যদি সচাঁ হয়, উক্ত অফিচ খোলা হৈছে নে ?

(খ)—চক্ৰৰ সংশ্লিষ্ট নথিপত আৰু কৰ্মীৰ ভাগ বাটোৱাৰা কৰি কাম আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে। চক্ৰ বিষয়াৰ নিযুক্তি এই বাজেট অধিবেশনৰ পিচতে দিয়া হব।

শ্ৰীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে— গোলোক গঞ্জত যিটো চাৰ্কোল অফিচ আছে সেই অফিচটো চলাবৰ কাৰণে ঘৰৰ কিবা ব্যৱস্থা হৈছে নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই [ ৰাজহ মন্ত্ৰী ] : আমি ইতিমধ্যে সুকীয়াকৈ ঘৰ এটা বন্দৱস্ত কৰি দিছো।

শ্ৰীআলাউদ্দিন চৰকাৰ : এই অফিচটো খুলিবলৈ আৰু কিমান দিন বাকী আছে ?

শ্ৰীলক্ষেশ্বৰ গোহাই ( ৰাজহ মন্ত্ৰী ) : আমি এতিয়ালৈ বিষয়া পঠোৱা নাই মণ্ডল, কাননগোৰ ৰেকৰ্ড পাতি ইতিমধ্যে ভাগ ভাগ কৰিবলৈ দিয়া হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমদ : অধ্যক্ষ মহোদয়, ওচৰচুবুৰীয়া চাৰ্কোল গোলোক গঞ্জত যিসকল কৰ্মচাৰী সেই সকলৰ কিছু অংশ আছে। এতিয়া সম্প্ৰতি নতুনকৈ আগমনি চাৰ্কোলত এই অফিচ চলোৱাৰ কিবা ব্যৱস্থা হৈছেনে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) : বৰ্ত্তমান পুৰণি মণ্ডল, কাননগো সকলেই কাম চলাবলৈ আৰম্ভ কৰিছে।

শ্ৰীইব্ৰাহীম আলি : অসমৰ বহুতো চাৰ্কোল অফিচ ভাৰা ঘৰত ৰখা হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে এই চাৰ্কোল অফিচ বিলাক নিজৰ নিজৰ চাৰ্কোলৰ ভিতৰতে ঘৰ প্ৰতিষ্ঠা কৰি দিবলৈ চৰকাৰৰ বিশেষ আচনি আছে নে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) : ইতিমধ্যে আমাৰ চহৰ বিলাকত নিজা অফিচতেই কাম কৰি আছে বুলি বাকী যিবিলাক ভাৰা ঘৰত কাম কৰি আছে সেই বিলাকৰ কাৰণে নিজা ঘৰ তৈয়াৰ কৰিবলৈ প্ৰস্তুতি চলাই আছো আৰু সেই সম্বন্ধে সংশ্লিষ্ট বিভাগ বিলাকৰ পৰা মঞ্জুৰী বিচাৰিছো।

শ্ৰীইব্ৰাহিম আলি ঃ ৰাঘবৰৰ চাৰ্কোল অফিচটো স্থানান্তৰ কৰিবলৈ কিবা আচনি লৈছে নে কি ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) : এইটো বেলেগে প্ৰশ্ন দিলেহে হব ।

শ্ৰীআলাউদ্দিন চৰকাৰ ঃ কিমান মৌজা আৰু কি কি মৌজা এই চাৰ্কোল অফিচত অন্তৰ্ভুক্ত কৰা হৈছে ।

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) ঃ ইয়াত মৌজাৰ কথা নাই — গাৱঁৰ কথাহে আছে । মুঠতে ইয়াত ৮৪ খন গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে ।

শ্ৰীকনী মেধী : মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যি বিলাক ঠাইত চাৰ্কোল আছে নগৰত কিন্তু হেড অফিচ আন ঠাইত থকাৰ কাৰণে কৰ্ম্মচাৰী সকল গাওঁ অঞ্চলত বা আন ঠাইত থাকিব লগা হৈছে সেই বিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ।

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ মন্ত্ৰী ) . সেইটো বিবেচনা কৰা হব ।

বিঃ গ্ৰাম্য ক্ৰীড়াত মহিলা

| শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ | শ্ৰীকেশৱ চন্দ্ৰ গগৈ (ক্ৰীড়া বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে : |
|---|---|
| *২৬৭। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— | |
| ৰাজ্যখনত গ্ৰাম্য ক্ৰীড়া আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত মহিলা সকলকো সাঙুৰি লৈ যোৱা হৈছেনে ? | ২৬৭। হয়। এই ক্ষেত্ৰত মহিলা সকলোকে সাঙুৰি লোৱা হৈছে। |

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ এই উত্তৰত যে কৈছে সাঙুৰি লোৱা বুলি ইয়াৰ মানে কি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) : মহিলা সকলকো অন্তৰ্ভুক্ত কৰা হৈছে ।

শ্ৰীযোগেন গগৈ : চোভিয়েত ৰুচিয়া, লিবিয়া আদি দেশত উৎপাদনৰ দৰে খেলাধুলাতো সমানে গুৰুত্ব দিয়া হয় সেই মতে আমাৰ ইয়াতো গুৰুত্ব দিয়াৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) : অসমৰ মহিলা সকলে এই ক্ষেত্ৰত বিশেষ ব্যুৎপত্তি লাভ কৰিছে আৰু সৰ্ব্বভাৰতীয় প্ৰতিযোগিতাত আমাৰ মহিলাই কৃতিত্বও দেখুৱাইছে । ১৯৭২ চনত জয়পুৰত অনুষ্ঠিত লংজাম্পত আমাৰ কলিয়াবৰৰ শ্ৰীমতী মিনু শইকীয়াই দ্বিতীয় স্থান অধিকাৰ কৰিছে । ১৯৭৩

চনত দিল্লীত অনুস্থিত চটপুটত শ্ৰীমতী তয়বুন্নিচাই তৃতীয় স্থান অধিকাৰ কৰিছে। ১৯৭৪ চনত মাদ্ৰ'জত অনুস্থিত প্ৰতিযোগিতাত শ্ৰীমতী নীলিমা চাংমাই চাৰিশ মিটাৰ দৌৰত দ্বিতীয় স্থান অধিকাৰ কৰিছে। ইয়াৰ ওপৰিও ১৯৭৬ চনত শ্ৰীমতী দিপালী পেগু, কৰবী দে, বুদ্ধিমাই থাপা, মাইচেনা ফুকন আদিয়ে বিভিন্ন বিষয়ত পাৰদৰ্শিতা দেখুৱাই অভিলেখ স্থাপন কৰিছে। শ্ৰীমতী দেবেশ্বৰী কুৰ্ৰীয়ে আৰু শ্ৰীমতী পতুমী সোনোৱালে পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ বাদেও বিভিন্ন খেলত চটপুট টেবিল টেনিচ আদিত বিভিন্ন পাৰদৰ্শিতা লাভ কৰিছে। অসমৰ শ্ৰীমতী মনালিচা বৰুৱাই টেবুল টেনিচ চেম্পিয়নচীপ লাভ কৰে।

শ্ৰীমুকুট শৰ্ম্মা : অসমৰ যুৱক যুৱতী সকলক ক্ৰীয়াৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ কাৰণে অসমত এখন ক্ৰীড়া কলেজ খোলাৰ কথা চৰকাৰে চিন্তা কৰিছেনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : আমি এই কথা চিন্তা কৰি আছো।

শ্ৰীজীৱন বৰা : ক্ৰীড়াৰ কাৰণে অতি আৱশ্যকীয় ষ্টেডিয়াম যি বিলাক ঠাইত নাই সেইবিলাকত নতুনকৈ সাজিবলৈ আৰু ইতিমধ্যে থকা বিলাকৰ কাম সম্পূৰ্ণ কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : ষ্টেডিয়াম নিৰ্ম্মানৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ কিছুমান আচনি আছে। আমাৰ ফালৰ পৰা সেই আচনি জিলা খেলা সন্থা বিলাকক দিয়া হৈছে। এই স্কেটমাৰ আচনিত ভাৰত চৰকাৰে অনু-দান দিয়ে আৰু আমাৰ ৰাজ্যিক চৰকাৰৰ পৰাও টকা দিয়া হয়। সেইমতে ষ্টেডিয়াম সজাবলৈ ভাৰত চৰকাৰে যিমান টকা অনুদান দিয়ে, ৰাজ্যিক চৰকাৰৰ ফালৰ পৰাও সমপৰ্য্যায়ৰ অনুদান দিয়া হয়। খেলা পথাৰৰ উন্নয়নৰ কাৰণে স্পোৰ্টচ কাউন্সিলৰ পৰা টকা দিয়া হয়।

শ্ৰীযোগেন গগৈ : গ্ৰাম্য ক্ৰীড়া বিলাকৰ কাৰণে ফুটবলৰ বাবে নিৰ্ব্বাচন কৰিবলৈ প্ৰশিক্ষণ আদি দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

মাননীয় অধ্যক্ষ : প্ৰশ্নটো মহিলা ক্ৰীড়াৰ সম্পৰ্কে।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) : তথাপি মই কব খুজিছো স্কুল বিলাকক সাজুৰি লোৱা হৈছে আৰু সেইমতে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :– প্ৰশ্নটো আছিল গ্ৰাম্য ক্ৰীড়া সম্পৰ্কে কিন্তু টেবিল টেনিচত পাৰদৰ্শিতা দেখুৱাৰ কথা মন্ত্ৰী মহোদয়ে জনালে। এই খোলা গ্ৰাম্য খেলাৰ অন্তভূৰ্ক্ত নে ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— ক্ৰীড়া মানে সকলো বিলাক বুজা যায় । আমাৰ গাওঁঅঞ্চলৰ লৰা ছোৱালীয়েও টেবিল টেনিচ খেলাৰ সুবিধা পাব পাৰে ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— গাৱলীয়া খেল ধেমালিৰ ভিতৰত কাবাদী আদিৰ বিকাশৰ কাৰণে চৰকাৰে কি ব্যৱস্থা কৰিছে জানিব বিচাৰিছো ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী):--এইবিলাক বিভিন্ন খেলৰ বিকাশৰকাৰণে আচনি লোৱা হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— বি- ডি- অ অফিচৰ পৰা গ্ৰাম্য ক্ৰীড়া প্ৰশিক্ষণ আদিৰ পৰাহে প্ৰশিক্ষণৰ ব্যৱস্থা থকা কাৰণে স্কুল আদিত পঢ়া লৰা ছোৱালী থিনিয়েহে খেলাৰ সুযোগ পায় কিন্তু যিসকল লৰা ছোৱালী স্কুললৈ নাযায় তেওঁলোকৰ এই সুযোগ নাথাকে এইটো চৰকাৰে জানেনে ? যদি জানে এই দভু'গীয়া সক ৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— প্ৰত্যেক খণ্ড এলেকাত তিনিশকৈ আৰু মহকুমা এলেকাত পোন্ধৰ শকৈ টকা দিয়া হয় । আমি তেওঁলোকৰ মাজত কোনো প্ৰভেদ ৰাখিব খোজা নাই স্কুললৈ নোযোৱা সকলেও যোগদান কৰাৰ কাৰণে কোনা অসুবিধা নাপাব ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— অন্যান্য খেলধেমালিত যিহেতু মহিলা সকলে বুত্পত্তি লাভ কৰিছে আৰু মন্ত্ৰী মহোদয়েও আমাক জানিবলৈ দিছে কিন্তু ফুটবল খেলাতো মহিলা সকলক পাৰদশী কৰিবলৈ কোন কোন ঠাইত প্ৰশিক্ষণ কেন্দ্ৰৰ ব্যৱস্থা কৰিছে আৰু এতিয়ালৈকে অসমত কেইটা মহিলা ফুটবল দল আছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :—সঠিক খবৰ বৰ্ত্তমান হাতত নাই কিন্তু নাহৰকটীয়াত এটা দল আছে। ইয়াৰ উপৰিও অলপতে ইংলণ্ডৰ পৰা মহিলা দল আহি আমাৰ ইয়াত সৰ্ব্বভাৰতীয় দলৰ লগত খেল দেখুৱাই গৈছে। অন্যান্য ঠাইৰ পৰাও অচিৰেই তেনে দল আশা কৰা হৈছে ।

শ্ৰীফণী মেধী :— অসম চৰকাৰৰ খেলা ধূলাৰ কাৰণে এটা ডিৰেক্টৰেট আছিল সেইটো এতিয়া আছে নে নাই, ক'ত আছে আৰু কি কৰি আছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :– ডিৰেক্টৰেটটো শাক্তিশালী কৰা হৈছে আৰু দক্ষ-তাৰে কাম কৰি আছে ।

শ্ৰীগজেন তাঁতী :— গ্ৰাম্য ক্ৰীড়া আচনিত চাহবাগান এলেকা সমূহক সাঙ্গুৰি লোৱা হৈছে নে আৰু যদি লোৱা হোৱা নাই ? লবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এইটো বিবেচনা কৰা হৈছে ।

বি: চিমেণ্টৰ নাটনি

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়াই সুধিছে :

২৬৮। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চিমেণ্টৰ অভাৱত ৰাজহুৱা অনুষ্ঠান আৰু ব্যক্তিগত লোকৰ গৃহ নিৰ্মাণ আদি আৱশ্যকীয় কাম বন্ধ হৈ থাকিব লগীয়া হোৱাৰ বিষয়ে চৰকাৰে জানেনে?

(খ) যদিহে জানে, অভাৱ দূৰীকৰণৰ বিষয়ে কি ব্যৱস্থা হাতত লোৱা হৈছে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৮। (ক)— হয়, জানে।

(খ) অসম চৰকাৰে এই বিষয়ে লোৱা ব্যৱস্থাবোৰ তলত দিয়া হ'ল:—

(১) অসম চৰকাৰে সাধাৰণতে প্ৰতি তিনি মাহে ৫০,০০০ মেট্ৰিক টন হিচাবে চিমেণ্টৰ আবণ্টন পায় । প্ৰতি তিনি মাহে ৮,০০০ মেট্ৰিক টন চিমেণ্ট ভৱিষ্যতে পাবলৈ ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে

(২) বিদেশৰ পৰা আমদানি কৰা চিমেণ্টৰ পৰা কম পক্ষেও ৩০,০০০ মেট্ৰিক টন চিমেণ্টৰ আবণ্টন পাবৰ কাৰণেও ভাৰত চৰকাৰৰ ওচৰত

আবেদন কৰা হৈছে ।

(৩) প্ৰকৃততে বিলাতী মাটিৰ দৰকাৰ থকা লোকসকলে যাতে বিলাতী মাটি পায় তাৰ কাৰণে উপযুক্ত আৰু মহকুমাধিপতি সকলৰ যথাবিহিত নিৰ্দ্দেশ দিয়া হৈছে ।

শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া :— মন্ত্ৰী মহোদয়ে কৈছে যে জিলাৰ উপায়ুক্ত আৰু মহকুমাধিপতিক নিৰ্দ্দেশ দিয়া হৈছে কিন্তু আমি জনাত উপায়ুক্ত বা মহকুমাধিগতিয়ে তেনেকোনো বাস্তৱ ব্যৱস্থা লব পৰা নাই আৰু ৰাইজে চিমেন্টৰ কাৰণে যিবিলাক দৰ্খাষ্ট কৰিছিল সেই বিলকে দম দম হৈ পৰি আছে, সমাধান কৰিব পৰা নাই গতিকে এই সম্পৰ্কে মন্ত্ৰী মহোদয়ে ততকালীন কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই বিষয়ে ইতিমধ্যে ততকালীন ব্যৱস্থা গ্ৰহণ কৰা হৈছে । আমাক বৰ্ত্তমান ৫০ হজাৰ মেট্ৰিকটন দিয়ে সেইটো বঢ়াই ৮০ হাজাৰ মেট্ৰিকটন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে আৰু বিদেশৰ পৰা আমদানি হোৱা চিমেন্টও ৩০ হাজাৰ মেট্ৰিকটন দিবৰ কৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে । ইতিমধ্যে আমাৰ মাননীয়, সদস্য সকলে জানে যে চিমেন্টৰ যি নাটনি তাত বহুত কথা জৰিত হৈ আছে । বিশেষকৈ যাতায়তৰ অসুবিধা হেতুকে যি সকলে চিমেন্ট আনিব পাৰে তেওঁলোকে জানিব পৰা নাই অৱশ্যে ইতিমধ্যে তাৰকাৰনে বিশেষ ব্যৱস্থা লোৱা হৈছে যাতে ৰেলৰ যোগেদি অহাৰ লগে লগে বাই ৰোড আৰু বাই ৰিভাৰও আনিবলৈ চেষ্টা কৰা হৈছে এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে যি চাকচিতি দিয়া কথা আছে সেইটো কেনেকৈ দিব সেইটো চাই এই তিনিওফালৰ পৰা চিমেন্ট আনিব পাৰিলে কিছু চাইদা পুৰন কৰিব পাৰিম ।

শ্ৰীচিৰাজুল হক :— যোৱা জানুৱাৰী মাহত কিমান চিমেন্ট সৰবৰাহ হৈছিল আৰু সেই হিচাবে এপ্ৰিল মে মাহতো সেই একে পৰিমানে চিমেন্ট দি থকা হৈছে নে কম বেছি কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মই আগতে কৈছো ফেব্ৰুৱাৰী আৰু মাৰ্চ

মাহত জানুৱাৰী ফেব্ৰুৱাৰীৰ কোটা ৫০ হাজাৰ মেট্ৰিক টনৰ ৩৫ হাজাৰ মেট্ৰিকটন বিভাগ বিলাকক দিবলৈ দিয়া হৈছে আৰু বাকীখিনি শিক্ষানুষ্ঠান ধৰ্ম্মানুষ্ঠান আৰু ৰাইজৰ ঘৰবাৰী সাজিবলৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই দুখেৰে কও যে আগতে এই চিমেণ্ট অনাৰ ব্যৱস্থা কৰা নহ'ল আৰু সেই কাৰণে এই অভাব হৈছে। এতিয়া জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ এপ্ৰিল মে আৰু জুন মাহৰ কোটাৰ চিমেণ্ট একেলগে অনিবলৈ ব্যৱস্থা কৰা হৈছে আৰু অলপ অলপকৈ চিমেণ্ট আনি থকা হৈছে আৰু তাৰে কিছু জিলা বা মহকুমা বিলাকলৈ ও পঠিওৱা হৈছে।

শ্ৰীপ্ৰেম বৰা :— অসমৰ ৰাইজে বহুতদিনৰ পৰা চিমেণ্টৰ অভাৱ ভোগ কৰি আহিছে। এই অভাব দুৰ কৰিবৰ কাৰণে চৰকাৰে স্থায়ীভাবে কিবা চিন্তা কৰিছেনেকি ? ৰাজ্যৰ যিটো উতপাদন কেন্দ্ৰ আছে সেইটো অধিক শক্তিশালী কৰিবৰ কাৰণে আৰু তাৰ বাহিৰেও স্থায়ী কিবা ব্যৱস্থাৰ কথা জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— মাননীয় সদস্য গৰাকীক তাৰে কাৰণে মই ধন্যবাদ জনাইছো। মই সদনক এটাকথা জনাব বিছাৰিছো আমাৰ ইয়াত যিটো বোকাজান চিমেণ্ট কাৰখানা আছে সেইটো আমাৰ কতৃত্বৰ ভিতৰত নাই। সেইটো অল ইন্দিয়া চিমেণ্ট কণ্ট্ৰোলাৰৰ নিয়মনীতি মনি চলে আমাৰ নিৰ্দ্দেশত নচলে। আনহাতে তাত যিটো কেপাচিটিত উতপাদন হব লাগিছিল তেনেধৰনে কৰা নাই আৰু সেই বিষয়ে অনুসন্ধান আদি হৈছে কিন্তু তথ্যপাতি সদনত দাঙি ধৰিব খোজা নাই। এই বিষয়ে বিহীত ব্যৱস্থাৰ কাৰনে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। তাৰ পিছত চেৰাপুঞ্জি যিটো চিমেণ্ট ফেক্টৰী আছিল। সেইটোৰ পৰাও চিমেণ্ট নাপাওঁ সেইটো সদায় ব্ৰেক দাউন হৈ থকা বুলিয়ে শুনো। এই সকলোকথা বিবেচনা কৰি আমাৰ ৰিজিওনেল ৰিচাৰ্চ লেবৰেটিৰীৰ সহযোগত আমি কেইটামান মিনি চিমেণ্ট প্লেন কৰিব বিছাৰিছো আৰু এই বিষয়ে কেন্দ্ৰীয় চৰকাৰে ও সকলোধৰণে সুবিধা অনুদানৰ আশ্বাস দিছে। মিনি চিমেণ্ট প্লেনৰ কাৰনে আমাৰ ইয়াত এভেলেবুলৰ মেটেৰিয়েলচও আছে তেতিয়াহলে কিছু চাইদা পুৰণ হব নহলে বাহিৰলৈ সদায় লক্ষ্য কৰি থাকিলে চিমেণ্ট বুলি নহয় অন্যান্য খাদ্য বস্তুৰো অভাব হবই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— আমাৰ কোটা যিটো ৫০ হাজাৰ মেট্ৰিকটন

তাৰ উপৰিও বহুত চিমেণ্টৰ ব্যৱসায়ী সকলে অন্য ৰাজ্যলৈ পঠিয়াইছে আৰু সেইটো অসম চৰকাৰে জানিও উদ্যোগ মন্ত্ৰী বা চিমেণ্ট কণ্ট্ৰোল বোৰ্ডৰ লগত দৃঢ়তাৰে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবঢ়া নাই এই কথা সচা নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই সচা কথা নহয়। মাননীয় সদস্য গৰাকীক জনাব বিছাৰিছো আগতে কি হৈছিল নাজানো। যেতিয়াৰ পৰা নতুন চৰকাৰ হৈছে কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী জৰ্জ ফাৰ্নান্দেজ মহোদয়ে সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে অসমলৈ এলট কৰা চিমেণ্ট কোনো ঠাইলৈ যাব নোৱাৰে। এই সম্পৰ্কে ৰেল কৰ্ত্তপক্ষ, ট্ৰেড এডভাইজৰ আদিয়ে কাৰা নজৰ দিছে যাতে চিমেণ্ট বাহিৰলৈ নাযায়।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মন্ত্ৰী মহোদয়ে এই কথা স্বীকাৰ কি—কৰিছে যে অসমত চিমেণ্টৰ নাটনি হৈছে তাৰ অসুবিধাৰ কথাও উল্লেখ কৰিছে কিন্তু চৰকাৰে জানেনে এহাতে যেনেকৈ চিমেটৰ নাটনিব কথা কৈছে এতিয়াও ৰাজ্যৰ বিভিন্ন ঠাইত অতিৰিক্ত মূল্যত চিমেট বিক্ৰী হৈ আছে আৰু মানুহে ঘৰ তুবাৰ সাজিও আছে। গতিকে যিবিলাক প্ৰাইভেট এজেন্সিয়ে অতিৰিক্ত দামত ৩৫—৪০ টকা দামত চিমেট বিক্ৰী কৰি আছে সেইবিলাক নিয়ন্ত্ৰন কৰিবলৈ চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই গোটেই বিলাক কথা অনুসন্ধান কৰা হৈছে আৰু যিবিলাক ষ্টক ভেৰিফিকেচন কৰি অতিৰিক্ত চিমেট পোৱা গৈছে সেইবিলাক চৰকাৰৰ হাতলৈ অনা হৈছে :

মঃ ছামছুল হুদা :—অধ্যক্ষ মহোদয়, মইমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰে যি মিনি চিমেণ্ট ফেক্টৰীৰ কথা চিন্তা কৰিছে তাৰ লগতে বোকাজানত থকা চিমেণ্ট ফেক্টৰীটো অসম চৰকাৰক হেন্দঅভাৰ কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক টানি ধৰিব নোৱাৰে নে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা — ( মন্ত্ৰী ) — চিন্তা কৰা হব।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি ৮০ হেজাৰটন চিমেণ্টৰ কথা কলে সেই চিমেণ্ট চৰকাৰৰ ফালৰ পৰা নিজৰ এজেন্সীৰ জড়িয়তে অনা হয় নে কোনোবা প্ৰাইভেট ট্ৰেডাৰচক পাৰমিট

দিয়া হয় ? যদি কোনো প্ৰাইভেট ট্ৰেডাৰচক দিয়া হয় আৰু তেওঁলোকক যিটো কমিচন দিব লাগে সেইটো নিদিয়াৰ কাৰণে তেওঁলোকে পাৰমিট পোৱা নাই কথাটো সচাঁনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা – ( মন্ত্ৰী ) – অধ্যক্ষ মহোদয়, যিসকল চিমেণ্ট দিয়েলাৰ সেই সকলক আমি নিয়োগ নকৰো কম্পেনীয়ে কৰে, গতিকে তেওঁলোকৰ মন গলে আনে আৰু মন নগলে নানে। অনা নানাটো আমাৰ ওপৰত নিৰ্ভৰ নকৰে। কিন্তু অসমৰ নামত এলট হোৱা চিমেণ্ট ৰেল গাড়ীত ল'ড হলেই ডিলাৰক আতঁৰাই অন্য ব্যৱস্থাৰে অনাৰ কথা চিন্তা কৰা হৈছে।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত :— অধ্যক্ষ মহোদয়, পূজিবাদী সমাজ ব্যৱস্থাৰ স্বভাব সিদ্ধ নীতি অনুযায়ী নিত্য প্ৰয়োজনীয় বস্তুৰ যি কৃতিম সংকটৰ সৃষ্টি হৈছে তাৰ অন্তৰালত কিছুমান দূনীৰ্তি পৰায়ণ লগতে কিছুমান অপচক্ৰই লাখ লাখ টকা আত্মস্যাত কৰিছে, এই ক্ষেত্ৰত চৰকাৰে এটা বাস্তৱ নীতি গ্ৰহণ কৰিব নোৱাৰে নে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা –( মন্ত্ৰী ) — নিশ্চয় কৰা হৈছে আৰু ভবিষ্যতেও কৰা হব।

Shri Fakrul Islam : – In order to solve the problem of scarcity of cement the Govt. Assam is considering the establishment of some mini-cement plant in the State and the matter is being taken up with the Central Govt. I want to know whether these plants will be in private sector, or in Public sector or in Co-operative sector ?

Shri Dulal Chandra Barua : (Minister) It will be decided as soon as we finalise it. It may be under co-operative sector.

শ্ৰীযোগেন গগৈ :– অধ্যক্ষ মহোদয়, নগৰত চিমেণ্টৰ অভাৱ নাই, কৰ পৰা চিমেণ্ট পাই আমি নাজানো, কিন্তু গাওঁ অঞ্চলত নিগনি এন্দুৰৰ পৰা হাত সাৰিবলৈ গাৱলীয়া মানুহে চিমেণ্ট নাপায়, গাঁৱৰ মানুহৰ ক্ষেত্ৰত

এনেধৰণৰ বৈষম্য নীতি ব্যৱহাৰ কৰা হৈছে। গাঁৱৰ মানুহে এনে হাহা-কাৰত যাতে নপৰে তাৰ বাবে স্পেচিয়েল কোটা দি গাঁৱৰ মানুহক ৰক্ষণা-বেক্ষণ দিয়াৰ কথাটো মন্ত্ৰী মহোদয়ে চিন্তা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা—( মন্ত্ৰী )—অধ্যক্ষ মহোদয় মই আগতেই কৈছো যে তেনেধৰণৰ কিছুমান কাৰবাৰ চলিআছে আৰু সেই কথা চৰকাৰে জানে। এচ, ডি, অ' সকলক নিৰ্দেশ দিয়া হৈছে যে তেওঁলোকক যাতে ষ্টক ভেৰি-ফিকেচন কৰিহে দিয়া হয়। মাননীয় সদস্য জনে যি পৰামৰ্শ দিছে সেই মতে ভৱিষ্যতে যি ষ্টক পাম, কৰিবৰ পৰা হব।

শ্ৰীনগেন বৰুৱা :—অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে কি যে অসমৰ কাৰণে ৫০ হেজাৰ যিটো কোটা আছে ইয়াৰ ভিতৰত কিমান খিনি জনসাধাৰণৰ কাৰণে আৰু কিমান খিনি পি, ডবলিউ, ডি, ই, এণ্ড, ডি আদি বিভাগবোৰৰ কাৰণে এলট কৰা হৈছে ? যোৱাকাল ছোৱাৰ ভিতৰত চিমেণ্টৰ যিটো নাটনি হল সেই ক্ষেত্ৰত এটা আটাইতকৈ ডাঙৰ চক্ৰ জড়িত আছে। এইটো উদ্ঘাটন কৰিবৰ কাৰণে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি এইটো চিৰকালৰ কাৰণে নিৰাময় কৰিবৰ কাৰণে অতি সোনকালে ব্যৱস্থা লবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা —( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, মই কৈছো যে আমি যিটো কোটা পাওঁ তাৰে ৩৫ হেজাৰ মেট্ৰিকটন চৰকাৰ ডেভেলপমেণ্টৰ কাৰণে আৰু আৰু বাকীখিনি অন্যান্য বিতৰণৰ কাৰণে ৰখা হৈছে। কিন্তু ৩৫ হেজাৰ মেট্ৰিক টন চিমেণ্ট সম্পৰ্কে কিছুমান খেলিমেলি আছে। মই আপোনাৰ জড়িয়তে মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে ইতিমধ্যে অনুসন্ধান কৰা হৈছে আৰু বিশেষ এজেন্সীৰ দ্বাৰা, সকলো তথ্য পাতি আমাৰ হাতত আছে, এই সম্পৰ্কে বিহিত ব্যৱস্থা লবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

**খ: ভ্ৰাম্যমান থিয়েটাৰ দল**

**শ্ৰীদৈৱশক্তি ডেকাই সুধিছে :**

**শ্ৰীলক্ষ্যধৰ চৌধুৰী (সাংস্কৃতি পৰি-ক্ৰমা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে**

*২৬৯। মাননীয় সাংকৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কেইখন ভ্ৰাম্যমান থিয়েটাৰ দল আছে আৰু সেই বিলাকৰ নাম কি কি ?

২৬৯ : (ক)— অসমত প্ৰধানতঃ ২২ খন ভ্ৰাম্যমান থিয়েটাৰ দল আছে আৰু তাৰ তালিকা সদনৰ মেজত থোৱা আছে ।

(খ) এই দলবোৰক চৰকাৰৰ পৰা আৰ্থিক ঋণ বা সাহায্য দিয়া হৈছে নেকি আৰু যদি হৈছে, তেন্তে কোন কোন দলক ?

(খ)— সাংস্কৃতিক বিভাগৰ পৰা কোনো চৰকাৰী অনুদান নাইবা ঋণ দিয়া হোৱা নাই ।

(গ) 'ৰাধিকা দেৱী থিয়েটাৰে সাহায্য বিচাৰিছে নেকি ?

(গ)— হয় । ৰাধিকা দেৱী থিয়েটাৰে ষাঠি হাজাৰ টকা সাহায্য বিচাৰি আবেদন কৰিছিল ।

(ঘ) যদি বিচাৰিছে, কেতিয়া দিব পাৰিব ?

(ঘ)— সম্প্ৰতি বিষয়টো বিবেচনাধীন হৈ আছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, সেই থিয়েটাৰ বিলাকে আবেদন কৰিবৰ কাৰণে সাংস্কৃতিক বিভাগে বাতৰি কাকত বা গেজেটত কিবা জাননী দিয়ে নে কি ?

শ্ৰীলক্ষ্য ধৰ চৌধুৰী ( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সাংস্কৃতিক বিভাগৰ পৰা এনে ভ্ৰাম্যমান থিয়েটাৰ দললৈ কোনো ঋণ বা অনুদান দিয়াৰ কথা নাই, সেই কাৰণে বাতৰি কাকতত জাননী দিয়া হোৱা নাই ।

শ্ৰীমুকুট শৰ্মা :— অধ্যক্ষ মহোদয়, এই ভ্ৰাম্যমান নাট্য গোষ্ঠীয়ে তেওঁলোকৰ অভিনয় পৰিবেশন কৰা বহুতো ৰাজহুৱা অনুষ্ঠান অসমত গঢ়ি উঠিছে । গতিকে এই ভ্ৰাম্যমান নাট্য গোষ্ঠিৰ উন্নতিৰ ক্ষেত্ৰত ইয়াৰ যিটো আমোদ কৰ সেইটো উঠাই দিয়াৰ কথা চৰকাৰে চিন্তা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী —( মন্ত্ৰী )—আমি এইটো চিন্তা কৰিছো, কিন্তু আমোদ কৰৰ লগত সাংস্কৃতিৰ কোনো সম্বন্ধ নাই ।

শ্ৰীমুকুট শৰ্মা :—সম্বন্ধ আছে, কাৰণ আমোদ কৰৰ কাৰণে এই অনুষ্ঠান বিলাক গঢ়ি উঠিব নোৱাৰে । ইয়াৰ বিবেচনা চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :–( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, সাংস্কৃতিক বিভাগৰ যিবিলাক অবৈতনিক অনুষ্ঠান সেইবিলাকে সাধাৰণতে আমোদ কৰ ৰেহাই পায়, কিন্তু ভ্ৰাম্যমান থিয়েটাৰ যিহেতু এটা প্ৰফেচন সেই কাৰণে সাংস্কৃতিক বিভাগৰ পৰা কৰ ৰেহাই দিয়াৰ সুবিধা নাই।

শ্ৰীনগেন বৰুৱা :—অধ্যক্ষ মহোদয়, ভ্ৰম্যমান থিয়েটাৰ যিবিলাক গঢ়ি উঠিছে সেই বিলাকক সাহায্য দিয়াৰ কাৰণে ৰাষ্ট্ৰীয় কৃত বেংক আছে, সাংস্কৃতিক বিভাগৰ ইমান ৰেছি পুজি নাই যে প্ৰত্যেকটো থিয়েটাৰ দলক ৬০ হেজাৰকৈ সাহায্য দিব পাৰে। গতিকে আমাৰ সাংস্কৃতিক বিভাগ বা শিক্ষা বিভাগে এই অনুষ্ঠান বিলাকৰ সাহায্য দিয়াৰ কাৰণে বেংকৰ লগত সম্পৰ্ক ৰাখিবৰ কাৰণে চৰকাৰৰ ফালৰ পৰা সুবিধা কৰাৰ কিবা ব্যৱস্থা হব নে কি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—( মন্ত্ৰী )—অধ্যক্ষ মহোদয়, চেনট্ৰেল বেংকৰ পৰা ভ্ৰাম্যমান থিয়েটাৰ গোষ্ঠিক ধন দিয়াৰ ব্যৱস্থা কৰা হৈছে সেই কথা মই জানো। মই নিজে মন্ত্ৰী হোৱাৰ আগতে এনে ধৰণৰে ধন বিচাৰি যাওঁতে জনালে যে যিবিলাক ভ্ৰাম্যমান দলক ধন দিয়া হয় তেওঁলোকে নিয়ম মতে ধন পৰিশোধ নকৰাৰ কাৰণে নতুন দলক ধাৰে দিয়া অসুবিধা হয়।

শ্ৰীএ, এন, আক্ৰাম হুচেইন :—অধ্যক্ষ মহোদয় কেন্দ্ৰীয় চৰকাৰে ভ্ৰামামান থিয়েটাৰ দলক উন্নতিৰ বাবে কিবা গ্ৰাণ্ট দিছে নে কি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—( মন্ত্ৰী )- কেন্দ্ৰীয় চৰকাৰক সুধিলে ভাল আছিল, মই নাজানো।

শ্ৰীঅজয় দত্ত :— অধ্যক্ষ মহোদয়, গুৱাহাটীত থকা ৰবিন্দ্ৰ ভবন আৰু জিলা পুথিভৰাল, এই হল দুটাৰ ষ্টেজ আৰু হলৰ ভৰা বঢ়াই দিয়াৰ কাৰণে নাট্য গুষ্টিৰ মাজত আন্দোলন গঢ়ি উঠিছে। সেই কাৰণে এই উচ্চ হাৰৰ পৰা ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) যি বিলাক অবৈতনিক দলে ভাৰা বঢ়োৱাৰ কাৰণে আন্দোলন কৰিছিল সেই বিলাকৰ গুৰিতে ময়ো আছিলো। মই এই অসুবিধাটো বুজি পাইছো আৰু এইটো উঠি যোৱাটো মন্নো কামনা কৰিছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ— মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা আমি গম পাইছো যে তেখেত ভ্ৰাম্যমান থিয়েটাৰৰ লগত জৰিত আছিল। তেখেত কোন ভ্ৰাম্যমান থিয়েটাৰৰ লগত জৰিত আছিল আৰু সেই থিয়েটাৰত কি ভুমিকাত অবতীৰ্ণ হৈছিল ?

( উত্তৰ নাই )

শ্ৰীভুবনেশ্বৰ বৰ্মন ঃ— ভ্ৰাম্যমান থিয়েটাৰ বিলাক গাৱেভুঞেঁ গঢ়ি উঠাৰ কাৰণে সাংস্কৃতিক জগততো অবিহনা যোগাইছে আৰু বিশেষকৈ নিবনুৱা ডেকা কিছুসংখ্যাকক চাকৰি দি নিবনুৱা সমস্যা কিছু পৰিমানে দূৰ কৰিছে। গতিকে এই সকল উতসাহিত কৰিবৰ কাৰণে নন ৰেকাৰিং গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— সেইটো মই ব্যক্তিগত ভাবে বিবেচনা কৰি আছো। কিন্তু চৰকাৰী ভাবে বিবেচনা কৰিবলৈ কিছু সময় লাগিব।

## Re : Construction of Railway Over-Bridges

Shri KHOGEN BAR-BARUAH asked :

*270. Will the Minister, P, W. D. be pleased to state-

(a) Whether Government is aware that there is necessity of some over-bridges on the Railway lines (N. F.) going through the towns ?

(b) If so, in which places of Assam ?

Shri DULAL CHANDRA Baruah (Minister, P.W.D.) replied :

270. [a]—Yes.

(b)—The schemes for over bridges on Zoo Road in Gauhati, on Na-ali and on Gar-ali in Jorhat and at Bongaigaon are under pro-

| | |
|---|---|
| | cess. Taking up of further schemes will depend on intensity of both Rail and Road traffic, period and frequency of closure of Railway gates and availability of funds. |
| (c) If so, whether Government propose to take up such programme in important towns ? | (c) & (d)—Does not arise in view of replies to (b) above. |
| (d) If not, why not ? | |

Shri Khagen Barbaruah :— Sir, so far the reply to question (a) is concerned whether Government have collected figures on number of vehicles, cycles, auto, ete passing over the point of the road crossing the railway line ?

Shri Dulal Chandra Barua, ( Minister ) :—Yes, we are collecting. Every month traffic census is being collected and on the basis of this census we prepare proposals.

Shri Khagen Barbaruah : Sir, so far only 3 proposals have been placed by the Minister. May I know whether Government have proposed to take up this over-bridge within the next plan ?

Shri Dulal Chandra Barua (Minister) :—Sir, it depends upon the availability of fund.

Shri Pramode Chandra Gogoi :— Sir, it is stated that Government is considering only 3 overbridges. May I know whether there is any proposal for construction of over-bridge at Simaluguri railway crossing ?

Shri Dulal Chandra Barua, ( Minister ):—This is under consideration of the Government.

শ্ৰীৰবিন্দ্ৰ নাথ মালাকাৰ : গুৱাহাটীত দুখন অভাৰ ব্ৰিজ হৈ আৰু এখনৰ কাৰণে চাৰভে কৰা হৈছে। এই ব্ৰিজখন কেতিয়া সম্পূৰ্ণ হব সেইকথা জনাবনে ?

Shri Dulal Chandra Barua, ( Minister) :--Sir, everything has been finalised and construction will be taken up very soon.

Shri Giasuddin Ahmed :– Sir, may I know whether Government is aware of the necessity of such an over-bridge in Dhubri town over the railway line ?

Shri Dulal Chandra Barua ( Minister ): Sir, information is not available with me.

Shri Giasuddin Ahmed : whether Government will make an enquiry ?

Shri Dulal Chandra Barua, ( Minister ) :– Definitely we will enquire.

Shri Altaf Hussain Mazumdar : – Sir, may I draw your kind attention to the fact that we have many very much important question but alreaby in 3 or 4 questions about 45 minute have gone. So, will the hon'bbe seapker see that other important questions can come up ?

শ্ৰীনগেন শৰ্মা :— অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে নেচনেল হাই ওৱে আৰু বিশেষকৈ যি বিলাক গুৰুত্বপূৰ্ণ পথ সেই বিলাকত কেন্দ্ৰীয় চৰকাৰে পইচা পাতি দিয়ে । কিন্তু নেচনেল হাইওৱে যি বিলাক ঠাইত ৰেলওৱে ক্ৰচিং আছে যেনে চাংচাৰি আদি, এই বিলাকত অভাৰ ব্ৰিজ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কাৰ হৈছেনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমাৰ নেচনেল হাইওৱেৰ সম্পূৰ্ণ খৰচ কেন্দ্ৰীয় চৰকাৰে দিয়ে । এই সম্পৰ্কত অভাৰ ব্ৰিজ দিবলৈ হলে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পাব লাগিব । আমাৰ নেচনেল হাইওৱে ধুবুৰিৰ পৰা চৈখোৱা ঘাটলৈকে আছে এই বিলাকত অভাৰ ব্ৰিজৰ প্ৰয়োজন আছে । এই বিলাকৰ সংক্ৰান্তত আমি কেন্দ্ৰীয় চৰকাৰ লগত যোগাযোগ চলাই আছো ।

Shri Premodhar Bora :—Sir, do the Government not feel that construction of bridge on railway crossings is a joint responsibility of the State Government and the Centre ?

Shri Dulal Chandra Barua. (Minister) :—Sir, there are two schemes— one is financed by the state Government on 50 : 50 basis principles and another scheme is there which should be financed by the Central Government if necessary.

Shri Ranendra Narayan Basumatari :—Sir, may I know in view of the fact that a road coming from Dhubri towards Sarpanguri touching Lateral Road bypasing the Railway Junction is of Strategic importance will the Minister consider that this road having connection with Lateral Road at Sarpanguri will be connected with over bridge ?

Shri Dulal Chandra Barua (Minister) :—Sir. I will look into it.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— ৰাষ্ট্ৰীয় ৰাজ পথৰ থেকেৰা পুৰিত উজনিৰ পৰা নামনিলৈ অহা আৰু নামনিৰ পৰা উজনিলৈ যোৱা গাড়ী আদি ৰাতিপুৱা ২ ঘন্টা আৰু আবেলি ২ ঘণ্টালৈকে ৰৈ থাকিব লগীয়া হয়। ১৯৬৭ চনৰ পৰাই ইয়াত এখন অভাৰ ব্ৰিজৰ দাবী কৰি অহাহৈছে আৰু বিধান সভাটো বহুতো সদস্যই দাবী জনাই আহিছে। গতিকে এই অভাৰ ব্ৰিজ খনৰ কথা গুৰুত্ব সহকাৰে বিবেচনা কৰিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা —(মন্ত্ৰী) গুৰুত্ব সহকাৰে বিবেচনা কৰিয়েই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় সদস্য শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ দেৱ উত্থাপন কৰাৰ লগতে ময়ো উত্থাপন কৰিব বিচাৰিছো যে অ, এন' জি, চিলৈ যাওঁতে যিটো ৰেলওৱে ক্ৰচিং আছে সেই ক্ৰচিঙত এখন ৰেলওৱে অভাৰ ব্ৰিজৰ অত্যন্ত প্ৰয়োজন। সেই কথালৈ লক্ষ্য ৰাখি তাত এখন অভাৰ ব্ৰিজ দিয়াৰ কথা চিন্তা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা —( মন্ত্ৰী )—শিবসাগৰ মহকুমা, শিবসাগৰ জিলা আৰু ডিব্ৰুগড়ৰ ৰাস্তা পদূলি আদি বেয়া। এই বিলাক উন্নত কৰাৰ প্ৰয়োজন আছে। কাৰণ সেই বিলাক ঠাইত ট্ৰেফিক বৰ হেভি। আমি এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই আছো। আমি প্ৰত্যেকটো ৰাস্তা আৰু প্ৰত্যেক খন ৰেলওৱে দলং উন্নত কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ চলাই আছো।

শ্ৰীনৰেন দত্ত ঃ— নলবাৰী দমদমা ৰাস্তাত যিটো ৰেলওৱে লাইন আছে সেই ৰাস্তাৰে বাচকালৈ গৈছে। বাচকা অঞ্চলটো কামৰূপৰ ভিতৰতে ধানৰ ভৰাল ঃ এই বাচকা অঞ্চলৰ পৰা ৬৭ চনৰ পৰাই হাজাৰ হাজাৰ মোন ধান চাউল এই ৰাস্তাৰে অনানিয়া কৰে। ১৯৫৭ চনৰ পৰাই ইয়াত এখন অভাৰ ব্ৰিজৰ প্ৰয়োজন হৈ আহিছে। গতিকে এই কথাটোও চিন্তা কৰিবনে ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা —( মন্ত্ৰী )— এইটো চিন্তা কৰা হব।

Shri Altaf Hussain Mazumdar : – Sir, may I draw your kind attention to the fact that we have many very much important question but alreaby in 3 or 4 questions about 45 minute have gone. So, will the hon'ble speadker see that other important questions can come up ?

Starred Question No. 271 was not put, the member being absent.

বিঃ— উত্তৰ অসম সমবায় চেনীকল

| | |
|---|---|
| শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ | শ্ৰীসোনেশ্বৰ বৰা ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ |
| *২৭২। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে | |
| (ক) উত্তৰ অসম সমবায় চেনিকলটো কেতিয়া স্থাপন হৈছিল ? | ২৭২। (ক) পঞ্জীভুক্ত কৰা হয় ১৯৭১-৬৮ চনত আৰু ১৯৭১ চনত |

খাণ্ডচাৰী চেনী কাৰখানা হিচাপে স্থাপন কৰা হয়।

(খ) এই চেনিকলৰ কাৰণে বিভিন্ন বিভাগীয় অনুদানৰ পৰিমাণ আৰু ৰাজহ বিভাগ বন বিভাগে মঞ্জুৰ কৰা মাটিৰ পৰিমাণ কিমান ?

(খ) বিভিন্ন বিভাগীয় অনুদান আৰু সাহাৰ্য্য—

১। অসম চৰকাৰৰ কৃষি বিভাগ ( Grants - in - aid )—

| | |
|---|---|
| ১৯৭০-৭১ | ৬০,০০০.০০ |
| ১৯৭১-৭২ | ৫৮,০০০.০০ |
| ১৯৭৪-৭৫ | ৫০,০০০.০০ |
| | ১,৬৮,০০০.০০ |

২ অসম চৰকাৰৰ সমবায় বিভাগ ( Subsidy )—

| | |
|---|---|
| ১৯৭০-৭১ | ৪,০০০,০০ |
| | মুঠ—১,৭২,০০০.০০ |

এই অনুষ্ঠানক অসম চৰকাৰৰ ৰাজহ বিভাগে তলত উল্লেখিত মাটি মঞ্জুৰ কৰিছিল।

| | |
|---|---|
| ১। নিজবাঘমৰা মৌজা বাঘমাৰা | ২৯২ বিঃ ১ কঃ ১৯ লেঃ |
| ২। ১নং দিচিৰি পথাৰমৌজা বাঘমাৰা | ১১০ বিঃ ৪ কঃ ১৪ লেঃ |
| ৩। জৰাবাৰী বাঘমৰা মৌজা বাঘমাৰা | ৫৯৪ বিঃ ৪ কঃ ২ লেঃ |
| ৪। ২নং ধেমাজীবাৰী মৌজা বাঘমাৰা | ৬৩০ বিঃ ৩ কঃ ১৮ লেঃ |
| ৫। শলমাৰী বাঘমৰা মৌজা বাঘমাৰা | ১৮০ বিঃ ৪ কঃ ১২ লেঃ |
| ৬। কদমনি বস্তি মৌজা বিশ্বনাথ | ৩৪৭ বিঃ ৩ কঃ ৯ লেঃ |
| ৭। ভীৰগাওঁ মৌজা বিশ্বনাথ | ৩৯৭ বিঃ ৪ কঃ ৮ লেঃ |
| ৮। গেৰুৱাবাৰী মৌজা বিশ্বনাথ | • ১৫ বিঃ |
| | মুঠ—২৫৭০ বিঃ ২ কঃ ২ লেঃ |

বন বিভাগৰ পৰা কোনো মাটি মঞ্জুৰী পোৱা হোৱা নাই।

(গ) এই চেনিকলটোৰ পৰিসৰ

(গ) পূৰ্ণাংগ চেনিকলৰ বাবে সমিতিৰ

বঢ়োৱাৰ কাৰণে চৰকাৰে কিবা আঁচনি লৈছে নেকি ?

ফালৰ পৰা আবেদন কৰা হৈছে যদিও চলিত চেনিকলৰ অৱস্থা লক্ষ্য কৰি এই চেনিকলটোৰ পৰিসৰ বৃদ্ধিৰ বাবে চৰকাৰৰ হাতত কোনো নতুন আচঁনি নাই।

শ্ৰীগোলোক ৰাজবংশী :— বৰ্তমান এই চেনিকলটোৰ অবস্থা কেনে ধৰণৰ ?

শ্ৰীসোণেশ্বৰ বৰা : ( কৃষি মন্ত্ৰী ) :— বৰ্ত্তমান চেনিকলটো চলি আছে। অৰ্থিক অবস্থাৰ ফালৰ পৰা বৰ ভাল নহয়।

শ্ৰীগোলোক ৰাজবংশী :— চেনিকলক দিয়া মাটিবাৰী বিলাক কেনে ধৰণে ব্যৱহাৰ কৰা হৈছে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) : এই মাটিবাৰী বিলাকৰ চাৰিশ বিঘাত কুহিঁয়াৰ খেতি কৰা হৈছে, কিছুমান মাটি এতিয়া ও কিছুমান খেতিয়কে বেদখল কৰি আছে আৰু এখন বাগানেও এটা বেদখল কৰিছে, নৈৰ গড়াখহনীয়াই কিছু মাটি নিছে। মুঠ সংখ্যাৰ সকলো মাটি চেনিকলৰ দখলত নাই।

শ্ৰীগোলোক ৰাজবংশী :—চেনিকলটো লাভজনক কৰিবৰ কাৰণে আৰু পৰিসৰ বঢ়াবৰ কাৰণে ব্যৱস্থা লৈছেনে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) : চেনিকলটো লাভজনক কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে পুৰ্ণাঙ্গ চেনিকল কৰিবলৈ আবেদন কৰিছে। লোকচানৰ সংখ্যা দেখি ই লাভবান হব পাৰিব নে নোৱাৰে তাৰ কৰ্ম্মকৰ্ত্তা সকলৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰিব।

শ্ৰীগোলোক ৰাজবংশী : লোকচান সম্প'কত বিভাগীয় তদন্ত কৰা হৈছেনে নাই ?

শ্ৰীসোণেশ্বৰ বৰা ( মন্ত্ৰী ) :— অডিট কৰা হৈছে। দেখা গল— ১৯৭৬-৭৭ চনলৈ হিচাব নিকাচ সম্পুৰ্ণ হৈছে আৰু ৩০—৬—৭৭ তাৰিখত সৰ্ব্বমুঠ লোকচানৰ পৰিমাণ ৭,১১,১৮০·৮১পইচা।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— তিনিচুকীয়াব ডুমডুমাত চেনিকল কৰাৰ কথা আছিল, সেইটো কি হল ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) :— এইটো প্ৰশ্ন বেলেগে দিলে ভাল হয় ।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— মন্ত্ৰী মহোদয়ে জনাইছে যে প্ৰায় সাত লাখ টকা লোকচান হৈছে । ইমান লাখ টকা লোকচান হোৱাটো কাৰ দায়িত্ব ? বৰ্ড অব ডিৰেক্টৰৰ ভুলৰ কাৰণে নে বিষয়াৰ ভুলৰ কাৰণে নে ব্যৱসায়ৰ কাৰণে লোকচান হৈছে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) : চেনিকল চলোৱা কৰ্ম্মকৰ্ত্তা সকলৰ ভুলত হৈছে ।

শ্ৰীজীবন বৰা : চেনিকলৰ বৰ্ড অব ডিৰেক্টৰ সকলৰ নাম কেইটা কবনে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) : ডাঃ কোমেশ্বৰ বৰা, চেয়াৰমেন, বৰ্তমানৰ-সংসদী সচিব শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা সদস্য, শ্ৰীইন্দ্ৰেশ্বৰ বৰঠাকুৰ, সদস্য, শ্ৰীগিৰীশ ফুকন, সদস্য, শ্ৰীচন্দ্ৰ শেখৰ বৰা, সদস্য, সমবায় সমিতি সমূহৰ উপ—পঞ্জীয়ক, দৰং তেজপুৰ নাইবা তেওঁৰ প্ৰতিনিধি, উদ্যোগ বিভাগৰ সঞ্চালক, অসম বা তেওঁৰ প্ৰতিনিধি, অসম সমবায় এপেক্স বেংক লিমিটেডৰ পৰা এজন প্ৰতিনিধি, কলৰ সম্পাদক ।

শ্ৰীজীৱন বৰা : যি সকল বৰ্ড ডিৰেক্টৰৰ দিনত লোকচান হৈছে সেইসকলৰ নাম জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) :— এইটো কথা ঠিক যে ২৫—৯—৭৬ তাৰিখে যি বৰ্ড অৱ ডিৰেক্টৰ গঠিত সেই বৰ্ডেচলি আছে ।

শ্ৰীপ্ৰেম ধৰ বৰা:— এই চেনিকলৰ কৰ্ম্মচাৰী কিমান মাহিলি দৰ্মহা কিমান, আৰু চেনি কিমান ওলায় ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী )— এই সমিতি খনত মুঠ কৰ্ম্মচাৰী ৫২জন আছে । বছৰি দৰ্মহা দিওঁতে খৰচ হয় ৯০ হাজাৰ দুইশ টকা চেনি উতপাদন হৈছে ১৯৭২-৭৩ চনত ৯৮৪ কুইন্টল আৰু বিক্ৰি কৰি পইচা পোৱা গৈছে ৩,১০.৩৯৫ টকা ১৯৭৩—৭৪ চনত উতপাদন হৈছে ১,৩১৯ কুইন্টল আৰু বিক্ৰি কৰি পইচা পোৱা গৈছে ৩,৮১,৫১০ টকা আৰু ১৯৭৪—৭৫ চনত উতপাদন হৈছে ৭৫৩ কুইন্টল আৰু বিক্ৰি কৰি পইচা পোৱা গৈছে ২,৯৭৪,৩৪ টকা ।

শ্ৰীগোলোক কাকতি : মই সেই অঞ্চলৰ মানুহ হিচাবে কব পাৰো মন্ত্ৰী মহোদয়ে যি খিনি পৰিচালনা সমিতিৰ নাম ঘোষণা কৰিছে মিছা।

মাননীয় অধ্যক্ষ : মিছা বুলি কবলৈ নাপায়।

শ্ৰীগোলোক কাকতি: সত্য নহয়। আগতে যি কমিটিয়ে আৰম্ভ কৰিছিল জনাবনে ?

শ্ৰীসোণেশ্বৰ বৰা (মন্ত্ৰী) ঃ— খা— খবৰ লৈ পোৱা ৰিপোৰ্ট মতে কৈছো ২৫—৯—৭৬ তাৰিখত বৰ্ডঅব ডিৰেক্টৰ সাধাৰণ নিৰ্ব্বাচনৰ মাধ্যমত গঠিত হয় আৰু এতিয়া সেই সভা চলি আছে।

মো : চামচুল হুদা :— এই চেনিকলত উতপাদন কিমান কুইন্টল হয়, উতপাদন খৰচ কিমান, আৰু বিক্ৰি কৰি কিমান পোৱা হৈছে ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) — বিক্ৰি কৰি পোৱা হিচাব দিছোৱেই।

মো : চামচুল হুদা :— উতপাদন খৰচ কিমান হয় ?

শ্ৰীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) গড় হিচাবৰ উতপাদনৰ তিনি বছৰৰ হিচাব পঢ়ি শুনাইছো য়েই :

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— বৰ্তমানৰ বৰ্ডঅব ডিৰেক্টৰৰ সময়ত লোকচান হৈছে নে আগৰ বৰ্ডঅব ডিৰেক্টৰৰ দিনত লোকচান হৈছে ?

শ্ৰীসোণেশ্বৰ বৰা ( মন্ত্ৰী ) :— ২৫ ৯—৭৬ তাৰিখত গঠিত হোৱা বৰ্ড বৰ্তমান আছে। পঞ্জীভুক্ত কৰা হৈছিল ১৯৬৭— ৬৮ চনত আৰু ১৯৭১ চনত খাণ্ডাচাৰী চেনি কাৰখানা হিচাবে স্থাপন কৰা হয়। সেই সময়ত অন্য মানুহে পৰিচালনা কৰিছিল।

শ্ৰীনগেন বৰুৱা :— এই চেনিকলটো কিমান চনত প্ৰতিষ্ঠা কৰা হৈছিল আৰু প্ৰতিষ্ঠা কৰোতে কিমান টকা খৰচ কৰা হৈছিল ? সেই সময়ত নমিনেটেড বৰ্ড আছিল নে ইলেকটেড বৰ্ড আছিল ?

শ্রীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) :— সেই খিনি হিচাব মোৰ হাতত নাই। মাননীয় সদস্য গৰাকীয়ে বিচাৰিলে খা-খবৰ লৈ নিশ্চয় জনোৱা হব মই কৈছোৱেই ১৯৭১ চনত খাণ্ডাচাৰী চেনিকল প্ৰতিষ্টা হৈছে আৰু মেচিনেৰী কিনাৰ মূলধনৰ হিচাব বৰ্ত্তমান মোৰ হাতত নাই।

Shri Altaf Hossain Mazumdar :— Mr Speaker, Sir, this information involves a detailed statement of figures and all that the Hon'ble Minister may place the detailed statement on the table of the House for the information of the Hon'ble questioner.

শ্রীগোলোক ৰাজবংশী : একজিকিউটিভ অফিচাৰ আৰু বৰ্ডঅব ডিৰেক্টৰৰ মনোমালিন্য হোৱাৰ কাৰণে লোকচান হৈছে, এই কথাটো সচাঁনে ?

শ্রীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) : মনোমালিন্য হৈছে নে নাই কব নোৱাৰো কিন্তু সহবাস কৰি আছে।

( হাঁহিৰ ধ্বনী )

শ্রীঅতুল গোস্বামী :— বজাৰত যি চেনি পোৱা যায় তাৰ তুলনাত খাণ্ডাচাৰী চেনিকলৰ চেনিৰ কুৱলিটি নিম্নগামী হোৱা কাৰণে লোকচান হৈছে, সচাঁনে ?

শ্রীসোণেশ্বৰ বৰা : ( মন্ত্ৰী ) .— অবশ্যে ডাঙৰ চেনি কলৰ তুলনাত খাণ্ডাচাৰীৰ পাৰ্থক্য আছে। গতিকে বিক্ৰি দাম দেখা গল ১৯৭১—৭২ চনত ২৬৫ টকা কুইন্টলত, ১৯৭২—৭৩ চনত ৩১৬ টকা কুইন্টলত, ১৯৭৩-৭৪ চনত ২৯০ টকা কুইন্টলত।

Mr. Speaker :—The question hour is over.

Undisposed starred questions dated 21-6-78.

## *Re*-Appointment of Shri M. M. Islam as Additional C. C. F.

Shri M. SHAMSUL HUDA asked :

Shri SAMAR BRAHMA CHOUDHURY (Minister, Forests) replied :

*273. Will the Minister, Forests be pleased to state-

(a) Whether it is a fact that the appointment of Shri M, M Islam, as Additional C.C.F. has been cancelled?

273. (a)—Yes.

(b) If so, the reasons thereof ?

(b)—The order issued promoting Shri M. M. Islam was found to be irregular and the whole issue needs to be reviewed.

(c) Whether it is also a fact that this officer has been deprived of his due status by keeping him out side the parent Department ?

(c)—Does not arise.

(d) If so, whether he will be brought back to his parent Department ?

(d)—On being relieved from the deputation post he has since reverted to the parent Deprtment and proceeded on leave.

## *Re* : Compensation land for acquisition of land for Nefatala Drainage Scheme

Shri ABDUL MUQTADIR CHOUDHURY asked :

Shri RAMESH MOHAN KOULI ( Minister, Flood Control ) replied :

*273 Will the Minister. Flood Control be pleased to state—

(a) Whether the compensations for the acquisition of land for Nefatala dranage Scheme under Karimganj Flood Control Division has been paid to the land owner ?

(b) If not, the reason for the delay ?

274. (a)—50% advance payment has been made in case of two villages. No compensation for the remaining cases has yet been paid.

(b)—The land acquisition records which are under preparation have not yet been completed.

বিঃ বৰ্ণিহাটৰ বন বিদ্যালয়

শ্ৰীহৰেন্দ্ৰ গোস্বামীয়ে সুধিছে ঃ

*২৭৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ণিহাটত থকা "বন মহাবিদ্যালয়" খন স্থানান্তৰৰ বাবে চৰকাৰলৈ কিবা প্ৰস্তাৱ আহিছেনে আৰু যদি আহিছেই কেনে ধৰণৰ ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭৫। ক— যথেষ্ট সংখ্যক শিক্ষক নথকাত, যাতায়াতৰ অসুবিধা, হাস্পতাল নথকাৰ কাৰণে চিকিৎসাৰ অসুবিধা, ওচৰত বজাৰ নথকাত বজাবাদি কৰাৰ অসুবিধা আৰু আমোদ-প্ৰমোদৰ সুবিধা নথকাৰ হেতুকে ছাত্ৰ সকলৰ স্থানান্তৰৰ দাবীৰ পৰিপ্ৰেক্ষিতে ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ে এই কলেজখন অন্য ঠাইলৈ স্থানান্তৰিত কৰি-

বৰ কাৰণে চিন্তা কৰিছিল। ভাৰত চৰকাৰৰ কৃষি মন্ত্ৰণালয়ে চিলঙলৈ স্থানান্তৰিত কৰাৰ কথা চিন্তা কৰিছিল। অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত এই সম্বন্ধে যোগাযোগ কৰি বৰ্ণিহাটৰ পৰা কলেজখন উঠাই দিয়াৰ কাৰ্য্যটো সম্প্ৰতি স্থগিত ৰখাইছো।

(খ) বৰ্ত্তমানে এই কলেজখনৰ পৰিচালনাত অসম আৰু মেঘালয় চৰকাৰৰ দায়িত্ব কিমান আৰু কি কি বিষয়ত ন্যস্ত আছে ?

(খ) - যেহেতু কলেজখন ভাৰত চৰকাৰৰ অধীনত, তাত অসম চৰকাৰৰ পৰিচালনাৰ কোনো দায়িত্ব নাই। মেঘালয় চৰকাৰৰো পৰিচালনাৰ দায়িত্ব সম্ভৱত নাই।

(গ) এই কলেজত নিয়োজিত কৰ্মচাৰী সকল কোন ৰাজ্যৰ কিমান ?

(গ)—অসমৰ অধ্যক্ষ ও দুজন লেকচাৰাৰকে ধৰি কলেজ বিভাগত ২৭ জন আৰু মেঘালয়ৰ ৬ জনা। ৰিচাৰ্চ বিভাগত অসমৰ ২০ জন, মেঘালয়ৰ ৫ জন আৰু উত্তৰ প্ৰদেশৰ ৪ জন।

বি ঃ মহকুমা পৰ্য্যায়ৰ গড়কাপ্তানী বিভাগৰ বোৰ্ড

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে ঃ

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

*২৭৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰে গড়কাপ্তানী বিভাগক পৰামৰ্শ দিবলৈ মহকুমা পৰ্য্যায়ত একোখন বোৰ্ড গঠন কৰিবলৈ সিদ্ধান্ত লৈছে নেকি ?

২৭৬। (ক) – হয়।

(খ) যদি লৈছে উক্ত মহকুমা পৰ্যায়ৰ বোৰ্ড বিলাকৰ কৰ্ত্তব্য আৰু দায়িত্ব কি হব ?

(খ)-টাৰ্মচ অৱ ৰেফাৰেন্স এইবোৰঃ-

(১) পৰিকল্পনাৰ আঁচনিত লোৱা আৰু চলিথকা কামবোৰ কাৰ্য্যত পৰিণত কৰাৰ কাৰণে মাহেকীয়া পৰ্য্যালোচনা আৰু প্ৰতিবেদন।

(২) 'নিম্নতম চাহিদা আঁচনিত লোৱা বাস্তাৰ উন্নতিকল্পে মাটি পোৱাৰ নানা অসুবিধাবোৰ আঁতৰাই দিয়াৰ বাবে যথাবিহিত উপদেশ দিয়া।

(৩) ১৯৭৮-৭৯ চনত মহকুমাত লবলগীয়া নতুন ৰাস্তা আৰু 'মিচিং লিংক' তৈয়াৰ কৰাৰ বাবে বিভাগে দিয়া নিৰ্দ্দেশাৱলী মতে ১৯৭৮ চনৰ জুলাই মাহৰ ভিতৰত সত্নপদেশ আৰু গুৰুত্ব আদি দৰ্শাই দিয়া।

(৪) ১৯৭৮-৭৯ চনত 'নিম্নতম চাহিদা আচঁনি'ত লবলগীয়া কামবোৰৰ তালিকা প্ৰথম বৈঠকত স্থিৰ কৰা।

(৫) ৰাস্তা নিৰ্মাণ উন্নয়ন কৰ্য্যক্ৰমত ৰাইজৰ অংশগ্ৰহণ কৰাৰ বাবে, যিতো দ্বাৰা গাওঁ অঞ্চলৰ ৰাইজৰ আৰ্থিক সহায় হয় আৰু কিছু পৰিমাণ নিবনুৱা সমস্যাৰো সমাধান হয়, সেই কাৰণে ব'ৰ্ড শ্ৰমিক বাহিনীৰ যোগাৰৰ বাবে সংগঠন কৰা।

(৬) দৰকাৰ হলে কোনোবা নিৰ্দ্দিষ্ট উপদ্দেশ্যে ব'ৰ্ডে উপ-সমিতি (চাব-কমিটি) ও গঠন কৰিব পাৰে আৰু ৰাস্তা নিৰ্ম্মাণও ৰক্ষণা-বেক্ষণৰ কান পৰিদৰ্শণ কৰিব পাৰে।

(৭) ১৯৭৯ চনৰ মাৰ্চ মাহলৈকে ব'ৰ্ডে মহকুমাৰ ৰাস্তা উন্নয়নৰ অগ্ৰগতিৰ পৰ্য্যালোচনা কৰিব আৰু তাৰ পিছৰ উন্নয়ণৰ বাবে প্ৰতি মহকুমাৰ ৰোড নেটৱাৰ্কৰ কাৰণে এটা পুনৰ্বিন্যাসিত পৰিকল্পনা ( মদিফাইদ মাষ্টাৰ প্লেন ) ১৯৭৯ চনৰ আগষ্ট মাহৰ ভিতৰত কৰা হব ।

(৮) চাব ডিভিজ্ঞনেল ৰোড কমিউনিকেশ্যন বৰ্ড প্ৰতি মাহত এবাৰকৈ বহিব আৰু তেওঁলোকৰ অনুমোদন ফাইন্দিংচ মুখ্য অভিযন্তা (পথ) ক দাখিল কৰিব আৰু সচিবালয়ত অনুধাৱনৰ বাবে প্ৰতিলিপি পঠাব । ( এই সংক্ৰান্তত এ, আৰ, চি, বি'ত দিয়া এজেণ্ডা নোটচ'ৰ নকল সদনৰ মেজত থোৱা হৈছে । )

(গ) উক্ত ব'ৰ্ডৰ সদস্য কেইজন আৰু কোন কোন ?

(গ) — মহকুমা অনুয়ায়ী সদস্য সংখ্যা বেলেগ বেলেগ হব' আৰু মনোনীত সদস্য কেইজনৰ নাম এতিয়াও স্থিৰ হোৱা নাই তথাপি বৰ্ত্তমান ইয়াকে কব' পাৰি যে, বিধান সভাৰ সকলে মহকুমা পৰ্য্যায়ৰ ব'ৰ্ডৰ মেম্বাৰ হব । বাকী নাম দিব পৰা নগ'ল !

## Re : Price fo Masurdal

Shri KALIRAM DEKA RAJA asked :

Shri DULAL CHANDRA BARUAH (Minister,) replied.

*277. Will the Minister, Supply be pleased to state—

(a) What is the price of Masurdal at present per Kg. ?

277. (a)— The present retaill price of Masurdal is ranging between Rs. 4.50 per Kg. in Assam.

(b) What was the price of Mesurdal per Kg. on April, 30, 1976 and 1977 ?

b)-The retail price of Masur-dal as on 29th April 76 was ranging between Rs. 1.90to Rs. 2.30 per Kg. and on 29th April 1977 the retail was ranging between Rs. 2.45 to Rs. 2.87 per Kg.

(c) What are the causes of rising prices ?

(c)— Rise in price at the sources of Supplies outside the State.

(d) Whether it is a fact that that the Minister-in charge, Supply, made a declaration to supply Masurdal at Rs. 3.00 per kg.

(d)—Yes.

(e) If so, what steps have so far been taken in this connection ?

(e) The decision has been implemented with effect from 1st June, 1978 through retail outlets of STATFED and GPSS.

*Re* : **Distribution of essential commodities**

Shri LAKHYA NATH DOLEY asked :

Shri DULAL CHANDRA BARUAH (Minister, Supply) replied :

*278. Will the Minister, Supply be pleased to state

(a) Whether it is fact that the Government have proposal for distribution of essential commodities at fair prices ?

(b) If since when ?

278. (a) & (b) — The Government has been distributing some items of essential commodities through the existing public distrbution system at fair prices and propose to bring more items into the fold of the public distribution system in a phased manner.

(c) Which are the agencies through which the distribution will take place ?

(c)— The Distrbution will be made through (a) Gaon Panchyat Level Coop Societies with their agents (d) Consumers' Coops. (c) Fair Price Shops (d) Statfed retail outlets.

(d) What are the items of commodites covered by the Scheme ?

(d)—At present, rice wheat products levy sugaar and alt are distributed through the public distribution system. The co-operatives under the public distribution system in addition to the above commodites also diatribute controlled cloth, ediblie oil, masurdal, salt and tea leaves are also being. distributed through the Statfed retail outlets.

It is proposed to distribute edible oil, masurdal, kerosene oil through all

the agencies of the public distribution system It is also under consideration to include yarn in the public distribution system.

## বিঃ ধান চাউল, মিঠাতেল আৰু নিমখৰ দাম

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

*২৭৯। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) বৰ্ত্তমান অসমৰ বজাৰত ধান চাউল, মিঠাতেল আৰু নিমখৰ দাম কিমান ?

২৭৯। (ক)—১।৫।৭৮ তাৰিখলৈকে ধান, চাউল, মিঠাতেল ও নিমখৰ দাম তলত দিয়া হ'ল—

ধান—প্ৰতি কুইণ্টলত ১১০.০০ টকাৰ পৰা ১১৫.০০ টকা।

শালী চাউল—প্ৰতি কিলোগ্ৰামত ১.৬৫ টকাৰ পৰা ২.২০ টকা।

মিঠাতেল—প্ৰতি লিটাৰত ৮.০০ টকাৰ পৰা ১০.০০ টকা।

নিমখ—প্ৰতি কিলোগ্ৰামত ০.৩৩ টকাৰ পৰা ০.৮০ টকা।

(খ) যোৱা বছৰৰ তুলনাত এনে বস্তুৰ মূল্যৰ পাৰ্থক্য কিমান ?

(খ)—১।৫।৭৮ তাৰিখলৈকে উপৰোক্ত দ্ৰব্য সমূহৰ দাম তলত দিয়া ধৰণে হ্ৰাস কিম্বা বৃদ্ধি হোৱা দেখা যায়—

ধান—প্ৰতি কুইন্টলত দাম,—এই বছৰত (১৯৭৮)-১১০.০০ টকাৰ পৰা

১১৫.০০ লৈ। যোৱা বছৰত (১৯৭৭) ৭১.০০ টকাৰ পৰা ১১০.০০ লৈ।

এতেকে, প্ৰাৰ্থক্য,-৫.০০ টকাৰ পৰা ৩৫.০০ টকাৰ ভিতৰত।

চাউল-প্ৰতি কিলোগ্ৰাম চাউলৰ মূল্য এই বছৰত (১৯৭৮)—১.৬৫ টকাৰ পৰা ২.২০ টকালৈ। যোৱা বছৰত (১৯৭৭)—১.৭০ টকাৰ পৰা ২.৫০ টকালৈ।

এতেকে প্ৰাৰ্থক্য-০.০৫ টকাৰ পৰা ০.৩০ টকালৈ (কম) মিঠাতেল— মিঠাতেলৰ মূল্য প্ৰতি লিটাৰত— এই বছৰত (১৯৭৮)—৮.০০ টকাৰ পৰা ১০.০০ টকালৈ, যোৱা বছৰত (১৯৭৭) - ৮.২০ টকাৰ পৰা ১১.০০ টকালৈ।
এতেকে প্ৰাৰ্থক্য-০.২০ টকাৰ পৰা ১ ০০ টকালৈ কম, নিমখ - প্ৰতি কিলোগ্ৰামত মূল্য এই বছৰত - (১৯৭৮) ০.৩৩ টকাৰ পৰা ১.৫০টকা যোৱা বছৰত (১৯৭৭) ০.২৭ টকাৰ পৰা ০.৪৫ টকা।

এতেকে পাৰ্থক্য— ০.১৮ ৰ পৰা ১.১৭ টকা লৈ বেছি।

(গ) এই বস্তু বিলাকৰ মূল্য নিম্ন-গামী কৰাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

(গ) - অত্যাৱশ্যকীয় খাদ্য দ্ৰব্য সমূহৰ মূল্য নিম্নগতি কৰাৰ কাৰণে তলত উল্লেখ কৰা ব্যৱস্থা লবলৈ

স্থিৰ কৰা হৈছে—

১) গ্ৰামাঞ্চলত ষ্টেটফেদে কিছুমান চুৰা বিক্ৰি কেন্দ্ৰ খুলি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী ন্যায্য মূল্যত বিতৰণ কৰাৰ ব্যৱস্থা। যিবোৰ ঠাইৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে অৰ্থাভাবৰ কাৰণে সুপ্ত অৱস্থাত আছে, তাতে ষ্টেটফেদে এনে বিক্ৰি কেন্দ্ৰ খোলাৰ পৰামৰ্শ আছে। উক্ত গাওঁ পঞ্চায়ত সমিতি সমূহ আৰ্থিক স্বাৱলম্বিতা লাভ কৰিলে উক্ত বিক্ৰি কেন্দ্ৰ সমূহ সমিতিক দিয়া হব।

(২) কেন্দ্ৰীয় খাদ্য ভঁৰালৰ পৰা সুলভ মুল্যৰ চাউল ৰাজহুৱা বিতৰণ পদ্ধতিৰ জৰিয়তে বণ্টনৰ ব্যৱস্থা থকাৰ কাৰণে চাউলৰ দাম উৰ্দ্ধগতি কৰিব নোৱাৰে। কাৰণ ৰাজহুৱা বিতৰণৰ যোগেৰে (P. W. D.) সস্তা দামত চাউল দিলে মুকলি বজাৰৰ বেচি দামৰ চাউল সাধাৰণ গ্ৰাহকে কিনাৰ পৰা বিৰত থাকিব।

(৩) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি চৰকাৰ অনুমোদিত যথোচিত মূল্যত নিমখ বণ্টন দিয়াৰ কাৰণে ব্যৱস্থা লোৱা লৈছে।

(৪) ষ্টেটফেদে অসম চৰকাৰৰ হৈ মিঠাতেল, সৰিয়হ আৰু দাইল অন্য প্ৰদেশত সংগ্ৰহ কৰি আনি এই বস্তুসমূহ নাটনিৰ কালত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে বিক্ৰি

কৰি দিলে মুকলি বজাৰৰ দ্ৰব্যমাল স্থিৰে থকাত সহায় কৰিব।

(৫) ইয়াৰ বাহিৰেও, ৰিফাইন্দ ৰেপচিড্ তেল কেন্দ্ৰীয় চৰকাৰৰ পৰা ষ্টেটফেদে আনি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেৰে ন্যায্য মূল্যত বিতৰণ কৰাৰ কথাও চিন্তা কৰা হৈছে।

**Re ; Barpeta-Baghbor Road, Mondia-Dongra-Garal Road and Mondia-Dongra-Palhaji Road**

Shri M. IBRAHIM ALI asked :

*280. Will the Minister, P. W, D. be pleased to state—

(a) Whether it is a fact that there is no P. W. D Road connecting Barpeta Town and Baghbor Hill Town ?

(b) Since the construction of Bhellengi Bridge at Mondia has been compelted, Will the Government open the following vital Road :—

(i) Barpeta-Baghbor Road,

Shri DULAL CHANDRA BARUAH (Minister, P.W.D.) replied :

280. (a) — Yes, the Baghbor Hill is not connected with Barpeta Town by P. W. D. road.

(b)— Improvement of the roads in question, including construction of the missing links, will be possible only when funds necessary for the the same could be arranged. However action is being taken

(ii) Mondia-Dangra to Garal Road,

(iii) Mondia-Dongra and Palhaji Road.

to maintain the existing roads as far as practicable, with the available funds under maintentenance.

*Re* : **Damaged caused by flood in the area from Jamduar to Golokganj**

Shri MATHIUS TUDU asked :

*281. Will the Minister, Flood Control be pleased to state—

(a) Whether Government is aware of the fact that whole border area of West Assam lying on the eastern bank of the turbulant Sonkosh River right from Jamduar to Golokganj is being damaged every year by the flood water of that area ·

b) If so, whether any protective measure has been taken ?

(c) If so, what are the measures taken by Government ?

Shri RAMESH MOHAN KOULI ( Minister, Flood Control ) replied :

281. (a)— It is not a fact that the whole area Jamduar to Golokganj is being damaged by the flood water every year.

(b)-Some protective measures have, however, been taken at some places.

(c)-1. Embankment on the left bank of Grngadhar from Golokganj to Bisrndoi.

2. Protection of Golokganj and Tamahat from erosion

of Gangadhar.

3. Channelisation of river Sonkosh at Dainamari.

4. Diversion of Spill Channel from Sonkosh to Gadadhar at Kumarganj.

*Re :* **State Pollution Board**

Shri KHOGEN BORBARUAH asked :

*282. Will the Minister, Health be pleased to state–

a) Whether the State Pollution Board has its own laboratories ?

b) If not, where and how air and water pollution are examined o tested ?

Shri DULAL CHANDRA BARUAH (Minister, Parliamentary Affairs) replied.

282. a)-Yes, for testing water samples. Testing of Air samples does not come under the purview of the Board till now.

b) Does not arise.

বিঃ তেজপুৰ মহকুমাৰ ফৰেষ্ট বিজাৰ্ভ

শ্ৰীগোলোক ৰাজবংগীয়ে সুধিছে ঃ

*২৮৩। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেদপুৰ মহকুমাত থকা বিভিন্ন ফৰেষ্ট বিজৰ্ভত কিমান মাটি বেদখল কাৰীৰ দখলত আছে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮৩। (ক)—

| সংৰক্ষিত বনাঞ্চলৰ নাম | প্ৰতে ক বনাঞ্চলৰ মুঠ মাটিৰ কালি | বেদখল কৰা মাটিৰ পৰিমাণ অনুমানিক |
|---|---|---|
| ১। গহপুৰ বনাঞ্চল | ১৩৩০৯.৫৯১ হেঃ | ৪০০০ হেঃ |
| ২। বিশ্বনাথ বনাঞ্চল | ১০৯৬৮.০০৫ হেঃ | ৪০০ হেঃ |
| ৩। পানপুৰ বনাঞ্চল | ৪৫৩০.০০ হেঃ | ৫৪ হেঃ |
| ৪। বালিপাৰা বনাঞ্চল | ১৮৬৫২ ৭৭১ হেঃ | ৪৬৩ হেঃ |
| ৫। চাৰিদুৱাৰ বনাঞ্চল | ৪৬১০৭.২৪৪ হেঃ | ৯৬২ হেঃ |
| ৬। বুঢ়াচাপৰি বনাঞ্চল | ৪৪০৬ ২৫ হেঃ | ১০ হেঃ |

(খ) বেদখলকাৰী লোক সকলৰ ভিতৰত জিলাখনৰ বাহিৰৰ পৰা অহা মানুহৰ সংখ্যা কিমান ?

(খ) জৰিপ কৰা নোহোৱা লৈ সঠিক সংখ্যা দিবপৰা নেযায়।

## বি ঃ ৰঙিয়াৰ বিভাগৰ কাৰ্যালয়

শ্ৰীদৈৱ শক্তি ডেকাই সুধিছে ঃ

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

*২৮৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ—

(ক) ৰঙিয়াত বন বিভাগৰ কাৰ্য্যালয়টো স্থায়ী হিচাবে থাকিবনে ?

২৮৪। (ক) বৰ্ত্তমান পৰ্য্যায়ৰ কাৰ্য্যলয়টো ৰঙিয়াত নাথাকে।

(খ) যদি থাকে স্থায়ী কৰাৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ)— প্ৰশ্ন নুঠে।

(গ) এই কাৰ্যালয়টোক নলবাৰীলৈ স্থানান্তৰ কৰিব খোজা কথাটো সচাঁনে ?

(গ)—হয়।

(ঘ) যদি সচাঁ হয়াৰ কাৰণ কি ?

(ঘ)— প্ৰশাসনীয় সুবিধাৰ কাৰণে বৰ্ত্তমান কাৰ্য্যালয়টো নলবাৰীলৈ নিয়াৰ সিদ্ধান্ত লোৱা হৈছে।

## SHORT NOTICE

## QUESTIONS AND ANSWERS

### Date : 21st June 1978

### বি: জ্যোতী ভাৰতী

শ্ৰীহেমেন দাসে সুধিছে ঃ

৭। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰত ৺জ্যোতি প্ৰসাদ আগৰৱালা থকা ঘৰটো আগৰ চৰকাৰে তিনিলাখ টকাত কিনি "জ্যোতি ভাৰতী" নাম দি Cultural Museum পতাৰ সিদ্ধান্ত লৈছেনেকি ?

(খ) যদি লৈছে, ঘৰটোৰ অবস্থা বৰ্ত্তমান কেনেকুৱা হৈ আছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭। (ক)-হয়। উল্লেখিত ঘৰটো স্বৰ্গীয় জ্যোতি প্ৰসাদ আগৰৱালাৰ স্মৃতি ৰক্ষাৰ্থে এটা সাংস্কৃতিক কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ সিদ্ধান্ত চৰকাৰে ১৯৭৫ চনতে গ্ৰহণ কৰে আৰু ১৯৭৭ চনত ৩,৮৪,৪২২.৬৫ টকা বিনিময়ত এই ঘৰটো অধিগ্ৰহণ কৰি লোৱা হয়।

(খ) এশবছৰীয়া এই পুৰণি ঘৰটোৰ বহুখিনি মেৰামতিৰ দৰকাৰ হোৱাত বিহিত ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, সাংস্কৃতিক কেন্দ্ৰটো কৰাৰ সিদ্ধান্ত লৈ মন্ত্ৰী মহোদয়ে কৈছে যে ঘৰটো মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে। আমি জানিব পাৰোনে এই মিউজিয়ামৰ কাৰনে এজন অফিচাৰ আৰু এজন

কৰ্ম্মচাৰী নিয়োগ কৰা হৈছে আৰু এই দুজন মানুহৰ এই বিষয়ে কিবা যোগ্যতা আছে নেকি ? আৰু তেওঁলোকে তাত বহি বহি এতিয়ালৈকে কি সাংস্কৃতিক সেৱা কৰি আছে এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ— (মন্ত্ৰী,) অধ্যক্ষ মহোদয় তাত এই মিউজিয়ামটো জ্যোতি ভাৰতীৰ কাৰণে এজন বিষয়া ইতিমধ্যে নিযুক্তি দিয়া হৈছে আৰু ২ জন ফৰ্থ গ্ৰেদ ( চকিদাৰ ) নিযুক্তি দিয়া হৈছে । যোগ্যতাৰ সম্পৰ্কত সেই পষ্টটো এ,পি,এচ,চি লৈ পঠোৱা হৈছে । আৰু তেখেতক এতিয়া ৰেগুলেচন থ্ৰি (এফত) নিযুক্তি দিয়া হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— যিজন ব্যক্তি ৰেগুলেচন থ্ৰি এফত নিযুক্তি দিছে তেওঁৰ নাম আৰু অৰ্হতা আমাক জনাবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ— (মন্ত্ৰী,) অধ্যক্ষ মহোদয়, তেখেঁতৰ নামটো ডিম্বেশ্বৰ নাথ । তেখেতৰ পঢ়াশুনা যোগ্যতা আছে কিন্তু সাংস্কৃতিক যোগ্যতা আছেনে নাই মই নিজে কব পৰা নাই । এতেকে এইটো চাই লব লাগিব । আগতেই নিয়োগ হল, মই সিদিনা যাওতে তেখেতক তাত পোৱা নাই, মোৰ লগত দেখা সাক্ষাত্ হোৱা নাই, অৱশ্যে আমি বিচৰা মতে এডুকেশ্যন কোৱালিফিকেচন আছে । আৰু তেখেতক এতিয়া ৰেগুলাৰাইজ হবৰ বাবে এ,পি,এচ,চিৰ সন্মুখীন হবলৈ কোৱা হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : সাংস্কৃতিক মিউজিয়াম এটা চলাবৰ কাৰণে সাংস্কৃতিক জ্ঞান অৰ্হতা নথকা মানুহ এজনক পুৰ্ব্বৰ চৰকাৰে নিযুক্তি দিছে, মটৰ গাড়ীৰ ড্ৰাইভাৰক এৰোপ্লেন চলাবলৈ দিছে আৰু আমাৰ নতুন চৰকাৰেও এইটো মানি লবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ (মন্ত্ৰী) সেই কাৰণেই তেখেতক এ,পি,এচ,চি লৈ পঠোৱা হৈছে। যাতে সাংস্কৃতিক জ্ঞান সম্পন্ন এজন নিযুক্তি হয় ।

শ্ৰীগিয়াছউদ্দিন আহমেদ ঃ—এই কালচাৰেল মিউজিয়ামটো ইতিমধ্যে আৰম্ভ হৈছে । এইটোৰ সম্পৰ্কত এতিয়ালৈকে কি কি কৰা হৈছে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ঃ— (মন্ত্ৰী) সচাঁকথা কবলৈ হলে এতিয়ালৈকে একো

হোৱা নাই । এতিয়া ইয়াক অন্য ভাবে কিবা ৰূপ দিব পাৰিনেকি তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আৰু এটা ভাল সুদক্ষ জ্যোতি সংগীত আৰু জ্যোতি নাটৰ ওপৰত বুতপত্তি থকা লোকেৰে এটা ভাইচৰি কমিটি গঠন কৰাৰ সিদ্ধান্ত কৰা হৈছে নাম কেইটা এতিয়া নকও কাৰণ ফাইনেন্সৰ কনকাৰেন্স এতিয়াও পোৱা নাই ।

শ্ৰীজীৱন বৰা :—৩ লাখ টকা দি যি ঘৰ লোৱা হৈছে তাৰ কেম্পাচৰ ভিতৰত দোকান ঘৰো আছে দোকান ঘৰ আদি থকাৰ পিচত এই ঘৰত তিনিলাখ টকা বেছি হোৱা নাইনে ? ইয়াৰোপৰি জ্যোতি প্ৰসাদৰ লগতে ৺বিষ্ণুৰাভাৰ স্মৃতি সোৱৰণী ৰখাৰ ব্যৱস্থাও চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—মই ভবামতে কথাটো এই যে, জ্যোতি প্ৰসাদৰ যিবিলাক সম সাময়িক যিবিলাক সাংস্কৃতিক পূজাৰী আছিল সেই সকলৰে স্মৃতি ৰক্ষাৰ ব্যৱস্থা কৰা ভাল হব ।

Shri Golap Borbora (Chief Minister)—Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 45,41,200 be granted to the Minister-in-charge to complete the sum of Rs, 60,55,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head "260 Fire Protection and Control."

Mr. Speaker—There is one Cut Motion in the name of Shri A. N. Akram Hussain,

Shri A. N. Akram Hussain—I move that the total provision of Rs. 60,55,000 under Grant No. 24, Major head "260-Fire Protection and Control" at pages 61-66 of Volume II, Part V of the Budget be reduced by Rs. 100, i. e,, the amount of the whole grant of Rs. 60,55,000, do

stand reduced by Rs. 100 .... then in Assamese ) .....

Shri Dulal Chandra Barua ( Minister )— May I Submit, Sir, that during the debate on Police Grant this and other matters have been thoroughly discussed by the hon. members. Today is the last day for Voting on Grants. I request the hon. member through you, Sir, not to press for this Cut Motion and let us passion to the Demand for Education on which almost all the hon members are interested to take part in the debate.

এ, এন আক্ৰাম হোচেইন :— অধ্যক্ষ মহোদয়, মই পাৰ্লিয়ামেণ্টৰি মন্ত্ৰী মহোদয়ৰ যিটো কথা কলে মই এটা শৰ্ত্তৰ ওপৰত এইটো উঠাই লব পাৰো, সেইটো হল ফায়াৰ ব্ৰিগেদৰ কথা : কাৰণ কেতিয়াবা দৰকাৰ হলে ফায়াৰ ব্ৰিগেদৰ গাৰীত পানী নাথাকে, কেতিয়াবা পাইপ নাথাকে আৰু কেতিয়াবা ট্ৰেইনিং নোহোৱা মানুহে এই গাৰী চলাব লগা হয়। গতিকে এই কাম বিলাক নিয়াৰিকৈ চলাবৰ কাৰণে সুদক্ষ মানুহ ট্ৰেইনিং দি আনিব লাগে এইখিনি যদি কৰিম বুলি মূখ্যমন্ত্ৰী মহোদয়ে আমাৰ আশ্বাস দিয়ে তেনেহলে মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লম।

Shri Golak chandra Rajbongshi :— Sir, can there bo any conditional withdrawal ?

Mr. Speaker : Leave has to be granted.

শ্ৰী এ, এন, আক্ৰাম হুছেইন কৰ্ত্তন উঠাই লৈ অনুৰোধ কৰিছো।

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী :— ফায়াৰ ব্ৰিগেদ পুনৰ গঠন কৰাৰ বিষয়ে আমি বিবেচনা কৰি আছো ।

Mr. Speaker : Is it the pleasure of the House to allow the hon, member to withdraw his cut motion ?

(voices — yes, yes)

Mr. Speaker : The cut motion is withdrawn. Now the motion is that asum of Rs. 45, 41, 200 be granted to the Minister-in-charge to complete the sum of Rs. 60, 55,000 necessary to defray the charges which will come in come in course of payment during the year ending the 31st March, 1979 for the administration of the head-260- Fire protection and Control''

*(The Grant is passed)*

Shri Golap Borbora ( Chief Minister ) Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 63, 43. 700 be granted to the Minister-in-charge to molete the sum of Rs. 91, 25,000 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1979 for the administration of the head "265-Other Administrative Services II Civil Defence and Home Guards.

Mr. Speaker : There are 2 cut motions, one by M. Shamsul Huda and an other by Shri A.N. Akram Hussain.

Shri M. Shamsul Huda : Sir I beg to move tha ttotal provision of Rs. 91, 25,000 under grant No. 26 Major Head "265-Other Administrative Servicas-II Civil Defence aud Home Guards, at pages 67-74 of volume II, part V of the Budget, be reduced to Re. 1 i. e., the amount of the whole grant of Rs. 91, 25,000, do standred uced to Re. 1:

মাননীয় অধ্যক্ষ মহোদয়, অসমত হাজাৰ হাজাৰ যুৱকক 'হোম্ গার্ড' বাহিনীত নিয়োগ কৰি ৰখা হৈছে আৰু তেওঁলোকক চৰকাৰৰ বিভিন্ন বিভাগ বিলাকক পহৰা দি ৰাখিবৰ কাৰণে হাজিৰা কামলাৰ দৰে ব্যৱহাৰ কৰা হৈছে। ছয় টকাকৈ হাজিৰা দি তেওঁলোকক কামত লগোৱা হৈছে; ধহৰৰ পিছত বছৰ ধৰি এইদৰে এওলোক সকলক কামত খটুৱা হৈছে। কিন্তু তেওঁলোকৰ চাকৰিৰ কোনো নিৰাপত্তা নাই। ইফালে তেওঁলোকৰ বয়স গৈছে। কিন্তু তথাপিও তেওঁলোকৰ চাকৰিৰ ক্ষেত্ৰত কোনো ধৰণৰ নিৰাপত্তা দিয়াৰ ব্যৱস্থা হোৱা নাই। দৰ্মহাপাতিৰ ক্ষেত্ৰটো ব্যৱস্থা কৰা নাই। এই লোক সকলৰ জীৱন বৰবাদ হৈ গৈছে। চৰকাৰৰ বিভিন্ন বিলাক বিভাগ ৰক্ষা কৰিবলৈ যাওঁতে এই লোকসকলৰ জীৱন পৰ্য্যন্তও বিপন্ন হৈ পৰে। উদাহৰণ স্বৰূপে মাজতে 'হোম গার্ডৰ' লোকে ফৰেষ্ট বিভাগ পহৰা দি থকা অৱস্থাতে অবৈধ চিকাৰৰ হাতত কেইবাজনো হোমগার্ডৰ লোকে প্ৰাণ হেৰুৱাব লগীয়া অৱস্থা হয়। কিন্তু বৰ ডুখৰ কথা, এই লোকসক ক ক্ষতিপূৰণ দিয়াৰ একো ব্যৱস্থা কৰা ন'হল। সেই কাৰণেই মই কৈছো যে, দিন হাজিৰা হিচাবে এই লোকসকলক ৰাখি চৰকাৰ বিভিন্ন বিভাগ পহৰা দি ৰখাৰ পৰিবৰ্ত্তে পুলিচ বিভাগৰ কনিষ্টবলৰ সংখ্যা বৃদ্ধি কৰি এই লোকসকলৰ পুলিচ বিভাগতে 'মার্জ' কৰি ৰাখিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আৰু যদি সেইটোকে কৰিব নোৱাৰে তেতিয়াহলে, এই বিভাগটো একেবাৰেই উঠাই দিব লাগে। মাহিলী ভিত্তিত 'এলাউন্স দিয়াৰ পৰিবৰ্ত্তে এইখিনি ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি, চৰকাৰে যদি এইখিনি কৰিবলৈ প্ৰস্তুত থাকে তেতিয়াহলে, মই এই প্ৰস্তাৱটো উঠাই লবলৈ প্ৰস্তুত থাকিম।

Mr. Speakers :– The next cut motion is by **Shri A. N, Akram Hussain**

শ্ৰীগোলাপ বৰবৰা ( মুঃ মঃ ) :— মাননীয় সদস্য জনে যি কথা উত্থাপন কৰিছে সেইটো বিবেচনা কৰা হব।

শ্ৰীএ,এন,অক্ৰাম হোছেইন :— মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ভূমিকম্প হব বুলি খবৰ পাইছে নেকি?

শ্ৰীগোলাপ বৰবৰা ( মূঃ মন্ত্ৰী ) একো খবৰ পোৱা নাই।

21.6 78 . GLR H/2

Mr, Speaker : will Shri Shamsual Huda withdraw his cut motion ?

Is it the pleasure of the House to allow the hon. member to withdrow the cut motion ?

( Voices— yes, yes .. )

Mr. Speaker :—His cut motion is withdrawn.
will Shri Akram Hussain withdraw his cut motion ?

Shri A.N. Akram Hnassain : Yes.

Mr. Speaker— Now, the motion is—that a sum of Rs. 68,43,700 be granted to the Minister-in-charge to complete theum of Rs. 91,25,0C0 necessary to defray the chrages which will come in the course of payment during the year ending the 31st March, 79 for the Administration of the head "265-Other Administrative Services-II-Civil Defence and Home Guards".

*** "( The Grant is passed ) ***

শ্ৰীলক্ষেশ্বৰ গোহাঁই (মন্ত্ৰী) :—অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ১৯৭৯ চনৰ ৩১ মাৰ্চত শেষ হব লগীয়া ৰছৰটোৰ কাল-ছোৱাত "৩০৭ ভুনি সংৰক্ষণ ৫০৬ ক্ষুদ্ৰ জলসিঞ্চন, ভুমি সংৰক্ষণ আৰু আঞ্চলিক উন্নয়ণৰ (II) বাবে মূলধন ৰ্‍্যায়" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ৪,৩২,৩৬,৪০০ টকাৰ ব্যয় সম্পূৰ্ণ কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩,২৪,২৭,৩০০ পৰিমাণৰ টকা মঞ্জুৰ কৰা হওঁক।

Mr. Speaker :— There are two cut motions, one by Shri Dewan Joynal Abedin and other, and the other by Shri Pratap Kalita and others.

hri Atul Ch. Goswami : Sir, I beg to move that the total provision of Rs. 4,32,36,400 under Grant No. 63. Major head "307-Soil Conservation 506-Capital outley on Minor Irrigation, Soil Conservation and Area Development (II) "at pages 3-19 of Volume II, Part XX of the Budget, be reduced to Re. 1,i.e., the amount of the whole grant of Rs. 4,32,36, 400, do stand reduced to Re. 1.

Mr. Speaker—Before the hon. member speaks something, I would request the other mover, Shri Pratap Kalita to speak.

শ্ৰীবৈকুণ্ঠ দাস :— মাননীয় অধ্যক্ষ মহোদয়, বাজেটৰ দাবীৰ দ্বিতীয় খণ্ড অংশ XIX ৰ ১—১৯ পৃষ্ঠাত "৩০৭ ভূমি সংৰক্ষণ, ৫০৬ ক্ষুদ্ৰ জলসিঞ্চন, ভূমি সংৰক্ষণ আৰু আঞ্চলিক উন্নয়ণৰ (।।) বাবে মূলধনব্যয়" শিতানৰ ৬৩ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৪,৩২,৩৬,৪০০ টকা ১০০ টকাৰে হ্ৰাস কৰ হওঁক, অৰ্থাত সমুদায় মঞ্জুৰীৰ ৪,৩২, ৩৬,৪০০ টকাকে ১০০ টকাৰ হ্ৰাস কৰা হওঁক।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তনপ্ৰস্তাৱটো উত্থাপন কৰাৰ একমাত্ৰ উদ্দেশ্য এইটোৱেই হল, যে ভূমি সংৰক্ষণ বিভাগে অসমত ভূমিৰ আবেক্ষণ যি ধৰণে হৈছে সেইধৰণে তাক প্ৰতিৰোধ কৰিব পৰা নাই আমি জনাত আমাৰ ভূমি সংৰক্ষণৰ কাৰণেঠায়ে ঠায়ে ৰবৰৰ গছ ৰুই বাগান তৈয়াৰ কৰা হৈছে। ইয়াৰ কাৰণে প্ৰয়োজনীয় এটা ৰসায়ানিক ডাষ্ট বিনা হৈছে প্ৰায় চাৰিলাখ টকা খৰছ কৰি। কিন্তু এইটো আচল ৰসায়নিক ডাষ্ট' নহয় হাইতে শিল গুৰি সময়ত যিটো শিলৰ

গৰি পোৱা যায় সেইটো যেনেইহে অনুমান হৈছে । গতিকেই মই আজি বিভাগীয় মন্ত্ৰীমহোদয়ক এইটো অনুৰোধ কৰিম যে, এই যিটো 'ডাষ্ট কিনি অনা হৈছে সেইটো প্ৰকৃততে কামত লগাৰ পৰা ৰসায়নিক ডাষ্ট নে অন্য কিবাহে তাৰ এটা নিৰপেক্ষ তদন্ত হবলাগে । ইয়াৰ ওপৰিও, মাইনৰ ইৰিগেশ্বনত কি কৰা হৈছে তাৰ একো উমান আমি নেপাওঁ । ৪ কোটিতকৈও অধিক টকা দিয়া হৈছে এই বিভাগক কিন্তু কাম একো হোৱা নাই । সেইকাৰণেই এই বিলাক কথাত দৃষ্টিপাত কৰিবাৰ কাৰণে মই আমাৰ মাননীয় বিভাগীয় মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছোঁ । ভূমিঅ ভূমিৰ আবেক্ষণ প্ৰতিৰোধ কৰিবৰ কাৰণে যি গহগছনি আদি ৰোৱাৰ প্ৰয়োজন আছিল সেইবোৰ সেইধৰণে কৰা হোৱা নাইকীয়া । গতিকেই এই বিভাগৰ সকলো বিলাক কাম কাজৰ খতিয়ান এই বিধান সভাত অনান্য বিলাক বিভাগৰ খতিয়ান দাঙি ধৰাৰ নিছিনাকৈ ধৰিব লাগে । অনান্য বিভাগ বিলাকৰ নিছিনাকৈ এই বিভাগৰো ৰিপৰ্ট দাঙি ধৰিবলৈ অনুৰোধ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ ।

শ্ৰীবৈকুণ্ঠ দাস :— মাননীয় অধ্যক্ষ মহোদয়, হাবি জংঘলৰে পৰিপূৰ্ণ এই অসম ৰাজ্যখন এখন কৃষিপ্ৰধান দেশ । কৃষিপ্ৰধান দেশ হিচাবে এই দেশখনত বহুদিনৰ মূৰত কিছুমান সমাস্যাই দেখা দিছে । মই অসমৰ দক্ষিণাঞ্চলৰ কথা নেজানো কিন্তু উত্তৰাঞ্চলৰ যিবিলাক জিলা আছে সেইবিলাকত ভূমিস্খলন আৰম্ভ হৈছে । লগতে জলসিঞ্চনৰ কাৰনে যি বিলাক আচঁনি লোৱা হৈছিল সেই বিলাকো থিকমতে লব নোৱাৰাৰ কাৰণে খেতিপথাৰত জলশ্ৰোত বেছি হৈছে । ফলত বহুত জলসিঞ্চনৰ আচনি নষ্ট হৈছে । গতিকেই এই ক্ষেত্ৰত লবলগীয়া প্ৰয়োজনীয় ব্যৱস্থা খিনি লবৰ কাৰণে বিভাগীয় মন্ত্ৰীমহোদয়ক অনুৰোধ জনাইছোঁ ।

ইয়াৰ পিছতে 'ডি— ফৰেষ্টেশ্বন'ৰ কাৰণে ভূটানৰ নামনি আৰু হিমালয়ৰ পাদদেশত থকা পানী খুউব জোৰেৰে তললৈ নামি অহাৰ কাৰণে আৰু বাধাপাপ্ত নোহোৱাৰ কাৰণে অসমৰ খেতি পথাৰত হাঁহাকাৰৰ সৃষ্টি হয় । এইটো মোৰ ব্যক্তিগত কথা, নহয় অভিজ্ঞ লোকৰ মতামতৰ ওপৰত ভিত্তি কৰিহে এই কথা খিনিকোৱা হৈছে । বিভাগীয় সকলোবিলাক কৰ্ম্মচাৰীকেই

ৰেয়া বুলিব নোৱাৰি যদিও তাৰ ভিতৰতে কিছুমান কু-অভিপ্ৰায় থকা কৰ্ম্মচাৰীও আছে। যিবিলাক আঁচনি লোৱা হয় সেইমতে কাম নকৰি যধেমধে প্লেন এষ্টিমেট মতে কাম নকৰে। অকল জলসিঞ্চনৰ ক্ষেত্ৰতেই যে হৈছে এনে নহয় প্ৰায় সকলো ক্ষেত্ৰতেই এনেকুৱা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এটা অনুৰোধ কৰিব খুজিছোঁ। সেইটো হৈছে যে, আমাৰ যি কামেই কৰা নহওঁক কিয়, পঞ্চায়তত এটা নিয়ম আছে যে এটা তদাৰকী স্থানীয় কমিটি তৈয়াৰ কৰি দিবলাগে। ভূমি সংৰক্ষনৰ কাৰণেই হওক বা জনহিতকৰ কাৰণেই হওঁক যি আচনিকেই লোৱা নহওক কিয় সেই আচনি তদাৰক কৰিবৰ কাৰণে বা আচনিৰ সম্পৰ্কে কাম কাজ কৰাৰ ক্ষেত্ৰত আলোচনা আদি কৰিবৰ কাৰণে এনে ধৰণৰ স্থানীয় কমিটি একোটা কৰি দিব লাগে। বিকেন্দ্ৰী কৰণৰ আবশ্যকীয় গোট হিচাবে পঞ্চায়তক স্বীকৃতি দি অহা হৈছে। যি ঠাইত যি আচনিয়েই কৰা হয়, সেই ঠাইতে কেইজনমান স্থানীয় গন্যমান্য লোকক লৈ কমিটি কৰিব লাগে আৰু আচনিৰ কি কাম কৰিব সেই বিষয়ে সেই কমিটিক বুজাই দিব লাগে। এনে ধৰণৰ কমিটি নোহোৱাৰ কাৰণে আচনিৰ কাম বিলাক যি ধৰণে কৰিব লাগে সেই ধৰণে কৰা নহয়। যত লোৰ চিক দিব লাগে তাত এডালো দিয়া নহয়। কৰবাত যদি ১০ ফুট খুণ্ডিব লাগে তাত তিনিফুট মান তলৰ পৰাহে গাঠে। এই ধৰণে পাল মৰা কাম বিলাক হৈ থাকে। এই বিলাক হোৱাৰ ফলত কিছুমান ভাল আচনি যে নষ্ট হৈ যায় এনে নহয় বহুতো অঞ্চলো ইয়াৰ ফলত অনুন্নত হৈ থাকে। উদাহৰণ দিও বুলিলে তেনেকুৱা উদাহৰণ দিব পাৰে কিন্তু উদাহৰণ দিবলৈ খোজা নাই, এই বিষয়ে বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিছো আৰু তেওঁলোকে আস্বাস দিছে হব বুলি। যাৰ দোষতেই নহওক কিয় আচনি বিলাক ঠিকমতে নোহোৱাৰ কাৰণে ৰাইজৰ হিতৰ কাৰণে খৰছ কৰা অপৰ্য্যপ্ত ধনৰ দ্বাৰা ৰাইজৰ উপকাৰ হোৱাতকৈ অপকাৰ হে বেচি হোৱা দেখা গৈছে। এনেকুৱা উদাহৰনো আছে যে, কিছুমান আচনিৰ ক্ষেত্ৰত কিছুমান টেকনিকেল বিষয়ত জ্ঞান নথকা লোকে ফৰেষ্ট গাৰ্ডক নাইবা ফৰেষ্টাৰক কাম চোৱাৰ স্বায়ীত্ব ভাৰ অৰ্পন কৰি ভাগাৰাম হয়।

ফলত কাৰীকৰি জ্ঞান নথকা এই সকল লোকে আচনিৰ কাম কি চৰা ঠিকাদাৰক যদি কোনোবাই কেতিয়াবা সোধা যায় তেতিয়া তেওঁলোকে কব যে, “আমাৰ ওপৰআলা কৰ্ম্মচাৰীয়ে যি নিৰ্দেশ দিয়ে সেই মতেহে আম্মি কাম কৰিম, আপোনালোকৰ কথা মতে আমি কিয় চলিম “এইদৰে তেওঁলোকে বাইজক উত্তৰ দিয়ে। গতিকে কোনো এখন যদি আচনি কৰা হয় সেইটো তদাৰক আৰু আলোচনা কৰিবৰ কাৰণে স্থানীয়ভাৱে এখন কমিটি পাতি দিয়া দৰ্কাৰ। সেই হলে শতকৰা ৫০ ভাগেই আচনি সু-ফল হব বুলি ভবা হয়। গতিকে এটা কমিটি কৰিবলৈ পৰামৰ্শ আগবঢ়ালো। ইয়াৰ ওপৰিও নিশ্চয় প্ৰত্যেক আচনি একোজন বিষয়াৰ স্বায়ীত্বত থাকে। দুই তিন বছৰ নেহোৱা পৰ্যন্ত তেনে স্বায়ীত্ব থকা কোনো কৰ্ম্মচাৰীকেই বদলি কৰি দিব লালাগে। আপ্ৰাসাংগিক হলেও মই এটা কথা কও যে, সমবায়কৰ ক্ষেত্ৰতে এইটো হৈছে। একো একোজন বিষয়াক দুই এক বছৰ নহওতেই এচিচটেট ৰেজিষ্টাৰৰ লগত লগ লাগি কৰবালৈ বদলি কৰি নিয়ে গতিকে সেইটো য়াতে হব নোৱাৰে কোনো আচনিব স্বায়ীত্বত থকা কৰ্ম্মচাৰীক আচনিৰ কাম শেষ নোহোৱা পৰ্য্যন্ত ৰেহাই নিদিলে, আচনিৰ কাম ভালকৈ কৰিবলৈ নিশ্চয় বাধা হব। তাৰ ওপৰি কোনো আচনি নষ্ট বা ব্যৰ্থ হয় সেই আচনি কিয় নষ্ট বা ব্যৰ্থ হয় তাৰ এটা তদন্ত হোৱা উচিত। সেইটো কৰিলে আচনিৰ কাম সফা কৰি তুলিবলৈ স্বায়ীত থকা বিভাগীয় কৰ্ম্মচাৰী জন বম্মপৰ হব। এই সংক্ৰান্ততে আৰু এটা বিশেষ কথা মই উল্লেখ কৰিব বিছাৰিছো যে, উত্তৰ অঞ্চলত বিশেষকৈ গোৱাল-পাৰা জিলাৰ পৰা আৰম্ভ কৰি নগাওঁ জিলালৈকে ক্ষুদ্ৰ ক্ষুদ জলসিঞ্চন আচনিৰ কৰি খেতি বাতি কৰা হয়।

এই কথা গৌৰবৰে কব পাৰি যে আমাৰ যিবিলাক অঞ্চলৰ কৃষক বা ৰাইজে বিভিন্ন ঠাইত নিজে নিজে কিছুমান ক্ষূদ্ৰ ক্ষুদ্ৰ জলসিঞ্চনৰ কাম কৰি আছে আৰু তাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো দান অনুদান পোৱা নাই। কাৰণ চৰকাৰে যিবিলাক আঁচনি লয় সেইবিলাক স্থায়ী ভাবে কৰিব বুলি এই ক্ষুদ্ৰ ক্ষুদ্ৰ আঁচনি বিলাকত টকা পইচা নিদিয়ে। মই কবলৈ বিচাৰিছো সেইকাৰণে এই ক্ষুদ্ৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি বিলাকত কৃষক ৰাইজক তেওঁলোকৰ চাহ-জলপান খোৱা খৰচটো

যাতে হয় তাৰ বাবদ এক হাজাৰ, দুই হাজাৰ, পাচ হাজাৰ যি পৰা যায় চৰকাৰৰ ফালৰ পৰা দিলে তেওঁলোক উৎসাহিত হব। এই কৃষক বিলাকে যদিও এই ক্ষুদ্ৰ জলসিঞ্চন আঁচনি বিলাক খেৰ, জাবৰ ইত্যাদি দি অস্থায়ী ভাবে কৰিছে তথাপিতো চৰকাৰে তেওঁলোকক সহায় কৰিলে তেওঁলোক উপকৃত হব। আৰু ইয়ে তেওঁলোকক চেলফ, হেলপ, হিচাবে কামৰ প্ৰতি উদ্‌গনি জনাব। লগতে ভূমি সংৰক্ষণ আৰু জলসিঞ্চনৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে। যোৱা বছৰটো পাৰ হৈ গল। আগতীয়াকৈ পানীৰ যোগান ধৰিব নোৱাৰা বাবে আহু খেতি ভাল নহল। এই প্ৰসঙ্গতে মই এটা কথা কব বিচাৰিছো যে ইমান বছৰ পিচতো জলসিঞ্চনৰ ব্যৱস্থা নোহোৱাটো আৰু পানীৰ কাৰণে কৃষক ৰাইজে আকাশলৈ চাই থাকিবলগীয়া হোৱাটো বৰ পৰিতাপৰ কথা। অইন দেশলৈ চাওঁক। ৰাচিয়া, আমেৰিকা, চীন, বৃটেইন ইত্যাদি দেশত পানীৰ কাৰণে কোনো চিন্তাই নাই। কিন্তু আমাৰ ভাৰতবৰ্ষত কম-বেছি পৰিমানে বিভিন্ন অঞ্চলত ৰাইজে পানীৰ কাৰণে হা-হুমুনিয়া কাঢ়ি থাকিবলগীয়া হয়। সেইকাৰণে পানী যোগানৰ ব্যৱস্থা উন্নত কৰাৰ কাৰণে অধিক গুৰুত্ব দিব লাগে। এই পানী যোগানৰ ব্যৱস্থাটো সোনকালে হাতত লব নোৱাৰিলে অসমত অৰ্থনৈতিক যিটো কৃষি ভিত্তিত গঢ়ি উঠিছে বা উঠিব তাত কুঠাৰাঘাত কৰা হব। এইখিনি কৈয়ে মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি সামৰণি মাৰিলো।

শ্ৰীচামচুল হুদা :—মাননীয় অধ্যক্ষ মহোদয়, এই চনৰ কনভাৰ্চেশ্যন বিভাগৰ শিতানত যিটো কৰ্ত্তন প্ৰস্তাৱ আহিছে, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি এই বিভাগত চলি থকা কিছুমান কেলেংকাৰীৰ কথা উল্লেখ কৰিব বিচাৰিছো। এই বিভাগৰে জইট ডি ৰেস্তত এজনৰ বিৰুদ্ধে ৪ টা মান এনটি কৰাপশ্যন কেচ চলি আছে সেই কেইটা কেচ এতিয়াও অনুসন্ধানত আছে আৰু এতিয়াও নিষ্পতি হোৱা নাই অথচ সেই মানুহজন তেওঁৰ নাম পি, চি, গোস্বামী তেখেতৰ ওপৰত কোনো ধৰণৰ ব্যৱস্থা নলৈ তেওঁক ফৰেষ্ট বিভাগত আনি এডিশ্যনেল ডিৰেক্টৰহে কৰি দিছে। তেখেতে যেতিয়া চয়ল কনজাৰভেশ্যন বিভাগত আছিল তেতিয়া তেওঁ মিকিৰ হিলচ আৰ নৰ্থ কাছাৰ হিলচত টিম্বাৰ পেন্ট কিনিছিল, তাত সেই বিষয়াজনে বিৰাট কেলেংকাৰী সৃষ্টি কৰিছিল। কিন্তু এতিয়াও সেই কেচটো এনটি

কৰাপশ্যন বিভাগত অনুসন্ধান চলি আছে, যোৱা ১৯৭৩।৭৪ চনৰ পৰা এই অনুসন্ধান কাৰ্য্য চলাই থকা হৈছে কিন্তু আজিলৈকে এই কেচটোৰ কোনো নিস্পত্তি হোৱা নাই ; তেনে অৱস্থাতে এই বিষয়াজনক ফৰেষ্ট বিভাগত এডিশ্যনেল চিচি এফ কৰি অনা হৈছে। তাৰ পাচত ১৯৭৬।৭৭ চনত লক্ষীমপুৰত ১৩ লাখ টকা প্লেণ্টৰ কাৰণে দিয়া হৈছিল কিন্তু সেই টকাৰে কোনো প্লেণ্টৰ কাম হোৱা নাই আৰু সেই কেচটোৰ বাবজো এনাট কৰাপশ্যন বিভাগে সেই বিষয়াজনৰ বিৰুদ্ধে অনুসন্ধান কাৰ্য্য চলাই আছে তাৰ পাছতো তেওঁক আনি ফৰেষ্ট বিভাগত এডিশ্যনেল, চি, চি, এফ কৰি অনা হৈছে। তাৰ পাছত চয়ল কনভাৰশ্যন বিভাগৰ মিকিৰ ৰাম কৈবৰ্ত্তক নামৰ এজন কেচিয়াৰে ৩৪ হাজাৰ টকা আত্মসাত্ কৰিলে, তেওঁক যদিও বৰ্খাস্ত কৰা হ'ল কিন্তু পিছত তাকো বাহাল কৰা হ'ল, সেই কেচটোও নিস্পত্তি নোহোৱাকৈ পৰি আছে। অধ্যক্ষ মহোদয়, ইয়াৰ ওপৰিও আন এটা এনটি কৰাপশ্যন কেচ চলি আছে সেই কেচটো হলে তেওঁৰ নিজৰ ঘৰটো তেওঁৰ পৰিবাৰ গীতা গোস্বামীৰ নামত অফিচত ভাড়া দি টকা লৈ আছে আনকি তাতকেই বিভাগৰ অফিচ নচলা অৱস্থাতো সেই পেৰিয়ৰ্ডৰ ভাড়া খাই আছে, সেই কেচটোকে কোন মীমাংইা আজিলৈকে হোৱা নাই। ইমান কেইটা কেচ এনটিকৰাপশ্যন বিভাগত অনুসন্ধান চলি থকা অৱস্থাত সেই বিষয়াজনৰ ওপৰত কোনো ব্যৱস্থা নলৈ কেচটো পিচুয়াই আছে। অকল সেয়েই নহয় সেই বিষয়াজনক ফৰেষ্ট বিভাগত এডিশ্যনেৰ ডিৰেক্টৰ হিচাবে প্ৰমোশ্যনহে দিছে ; কিন্তু এই বিভাগৰ যে বিস্তৰ ক্ষতিসাধন কৰি আছে সেই বিষয়ে চৰকাৰৰ কোনো লক্ষ্য নাই যেন অনুমান হৈছে। সেই কাৰণেই আপোনাৰ জৰীয়তে সংশ্লিষ্ট বিভাগীয় মন্ত্ৰী গৰাকীৰ দৃষ্টি আকৰ্ষন কৰি মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

21/6/78 8 K/1

Shri Dewan Jaynal Abedin— Mr. Speaker, Sir, I would i ke to make a few observations in support of my cut Motion, Sir, erosion of soil has posed a serious problem recently in Assam, Brcause, we are already suffering from shortage of agricultural land. In thts condition

we see that more and more agricultural lands are being eroded away by different means, Now, Sir, I would like to make a few suggestions. The quality of our land, particularly in the southern and lower part of the State is reporteely very unsuitable for conservation and sandy. As such, this quality of soil is unfavourable for preservation of soil. Heavy erosion of soil has not only become a problem for agricultural land, it has also posed a problem with regard to the homestead land. Hundreds of people are rendered homeless every year by the erosion of different rivers and adequate measures are not always be taken for the rehabilitation of these people. so, we should take both short term and long term measures to prevent this heavy erosion of soil, I would like to point out that certain kinds of trees grow in particular kinds of soil and it check, the erosion of soil also. As it is known, plantation not only checks erosion of soil, very often it influences our climatic conditions also. In our State we have not been able to give much facilities of irrigation. In such conditions we can make plantation then we can well influenc the elimatic conditions also very favourably and thereby we may bring congeniale influence on our agrlculture. Now for this. I would like the suggest that in recent years there have been certain embankments recently constructed by the Government along the anks of the Brahmaputra. Along these embankments certain types of trees can be planted for protection of these embankments. Now, I would like to offer another suggestion that long term and

short term measures should be taken for the control of erosion of Brahmaputra as well as of some other small rivers Now, Sir in our State the mionr irrigation have so long remained the preoccupation of the village people them selves who have not yet been able to being any scientific development in this matter. Now, I would like to request the Government to take up certain urgent measures for modernising this minor irrigation. In our State we have many small rivers, brooklets stores and tributaries which are having very high speed of currents and these some small turbines can be installed and power can be generated for the purpose of irrigation. with these observations, I would like to conclude my speech.

Shri Golok Rajbanshi .— There are some other persons also to speak,

Mr. Speaker :— Shri Ranendra Narayan Basumatari.

Shri Ranendra Narayan Basumatari :— Sir, In support of the cut motion raised from this side I would like to make some observations. The areas laying near the foothills starting from northern Goalpara District running towards the Darrang District of the northern part are very susceptible to the heavy erosion of soil. There are perhaps many factors contributed to this erosion of soil and we have seen that lakhs of bighas of paddy land have been eroded and people particularly small farmers, who have no other alternative, remain helpless. Government have not been able

to come forward to help these poor cultivators. So in a most drastic way Government should come up to protect soil erosion. With particular reference to kokrajhar Sub-Division I would like say that some areas in the Kokrajhar Subdivision are very suceptible and the people living therein are much afraid of erosion. Unless and until some drastic measures are taken to check this erosion all the paddy fields of Kokrajhar Sub-division will be damaged and the people will be landless in a very short time. So I would request the Government to take some steps in this regard very urgently. We have seen that some schemes have already been taken up in this regard but I think perhaps some more serious efforts will be needed to be taken up by Government. Those schemes which have been taken up by the Government have already failed because public have come up with lot of complaints. Some positive measures must be taken by Department and the Department should devise some sound ways to protect soil erosion in stronger way. Therefore, I would request the Minister through you Sir, to devise some other sound and constructive measures to check this soil erosion in this way so that the cultivators could be protected from going to slow and gradual poverty. Sir, with these few observations I conclude my speech.

শ্ৰীগোলক ৰাজবংশী :— অধ্যক্ষ মহোদয়, বহুতে হয়তো ভাবিছে ভূমি সংৰক্ষণ বিভাগটো ইমান গুৰুত্বপুৰ্ণ কিয় হল ? তেখেত সকলে শিক্ষা, পুলিচ সাধাৰণ প্ৰশাসন আদি বিভাগ বিলাকত বেছি গুৰুত্ব দিছে। এই বিভাগ বিলাক সদায় আমাৰ চকুৰ আগত থাকে কাৰণে আমি সকলোৰে ইয়াৰ

ওপৰত বেছি গুৰুত্ব দিছো। কিন্তু ভূমি সংৰক্ষণ বিভাগটো আজি আমাৰ চকুৰ পৰা বহু দূৰ আতৰত। অসমৰ গোটেই ভবিষ্যত নিৰ্ভৰ কৰিছে এই বিভাগটো শক্তিশালী কৰাৰ ওপৰত যদিও কৰ্তন প্ৰস্তাৱ এটা আছে ৪ কোটি টকাৰ। যদিহে আমি অসমৰ ভবিষ্যত হিচাব কৰি চাওঁ দেখিবলৈ পাওঁ যে অসমৰ গোটেই অৰ্থনীতি নিৰ্ভৰ কৰিছে মাটি ওপৰত। কিন্তু অসমত যিখিনি মাটি আছে তাৰ ভিতৰত শতকৰা ৩০ ভাগ মাটিয়েই খহনীয়াই লৈ যাব পৰা মাটি। গতিকে আমি যদি এই খহাই লৈ যোৱা মাটিখিনি ৰক্ষা কৰিব নোৱাৰো তেতিয়াহলে আমাৰ অৰ্থনৈতিক দুৰ্যোগ আহিব। মই তাৰে উদাহৰণ এটা দিছো আৰু সেইটোৰ পৰাই আপোনা-লোকে গম পাব। আমাৰ ব্ৰহ্মপুত্ৰত যিবিলাক চৰ বা চাপৰি আছে সেই বিলাকত আগতে মানুহ বাস নকৰিছিল ; কিন্তু আজি কিছুদিনৰ পৰা এই চৰ বিলাকত লাখ লাখ মানুহ ঘৰ সাজি থাকিবলৈ লৈছে। কিন্তু এই চৰবিলাক সদায় নাথাকে এবছৰ বা দুবছৰ পিচত হাজাৰ হাজাৰ মানুহৰ ঘৰ দুৱাৰ ভাঙি ব্ৰহ্মপুত্ৰই খহাই লৈ যায়। তাৰপিচত আমাৰ সন্মুখত দেখা দিয়ে কেনেকৈ এই লোকসকলক সংস্থাপন দি ৰক্ষনা-বেক্ষন দিব পৰা যায়। ঠিক তেনেদৰে আমাৰ আৰু এটা সমস্যাই দেখা দিছে সেইটো হৈছে সীমান্তৰ মাটি। মই অসমৰ গোটেইবোৰ সীমান্তলৈকে ঘুৰিছে। সীমান্তলৈকে আগতে মানুহ নাছিল। কিন্তু আজি কালি অৰুনাচল চৰকাৰে আৰু নাগালেণ্ড চৰকাৰে মাটি ৰিক্লেইন কৰি সীমান্তলৈকে মানুহ বহুৱাই দিছে। ৰিক্লেইম কৰাৰ কাৰণে কাৰণে মাটিৰ চিকটা ভাঙি গৈছে। আৰু সেই কাৰণেই খহনীয়া হয়। আমি এইটো বন্ধ কৰিব লাগিব। আমি খহনীয়া বন্ধ কৰিব লাগিব। আমি খহনীয়া বন্ধ কৰিবলৈ হলে ৰিক্লেইমেচনটো বন্ধ কৰিব লাগিব। কিন্তু দুৰ্ভাগ্যৰ কথা যে জাতীয় অৰ্থনীতিত ফৰেষ্টৰ গুৰুত্ব আমি উপলব্ধি কৰিব নোৱাৰো। কালি মুখ্যমন্ত্ৰীয়ে কৈছে যে দৈয়াং ৰিজাৰ্ভ মুকলি কৰি দিয়া হৈছে আৰু তাৰ কাৰণে এটা উৎসৱো পাতিব। আমি মানুহৰ সমস্যা নুই কৰা নাই। কিন্তু আজি আমাৰ বাবে ফৰেষ্টৰ মূল্য বহুত বেছি। সেই কাৰণে এইবিলাকৰ ৰক্ষনা-বেক্ষনৰ ওপৰত বেছি গুৰুত্ব দিব লাগিব।

গহপুৰৰ কথাকে কওঁ তাত বেদখলকাৰীয়ে ফৰেষ্ট গাৰ্ডকে গুলিয়াই দিছে। এয়ে যদি মনোভাব হয় এদিন দেখিব এই গোটেই

বনাঞ্চলত মানুহৰ বসতি হব আৰু লগে লগে ব্ৰহ্মপুত্ৰই গোটেই অঞ্চল খহাই লৈ যাব। এই মাটিৰ সমস্যাটোৰ অসমৰ ভৱিষ্যত অৰ্থনীতি সমস্যা নিৰ্ভৰ কৰে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো মাটিৰ ৰক্ষনা বেক্ষনৰ কাৰণে জনমত গঠন কৰিব লাগে।

সেই কাৰণে মই আজি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে আমি মাটি ৰক্ষণাবেক্ষণৰ যিটো গুৰুত্ব সেইটো উপলব্ধি কৰিবলৈ চেষ্টা কৰক। সেইটো কৰিবৰ কাৰণে চৰকাৰী ব্যৱস্থাৰে বা প্ৰচাৰ মাধ্যমেৰে নতুনকৈ এটা জনমত গঢ়ি তুলিব লাগিব। জনমত যদি গঢ়িব নোৱাৰে তেতিয়াহলে ফৰেষ্ট কেতিয়াও ৰক্ষা কৰিব নোৱাৰে। আপোনালোক সকলোৱে জানে মই উপাধ্যক্ষ হৈ থকা অৱস্থাত আন্তৰ্জাতিক ক্ষেত্ৰত জাৰ্ম্মানলৈ যোৱাৰ মোৰ সৌভাগ্য ঘটিছিল। তাত দেখিছো তেওঁলোকে এতিয়া ফৰেষ্ট আকৌ নতুনকৈ গঢ়িবলৈ ধৰিছে। তেনেস্থলত আমি যিহেতুকে গছ কাটি খাতাং কৰিছো— তেতিয়াহলে আমাৰ জীবন ৰক্ষাৰ কোনো আৱশ্যক নাই। কিন্তু গছ জীয়াই ৰাখিব নোৱাৰিলে মানুহক কেতিয়াও জীয়াই ৰাখিব নোৱাৰে + আজিৰ অৰ্থনীতি হৈছে সেইটো। সেইকাৰণে আমি মাটি কেনেকৈ ৰক্ষণাবেক্ষণ কৰিব পাৰি তাৰ কাৰণে মাষ্টাৰপ্লেন কৰিবলৈ লোৱাৰ ব্যৱস্থা কৰিব লাগে।

(ভইচেচ্:— যোৱা ৩০ বছৰে কংগ্ৰেছ চৰকাৰে কি কৰিলে?)

মই যোৱা ৩০ বছৰৰ কথা কবলৈ যোৱা নাই। ১৯৪২চনতো এনেকুৱা বহুতো ঘটনা ঘটিছিল — মই সেইবিলাক পুনৰ দোষাৰিব খিচৰা নাই। যোৱা ৩০ বছৰত কংগ্ৰেছ ৰাজত্বৰ বাহিৰেও বৃটিছ ৰাজত্বতো তেনেকুৱা ঘটনা আমি পাইছো; আন কি ১৯৬২ চনত আমাৰ কাৰণে জীৱন মৰন সমস্যা হৈছিল— সেই কাৰণে মই এইবিলাক কথাৰ পুনৰাবৃত্তি কৰিব বিচৰা নাই।

অধ্যক্ষ মহোদয়, মই কাকো দোষাৰোপ কৰিবলৈ বিচৰা নাই। আমি যাতে অসমখনৰ মাটিখিনি তদ্ৰুপ যাব নোৱাৰে আৰু কেনেকৈ ৰক্ষা কৰিব পাৰো তাৰ কথাহে চিন্তা কৰো। আমাৰ বিশেষকৈ উত্তৰ পাৰত যি কেইখন জিলা আছে—তাত ট্ৰাইবেল ভাই সকলেই বেছি।

তেখেত সকলৰ খেতি কৰা পদ্ধতি বেলেগ তেওঁলোক জান-জুৰি বান্ধি খেতি কৰে তেনেস্থলত ট্ৰাইবেল ডেভেলপমেণ্ট ঠাই দ্বাৰা আগৰ দৃষ্টি ভঙ্গি সলনি কৰি তেওঁলোকক যদি খেতি কৰিবলৈ শিকাই নিদিয়ে তেতিয়াহলে মই ভাৰো খেতিৰ কাৰণে ইফালে সিফালে মাটি খহাই নাইকীয়া কৰিব।

দ্বিতীয় কথা হ'ল গড়কপ্তানী বিভাগৰ যিবিলাক কুৰেৰী তৈয়াৰ কৰা হৈছে। সেইবিলাকৰ দ্বাৰা নদীৰ গতি দাইভাট কৰি দিছে। আমাৰ ভৰলী নদীতেই এই অবস্থা হৈছে। বৃটিছৰ দিনৰে পৰাই সেই বলাক একেৰাহে চলি আছে। বেদখল আদিও চলি আছে, গতিকে এই গোটেই বিলাকতে বেদখল চলালে চৰকাৰে কেইটা পুলিশ দিব ? অকল চৰকাৰক বা কংগ্ৰেছক দোষাবোপ কৰিলে আমাৰ ৰিজাভৰ মাটি ৰক্ষা নপৰে। সেইকাৰণে মই পৰামৰ্শ দিব বিচাৰিছোঁ যে মাষ্টাৰ প্লেন কৰক। এই মাষ্টাৰ প্লেনৰ কাৰণে ৪ কোটি টকা আগৰচোৱাই নহয় ৪ কোটি টকা বাজেটত ধৰিব লাগে। মাষ্টাৰ প্লেনৰ পিচত টকা লাগিবই, কিন্তু মাটি-খিনি ৰক্ষা কৰিব লাগে সেইটো চিন্তা কৰা উচিত। আমাৰ বিভিন্ন বিভাগে কুৰেৰী কৰি যিবিলাক পাহাৰ খহাইছে সেইবিলাক বন্ধ কৰিব লাগিব। আমি সংস্কৃতিৰ কথা কও, ঐতিহ্যৰ কথা কও, আমাৰ ডাক্তাৰ ভূপেন হাজৰীকাই 'ঐ বুঢ়া পাহাৰ বুলি গানটো গালে' তেজপুৰত থকা পাহাৰ বিলাকলৈ মোৰ মনত পৰে। গতিকে এনেধৰণে মাষ্টাৰ প্লেন কৰিব লাগে যাতে ভবিষ্যতে অসমৰ অৰ্থনীতি স্বৰূপ মাটি সংৰক্ষণ কৰিব নোৱাৰিলে অৰ্থনীতি কেতিয়াও টনকিয়াল কৰিব নোৱাৰে। সেইকাৰণে মই এই পৰামৰ্শৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষন কৰিলো। তাৰ পাচত চয়ল কনজাৰভেশ্যনৰ যোগেদি আমাৰ যথেষ্ট খৰোৱাৰ এটা কমিটি কৰিব লাগে। এইটো আলোচনাৰ বিষয়বস্তু নহয় বুলি বাদ দিবলৈ মই কোৱা নাই। আশাকৰো চৰকাৰে গুৰুত্ব সহকাৰে উপলব্ধি কৰি আমি যি খিনি কথা সমালোচনা কৰিছো সেইবিলাকৰ উপৰিও ভৱিষ্যত অসমৰ দৃষ্টিভংগীৰ বিষয়ে গুৰুত্ব দিবলৈ কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীলক্ষেশ্বৰ গোহাই (ৰাজহ মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই এই দপ্তৰৰ কামবোৰ ভালদৰে মনোনিবেশ কৰিব পৰা নাছিলো— মাত্ৰ দুই দিনহে মই বাহিৰত এই বিভাগৰ কামকাজ চাবলৈ গৈছিলো আৰু

আজি যিবিলাক অভিযোগ মাননীয় সদস্য সকলে আনিছে সেইটো আমাৰ দৃষ্টিলৈ আহিছে। মই নিজেই এই বিভাগৰ কামকাজত সন্তুষ্টি লব পৰা নাই। এই বিভাগটো ১৯৫৯ চনতেই বন বিভাগৰ পৰা ফালি সুকীয়া বিভাগ কৰা হৈছে আৰু ইতিমধ্যে ইয়াৰ ৭ টা ডিভিজন কৰা হৈছে। যি নহওক আজি আমাৰ মাননীয় সদস্যসকলে যিবিলাক পৰামৰ্শ দিছে তাৰ বাবে তেখেত সকললৈ ধন্যবাদ দিছো আৰু তেখেতসকলৰ সলাগ লৈছো। বৰ্ত্তমান যিখিনি আসোঁৱাস মাননীয় সদস্যসকলে ডাঙি ধৰিছে সেইখিনি আমাৰ দৃষ্টিলৈ অহাত আমি ইতিমধ্যে তাৰ কাৰণে এখন অনুসন্ধান কমিটি কৰি দিছো। ইতিমধ্যে আমাৰ শ্ৰীগোস্বামী ডাঙৰীয়াই সাৰৰ বিষয়ে যিখিনি কথা কৈছিল— সেই সম্বন্ধে চৰকাৰে তদন্ত চলাই আছে আৰু মাননীয় সদ্যয্য শ্ৰীহুদা ডাঙৰীয়াই যি দুটা আঁসোৱাস দেখুৱাই দিলে সেই আঁহোৱাসে নিস্পতি কৰিবৰ কাৰণে তদন্ত চলাই আছে আৰু মই ভাবো আমি যিদৰে কৰিব বিচাৰিছো— তাৰদ্বাৰা এই সকলোবিলাক আঁসোৱাস অতি-সোনকালে দুৰ কৰিব পৰা যাব।

ইতিমধ্যে আমাৰ শ্ৰীদাস ডাঙৰীয়াই কেইটামান মূল্যৱান পৰামৰ্শ আগবঢ়াইছে যে য'ত আমাৰ কাৰণে আচনি লয় সেই আচনিৰ সেই আচনিৰ মুলতে স্থানীয় ৰাইজে তাত সহযোগ কৰিব লাগে আৰু জনসাধাৰণক বুজাব লাগে। এইটো বৰ ভাল পৰামৰ্শ। আমি ভৱিষ্যতে তেনে আচনি ললে ঠিক সেই ঠাইতে কমিটি এখন পাতি দিয়াৰ কথা চিন্তা কৰিছো। তেখেতে কৈছে যে, বান্ধ মাৰোতে ঠিকাদাৰ সকলে যেনেভাবে কৰিব লাগে তেনেদৰে কৰা নাই। হয়তো আমাৰ বিষয়াসকলে তেনেদৰেই কামবিলাক কৰিবলৈ নিৰ্দ্দেশ দিছে বা বান্ধবিলাক বান্ধিবলৈ নিৰ্দ্দেশ দিছে বিশেষকৈ 'কুহ বুৰুজ' দিয়া ক্ষেত্ৰত।

আমাৰ মাননীয় সদস্য শ্ৰীজয়নাল আবেদীনে কেইটামান পৰামৰ্শ আগবঢ়াইছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। ইতিমধ্যে যিহেতু উত্তৰ পাৰত গড়াখহনীয়া যিভাৱে হয় দক্ষিন পাৰত সেইভাবে হোৱা নাছিল কাৰণে ভূমি সংৰক্ষণৰ কাম উত্তৰ অঞ্চলত বেছি হৈছে আৰু সচৰাচৰ কৃতকাৰ্য্যও লাভ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেও সেই আচনি লৈ আগবাঢ়িবলৈ খোজা হৈছে। ইয়াৰোপৰি কাৰ্বি আংলং আৰু উত্তৰ

কাচাৰ জিলাত কৰা বুন খেতি আগতে পাহাৰ অঞ্চলত আছিল যদিও এতিয়া ভৈয়ামৰ কাৰণেও লোৱা হৈছে। গোটেই বিলাক কথা বিতংকৈ কোৱাৰ সময় নলওঁ। চমুকে সকলো দিশ সামৰি থৈছো। বাগিচাৰ উন্নয়নৰ কাৰণে এখন বোৰ্ড আছে আৰু কাম কাজ এই বোৰ্ডে তত্বাৱধান কৰে। এই গোটেই কামত আসোৱাহ দেখি ছয়জন লোকৰ এটা কমিটি কৰি দিয়া হৈছে আৰু অনুসন্ধান কৰি তিনিমাহৰ ভিতৰত পৰামৰ্শ দাখিল কৰিবলৈ লোৱা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী .— কমিটিত কোন কোন আছে।

শ্ৰীলক্ষেশ্বৰ গোহাই (ৰাজহ মন্ত্ৰী) :—আমাৰ খিতিৰ কাৰণে ছয়লাখ বিৰানবৈ হাজাৰ চাৰিশ চোৰানব্বৈ টকা ছাব্বিশ পইচা খৰচ কৰা হৈছিল কিন্তু আদা বিক্ৰী পোৱা হৈছিল মাত্ৰ আটাওন্ন হাজাৰ টকা। আকৌ প্লেনটেচন কৰপোৰেচনে বাগিচাত এশ ছল্লিশ হেক্টৰ মাটিত কফি খেতি কৰি দহলাখ খৰচ কৰিছে। উৎপাদন হলে হোৱা নাই। মই অলপতে চাই আহিছো। এই বছৰ নালাগে অহা বছৰতো উৎপাদন আশা কৰিব নোৱাৰি। চুটিয়া-নলা কফি বাগানত একলাখ পাচ হাজাৰ টকাৰ যৰ সজা হৈছিল যদিও এতিয়া ঘৰবিলাক পচি গৈছে। টিন দিও চলাবৰ উপায় নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- পাউদাৰৰ কথা কোৱা হৈছিল এইটো অনুসন্ধান কৰিব লাগে।

শ্ৰীলক্ষেশ্বৰ গোহাই (ৰাজহ মন্ত্ৰী] : সেইটো কৰা হৈছে। আৰু গোটেই আসোৱাহ বিলাক অনুসন্ধান কৰিবলৈ ইতিমধ্যে এটা কমিটি কৰি দিয়া হৈছে ৯-৬-৭৮ তাৰিখে, এই ছয়মহীয়া কমিটিৰ সভাপতি ৰাবেলং টেৰণ, সদস্য আছে প্ৰেম বৰা, জীৱন বৰা, সচিব ভূমিসংৰহ সচিব কৃষি আৰু বিও সচিব। প্লেনটেচন আদি সকলো দিশ চালিজাৰি চাই তিনি মাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। মইও বেছি ভালকৈ এই বিষয় মনোনিবেশ কৰিবলৈ যত্ন কৰিছো। গতিকে মই মাননীয় সদস্যসকলক কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিছো।

Mr. Speaker : Cut motion No. 1. Mr. Goswami are you withdrawing the cut motion ?

Shri Atul Goswami : Yes Sir, I am willing to withdraw the cut motion. (Voice : Yes, Yes).

Mr. Speaker : Has the hon. member leave of the house to withdraw the cut motion, (Voices : Yes, yes).

Shri Atul Goswami : I withdraw the cut motion.

( The cut motion is withdrawn .)

শ্ৰীকালীৰাম ডেকা বজা ঃ— চইল কনজাভেচনৰ ছুটা বিচাচ এচিচটেণ্টৰ পোষ্ট অনুসুচীত জাতি আৰু জন জাতিৰ কাৰণে খালী আছিল কিন্তু এতিয়ালৈকে দিয়া হোৱা নাই এই বিষয়ত কি ব্যৱস্থা লব খুজিছে জানিব বিচাৰিছো ।

শ্ৰীলক্ষেশ্বৰ গোহাই ৰাজহ মন্ত্ৰী ঃ— এইটো আমাৰ দৃষ্টিত পৰা নাই আহিলে বিবেছনা কৰি চাম ।

Mr. Speaker : Cut No. 11. Mr. Das, are you withdrawing the Cut motion

Shri B. Das : Yes Sir.

Mr. Speaker : Is it the pleasure of the House to grant him leave to withdraw the Cut motion ? ( Voices : yes, yes ). ( The Cut motion is withdrawn ).

Mr. Speaker : Grant is passed. Now, Grant No. 34 Shri Lakhyadhar Choudhury.

Shri Lakhyadhar Choudhury ( Minister ): Sir, with your kind permission, I want to move on the recomm-

endation of the Governor of Assam, that a sum of Rs. 43,38,11,900 be granted to the Minister-in-charge to complete the sum of Rs. 75,84,15,800, necessary to defray the charges which will come in course of payment during the year ending the year ending the 31st March, 1979 for the administration of the head "277 - Education - 1-677-Loans for Education Art and Culture".

Mr. Speaker : Mr. Noorul Huda to move. his cut motion

Shri Nishith Ranjan Das : Sir, I want to move the Cut motion, that the total provision of Rs. 57,84,15, 800 under Grant No. 34, Major head "277- Education- - 1 - 677- Loans for Education Art and Culture", at pages 1-72 of volume II, part VIII, be reduced to Re. 1., i.e., the amount of the whole grant of Rs. 57,84, 15, 800 do stand reduced to Re. 1.

Mr. Speaker : Now, Cut motion No. 2. There are several members.

শ্ৰীগোলোক ৰাজবংশী ঃ— বাজেটৰ দাবীৰ দ্বিতীয় খণ্ড অংশ ১-৭২ পৃষ্ঠাত ২৭৭ শিখা ৬৭৭- শিখা, কলা আৰু সংস্কৃতিৰ বাবে ঋণ শিতানত ৩৪ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৫৭,৮৪,১৫,৮০০ টকা এটকালৈ হ্ৰাস কৰা হওক অৰ্থ্যাত সমুদয় মঞ্জুৰীৰ ৫৭, ৮৪, ১৫, ৮০০ টকা এটকালৈ হ্ৰাস কৰা হওক ।

Mr. Speaker : Cut motion No. 2 moved. Now, severel members have given notice to participate in the debate on this grant.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— এই কৰ্ত্তন প্ৰস্তাৱৰ মোভাৰ কেইজনক একেলগে টেগ কৰা হৈছে ।

Shri Giasuddin Ahmeddin Ahmed : Several cut motions have been tagged together in this case. The movers of the cut motions should get precedence in such discussions. That convention followed.

Shri Santi Ranjan Das Gupta :— Only one mover can move a cut motion while the others can supplement it. If all the 28 members are allowed to participate in this debate than we will not get any chance to speak.

Shri Premadhar Bora : Then let us move the motions seperately.

মাননীয় অধ্যক্ষ :—একেলগে মোভ হৈ গল। এতিয়া বেলেগ আৰু মোভ কৰিবলৈ দিয়া নহব। আলোচনাৰ সময়ত বিবেচনা কৰা হব।

শ্রীনিশীথ রঞ্জন দাস : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা সংক্রান্ত ব্যায় বরাদের ওপর কর্তন প্রস্তার সম্পর্কে আলোচনা করতে গেলে প্রথমেই আমাদের রাজ্যের শিক্ষানীতি সম্পর্কে আলোচনা করতে হয়। গত ৩০বছর ধরে কংগ্রেছ সরকার আমাদের রাজ্যে যে শিক্ষা নীতির প্রচলন করেছে তাকে আমরা বলি পিছন-চলার-নীতি। এই নীতির ফলে আমাদের দেশের কংগ্রেসী শাসন নিরক্ষরতা দুরীকরনে শিক্ষার ওপনিবেশিকতার অবশেষ গুলিকে উচ্ছেদ করতে এবং শিক্ষাকে, জনগণের চাহিদার পরিপুরক করতে ও শিক্ষাকে দ্রুত অর্থনৈতিক উন্নতির উপযোগী করতে শোচনীভাবে ব্যর্থ হয়েছে। এই পিছনে চলার নীতির ফল আমরা দেখি পরীক্ষার ফলাফল যখন প্রকাশ হয় তখন সংখ্যাগরিষ্ঠ ছাত্র এবং জনগণের মধ্যে এক নৈরাশ্যের সৃষ্টি হয় এবং এক হতাশাময় জীবন যাত্রার মধ্যে তাদের থাকতে হয়।

মহোদয়, কংগ্রেস সরকারের শিক্ষানীতির ফলে আমাদের দেশের শতকরা ৭০ শতাংশ জনগণ অক্ষয় জ্ঞানহীন অবস্থার মধ্যে রয়েছেঁ। শিক্ষার জ্ঞানের জগতে প্রবেশাধিকার পেয়েছে মাত্র মুষ্টিমেয় কয়েকজন মানুষ। আমাদের দেশের ৬৫ কোটি মানুষের মধ্যে ৩৯ কোটি মানুষ এথনো

নিরক্ষর এবং আমাদের রাজ্যের ১৯৭১ ইংরাজীর সে মাসের রিপোর্টমতে ১ কোটি ৪৬লক্ষ ২৫ হাজার ১৫২ জন লোক অধ্যুষিত এই রাজ্যে শিক্ষিতের সংখ্যা হলো, সমতল অঞ্চলে শতকরা ২৮'১ ভাগ এবং পার্বত্য অঞ্চলে শতকরা ২০'৫ ভাগ অর্থাত এই অবস্থায় পার্বত্য অঞ্চলে আজও শতকরা ৮০ জন মানুষ এবং সমতল অঞ্চলে শতকরা ৭২ জন মানুষ শিক্ষার আলো বঞ্চিত। জাতির এই বৃহত্তম অংশ আজিও শিক্ষার ক্ষেত্রে অন্ধকারে নিমজ্জিত। তাই,—

"যারে তুমি নিচে ফেল
সে তোমারে বধিবে যে নীচে,
পশ্চাতে ফেলিছ যারে
সে তোমারে টানিবে পশ্চাতে।"

গত ৩১ বছরে আমরা এগিয়ে যেতে পারিনি। আমরা পিছনে পরে আছি এবং এই নীতিকে আজ আমাদের রাজ্যের জনসাধারণ বাতিল করে দিয়েছেন। কংগ্রেসের অগণতান্ত্রিক শিক্ষানীতিকে বাতিল করে কেন্দ্রে এবং রাজ্যে আজ জনসাধারন নতুন সরকারকে প্রতিষ্ঠিত করেছেন এবং জনতা সরকার ক্ষমতায় আসার পর কাঠামোর আমূল পবিবর্তন করার যে প্রতিশ্রুতি দিয়েছেন তা জনগণের মনে আশা আকাংখা জাগরিত করেছে। আমাদের শিক্ষামন্ত্রী মহাশয় যখন দরদের সঙ্গে বলেন যে তিনি শিক্ষার আমূল পরিবর্তন করবেন এবং দ্ররিদ্র জনসাধারনের জন্য শিক্ষার সু-ব্যবস্থা করবেন তখন এসব কথা আমাদের কানের ভিতর দিয়ে মরমে প্রবেশ করে। কিন্তু অন্যদিকে যখন আমরা বাস্তব অবস্থার দিকে দৃষ্টিপাত করি তখন দেখি যে আমাদের দেশে, উপনিবেশিক শিক্ষা ব্যবস্থার এখনো অবসান হয়নি। এই উপনিবেশিক ব্যবস্থা শিক্ষার জগতে অগ্রসর হওয়ার পথে পৌন পৌনিক বাধার সৃষ্টি করেছে।

মহোদয়, এই বাজেট বক্তৃতার ১ম পৃষ্ঠায় আছে বিভিন্ন ধরণের কলেজের কথা। সরকারী কলেজ, ডেফিসিট কলেজ, এডহক্ কলেজে, গভর্নমেন্ট হাইস্কুল, ডেভিসিট হাইস্কুল ইত্যাদি বিভিন্ন ধরণের

কজেজ ও স্কুলের কথা। কিন্তু একই রাজ্যে বিভিন্ন শিক্ষা প্রতিষ্ঠানের মধ্যে বৈষম্য এবং এর ফলে ছাত্র শিক্ষককে নীপিড়ন করার যে ব্যবস্থা এটা চালু করেছিল বৃটিশ সাম্রাজ্যবাদীরা। এই দেশে বেনামী শিক্ষা, মাছিমারা কেরানী তৈরী করার জন্য, রাষ্ট্রীয়ন্ত্রকে চালনার জন্য বৃটিশ সাম্রাজ্যবাদীরা প্রতি সাব ডিভিশনে মাত্র একটি করে গতঃ কলেজ তৈরী করেছে। কিন্তু ইতিমধ্যে পৃথিবীর অনেক পরিবর্তন হয়ে গেল এবং জনগনের মধ্যে শিক্ষার জন্য প্রবল আকাংখা জাগ্রত হলো। সঙ্গে সঙ্গে জনগণ এগিয়ে এলো স্কুল কলেজ তৈরী করতে। তখন এই বৃটিশ সরকার এতে সংকিত হয়ে এই বিষয়ে নানা রকমের বিধি নিষেধ আরোপ করতে আরম্ভ করলো। তারমধ্যে একটা হলো রিজার্ভ ফাণ্ড। এই রিজার্ভ ফাণ্ড যদি থাকে তাহলে একটা স্কুল বা কলেজ গ্রাণ্ট পাবে। এই অবস্থা কংগ্রেছ আমলে এসে চূড়ান্ত আকার ধারন করলো। দেশের গরীব মানুষ, সাধারণ মানুষ যাতে শিক্ষিত হতে না পারে তারজন্য এক একটি এম ই স্কুলের জন্য ৫০০ টাকা রিজার্ভ ফাণ্ডের শর্ত আরোপ করলে।, আর হাই স্কুলের জন্য তার পরিমান হলো দুই হাজার টাকা। তাছাড়া কংগ্রেছ আমলে এই রিজাভফাণ্ডের সঙ্গে আবার তিন হাজার টাকার ওয়াকিং ফাণ্ডের বিধি ব্যবস্থা আরোপ করা হলো। যদি এই রিজার্ভফাণ্ড ও ওয়াকিং ফাণ্ডের শর্তপুরণ করতে পারে, তাহলে সরকার কোনো শিক্ষা প্রতিষ্টানকে গ্রান্টি দিতে এগিয়ে আসতে পারেন। তাছাড়া আরও লক্ষনীয় যে আমাদের শিক্ষা ব্যবস্থায় মধ্যে যাতে চাকুরীর গ্যারান্টি বা স্তরে স্তরে যাতে কর্মসংস্থানের কোন নিশ্চয়তা না থাকে দেশের অধিকাংশ মানুষ যাতে উচ্চ শিক্ষার দিকে অগ্রসর না হতে পারে। তার জন্য আমাদের কংগ্রেছ সরকার যে নিলর্জ্জ নীতি অনুসরন করেছিল তা শুনলে অধ্যক্ষ মহোদয় আপনি আশ্চর্য্য হবেন। ১৯৬৭ ইংরাজীতে এই কংগ্রেস সরকার একটা কেবিনেট সিদ্ধান্ত নিল যে ১৯৬৭ ইং থেকে ১৯৭২ ইংরাজী পর্যন্ত আসাম রাজ্যে কোনো নতুন কলেজ স্থাপন করা যাবে না এবং এই সময় কলেজ স্থাপন করার শর্তছিল যে কমপক্ষে ১০ হাজার টাকার রিজার্তফাণ্ড রাখতে হবে। ১৯৭৩ ইংরাজীতে যখন এই বাধা উঠে গেল তখন সরকার আইন করলো যে প্রি ইউনিভার্নিটির স্বীকৃতির জন্য এক একটা কলেজে ৩৫ হাজার টাকার জমা রাখতে হবে এবং ডিগ্রী কলেজের জন্য ৫০ হাজার টাকার রিজার্ভফাণ্ড

৬৬ কি. মিঃ যায়গার মধ্যে যেখানে ৪ লক্ষ লোকের বাস সেখানে একটাও কলেজ ছিল না। আমাদের এই বদরপুর কলেজ করার সময় যখন দশ হাজার টাকার রিজার্ভফাণ্ড করে ইউনিভার্সিটি কর্তৃপক্ষকে দেখলাম তখন ১৯৭৩ ইংরাজীতে ইউনিভাসিটি আমাদের জানিয়ে দিল যে ৩৫ হাজার টাকা রিজার্ভফাণ্ড রাখতে হবে, নতুবা এফিলেশন চলে যাবে। আর ডিগ্রীর জন্য রিজার্ভভাণ্ড রাখতে হবে। ৫০ হাজার টাকা এবং ওয়ার্কিং ফাণ্ড রাখতে হবে ২০ হাজার টাকা। একই দেশে একই শিক্ষাব্যবস্থার মধ্যে বৃটিশ সরকার যে বিভিন্ন স্কুল কলেজ করেছিল, তারমধ্যে সরকারী স্কুল কলেজের জন্য রিজার্ভফাণ্ডেয় কোনো প্রয়োজন ছিল না, কিন্তু দেশের দুঃস্থ জনসাধারণ একটা স্কুল কলেজ করলে এতে এই রিজার্ভফাণ্ডের শর্ত এক বিরাট বাধার সৃষ্টি করত। সে জন্যই আমি বলেছিলাম যে ঔপনিবেশিকতার এই যে অবশেষ কংগ্রেছ সরকার বিদ্যমান রেখেছে। দেশের শিক্ষার গতিকে যে ভাবে ব্যহত করছে, তা অত্যন্ত লজ্জাজনক। শুধু তাই নয়, উচ্চ শিক্ষার জন্য ছাত্র এবং জনসাধারণ যখন আকুল হয়ে ৫০ হাজার টাকা রিজার্ভফাণ্ড ও ২০ হাজার টাকা ওয়ার্কি ফাণ্ড জমা রেখে শিক্ষা প্রতিষ্ঠান স্থাপনে এগিয়ে এসেছে তখন ঐ সরকার প্রস্তাব করেছে যে প্রত্যেক কলেজে অর্নাস নেওয়া প্রযোজন। কারন অনার্স না থাকলে ছাত্ররা ভবিষ্যতে চাকুরী পায় না। অথচ এই সরকার কলেজে অনার্স খোলার দায়িত্ব নেয় নি। বরং এই অনাস খোলার জন্য ১৪ হাজার টাকা কলেজের তরফ থেকে দেওয়ার প্রস্তাব করেছে। এইভাবে বাধার সৃষ্টি করে ঐ কংগ্রেছ সরকর শিক্ষার অগ্রগতিকে রোধ করেছে। মহোদয়, আমরা যখন আজ বার বার শিক্ষামন্ত্রীর নিকট থেকে শিক্ষার প্রগতিশীল নীতির কথা ঘোষণা শুনি, যখন ঔপনিবেশিক শিক্ষা ব্যবস্থার ঘটানোর কথা শুনি তখন সত্যিই এই কথা-আমাদের মরমে প্রবেশ করে। রিজার্ভফাণ্ডের প্রভিশন করে এই কংগ্রেস সরকার শিক্ষার প্রসারকে সঙ্কুচিত করে রেখেছিল এবং ভারতবর্ষের ৭০ কোটি মানুষকে নিরক্ষরতার অন্ধকারে নিমজ্জিত করে রেখেছিল। তাই, আমি সরকারকে অনুরোধ করি যে শিক্ষা প্রতিষ্ঠানের ক্ষেত্রে যে কোন রকম বৈষম্য বজায় রেখে শিক্ষার অগ্রগতিকে রোধ না করা হয়। এইভাবে যেন সরকারী স্কুল, ডেভিসিট স্কুল ইত্যাদি বৈষম্য না রাখা হয়।

মহোদয়, আমার পাঠশালা স্কুলের প্রধান শিক্ষক পেন্সন না পেয়ে অনাহারে মৃত্যুমুখে পতিত হয়েছেন। অধ্যক্ষ মহোদয় আমি আজ আপনাকে স্মরন করিয়ে দিতে চাই যে কুখ্যাত কেনিং সাহেব যে সার্কুলার বের করেছিল যে ভারতবর্ষের স্বাধীনতা আন্দোলনে যেসব শিক্ষক অংশ গ্রহণ করবেন তাদের স্কুল থেকে তাড়িয়ে দেওয়া হবে। আমি যে স্কূলে পড়েছিলাম সেই স্কুলের প্রধান শিক্ষক যিনি ছিলেন, সেই মহান দেশপ্রেমী শিক্ষককে পরবর্তীকালে তদানীন্তন সরকার জাতীয় শিক্ষকের মর্যাদা দিয়ে রাষ্ট্রপতি পুরকার দিয়াছিলেন ঃ কিন্তু একশানা কাগজই তাকে দেওয়া হয়েছিল। পেন্সন তাকে দেওয়া হয়নি। আমার ঐ প্রধান শিক্ষক পরবর্তী কালে পেন্সন না পেয়ে না খেয়ে খেয়ে ঐ লামডিং রেলওয়ে প্লেটফর্মে শোচনীয় ভাবে মৃত্যুবরন করেছিলেন। তাছাড়া, আমি যে কলেজে পড়েছিলাম, সেই কলেজের প্রিন্সিপাল যিনি ছিলেন তিনি আজ পেন্সন না পেয়ে বাড়ী বিক্রী করে করে কোনরকম টিকে আছেন। সারা যৌবন তিনি ছাত্রদের জন্য সমাজের জন্য অকাতরে বিলিয়ে দিয়ে আজ বৃদ্ধ বয়সে ভিক্ষুকের মত জীবন যাপন করছেন। সুতরাং এই বৈষম্যের অবসান করা দরকার। আশাকরি সরকার ডেভিসিট, নন্ ডেভিসিট এই সমস্ত বৈষল্যমুলক শিক্ষা-নীতির অবসান ঘটিয়ে একটা সুস্থ সবল শিক্ষানীতি গ্রহণ করবেন। কারন, মহোদয়, এখন বাজেটে, শিক্ষাখ্যতে যে অর্থ মঞ্জুর করা হয়েছে, ৫৭ কোটী ৮৪ লক্ষ ৫০ হাজার ৮০০ টকা। তারমধ্যে এল, পি বিভাগের জন্য ১৯৭৭-৭৮ ইংরাজীতে ছিল ২১ কোটী টাকা এবং মন্ত্রী মহোদয়কে আমি আপনার মারফত ধন্যবাদ জানাচ্ছি যে এ বছর এই পরিমান থেকে আরও ৭ কোটী টাকা বাড়িয়ে ২৮ কোটী টাকা ধার্য্য করেছেন। এতে গ্রাম্যঞ্চলের স্কুল-গুলির দুরবস্থা কিছুটা লাঘব হবে। কিন্তু, সঙ্গে সঙ্গে আমাদের মনে একটা আতংকেরও সৃষ্টি হয়েছে। কারন হাইস্কুলের জন্য এবারের বাজেটে টাকা কম জমা হয়েছে। ১৯৭৭-৭৮ ইংতে ছিল প্রায় ২৩ কোটী টাকার মত। আর এবারে অর্থাত ৭৮-৭৯ ইংতে করা হয়েছে ২২ কোটী টাকা। এল পি স্কুল থেকে যে পরিমান ছেলেরা হাইস্কুলে ধাবিত হবে। সে তুলনায় বাজেটের অংক এখানে অনেক কম হয়েছে। শিক্ষার ক্ষেত্রে যদি হাইস্কুলের গুরুত্ব না দেওয়া হয় তাহলে সংকট গভীর থেকে আরও গভীরতর হবে।

( সময় সংকেত )

এবং কলেজ শিক্ষার জন্য বাজেটে অর্থের ব্যবস্থা আরু কম হয়েছে। গত বছর এই খাতে অর্থের পরিমান ছিল ৫ কোটী ৮ লক্ষ ৯৫ হাজার টাকা। এবারেও ধরা হয়েছে ৫ কোটী ৭৪ লক্ষ ২০ হাজার টাকার মত। এমতাবস্থায়, আমি বলতে চাই যে কলেজ শিক্ষার সঙ্গে সঙ্গে যদি আমরা চাকুরী গ্যারেন্টি না দেই তা হলে ছাত্রর উচ্চ শিক্ষার জন্য ধাবিত হবে না। সুতরাং এক্ষেত্রে আরও অর্থের দরকার।

অধ্যক্ষ মহোদয়, আমাদের রাজ্যের শিক্ষা ব্যবস্থা ছিল পূজিপতি ও জমিদার শ্রেণীর স্বার্থরক্ষার জন্য এবং যার ফলে এই শিক্ষা বিভাগের সমস্ত ক্ষমতা কেন্দ্রীভূত করা হয়েছে। এই ডি পি আই অফিস থেকে আরম্ভ করে ডি আই অফিস পর্য্যন্ত সর্বত্র দূর্নীতির সীমা অতিক্রম করেছে। এই রাজ্যের সমস্ত বিভাগ গুলির মধ্যে এই পবিত্র শিক্ষা বিভাগে দূর্নীতির যাত্রা সবচেয়ে বেশী। দূর্নীতির ব্যাপারে শিক্ষা বিভাগ অন্যান্য সমস্ত বিভাগকে ম্লান করে দিয়েছে। কি গ্রাচুয়িটির ব্যাপারে, কি ফিক্সেশনের ব্যাপারে সমস্ত ব্যাপারে শিক্ষকগণ এই বিভাগের দূর্নীতির শিকার হচ্ছেন। আর ঐ কাহিনী পাড়ার ডি পি আই অফিসের বেঞ্চ ডেস্ক ইত্যাদির ব্যাপারে অনেক কলংকজনক কার্যকলাপের অবতারনা এই সদনেও বহুবার করা হয়েছে। সুতরাং এইসব ব্যাপারে যেন কিছূ ক্ষমতার বিকেন্দ্রীকরন হয়। সেজন্য যেন মন্ত্রী মহোদয় কঠোর ব্যবস্থা অবলম্বন করেন। আমরা যে শিক্ষা ব্যবস্থা চাই এতে একটা সমাজ গড়ে উঠবে, সেখানে কোন মূর্খ থাকবে না নিরক্ষর থাকবে না এবং এই ব্যবস্থা করার জন্য আমাদেরে দূর্নীত্তির বিরুদ্ধে অভিযান চালাতে হবে এবং এজন্য ছাত্র, শিক্ষক এবং জনগণকে সংগঠিত করতে হবে।

মহোদয়, আর একটা বিষয়ে সংকট দেখা দিয়েছে, সেটা হলো. সারা ভারতবর্ষে বিভিন্ন ভাষাভাষি লোক থাকেন। কিন্তু এমতাবস্থায় হিন্দি বা ইংরাজী যদি জোর করে চাপিয়ে দেওয়া হয় তাহলে শিক্ষার অগ্রগতি বাধা পেতে বাধ্য। কারন মাতৃভাষায় যদি মানুষ শিক্ষালাভ না করতে পারে তাহলে তার বুদ্ধিবৃত্তির বিকাশ হতে পারে না। অন্যদিকে আমাদের রাজ্যের জনসাধারন মাতৃভাষায় সর্বভারতীয় ক্ষেত্রে চাকুরীর জন্য

প্রতিযোগীতায় যেতে পারে না। কাজেই কেন্দ্রীয় সরকার যাতে প্রত্যেক প্রতিযোগীদেরে চাকুরীর পরীক্ষা মাতৃভাষায় দিতে পারে সে ব্যবস্থা করেন তাছাড়া সঙ্গে সঙ্গে যেন সংখ্যালঘু ভাষিকদেরও রক্ষা কবচ থাকে। আশাকরি হিন্দি বা ইংরাজী যাতে জোর করে চাপানো না হয়, সরকার এদিকে সতর্ক থাকবেন। তাছাড়া আমাদের রাজ্যের যারা ভাষিক সংখ্যালঘু আছেন যে মন, বড়ো, কাছাড় জেলায় মনিপুরি ইত্যাদি তাদেরও যেন স্বার্থ রক্ষা করা হয়, সেদিকে নজর দিবেন।

মাননীয় অধ্যক্ষ :—আপনি ১২-৩০ এর মধ্যে শেষ করুন।

শ্রীনিশথ রঞ্জন দাস :— ঠিক আছে।

অধ্যক্ষ মহোদয়, হাই স্কুল গুলিতে মাতৃভাষায় শিক্ষা দানে জন্য শিক্ষক নাই। এ সমস্ত দিকে দৃষ্টি দিতে আমি শিক্ষা মন্ত্রী মহোদয়কে অনুরোধ করবো। তাছাড়া আমাদের রাজ্যে বোবা ও গরিবদের যে সমস্যা, যারা কোন অবস্থায়ই সমাজে দাঁড়াতে পারে না, সেইসব পঙ্গু ও বিকলাঙ্গ-দের সমাজে প্রতিষ্ঠিত হওয়ার জন্য বিশেষ দৃষ্টি দিতে আমি সরকারকে অনুরোধ করব। শিক্ষার বাপারে বলতে গেলে মহাভারত হয়ে যাবে। আমি আর বেশী সময় নিতে চাই না।

মহোদয়, জরুরী অবস্থার সময় আমাদের রাজ্যে শিক্ষাকে সরকারী করনের ফলে জোর করে আমাদের শিক্ষকদের ৫৫ বতসর বয়সে অবসর গ্রহণ করতে এই সরকার বাধ্য করেছে। সরকারীকরন করা হলে এই সব শিক্ষক ৬০ বর্তসর কাজ করতে পারতেন। এই পাচ বছর তাদের জীবন থেকে কেড়ে নেওয়ার জন্য তারা প্রত্যেকে প্রায় ২০ হাজার টাকার মুখোমুখি হয়েছেন। তাদের বিকল্প কোন ব্যবস্থা না করে, গ্রাচুয়িটির কোন ব্যবস্থা না করে সরকার তাদের ২০ হাজার টাকা থেকে বঞ্চিত করেছেন। একটা কথা আছে—

"রাজার হপ্ত করে সমপ্ত
কাঙালের ধন চুরি।"

এই হতভাগ্য শিক্ষকদের ঐ কংগ্রেস সরকার ২০ হাজার টাকা থেকে বঞ্চিত করেছেন এবং তাই, আমি শিক্ষা মন্ত্রী মহোদয়কে অনুরোধ করি

তিনি যেন অত্যন্ত সহানুভূতি সহকারে এসব কথা বিবেচনা করেন। তাছাড়া শিক্ষার ব্যাপারে বাগানের প্রশ্ন অ সলে পরীক্ষা মূলকভাবে দুইটি জেলার বাগানের শিক্ষার ব্যাপারে সরকার বাগান কর্তৃপক্ষের সঙ্গে এক শর্তে উপনীত হ'ন যে অতিরিক্ত টাকা বাগান কর্ত্তৃপক্ষ্য থেকে নিয়ে শিক্ষকদেরে দেবেন। কিন্তু যেহেতু এই বাগান কর্ত্তৃপক্ষ টাকা দেয়নি সেজন্য আজও ঐসব শিক্ষকরা টাকা পায়নি। ফলে আমাদের হাইলাকান্দিতে তো এক রকম শিক্ষাদান বন্ধ হয়ে গিয়েছে।

(সময় সংকেত্)

আর এক মিনিট স্যার। আমরা শুনেছি যে এল পি স্কুলের চৌকিদাররা বেতন পায় না। আমাদের কাছে খবর এসেছে যে এই মঙ্গলদৈতে এই রকম একজন স্কুল চৌকিদার না খেয়ে খেয়ে মারা গিয়েছে। আশাকরি সরকার এদিকে নজর দিবেন।

মহোদয়, বহু হাইস্কুলের শিক্ষক সময় মত বেতন পান না। জুনিয়র বেসিক শিক্ষকের চাকুরীর স্থায়ীও নাই। আমি যে স্কুল থেকে শিক্ষা লাভ করে এখানে কথা বলার। যোগ্যতা আর্জন করেছি সেই পাব্লিক স্কুলের প্রধান শিক্ষক শ্রীজগজ্যোতি ভার এর পেনস্ন এখনো হয়নি। শিক্ষকগন মরছে—তারা পেন্সন পান না, তাদের গ্র্যাচুয়িটি হয় না। এই শিক্ষা বিভাগের দূর্নীতি কেবল সারা রাজ্যে হাহাকারের সৃষ্টি করেছে। শিক্ষককে সর্ব্বসান্ত করেছে। তাই, আমি মন্ত্রী মহোদয়কে অনুরোধ করবো তিনি যেন এক দূর্নীতি মুক্ত শিক্ষা ব্যবস্থার প্রবর্তন করেন, যে শিক্ষা ব্যবস্থার উপনিবেশিক বাধা থাকবে না। কৃষক-শ্রমিক - চাকুরে প্রভৃতি সকল শ্রেণীর শ্রমজীবি মানুষের স্বার্থে যেন এই শিক্ষানীতি পরিবর্ত্তন করা হয়। এই আশা করে আমি আমার ভাষন শেষ করছি।

Mr. Speaker :– The House stands adjourned till 2-30 p.m. today,

[After Lunch]

Mr. Deputy Speaker :—Now, Hon'ble Shri Golok Rajbanshi.

Shri Golok Rajbanshi :– Mr. Deputy Speaker, Sir, I will not speak. My friend Shri Basumatari will speak.

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী : উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যিটো কৰ্তন প্ৰস্তাৱ সেইটো সমৰ্থন কৰি মই কেইষাৰমান কব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ভাৰতবৰ্ষৰ বিদেশী শাসন কাল চোৱাত আমি যিটো শিক্ষা দেখিবলৈ পাইছিলো সেই শিক্ষা কেৱল নামতহে আছিল আৰু সেই সময়ৰ কিছুমান সীমাবদ্ধ লোকৰ কাৰণে ব্যয় বহুল হিচাবে শিক্ষাক ব্যৱহাৰ কৰা হৈছিল। কাৰণ গৰীব জনসাধাৰণৰ কাৰণে, ভাৰতবৰ্ষৰ লোক সকলৰ কাৰণে সেই সময়ৰ শিক্ষা একেবাৰে সীমাবদ্ধ আছিল। সেইকাৰণে ভাৰতবৰ্ষৰ যিটো নিযক্ষৰ মানুহৰ সংখ্যা সেই সংখ্যা বহুত বেছি আছিল। আৰু শিক্ষানুষ্ঠানো সীমাবদ্ধ আছিল। অসমতে জিলাৰ সদৰ আৰু মহকুমাৰ সদৰত মাত্ৰ একোখনকৈ হাইস্কুল আছিল।

আমাৰ স্বাধীনতাৰ পিচৰ কালছোৱাত আমি দেখিবলৈ পাইছো যে ১৯৪৭ চনৰ পৰা বৰ্তমানলৈকে শিক্ষাৰ যি দ্ৰুতগতিত উন্নতি হৈছে তালৈ লক্ষ্য কৰিলে দেখা যায় যে ভাৰতবৰ্ষৰ যি সমাজবাদ, গণতন্ত্ৰ-বাদ আৰু ধৰ্মনিৰপেক্ষৰ যি নীতি তাৰ বহুলভাবে প্ৰচাৰ লাভ কৰিছে তথা শিক্ষাৰ ক্ষেত্ৰত জনসাধাৰণে যথেষ্ট আগবাঢ়িব পাৰিছে।

সাধাৰণ শিক্ষা আৰু কাৰিকাৰীৰ ক্ষেত্ৰত আমি যিটো দেখিবলৈ পাইছো যে ভাৰতবৰ্ষত যথেষ্ঠ শিক্ষাৰ সম্প্ৰসাৰণ ঘটিছে। তাৰ মূলতে বিভিন্ন কমিচন বিলাকৰ যেনে-কোঠাৰী কমিচন, ৰাধাকৃষ্ণণ কমিচন আদিৰ পৰামৰ্শৰ ফলত শিক্ষাই চমকপ্ৰদ উন্নতি লাভ কৰিছে। আজি শিক্ষাৰ ক্ষেত্ৰত মেধাবী ছাত্ৰ-ছাত্ৰীক বৃত্তি দি শিক্ষাৰ উন্নতিৰ কাৰণে বা জনসাধাৰণৰ শিক্ষাৰ উন্নতিৰ কাৰণে যিখিনি ব্যৱস্থা লোৱা হৈছে সেই বিলাক অতি চমকপ্ৰদ বুলি আমি কব পাৰো। গতিকে শিক্ষাৰ মূল উদ্দেশ্য ব্যক্তি, সমাজ আৰু দেশৰ উন্নতিৰ কাৰনে বিশেষকৈ ১৯৪৭ চনৰ পৰা আজিলৈকে যদিও সংখ্যা দিয়া সম্ভৱ নহয় তথাপী মাননীয় সদস্য সকলে নিশ্চয় স্বীকাৰ কৰিব যে অসমত যথেষ্ঠ উন্নতি হৈছে আৰু এই উদ্দেশ্যত আমি বহুখিনি সাৰ্থক হোৱা বুলি কব লাগিব। নিৰক্ষৰতা দূৰীকৰণৰ ক্ষেত্ৰত একো হোৱা নাই বুলি কব পাৰি। কিন্তু আগৰ চৰকাৰৰ প্ৰচেষ্টাত

বা আগৰ চৰকাৰৰ আশাসুধীয়া প্ৰচেষ্টাত ইয়াৰ হাৰ ১৯৭১ চনৰ পিয়ল মতে শতকৰা ২৮ জন হৈছে। আৰু এইখিনি হব পাৰিছে আমাৰ আগৰ চৰকাৰৰ ক্ষিপ্ৰ গতিত লোৱা কিছুমান ব্যৱস্থাৰ ফলত। এই ক্ষেত্ৰত কিছুমান তথ্য পাতি মই সদনত দাঙি ধৰিব খোজো। শিক্ষাৰ শিতানত ১৯৪৭ চনত কেৱল ৯১ লাখ টকা ব্যয় কৰিছিল কিন্তু ১৯৭৭ চনত এই শিতানত ৬৫ কোটি টকা ব্যয় হোৱা দেখা গৈছে। আৰু ইয়াৰ পৰাই জানিব পাৰি যে অসমৰ ৰাইজৰ শিক্ষাৰ ক্ষেত্ৰত আগৰ চৰকাৰে যথেষ্ঠ মনোনিবেশ কৰিছিল। মাননীয় সদস্য সকলে জানে যে মানসীক উতকৰ্ষসাধন, নৈতিক উন্নতি সাধন আৰু সামাজিক অৰ্থনৈতিক উন্নয়ণৰ কাৰণে মূল সোপান আৰু সেই কাৰণে ইয়াত বেছি টকা খৰচ কৰা দৰকাৰ। বৰ্তমান চৰকাৰৰ বাজেটতো দেখিবলৈ পাইছো যে গোটেই বিলাক বিভাগৰ ভিতৰত শিক্ষাৰ শিতানতেই আটাইতকৈ বেছি টকা ধৰা হৈছে। আগৰ চৰকাৰৰ অৱদানো এই ক্ষেত্ৰত নুই কৰিবলগীয়া নহয়: আমাৰ অসমত আজিলৈকে ১৪৩ খন কলেজ হৈছে তাৰ ভিতৰত প্ৰায় ৯৪ খনে ডেফিচিট গ্ৰাণ্ট পাইছে বাকী বিলাকেও হয় চৰকাৰী এইড্ পাইছে নহয় ৰেকাৰিং গ্ৰাণ্ট পাইছে। হাইস্কুলৰ সংখ্যা হৈছে গৈ ১, ৬৫৭ খন, আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ সংখ্যা হৈছে ২৪ খন।

শ্ৰীগিয়াচুদ্দিন আহমেদ : উপাধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে অসমত বিভিন্ন অঞ্চলৰ পৰা হাজাৰ হাজাৰ কৃষকৰ সমদল এটা আহিছে মুখ্যমন্ত্ৰীক এখন স্মাৰকপত্ৰ দিবলৈ। ইয়াৰ নেতৃত্ব দিছে কম্যিউনিষ্ট আৰু মাক্সবাদী কমিউনিষ্ট দলে। কৃষক সকলৰ সমস্যা সমূহৰ সমাধানৰ কাৰণে অহা এই সোভাযাত্ৰাকাৰী সকলক মুখ্যমন্ত্ৰীয়ে লগ ধৰি স্মাৰকপত্ৰ গ্ৰহণ কৰে যেন।

শ্ৰীনৰেন্দ্ৰ নাথ দত্ত : মাক্সবাদী কমিউনিষ্ট দলৰ ফালৰ পৰাও মই সমৰ্থন কৰি কৃষক সকলে তেওঁলোকৰ কৃষি আৰু ভূমি সংক্ৰান্তত যিবিলাক দাবি ধৰি এখন স্মাৰকপত্ৰ দিবলৈ আহিছে। সেই স্মাৰকপত্ৰ খন গ্ৰহণ কৰিবলৈ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : উপাধ্যক্ষ মহোদয়, কিছু সময় আগতে

চি, পি, আই, আৰু চি, পি, আই, (এম] দলৰ নেতৃস্থানীয় সদস্য কেইজন-মানে মোক লগ ধৰি সমদলক লগ ধৰিবলৈ অনুৰোধ কৰিছে। তেখেত সকলে কোৱা মতেই সমদল যাত্ৰীক লগ ধৰিম আৰু স্মাৰকপত্ৰ গ্ৰহণ কৰিম।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী : উপাধ্যক্ষ মহোদয়, গতিকে আজি শিক্ষাৰ ক্ষেত্ৰত যিমানখিনি টকা ব্যয় হৈছে আৰু তাৰ ফলত আগৰ চৰকাৰৰ যিটো এচিভমেণ্ট মই সেই কথা কব বিচাৰিছো। ১৯৪৭ চনত আমাৰ এম ই স্কুল আছিল ৪২৬ খন কিন্তু ১৯৭৭ চনত এই সংখ্যা হলগৈ ২৫০৪ খন। ১৯৪৭ চনত এম ভি আৰু চিনিয়ৰ বেচিক স্কুলৰ সংখ্যা আছিল ৩১৬ খন কিন্তু ১৯৭৭ চনত এই সংখ্যা হলগৈ ৯৫০ খন। ১৯৪৭ চনৰ আগতে আমাৰ অসম ৰাজ্যখন কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত একেবাৰেই অনগ্ৰসৰ আছিল। কিন্তু আগৰ চৰকাৰৰ দিনত আমি দেখিবলৈ পাইছো যে আমাৰ অসমত দুই এখন নহয়, কেইবাখনো কলেজ, ইঞ্জিনিয়াৰিং কলেজ বা কাৰিকৰী স্কুল, কৃষি কলেজ গঠন হৈছে। আৰু কাৰিকৰী শিক্ষাৰ জ্ঞান প্ৰসাৰত যথেষ্ঠ পৰিমান বৰঙণি যোগাইছে। গতিকে শিক্ষাৰ শিতানত মোৰ পূৰ্ব বৰ্ত্তঃ বক্তা মাননীয় সংসদ্য শ্ৰীদাস ডাঙৰীয়াই যিটো কথা কৈছে, কংগ্ৰেছ চৰকাৰৰ আমোলত শিক্ষাৰ যিটো ব্যৱস্থা সেই ব্যৱস্থাৰ সমালোচনা কৰিছে, মই তেখেতে যিটো কথা কৈছে সেইটো খণ্ডন কৰিবৰ কাৰণেই এই কথা কব বিচাৰিছো। কাৰণ শিক্ষাৰ ক্ষেত্ৰত একমাত্ৰ যি কংগ্ৰেছ চৰকাৰ শাসনত অধিস্থিত আছিল সেই কংগ্ৰেছ চৰকাৰে যথেষ্টখিনি বৰঙণি যোগাই যোৱা আমি দেখিবলৈ পাইছো। এই কংগ্ৰেছ চৰকাৰৰ দিনতেই কাৰিকৰী শিক্ষাৰ যিটো হাৰ সেই হাৰো যথেষ্ট বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে। গতিকে উপাধ্যক্ষ মহোদয়, পৰিবৰ্ত্তিত শিক্ষাৰ বাবে যিখিনি কৰা হৈছে সেইখিনি যথেস্ত কাৰ্যাকৰী হৈছে। মোৰ পূৰ্ববৰ্ত্তী মাননীয় সদস্য সকলে যি বিলাক কথা উল্লেখ কৰিছিল সেই বিলাক কথা খণ্ডন কৰিবৰ কাৰণেই মই এই বিষয়ে কবলৈ বাধ্য হৈছো।

উপাধ্যক্ষ মহোদয়, আজি আমি এটা কথা উপলব্ধি কৰিছে। সেই কথাটো হল আমি সাধাৰণ শিক্ষাৰ উন্নয়নৰ কাৰণে ব্যয় কৰিব লাগিব সেই কথা ঠিক। এই সাধাৰণ শিক্ষাৰ প্ৰসাৰ যথেষ্ট

পৰিমান হৈছে। কিন্তু এই সাধাৰণ শিক্ষাই আমাৰ অসমৰ যিটো নিবনুৱা সমস্যা, সেই নিবনুৱা সমস্য সমাধান কৰাত সাধাৰণ শিক্ষা বৃদ্ধিয়ে অসমৰ ৰাজ্যৰ জনগনৰ কাৰণে এটা সমাধান আনি নিদিয়ে। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। মোৰ লগত আমাৰ শিক্ষামন্ত্ৰী মহোদয়ো নিশ্চয় একমত হব, সেইটো হল আমাৰ ৰাজ্যত কাৰিকৰী শিক্ষাৰ হাৰ বৃদ্ধি কৰিব লাগে। মই আশা কৰিছো এই ভকেচনেল শিক্ষাৰ বিষয়ত, কাৰিকৰী শিক্ষাৰ বিষয়ত মন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্ব দিব আৰু গুৰুত্ব দিবৰ কাৰণেই মই এই কথা দাঙি ধৰিছো। কাৰিকৰী শিক্ষা প্ৰবৰ্ত্তনৰ কাৰণে আমাৰ যি বিলকে উচ্চ মাধ্যমিক হাইস্কুল আছে সেই বিলাকক উচ্চতৰ মাধ্যমিক স্কুলত পৰিনত কৰি সেই বিলাকত কাৰিকৰী শিক্ষা সংযোজন কৰি দিব লাগে। তেতিয়াহে আমাৰ ছাত্ৰ-ছাত্ৰী সকল নিজৰ ওপৰত নিজে স্বাৱলম্বী হবলৈ মানষিক ভাবে উতসাহ পাব। মোৰ অসম ৰাজ্যত সাধাৰণ সমাজকৰ্মী হিচাবে বিভিন্ন ঠাই পৰিদৰ্শন কৰাৰ কাৰণে যি সুযোগ ঘটিছিল সেই অভিজ্ঞাৰ পৰা মই কৈছো আমাৰ কোকোৰজাৰ মহকুমাত যিখন শক্তি আশ্ৰম ভকেচনেল স্কুল আছে তেনেকুৱা ভকেচনেল স্কুল মই অসমৰ আন ঠাইত দেখা নাই। তাত কাঠ মিস্ত্ৰিৰ কাম শিক্ষা দিব পাৰে, চিলাই কলৰ শিক্ষা দিব পাৰে, বয়ন বিষয়ৰ শিক্ষা দিব পাৰে, ইত্যাদি ধৰণৰ কেইবা বিধো কাৰিকৰী শিক্ষা দিয়া হয়। আমাৰ মাননীয় সদস্য সকলে যেনে ধৰণৰ কাৰিকৰী শিক্ষা অনুস্থান গঢ়ি তুলিব বিচাৰিছে, মই ভাবো সেই বিলাক যদি শক্তি আশ্ৰম ভকেচনেল স্কুলৰ আৰ্হিত গঢ়িতুলিব পৰা যায় তেনেহলে তেতিয়াহলে আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে শিক্ষাৰ শিতানত যিখন বাজেট ডাঙি ধৰিছে, ২১ খন উচ্চমাধ্যমিক স্কুলৰ উচ্চতৰ মাধ্যমিক স্কূলত পৰিণিত কৰি কাৰিকৰী শিক্ষা প্ৰবৰ্ত্তন কৰাৰ বিত্ত মন্ত্ৰীৰ যিটো প্ৰস্তাব আনিছে তাৰ দ্বাৰা আমি নিশ্চয় লাভবান হব পাৰিম। যদিহে শক্তি আশ্ৰম ভকেচলেল স্কূলৰ নিচিনাকৈ কাৰিকৰী জ্ঞান দিব পাৰে। ভৱিষ্যতে মেট্ৰিক বা টুয়েলভ ক্লাচ পাচ কৰি উচ্চ শিক্ষা দিব নোৱাৰিলেও চাকৰিৰ কাৰণে দুৱাৰে দুৱাৰে ঘুৰিব নালাগে তাৰ কাৰণে স্বাবলম্বী হব পৰাকৈ শিক্ষা দিব লাগে।

তাৰ পিচত, কলেজত যি বিলাক শ্ৰেণী আছে আমি সকলোৱেই জানে যে অনাৰ্চ নাথাকিলে বি এ বা বি এচ চি পাচ কৰি

বিশ্ব বিদ্যালয়ত পঢ়িব নোৱাৰে। গতিকে এই সংক্ৰান্তত মোৰ পৰামৰ্শ হৈছে যে অৰ্নাচ শ্ৰেনী বিলাক ব্যাপক হাৰত খুলিব লাগে। যি বিলাক মাটি মঞ্জুৰি কলেজ আছে সেই বিলাকত শিক্ষা মন্ত্ৰীয়ে অৰ্নাচ শ্ৰেনী খোলাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। ইয়াৰ কাৰণে যোৱা বছৰলৈকে যি বিলাক কলেজ ডেফিচিত হৈছে সেই বিলাকতো অৰ্নাচ প্ৰৱৰ্ত্তণ কৰিবলৈ মই অনুৰোধ জনালো।

মই এই সুযোগতে বৰোমাধ্যমৰ কথা কব খুজিছো। বৰো ভাষাৰ মাধ্যমত শিক্ষা দিবলৈ অসমৰ চৰকাৰেযিটো ব্যৱস্থা প্ৰবৰ্ত্তণ কৰিলে ১৯৬২ চনৰ পৰা, তাৰ ফলত এতিয়ালৈকে বৰো মাধ্যমৰ স্কুল বিলাকত মেট্ৰিক পাচ কৰিছে আৰু কলেজতো পঢ়িছে এই বৰো ভাষাৰ যিটো বিষয় আছে সেইটো গুৱাহাটী বিশ্ববিদালয়েও স্বীকতি দিছে। আৰু অসম চৰকাৰেও অনুমোদন দিছে।

এতিয়ালৈকে এই স্কুল কেই খনৰ সমস্যা হল ক্লাচ ৰুমৰ অভাব কাৰণ অসমীয়া মাধ্যম আৰু বড়ো মাধামত দুটা চেকচন খোলা হল, লগে লগে ক্লালাচ ৰুমৰ অভাব হৈছে। গতিকে ক্লাচ ৰুম বঢ়াব লাগে। তাৰ পিচত আমাৰ হাইস্কুল বিলাকৰ অতিৰিক্ত শিক্ষকৰ পদ বিলাক বঢ়াব লাগে। টেক্সট্ বুক প্ৰভাকচনৰ ব্যৱস্থা কৰিব লাগে বড়ো শিক্ষাৰ প্ৰসাৰণৰ কাৰণে স্কুল পৰিদৰ্শনৰ যিটো ব্যৱস্থা তাত সহকাৰী স্কুল পৰিদৰ্শক আদিৰ পদ বিলাক বঢ়াব লাগে। শিক্ষা মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্ন সন্দৰ্ভত আশ্বাস দিছিল। এই ব্যৱস্থা যদি গ্ৰহণ কৰে তেতিয়া হলে বড়ো মাধ্যমৰ শিক্ষাত তেওঁলোকে পৰামৰ্শ দিব পাৰিব। গৰীব মানুহক শিক্ষাৰ পোহৰ দিবৰ কৰণে বৃত্তি বিলাক নিয়ম মতে দিয়াৰ ব্যৱস্থা কৰিব লাগে। ছয় মাহেও বৃত্তিৰ পেমেন্ট দিয়াৰ ব্যৱস্থা নাই। ফলত গৰীব অভিভাবক সকলে মাটি আদি বিক্ৰি কৰি পঢ়াৰ খৰচ বহণ কৰিব লগা হয়, ইয়াতকৈ আৰু দুখৰ কথা হব নোৱাৰে। গতিকে মাহিলি বৃত্তি দিয়াৰ ব্যৱস্থা হব লাগে। তাৰ পিচত আমাৰ শিশু সকলক শিক্ষাদান দিয়া ব্যৱস্থাত বহু খিনি আসোঁৱাহ আছে। আমাৰ শিক্ষা বিভাগৰ ডি, পি, আইকে আৰম্ভ কৰি যি সকল ডাঙৰ ডাঙৰ বিষয়া আছে তেখেত সকল একমত হব যেশিক্ষাৰ উন্নতি সাধন কৰিবলৈ হলে শিক্ষক সকলক আলোচনা মাধ্যমৰ যোগেদি, অৰিয়েন্টেড ক'চ'ৰযোগেদি শিক্ষা দান পদ্ধতি

গ্ৰহণ নকৰো তেতিয়াহলে শিক্ষাৰ উনতি নহব। লগে লগে শিক্ষাৰ যিটো গতি সেইটো আগৰ দৰে হৈ থাকিব। গতিকে শিক্ষক সকলৰ মনত শিক্ষা দান কৰাৰ প্ৰতি উতসাহিত কৰিবৰ কাৰণে মাহেকত বা তিনি মাহত আলোচনা চক্ৰ, অৰিয়েন্টেড ক'ৰ্চৰ যোগেদি শিক্ষা দান দিয়া পদ্ধতি গ্ৰহণ কৰিবলৈ মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো লগে লগে শিক্ষক সকলৰ অৱস্থা যাতে উন্নত হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আজি কাগজত পঢ়িবলৈ পাইছো নন-দেফিচিট হাইস্কুৰ শিক্ষক সমূহে বেলেগ এটা সন্থা গঠণ কৰি ধৰ্মঘট কৰিবলৈ সিদ্ধান্ত লৈছে। মাননীয় শিক্ষা মন্ত্ৰী মহোদয় নিশ্চয় লক্ষ্য ৰাখিব লাগে যে দেফিচিট আৰু ননদেফিচিট শিক্ষক সকলৰ সুবিধাৰ ক্ষেত্ৰত যাতে তাৰতম্য নহয়। উভয়ৰে পে-স্কেল বা লিভিং কণ্ডিচন যাতে একে হয় তাৰ বাবে মন্ত্ৰী মাহাদয়ক অনুৰোধ জনালো। দেফিচিট এম, ই স্কুল বিলাকৰ টকা পইচা দিয়াৰ ব্যৱস্থা হৈ গল, কিন্তু চকীদাৰ সকলৰ পে ফিক্সেচন হোৱা নাই। এই বিষয়ত লক্ষ্য ৰাখিবলৈ শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। ডি, পি, আই অফিচৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট অভিযোগ আনিব বিচৰা নাই কিন্তু মহকুমা আৰু জিলাৰ হেডকোৱাৰ্টাৰ ডি, আই আৰু ইংসপেক্টৰ অফিচ বিলাকত বিভত্স কাণ্ড দেখা পাইছো। শিক্ষক স্থানান্তৰি কৰা আৰু নিয়োগ কৰা ক্ষেত্ৰত এই অফিচ বিলাকত দুৰ্নীতি চলিছে। বৰ কেৰাণি সকলৰ উতপাতত গৰীব শিক্ষক সকলে যাতনা পাইছে। এই বিষয়ত আমি যথেষ্ট অভিযোগ পাইছো। স্কুল এচ, আই সকল শিক্ষানুষ্ঠান পৰিদৰ্শন কৰাত আগ্ৰহী নহয়।স্কুল সমূহ ভাল ধৰণে আৰু নিয়মীয়াকৈ যাতে পৰিদৰ্শন কৰে তাৰ বাবে শিক্ষা মন্ত্ৰীয়ে নিশ্চয় ব্যৱস্থা লব! ডি, আই আৰু ইন্সপেক্টৰ অফিচ সমূহৰ পৰা এই দুৰ্নীতি সম্পূৰ্ণৰূপে বিলোপ সাধন কৰিবলৈ দাবী ৰাখি কৰ্তন প্ৰস্তাব সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীগোলোক কাকতি :— মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, এই বিধান সভাৰ মজিয়াত শিক্ষা বিষয়ত যি অনুদানৰ দাবী শিক্ষা মন্ত্ৰীয়ে জনাইছে তাক সমৰ্থন কৰিছো। আমাৰ শিক্ষা সমস্যাটো সমাধান কৰিবলৈ আৰু অধিক টকা প্ৰয়োজন হব বুলি মোৰ বিশ্বাস। শিক্ষা ভাৰতীয় সমাজৰ কাৰণে

এটা গুৰুতৰ সমস্যা। মই আগেয়েই কৈছো মহত্মা গান্ধীৰ ভাৰতবৰ্ষ পাবৰ কাৰণে ভাৰতৰ অগনন নৰনাৰীয়ে যি ত্যাগ আৰু কষ্ট কৰিছে সেই আকাংক্ষা কেনে ভাবে সম্পূৰ্ণ হৈছে সেই বিষয়ে সম্যক ভাবে আলোচনা বিভিন্ন শিতানত আলোচনা হৈছে। দেশৰ সকলো স্কুল কলেজ পঢ়িবৰ কাৰণে, জাতীয় চৰিত্ৰ গঢ়ি তুলিবৰ কাৰণে যি আদৰ্শ আগত ৰাখি শিক্ষা দিব লাগিছিল বা পৰিচালনা কৰিব লাগিছিল তাতকৈ আমি বহু দূৰত্ত ৰৈ আছো শিক্ষাই যদি মানুহক দেবতা কৰে, মানুহক মানুহ হিচাবে গঢ়ে তেনেহলে এই শিক্ষা জগত খনক আমি সম্মান কৰিম, শ্ৰদ্ধা কৰিম। আমি শুনিছিলো যে শিক্ষক সকলক বিশ্বৰ সকলো জাতিয়ে শ্ৰদ্ধা কৰে, সম্মান কৰে। যোৱা ৩০ বছৰত আমাৰ দেশত যেনে ভাবে শিক্ষা জগত গঢ়ি উঠিছে সেই সম্মান আমৰ দেশৰ জনসাধাৰণে দিব পাৰিছেনে ? বৃটিছ থকা দিনত জনসাধাৰণে শিক্ষকৰ প্ৰতি শ্ৰদ্ধা কৰিছিল। মাধ্যমিক স্কুলৰ শিক্ষকৰ প্ৰতি দেবতাৰ জ্ঞান কৰিছিল। আজি ৩৩ বছৰৰ পিচত সেই ধাৰণা নাইকিয়া হৈ গল কিয় ?

*শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় সদস্য জনে আগৰ বক্তা দুইজনৰ বক্তৃতা শুনি কৈছে নে এনেই কৈ গৈছে ?

*শ্ৰীগোলক কাকতি ঃ- জাতীয় আদৰ্শৰ লগত ৰজিতা খুৱাই দেশত শিক্ষা দান কৰিবলৈ কোনো ব্যৱস্থা নহল। কংগ্ৰেছী বন্ধু দুই চাৰিজনে যোৱা ত্ৰিশ বছৰত আমাৰ দেশৰ প্ৰগতি হৈছে বুলি কৈছে।

*Speech not corrected

অধ্যক্ষ মহোদয়, যোৱা ৩০ বছৰে আমাৰ দেশত বহুতো প্ৰগতি হল। এই প্ৰগতি কেনেভাৱে হৈছে আজি আমি পুনৰ পৰ্য্যালোচনা কৰা দৰকাৰ। মই চমুকৈ এটা কথা কব খুজিছো যে, আমাৰ প্ৰাথমিক স্কূলৰ পৰা মাধ্যমিক স্কূল আৰু তাৰ পিচত হাইস্কুলৰ শেহান্তৰ পৰীক্ষাত লৰা বিলাকে কি ফল দেখুৱাইছে। মই মাধ্যমিক স্কুলৰ শিক্ষক আছিলো আৰু সেই হিচাবে কবলৈ বিচাৰিছো যে, চতুৰ্থমান শ্ৰেণীত প্ৰায় ৪ শ ৫ শ লৰা ভৰ্ত্তি হয আৰু ৪ বছৰৰ পিচত সেই ৪শ ৫শ লৰাৰ ভিতৰত মেট্ৰিক পৰীক্ষা

দিয়ে ৫৫ জনে আৰু পাচ কৰে ৫০ জনে পৰীক্ষা পাচ কৰে, কিন্তু ৫শ লৰাই নাম ভৰ্ত্তি কৰে আৰু তাৰ পৰা আহি আহি যেতিয়া মাত্ৰ ৫৫ জনহে পৰীক্ষাত বহেহি তাৰ পৰাই শিক্ষাৰ আৰু স্কুলৰ মানদণ্ড বুজিব পাৰি। ইয়াৰ দ্বাৰা মই কব খুজিছো আমাৰ শিক্ষাৰ জগতৰ, আকাংখিত সমাজখনৰ আজি বহুতো পিচপৰি আছে। এইটো কিয় হৈছে। এইটো হৈছে, আনকি জাতিৰ পিতা মহাত্মা গান্ধিয়েও কৈছিল —"যদি ভাৰতবৰ্ষ স্বাধীন হয়, তেনেহলে ভাৰতৰ নৰনাৰী সকলে শিক্ষাৰ কাৰণে নিজে কোনো দুখ কৰিব নালাগে তেওঁলোকে ভাত কাপোৰ শিক্ষা, চিকিৎসা আদিত সমান অধিকাৰ থাকিব। বহুতো দুখীয়া নিচলা মানুহে শিক্ষা লাভ কৰিব পৰা নাই। আজি তেওঁলোকে লৰা ছোৱালী পঢ়াবলৈ স্কুল পাতি বহি আছে শিক্ষক স্কুললৈ নাযায়, ফলত স্কুল ভাগি যায়। আমি দেখিবলৈ পাইছো ৰাজনৈতিক বিচাৰতো এই শিক্ষাৰ মানদণ্ড গঢ়ি উঠে। নদী বা আলিৰ এপাৰৰ এটা সমষ্টিক আৰু আন পাৰৰ সমষ্টিটো দুফালে দুটা স্কুল গঢ়ি উঠিছে। হয়তো দুয়োখন স্কুলৰ ব্যৱধান ১।২ মাইলহে। আৰু এই এম, এল, এ থকাৰ কাৰণে হয়তো দুয়োখন স্কুলে গ্ৰাণ্ট মঞ্জৰী আদিও পাইছে। কিন্তু আনহাতে যিবিবাক অঞ্চলত আমাৰ ট্ৰাইবেল ভাই সকলে বাস কৰে সেই অঞ্চল বিলাকত দুখৰ বিষয়, পৰিতাপৰ বিষয় কোনো দিনে কোনো সুবিধা নাপায়। ভোটৰ সময়ত এম, এল, এ সকলে প্ৰতিশ্ৰুতি দিছিল ভোট দিয়ক এই বিলাক ঠাইত হাইস্কুল হব। কিন্তু আজি এই বিলাক অঞ্চলত হাইস্কুল হোৱাৰ দুখৰ কথা, প্ৰাইমাৰী স্কুলো হোৱা নাই। এইখিনিতে মই আন এটা কথা কবলৈ বিচাৰিছো এই ৰাজনৈতিক বিচাৰ কেনেকৈ হল? যোৱা ৩০ বছৰে একো উন্নতি নহল। এটা অঞ্চলত বৃটিছ চৰকাৰৰ যুগৰে দুখন স্কুল আছিল আৰু দুয়োখন স্কুলৰ ব্যৱধান মাত্ৰ ২ মাইলহে, তথাপিও ৰাজনৈতিক কাৰণত এই দুখনৰ মাজতে আৰু এখন স্কুল তৈয়াৰ হল। আজি এজনৰ দৰ্খাস্ত এখন পাইছো সেই প্ৰাথমিক স্কুলৰ শিক্ষক জনক আতৰ কৰিব লগে। কাৰণ শিক্ষক জন সময়মতে স্কুললৈ নাযায়। অৱশ্যে অনুসন্ধান কৰি দেখা গল যে, সেই স্কুলত ছাত্ৰ ছাত্ৰীৰ উপস্থিতি খুব বেছি হয় যদি ৮।১০ জন হয় আমি বিভাগীয় কৰ্তৃপক্ষক কৈছো যে, সেই স্কুলৰ শিক্ষক জনক আন স্কুললৈ দিব লাগে, কিন্তু তেওঁক দিয়া হোৱা নাই কাৰণ কংগ্ৰেছী নেতা

সকলে প্ৰতিবাদ জনায়। এই স্কুল আজি স্থাপন কৰা হওকেই বা কালি স্থাপন কৰা হওক এইটো লৈ কথা নহয়। ভাৰতবৰ্ষৰ ৰাষ্ট্ৰিয় নীতিৰ লগত ৰজিতা খুৱাই শিক্ষানুষ্ঠান গঢ়ি তুলিব লাগিব। ইয়াৰোপৰি সময়মতে পৰিদৰ্শন কৰিব লাগে। আজি বি, টি, নৰ্মলি, বেচিক আদি বহুতো স্কুল আছে যিবিলাকত শিক্ষক সকলক ট্ৰেইনিং দিয়া হয়। আৰু এই ট্ৰেইনিং আদি দিওতে হাজাৰ হাজাৰ টকা খৰচ হৈছে কিন্তু শিক্ষক সকলে সেই ট্ৰেইনিং আজি নিজ নিজ স্কুল বিলাকত লগোৱা নাই বা সেই পদ্ধতিৰে লৰা ছোৱালী পঢ়াবও। গতিকে এই শিক্ষক সকলৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত লাখ টকা খৰচ কৰা হৈছে।

উপাধ্যক্ষ মহোদয়, যোৱা ১৯৬১ চনৰ পৰা ১৯৭১ চনলৈ এই ১০ বছৰৰ ভিতৰত আমাৰ দেশত ৫ কোটিৰ বেদি লোক নিৰক্ষৰ হৈ আছে আৰু ১০ বছৰৰ পিছত কি হয়, সেইটো নিশ্চয় দেখিবলৈ পাব। আমি কোনো ধৰণৰ ভাবপ্ৰবনতালৈ নগৈ ৰাজনৈতিক বিচাৰ লৈ সংকল্প গ্ৰহন কৰিব লাগিব। গতিকে তলৰ পৰাই শিক্ষা পদ্ধতি উন্নত কৰিবলৈ চেষ্টা কৰিব লাগে। মাথোন স্কুল পাতি, কলেজ পাতি থাকিলেই আমাৰ সমস্যা সমাধান নহয় আৰু শিক্ষা পদ্ধতিৰ কোনো উন্নতি নহয়। মই দাবি কৰি পাৰো যে, প্ৰাথমিক স্কুলৰ পৰা আৰম্ভ কৰি হাইস্কুল পৰ্য্যায়লৈ শিক্ষা ব্যৱস্থা উন্নত কৰিব লাগিব। কাৰণ প্ৰাইমেৰী স্কুলৰ পৰা লৰা ভাল কৰিব নোৱাৰিলে হাইস্কুল পৰ্য্যায়ত বা কলেজ বা ইউনিভাৰচিটি আদিত লৰা ভাল হব নোৱাৰে। আজি নিবনুৱা সকলক ভাট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই ভাবো এই নিবনুৱা সকলক ভাট্টা দিলে আৰু নিবনুৱা কৰা হব। মই পইচা দিয়াৰ কাৰণে ৰাজী নহয়। পইচা সজ কামত লগাব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মেট্ৰিক পাছ কৰা বা বি, এ পাছ কৰিব নোৱাৰা যি সকল অৰ্থশিক্ষিত ডেকা, সেই সকল ডেকাক বা যুবক যুবতীক লৈ এটা শিক্ষা সেনা গঠন কৰিব লাগিব আৰু সেই শিক্ষা সেনাই ভাৰতীয় আদৰ্শ বা ভাৰতীয় চিন্তা - চৰ্চ্চা বা ঐতিহ্যৰ লগত ৰজিতা খুৱাই যত স্কুল ঘৰ আদি নাই, যত ৰাইজে নিজৰ 'ইনিচিয়েটিভ'ৰ দ্বাৰা স্কুল ঘৰ আদি পাতিব নোৱাৰে তাত স্কুল আদি চৰকাৰৰ দায়িত্ব পতাত সহায় কৰিব। ৰাইজে স্কুল পাতিব নোৱাৰে কাৰণেই

ৰাইজক চৰকাৰে শিক্ষাদানৰ ক্ষেত্ৰত বঞ্চিত কৰি ৰাখিবৰ অধিকাৰ কোনো চৰকাৰৰ থাকিব নোৱাৰে। আজি দাবী মঞ্জুৰীৰ জৰিয়তে যি টকা বিছৰা হৈছে সেই টকাৰ সদ্ব্যৱহাৰ হব লাগিব! এই টকাৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব লাগিব। চৰকাৰে শিক্ষা দানৰ ক্ষেত্ৰত যি বৃত্তি দিয়াৰ ব্যৱস্থা কৰিছে তাত যথেষ্ট খিনি দোষ আছে। যি সকলে প্ৰথম বিভাগত পাছ কৰিছে সেই সকলৰো যথেষ্ট খিনি দুখদুৰ্গতি ভোগ কৰিব লগীয়া অৱস্থা হৈছে। কিন্তু ৰাজনৈতিক কাৰণত অৰ্থাত ৰাজনৈতিক নিৰ্য্যাতিত বুলি যি সকলৰ লৰাছোৱালীয়ে বৃত্তি আদি পাইছে সেই সকলৰ ক্ষেত্ৰত কোন অসুবিধাৰ সৃষ্টি হোৱা নাই।

শ্ৰীমতী গুণলক্ষী গগৈ নামৰ এজনী ছোৱালীয়ে ১৯৭৫ চনতে প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিছিল। বৃত্তিও পাইছিল কিন্তু বৰ দুখৰ বিষয়ে যে, বৃত্তিৰ পয়ছাৰ এটাৰো মুখ দেখিবলৈ পোৱা নাই। এজন দুখীয়া শিখক মৰি গল কিন্তু তেওঁক দিয়া টকা তেওঁ নেপালে। শিক্ষাদানৰ ক্ষেত্ৰত সকলোবিলাক দলীয় কথা বাদ দি কাম কৰিব লাগিব। জগতৰ সকলো বিলাক অনুষ্টানেই বা মন্দিৰেই অপবিত্ৰ হৈ পৰিব কিন্তু শিক্ষা জগতৰ পৱিত্ৰতা শিক্ষা অনুষ্ঠানৰ পৱিত্ৰতা সদায়েই থাকিব। এম, এল, এ হোৱাৰ পিছতো মোৰ যি সকল শিক্ষাগুৰু আছিল সেই সকলৰ ভৰিত দীঘল দিকাৰো। কিন্তু কিছুমান শিক্ষক বা ওপৰৰ শিক্ষাজগতৰ লগত জড়িত থকা লোকৰ এনে কিছুমান কেলেংকাৰিৰ কথা আমি শুনবলৈ পাইছো যে, সচাকৈয়ে দুৰ্ভাগ্যৰ ৰিষয়। মই আশা কৰিছোঁ যে, শিক্ষা জগতৰ লগত জড়িত থকা লোক সকলে যাতে তেখেত সকলৰ সন্মান ঘূৰাই আনিব শিক্ষা অনুষঠান আৰু শিক্ষা জগতৰ পবিত্ৰতা ৰক্ষা কৰিব। নমস্কাৰ।

*শ্ৰীএ, এন, আক্ৰাম হোছেইন :— মাননীয় উপাধ্যক্ষ মহোদয়, সিদিনা আমাৰ মাননীয় শিক্ষামন্ত্ৰীয়ে পিছপৰা অঞ্চল বিলাকৰ ভেঞ্চাৰ স্কুল বিলাক চৰকাৰে গ্ৰহণ কৰিব বুলি ঘোষনা কৰোতে মই চৰকাৰক অশেষ ধন্যবাদ জনাইছোঁ। লগতে এইটোও আশা কৰিছোঁ যে, এই ঘোষনা আমাৰ চৰকাৰে সোনকালেই কাৰ্য্যকৰীও কৰিব। লগতে মই এইটোও কওঁযে, আমাৰ গাৱেঁ ভুৱেঁ যিবিলাক প্ৰাথমিক শিক্ষাৰ ৰিদ্যালয় আছে সেইবিলাকৰ অৱস্থা ইমানেই দুখলগা যে, কিছুমান মানুহৰ গোহালীওঁ তাতকৈ বহুত বেছি ভাল। আশাকৰো আমাৰ চৰকাৰে এই বিলাক স্কুল ঘৰৰ প্ৰতি

অলপ লক্ষ্য ৰাখিব। ছাত্ৰছাত্ৰী সকল অধ্যয়ন কৰা সেইবিলাক অনুষ্ঠান যাতে শিক্ষা মন্দিৰত পৰীণত কৰিব পাৰি তাৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, লগতে মই এইটোও কব খুজিছো যে, আমাৰ, এল পি, এম, ই, এম, ভি আদি স্কুলত যি সকল ছাত্ৰ ছাত্ৰীয়ে পঢ়াশুনা আদি কৰে সেই সকল ছাত্ৰ ছাত্ৰীক দুপৰীয়া আহাৰ যোগানৰ ব্যৱস্থা কৰিব লাগে। গাওঁ বিলাকৰ অৱস্থা ইমানেই বেয়া যে, শতকৰা ৭০ ভাগ লৰাছোৱালীয়ে নোখোৱা নোবোৱাকৈ স্কুললৈ আহিব লগীয়া অৱস্থা হৈছে। শিক্ষক সকলে মুখ দেখিয়েই বুজি পাই কিছু মান লৰা-ছোৱালীক ঘৰলৈ পঠিয়াই দিবলগীয়া অৱস্থা আমাৰ দেশত চলি আছে। গতিকেই মই দাবী কৰিছো যে, তেনেবিলাক শিক্ষা অনুষ্ঠানত বিনামুলীয়াকৈ আহাৰ যোগানৰ ব্যৱস্থা কৰিব লাগে, বছেৰেকত দুবাৰ পোহাক দিয়াৰ ব্যৱস্থা কৰিব লাগে, বিনামুলীয়াকৈ পুস্তক দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু লগত অন্ততঃ মাহেকত এবাৰকৈ বিনামুলীয়াকৈ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰীকৰ ন-কৰাৰ পিছত যি কোনো ঠাইলৈকেই শিক্ষক সকল বদলি হব পাৰে। কিন্তু শিক্ষক সকল থকাৰ কাৰণে বাসস্থান আদিৰ কোনো ব্যৱস্থা নাই। শিক্ষক সকলৰ দৰ্মহাৰ হাৰড়ো বঢ়াব লাগে। এলিমেণ্টেৰি এডুকেশন বোৰ্ডৰ ফালৰ পৰা যেতিয়া এল, পি স্কুলৰ শিক্ষক লাগীব বুলি জাননী দিয়ে তেতিয়া হাজাৰ হাজাৰ শিক্ষিত যুবক যুৱতীয়ে আবেদন কৰিলে। ফাইনেললিষ্ট পৰ্য্যন্ত বাহিৰ হৈ গল। তাৰ ম্যাদ এবছৰলৈকে হব বুলিও ঘোষনা কৰিলে কিন্তু এবছৰ পূৰ নৌহওতেই যোৱা ১৯৭৭ চনৰ ৩১ ডিচেম্বৰ তাৰিখে সেই লিষ্টৰ ম্যাদ বন্দ হল বুলি ঘোষনা কৰিলে। ফলত হাজাৰ হাজাৰ যুৱক যুৱতী হতাশ হৈ পৰিল। শিলচৰৰ পৰা প্ৰায় ১০০ জন মান লোক যি সকলৰ নাম ফাইনেল লিষ্টত আছে সেই সকল আহিছে আৰু এলিমেণ্টেৰী এডুকেশন বৰ্ডৰ ফালৰ পৰা তেখেত সকলক জনোৱা হৈছে যে, যি হেতুকে ফাইনেল লিষ্টৰ ম্যাদ বদ হৈছে গতিকে তেওঁলোকক নিয়োগৰ ক্ষেত্ৰত আৰু বিছাৰ নিবেচনা নকৰিব। এই বিষয়টো আমাৰ শিক্ষা মন্ত্ৰীয়ে বিবেচনা কৰি চাব বুলি আশা কৰিলোঁ। আমি যদিও বিৰোধী দলত আছো তথাপিও দেশ, গণতান্ত্ৰিক অধিকাৰ আৰু সমাজৰ খাতিৰত আমি চৰকাৰক গঠন মূলক পৰামৰ্শ আগবঢ়াব লাগিব।

তাৰ পিছত মাননীয় অধ্যক্ষ মাহোদয়, আমাৰ অসম চৰকাৰৰ পাঠ্যপুঠি নিগমৰ সম্পৰ্কত অকন কম বুলি ভাৱিছোঁ। ভাৰত চৰকাৰৰ ফালৰ পৰা অসম চাৰকাৰক ৪৫০ টন সুলভ মূল্যক কাগজ দিছিল কিন্তু নিৰ্দ্দিষ্ট দিন তাৰিখ পাৰ হৈ যোৱাৰ কাৰণে সেই কাগজ খিনি আনিব নোৱাৰিলে আৰু ফলত সেইটো 'লেপছ, হৈ গল। ফলত অসম সেই সুলভ মূল্যৰ কাগজৰপৰা বঞ্চিত হল আৰু লগে লগেই সেই কাগজ ভাৰতৰ অন্য ৰাজলৈ গুছি গল।

এই কাগজ লেপচ হোৱাৰ ফলত পাঠ্য পুথি চপাবলৈ স্থানীয় নগমৰ কাগজ কিনিব লাগিব। আৰু তাৰ কাৰণে ১৬ লাখ টকা ক্ষতি হল। কি কাৰণে লেপচ হ'ল এইটো এটা প্ৰশ্ন এইটোৰ কাৰণে হ'ল অসমৰ কাগজ খিনি লেপচ হোৱা কাৰণে স্থানীয় চপাশালাত পাঠ্যপুথি চপা কৰা নহল। এনেকুৱা দুৰ্‌অভিসন্ধিৰে অসমৰ লচ কৰা উদাহৰণ বহুত আছে। অসমত বহুত বেচি চপাশাল আছে, গতিকে যিহেতুকে অসমত কাগজ লেপচ হ'ল যথা সময়ত পাঠ্যপুথি প্ৰাকাশ নহব বুলি কোটাৰ কাগজ কিনিবলগীয়া হ'ল। অসমত যথেষ্ট চপাশাল আছে, গতিকে অসম মল ইণ্ডাষ্ট্ৰি ডেভেলেপমেণ্ট অসমত আৰু চপাশাল খুলিবলৈ অনুমতি দিব নোৱাৰে। অসমৰ চপাশালে পাঠ্যপুথি চপোৱাৰ পৰা বঞ্চিত হল। ইয়াত এক কোটি টকাৰ কিতাপ চপাব লাগে। যিহেতুকে ইমান বেচি কিতাপ চপাব লাগিব গতিকে জুলাই মাহৰ পৰা পাণ্ডুলিপি সৰবৰাহ কৰিব লাগে। যোৱা ১৯ তাৰিখে আমাৰ শিক্ষামন্ত্ৰী ডিচটি্ৰবিউচন কমিটিৰ সভাপতি আছিল। জুলাই আৰু আগষ্টৰ এই কেইটা মাহৰ ভিতৰতে পাঠ্যপুথি চপাকৰি জানুৱাৰী ফেব্ৰুৱাৰী মাহত ছাত্ৰ-ছাত্ৰীৰ হাতত তুলি দিব লাগিব। অসমৰ চপাশালে বৰ্ত্তমান পৰিস্থিতিত কিতাপ চপাই দিব নোৱাৰে। অসমত ইমান বেচি আধুনিক চপাশাল নাই। অসমত পাঠ্য নিগমত প্ৰতি ফৰ্মাৰ ৰেট ১৩০ ৰ পৰা ১২০ টকাকৈ। আৰু কলিকতাত ৬০-৭০ টকাকৈ পোৱা যায়। পাঠ্যপুথি নিগমে কলিকতাত চপাবলৈ দি ৮০ টকাকৈ ফৰ্মা কিনি ১২০ টকাকৈ ভাউচাৰ দিব। বিল দিব ১২০ টকাকৈ গতিকে বাকী টকা বিলাক অদৃশ্য হব। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো

যাতে এই বিলাক তদন্ত কৰি ইয়াৰ বিহিত ব্যৱস্থা লয় আৰু শিক্ষামন্ত্ৰী মহোদয়ে. আশ্বাস দিব লাগে যে চলিত বছৰৰ পাঠ পুথি প্ৰকাশৰ পইচা বাহিৰত নিদিয়ে। মই নিজেও সন্তুষ্ট হম, আমাৰ মাননীয় সদস্য সকলেও সন্তুষ্ট হব আৰু অসমৰ ৰাইজও সন্তুষ্ট হব। লগতে এটা কথা উনুকিয়াই দিও, উনুকিয়াই নিদিলেও নহয়, আমাৰ ইয়াত ১৩৭ টা প্ৰতিস্থান আছে। অসম ষ্টেৰ্ড মেনুফেকচাৰ এচোচিয়েচন, তেওঁলোক কেন্দ্ৰীয় চৰকাৰৰ কোটা ডিচটি্‌বিউটৰ। আমাৰ শিক্ষামন্ত্ৰী সভাপতি। কাগজ যোগান ধৰা হয় যাতে সুলভ মূল্যত ছাত্ৰ-ছাত্ৰীক বহী যোগান ধৰিব পাৰে। এতিয়া দেখা গৈছে, ১৩৭ জন সদস্যৰ কোটা আছিল। আগৰ মন্ত্ৰীসভাৰ কমিটিয়ে কাটি গুৱাহাটীৰ এটা কাগজৰ ব্যৱসায়ী অনুষ্ঠান আছে ইয়াৰ নামত দিলে। তেওঁলোকক্কে শিক্ষামন্ত্ৰী মহোদয়ক লগ ধৰি অনুৰোধ কৰিলে আৰু শিক্ষামন্ত্ৰী মহোদয়ে আশ্বাস দিলে ব্যৱস্থা কৰা হব বুলি। ১৯ তাৰিখে ডিচটি্‌বুচন কমিটিৰ মিটিংৰ পাচত বৰ্ত্তমান কাগজ ২০০ টন কৈ বেচি পালে। এইটো পালে চত্ৰ সিংডে। তেওঁ আগৰ মন্ত্ৰী সকলোৰে প্ৰিয় লোক আছিল। আৰু নিৰ্ব্বাচনৰ আগতে জনতা পাৰ্টিৰ ৰাইজক সহায় কৰিছিল। শিক্ষামন্ত্ৰীৰ অজ্ঞাতে এই বিলাক চলি আছে। গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে তেখেতৰ ডিপাৰ্টমেণ্টত তেখেতৰ অজ্ঞাতে এনে ধৰণৰ কাম নহয়। আমাৰ মন্ত্ৰী মহোদয় দুলাল বৰুৱা ডাঙৰীয়াই আশ্বাস দিছে যে বৰ্তমান চৰকাৰৰ শাসন যন্ত্ৰ ক্লিন হব। তেখেতৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে। কিন্তু তেখেত সকলে নজনাকৈ এই কাম বিলাক যাতে বিভাগৰ মানুহ বিলাক কৰি নাথাকে তাৰ কাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। যদি তেনে ধৰণৰ খুট থাকি যায় তেতিয়া হয়তো মোৰ বোধেৰে শাসন যন্ত্ৰটো নিকা কৰিবলৈ বেচি সময় লাগিব। আমাৰ তেখেতৰ হকলৰ ওপৰত বিশ্বাস আছে তথাপি এটা অনুৰোধ কাৰিব বিচাৰিছো যে, শিক্ষা ক্ষেত্ৰত আৰু যোগানৰ ক্ষেত্ৰত যিবিলাক আশুআহ আছে সেইবিলাক দুৰ কৰক। আৰু লগতে এস্কাৰ-চাইজ মেনুফেকচাৰৰ ক্ষেত্ৰত চত্ৰসিংৰ যিবিলাক খেলিমেলি সেইবোৰ দূৰ কৰি এই বছৰতে সস্তাদামত বহি পোৱাৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। বিশেষকৈ অসমত কোনো অনুস্থানে ছাত্ৰ-ছাত্ৰী সকলক কম দামত বহি দিব পৰা নাই। তাৰ এটা ব্যৱস্থা কৰিব লাগে।

ইচ্ছা নাছিল যদিও উল্লেখ কৰিলো যাতে শাসন যন্ত্ৰটো নিকা হয়। এই খিনিকে উল্লেখ কৰি মই ব্যক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা মোহন সিংহ :—মাননীয় উপাধ্যক্ষ মহোদয়, আজি শিক্ষাৰ শিতানত যি দাবী তুলিছে সেই দাবী সমৰ্থন কৰি মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। এইটো কথা ঠিক যে স্বাধীনতাৰ পিচত আমাৰ শিক্ষাত যথেষ্ঠ প্ৰসাৰ ঘটিছে। কিন্তু প্ৰকৃততে শিক্ষানুষ্ঠানৰ সংখ্যাহে বৃদ্ধি হৈছে। মানুহৰ মুখত মুখত শুনা যায় যে, বৰ্তমান শিক্ষাৰ মানদণ্ড আগতকৈ বহুত কমিছে। আৰু এইটো যদি পৰ্য্যালোচনা কৰি চাওঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে কলেজে হাইস্কুল, আৰু হাইস্কুল মজলীয়া আৰু মজলীয়া স্কুলে প্ৰাইমাৰী স্কুলৰ ওপৰত দোষাৰোপ কৰে। কলেজত যেতিয় শিক্ষাৰ ফলাফল বেয়া হয়, তেতিয়া কয় হাইস্কুলৰ পৰা লৰা ছোৱালী বেয়া হৈ আহে, সেইদৰে ইটোৱে সিটোৰ ওপৰত দোষাৰোপ কৰি আহিছে। গতিকে এজন শিক্ষক নিয়োগ কৰোতে অকল তেওঁৰ শিক্ষাৰ আৰ্হতালৈকে নাচাই তেওঁৰ আন আন গুনাগুনৰ ওপৰত ভিত্তি কৰি শিক্ষক নিযুক্তি দিব লাগে বিশেষকৈ প্ৰাইমাৰী স্কুলৰ শিক্ষক নিয়োগ কৰ ৰ ক্ষেত্ৰত বেছি গুৰুত্ব দিব লাগে। কিয়নো প্ৰাইমাৰী স্কুলৰ এই সৰু সৰু লৰা ছোৱালীক ভাল শিক্ষা দি আনিব লাগে। তাৰ পৰাই প্ৰকৃত শিক্ষাৰ মানদণ্ড আৰম্ভ হয়। আৰু প্ৰাইমাৰী স্কুলত শিক্ষা দিয়াটোহে বেছি টান কথা। কেৱল স্কুলত ১০ টাৰ পৰা ৪ টালৈ উপস্থিত থাকিলেই যথেষ্ঠ নহয়। তাৰবাবে এটা ভাল পাৰিপাৰ্শ্বিক আৰু পৰিবেশ যিখিনি লৰা ছোৱালীৰ চৰিত্ৰ গঠনৰ কাৰণে প্ৰয়োজন সেইখিনি এই স্তৰতে গঢ়ি তুলিব লাগে। তেতিয়াহে শিক্ষাৰ মানদণ্ড ক্ৰমে ওপৰলৈ উন্নত হৈ উঠিব।

দ্বিতীয়তে স্কুলৰ ঘৰ দুৱাৰ বিলাকৰ অৱস্থা আপোনালোক সকলোৱে জানে। এই স্কুল বিলাক বেছিভাগ ৰাইজৰ দান বৰঙণি সংগ্ৰহ কৰি সজাইছে। আৰু সেয়ে ইয়াৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। গতিকেই ইমান সংখ্যক স্কুলক চৰকাৰে অনুদান দিয়াটো সম্ভৱপৰ নহয়। ডাক্তাৰখানা বা আন তেনেধৰণৰ অনুষ্ঠান ৰাইজে গঢ়ি তোলাতো সম্ভৱ নহয়। কিন্তু ৰাইজৰ লৰা ছোৱালী বিলাক শিক্ষিত হবৰ কাৰণে তেওঁলোকে নিজেই শিক্ষানুষ্ঠান বিলাক আৰম্ভ কৰে। কিন্তু এই প্ৰাথ-

মিক স্কুল বিলাক লোৱাৰ ক্ষেত্ৰত যথেষ্ঠ তাৰ-তম্য দেখা যায় আৰু সেই কাৰণে বহুতো স্কুল চৰকাৰে লব পৰা নাই। ফলত এনেবিলাক ক্ষেত্ৰত ৰাইজৰ মাজত কিছুমান হতাশাৰ ভাবে দেখা দিয়ে। এনে ক্ষেত্ৰত তেওঁলেকৰ মাজত কিছুমান হতাশাৰ ভাৱে দেখা দিছে, তেওঁলোকৰ মাজত বিশেষকৈ লৰা-ছোৱালীৰ মাজত কিছুমান বেয়া প্ৰভাব পৰিব আৰু সৰুৱে পৰা তেনে প্ৰভাবত পৰি তেওঁলোকৰ মন বিলাক হতাশাৰে ভৰি পৰিব। তাৰ পাচত আমি দেখিবলৈ পাইছো আজি আমাৰ প্ৰাইমেৰী স্কুলবিলাক নিয়ম মত পৰিদৰ্শন কৰা নহয় ইয়াৰ প্ৰধান কাৰন হ'ল একোজন এচ, আইৰ আন্দাৰত ১০০ খনতকৈয়ো বেছি স্কুল আছে গতিকেই তেওঁলোকে সময় মতে নিয়মীয়াকৈ স্কুলবিলাক পৰিদৰ্শন কৰিবলৈ সময় নাপায়। ফলত কিছুমান স্কুল ২।৩ বছৰ পৰ্য্যন্ত পৰিদৰ্শন নোহোৱাকৈ পৰি আছে, সেইকাৰণে মই কব বিচাৰিছোঁ একোজন এচ, আইৰ তলত যাতে ৫০ খনতকৈ বেছি স্কুল দিয়া নহয় আৰু প্ৰতিখন স্কুল যাতে বছৰত দুবাৰকৈ পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰে তাৰপ্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। এনেকুৱা বহুত স্কুল আছে যিবিলাক বহুদিনাৰ পৰাই পৰিদৰ্শন নোহোৱাকৈ পৰি আছে আৰু সেইকাৰণেই বহুতো শিক্ষকে গাৱলীয়া ৰাইজৰ ওপৰত নানা ভাবে সুবিধা লৈছে। ভিতৰুৱা গাৱঁ কিছুমানৰ হকে বিহকে কোনো কাৰণ নোহোৱাকৈ স্কুল ২।৩ দিনৰ কাৰণে বন্ধ দিয়া হয়। লৰা ছোৱালীক কিয় বন্ধ দিলে সুধিলে তেওঁলোকে একো কব নোৱাৰে, এনে ঘটনাত এদিন মাষ্টৰক লগ পাই সুধিলো স্কুল কিয় বন্ধ দিয়া হ'ল মাষ্টৰ তেতিয়া নিমাত হৈ থাকিল। এই ধৰণে কোনো কাৰণ নোহোৱাকৈ মাষ্টৰৰ ইচ্ছামতে স্কুলবিলাক বন্ধ দিয়া হয় আৰু লৰা-ছোৱালী বিলাকে অনাই বনাই ঘুৰি ফুৰে পঢ়াশুনাত ক্ষতিগ্ৰস্ত হয়। সেই কাৰণেই এই পৰিদৰ্শন ভাল ধৰণে হব লাগে আৰু পৰিদৰ্শক সকল নিজ নিজ চেণ্টাৰ থকা উচিত। বহু অভিভাবকে বা শিক্ষকে বিভিন্ন কাৰণত পৰিদৰ্শক জনক লগ ধৰিব নোৱাৰি সহকৰ্মী অফিচত বা দিশপুৰলৈ আহি আমাৰ মাননীয় সদস্য সকলক লগ ধৰিবলৈ আহি অবাবতে টকা পইচা নষ্ট কৰিব লগীয়া হয়। সেইকাৰণে মই আশা ৰাখিছো যাতে এই চাৰ্কোল বিলাকত যিজন এচ, আই ৰখা হয় তেওঁৰ তলত পৰিদৰ্শন কৰাৰ কাৰণে কিছু কম সংখ্যক স্কুল দিব লাগে। তাৰ পাচত হাইস্কুলৰ

ক্ষেত্রত চাওক ৰাইজে অশেষ কষ্ট বহব কৰি টকা-পইচা খৰচ কৰি হাই-বিলাক পাতে আৰু তাত অতি কষ্টৰে হলেও কোনোমতে ঘৰ-বাৰী তৈয়াৰ কৰি লয় কিন্তু শিক্ষা বিভাগে এই স্কুলবিলাক লোৱাৰ ক্ষেত্রত কিছুমান কঠোৰ নিয়ম থকাৰ কাৰণে এই স্কুলবিলাক চৰকাৰে লোৱাত পলম হৈ যায়। ধৰক এখন স্কুলে গোটেইখিনি কন্দিশান ফুলফিল কৰিলে কিন্তু সেই স্কুলখনৰ মাটিকালি ১৩ বিঘা নোহোৱাৰ কাৰণে সেই স্কুলখনে পাৰমিশ্যন পোৱা নাই আনকি সেই স্কুলখনৰ মাটিকালি ১০ বিঘা থাকিলেও ২।৩ বিঘা কম হোৱাৰ কাৰণে স্কুলখনক পাৰমিশ্যন নিদিয়ে। ফলত সেই ধৰণৰ বহুতো স্কুল ভেনচান হৈ পৰি আছে। এইবিলাক কাৰনতেই ৰাইজৰ মাজত হতাশাৰ ভাবে দেখা দিছে। গতিকেই এনে যিবিলাক নিয়ম-নীতি আছে সেইবিলাক কিছু শালশলনি কৰি হলেও এনেবিলাক স্কুলৰ পাৰমিশ্যন দিয়াৰ কাৰণে ব্যবস্থা কৰিব লাগে। তাৰ পাচত আমাৰ লৰা-ছোৱালী বিলাকক ভাল ধৰণে শিক্ষা দিয়াৰ কাৰণে আৰু সং স্বভাষ প্ৰদান কৰাৰ কাৰণে স্কুলৰ শিক্ষক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে আৰু এই প্ৰশিক্ষনৰ কাৰণে কিছুমান অনুষ্ঠানৰ আে কিন্তু প্ৰশিক্ষন দিয়া অনুষ্ঠান বিলাকৰ পৰিবেশ যেনেধৰণৰ হব লাগে তেনে ধৰণৰ নোহোৱাৰ কাৰণে শিক্ষক সকলৰ প্ৰশিক্ষন লোৱাত বহুতে অসুবিধা হৈছে। উদাহৰণ স্বৰূপে মই এটা কথা কব বিচাৰিছো যে, মোৰ সমষ্টিত বড়াইগাওঁ, এখন নৰ্মাল স্কুল ১৯৬৭ চনতেই আৰম্ভ কৰিছিল তাত যিখন প্ৰশিক্ষণ স্কুল আছে সেই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই স্কুলখন চৰকাৰে লৈছে কিন্তু ইয়াৰ উপযুক্ত কোনো ঘৰ নাই আৰু উপযুক্ত শিক্ষক নাই এনেকুৱা অৱস্থা হোৱাৰ কাৰণে এইটো শিক্ষা বিভাগ লাজৰ কথা হৈ পৰিছে। চৰকাৰীৰ চাইনবোৰ্ড আছে- কিন্তু তাত ঘৰ নাই। বৰ্ত্তমানে চাৰিজন ষ্টাফ আছে আৰু ১৬২ জন প্ৰশিক্ষাৰ্থী বিভিন্ন দিশৰ পৰা পঠাইছে শিক্ষক সকলেও আহি থাকে কিন্তু তেওঁলোকৰ থকাৰ কোনো ব্যৱস্থা কৰা নাই। সেই কাৰণে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে সেই প্ৰশিক্ষণ কেন্দ্ৰলৈ অহা শিক্ষাৰ্থী সকলে ভালদৰে ট্ৰেইনিং পায় আৰু তেওঁলোকে পাব লগীয়া সুবিধা বিলাক পায়। লগতে ভাহদৰে ট্ৰেইনিঙৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো।

তাৰোপৰি কলেজৰ সম্পৰ্কত কওঁ যে বঙাইগাওঁত যিটো কলেজ আছে তাত উপযুক্ত বিষয় বস্তু নিদিয়াৰ কাৰণে বহুতৰে মনত অসন্তুষ্টি প্ৰকাশ পাইছে। এতিয়া বঙাইগাওঁ এখন ডাঙৰ চহৰ হল— কলেজত বিজ্ঞান শাখা নথকাৰ কাৰণে এই অঞ্চলৰ লৰা-ছোৱালী বিলাকক শিক্ষা লাভ কৰাত যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছে। বঙাইগাওঁ কলেজত এতিয়া বিজ্ঞানৰ যথেষ্ট প্ৰয়োজন আছে। তাত থকা যিবিলাকৰ অৰ্থনৈতিক অৱস্থা ভাল নহয়— সেইসকলে তাত বিজ্ঞান শাখা নথকাৰ কাৰণে বাহিৰত শিক্ষা লাভ কৰোতে বহুতো অসুবিধা হৈছে। সেই কাৰণে তাত বিজ্ঞান শাখাৰ চাহিদা যথেষ্ট হোৱাত তাৰ চাহিদা অনুসৰি বিজ্ঞান শাখাৰ সুবিধা দিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিছো। গতিকে আশা কৰিছো তেনেকুৱা কলেজ বিলাকত আৰু প্ৰশিক্ষণ শিক্ষানুষ্ঠান বিলাকত সকলো সুবিধা দি শিক্ষাৰ সুচল ব্যৱস্থা কৰিব পাৰিলে আমাৰ শিক্ষাৰ ক্ষেত্ৰত সেই অঞ্চলৰ লোক সকলক কিছু আগবঢ়াই নিব পৰা হব। নিবনুৱা সমস্যাৰ ক্ষেত্ৰত আৰ্টচ বিষয়লৈ বহুতো খেলিমেলি সৃষ্টি হৈছে। আজি আৰ্টচৰ ঠাইত যদি বিজ্ঞানৰ স্নাতক হল হেতেন তেতিয়া হলে শিক্ষাত যথেষ্ট আগবাঢ়ি যাব পাৰিলেহেতেন আৰু লগে লগে নিবনুৱা সমস্যাও সমাধান হলহেতেন। এতিয়া আমাৰ ৰাজ্যত কাৰিকৰী শিক্ষাৰ বহুতো প্ৰয়োজনীয়তা আহি পৰিছে। যিবিলাক লৰা-ছোৱালীয়ে মেট্ৰিক পাছ কৰিব পৰা নাই— তেওঁলোকক নিজৰ পেটৰ ভাত মুকলি কৰি লব পাৰিব আৰু লাহে লাহে নিবনুৱা সমস্যাও সমাধান কৰিব পাৰিব বুলি চৰকাৰক পৰামৰ্শ দি বক্তব্য সামৰণি মাৰিলো।

শ্ৰীবানেশ্বৰ শইকীয়া : উপাধ্যক্ষ মহোদয়, শিক্ষাৰ বাজেটৰ কৰ্তন প্ৰস্তাৱটো এটকালৈ হ্ৰাস কৰিব লাগে বুলি সমৰ্থন কৰি মই মোৰ যুক্তি প্ৰদৰ্শন কৰিব বিচাৰিছো। এই বাজেটত ৭৫৭ কোটি টকাৰ অধিক টকা সাধাৰ-বিচৰা হৈছে। এই ধন খৰচ কৰাৰ ক্ষেত্ৰত যি নীতি চৰকাৰে লৈছে সেই নীতি পুৰণি নীতিৰ পৰা কোনো ধৰণে পৰিবৰ্ত্তন হোৱা নাই। পুৰণিৰ যি শিক্ষা নীতি অসম চৰকাৰে চলাই আছে সেই নীতিৰ জৰিয়তে অসমৰ অৰ্থনৈতিক সামাজিক আৰু সামগ্ৰীক উন্নয়নৰ কাৰণে পথ প্ৰশস্ত কৰিবলৈ লোৱাত যথেষ্ট বাধাৰ সৃষ্টি কৰিব বৰং অসমৰ সামাজিক অধিপত্তি এই

অনগ্ৰহতাৰ পথত ৰাইজক থবলৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেইকাৰণে বৰ্ত্তমানৰ শিক্ষানীতি পৰিবৰ্ত্তন নহলে বা সলনি নহলে—এই টকা খৰচ কৰাটো উচিত নহব। এই পৰ্য্যন্ত অসম ৰাজ্যত যি শিক্ষানীতি প্ৰচলিত হৈছে—তাৰ কোনো নিৰ্দ্দিষ্ট উদ্দেশ্য নিৰ্দ্ধাৰণ কৰিব পৰা নাই। আমাৰ দেশত যি অৰ্থনৈতিক সামাজিক প্ৰয়োজনীয়তা আছে—তাৰ ওপৰত ভিত্তি কৰি আমাৰ পিক্ষানীতি গ্ৰহণ কৰা হোৱা নাই। এই প্ৰচলিত শিক্ষানীতি জন কল্যান মূলক আৰু প্ৰগতিশীল শিক্ষানীতি নহয়। গতিকে আজি ৩০ বছৰৰ পৰা যি শিক্ষানীতি আমাৰ ৰাজ্যখনত প্ৰচলিত কৰি অহা হৈছে তাৰ অগ্ৰগতিৰ সম্পৰ্কে কোনো সঠিক এটা উদ্দেশ্য বিশ্লেষণ নকৰাকৈ এই ধন খৰচ কৰি থাকিবলৈ দিয়া নহব।

ইয়াৰ আগতে মাননীয় সদস্য শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ডাঙৰীয়াৰ বক্তৃতা মই খুউব ভালদৰেই শুনিছিলো। তেখেতৰ বক্তৃতাত প্ৰচলিত প্ৰহস্তিৰ বিষয়ে কৈছিল— সেইটো শুনি ভাজ্জব মানিছিলো। আজিৰ দিনত আমাৰ ৰাজ্যত মেট্ৰিকৰ পৰা ওপৰলৈ পঢ়া লৰা-ছোৱালী আৰু যুৱক-যুবতীসকল নিৰনুৱা হৈ আছে। আজিও আমাৰ ৰাজ্যত শিক্ষাৰ পোষকতা কম হোৱাত শিক্ষিত লোকেও চাকৰি নাপাই বেকাৰ হৈ আছে। আজিও প্ৰশিক্ষিত অৰ্দ্ধশিক্ষিত লৰা-ছোৱালীয়ে অভিভাবকক জ্বলাই মাৰিছে তেওঁলোকৰ কৰ্ম্ম সংস্থাপনৰ কাৰণে। আজিও আমাৰ ৰাজ্যখনত মাত্ৰ ৫০ লাখ মানুহ স্বাক্ষৰ আৰু বাকী গোটেইখিনি ১ কোটি ৩০ লাখ মানুহ নিৰক্ষৰ হৈয়েই আছে—এনেকুৱা শিক্ষা নীতিৰ কাৰণে কোনেবাই স্বাধীনতাৰ ৩০ বছৰৰ পাছতো গৌৰৱ অনুভৱ কৰিব পাৰেনে? সেই কাৰণে মই কৈছো— এহ বাজেটত অন্ততঃ আমাৰ ৰাজ্যখনৰ মানুহ ৰিজ্লাকক শাসন কৰাৰ ফল স্বৰূপে প্ৰাণ উজ্জ্বল হোৱাৰ প্ৰচেষ্টা আমি দেখা পোৱা নাই। যোৱা বাজেট বক্তৃতাৰ সময়ত বিত্তমন্ত্ৰী ডাঙৰীয়াই যিটো প্ৰস্তাৱ দিছিল— যে এই বছৰ প্ৰত্যেকখন গাৱঁতেই একো একোখন অন্ততঃ এল, পি স্কুল পতা হব। কিন্তু ২ হেজাৰখন গাৱঁত কোনো স্কুল নাই। মাত্ৰ ১ কোটি ৮০ লাখ মানুহৰ ভিতৰত ১৬ লাখ মানুহৰ লৰা-ছোৱালীয়ে স্কুলত পঢ়িবলৈ যায়-বাকী বুজন পৰিমানৰ লৰা ছোৱালীয়ে স্কুললৈ যাব পৰা হোৱা স্বত্বেও স্কুলত পঢ়িবলৈ সুবিধা পোৱা নাই। গতিকে তেনে ক্ষেত্ৰত এই প্ৰচলিত প্ৰহস্তিৰ

সম্পৰ্কে কেনেকৈ সমৰ্থন কৰিম ? চকু থাকিও আমি কেনেকৈ অন্ধ হৈ থাকিম ? মই সেই কাৰণে এই প্ৰশাসনৰ শিক্ষাৰ বাজেটত এই কথা এইটো কাৰণেই কৈছো যে—এই শিক্ষানীতি অসন্মান জনক আৰু স্বাৰ্থক বলি হিচাবে ই পৰিচালিত হৈছে— পুৰণি আগুকনীয়া উপনিবেশিক শাসন কালত যি নীতি পৰিচালিত হৈছিল— সেই নীতিকেই প্ৰহস্তিৰ শ্ৰুতি হিচাবে ইয়াক গ্ৰহণ কৰিছে আৰু এই শিক্ষা ব্যৱস্থাত কোনো ধৰণৰ নিৰ্দিষ্ট পৰিকল্পনা নাই— এতিয়া ষষ্ঠ পৰিকল্পনা আৰম্ভ হোৱা দুৱাৰ দলিত। ৩০ বছৰীয়া পৰিকল্পনাৰ কাল শেষ পৰি জিন গৈছে আৰু এই ৩০ বছৰৰ ভিতৰত ৫ টা পৰিকল্পনা অতিক্ৰম কৰাৰ পিচতো অসমৰ শিক্ষাৰ ক্ষেত্ৰত আমি চৰম পৰিণতিৰ অৱস্থাহে দেখিবলৈ পাইছোঁ।

★ Speech not Corrected

উপাধ্যক্ষ মহোদয়, তাৰ উদাহৰণ স্বৰূপে এতিয়া অসম ৰাজ্যখনত বিভিন্ন ঠাইত শিক্ষক সকলৰ ধৰ্ম্মঘট, ছাত্ৰ, সকলৰ ধৰ্ম্মঘট সমদল আদি আমি দেখিবলৈ পাইছো। সিদিনা ১৪ জুনৰ ঘটনাৰ আগতে যোৰহাট কৃষি বিদ্যালয়ৰ পৰা এদল ছাত্ৰ আহি ঘেৰাও কৰিলে তাৰ কেইদিনমান আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষি উদ্ভিদ বিভাগৰ এশজন ছাত্ৰ আহি ধৰ্ণা দিলেহি লিখা পঢ়াৰ মৰ্য্যদা দিব লাগে বুলি। সিফালে আকৌ যোৰহাট কৃষি বিদ্যালয়ৰ ছাত্ৰসকলে কৈছে যে তেওঁলোকৰ লগত এওঁলোকক প্ৰতিযোগিতা কৰিবলৈ দিব নালাগে। সেইখনো অসম চৰকাৰৰ দ্বাৰা পৰিচালিত আৰু এইখনো চৰকাৰৰ দ্বাৰাই পৰিচালিত শিক্ষানুষ্ঠান। এইটোৱেই হৈছে শিক্ষাৰ ক্ষেত্ৰত অব্যৱস্থা। গুৱাহাটী কৃষি উদ্ভিদ বিভাগ বন্ধ কৰি যোৰহাট কৃষি বিদ্যালয়ৰ লগত চামিলকৰণ কৰাৰ কথা আহিছে। ১৯৫৫-৫৬ চনত কৃষি বিভাগ খোলা হৈছিল আৰু ১৯৬৯ চনত যোৰহাট অসম কৃষি বিশ্ববিদ্যালয় খোলা হ'ল। সমান্তৰাল ভাৱে দুয়োজন শিক্ষানুষ্ঠান চলিবলৈ ধৰিব। এইটো এটা বিসঙ্গতি কিয়নো প্ৰতিদ্বন্দিতা দুয়োটা শিক্ষানুষ্ঠানৰ মাজত হবই। যোৰহাট বিশ্ববিদ্যালয়ৰ চোচিঅ'লজ বুলি এটা বিভাগ খোলা হল। যি সকলে স্নাতকোত্তৰ খিতাপি লয় সেইসকলক অসমৰ শিল্প উদ্যোগৰ ক্ষেত্ৰত বা চৰকাৰী সংস্থানৰ দ্বাৰা পৰিচালিত অনুষ্ঠান আদিত কল্যাণ মূলক বিষয়া হিচাবে হলেও

নিযুক্তি দিব লাগিব। কিন্তু সেইটো হোৱা নাই। উপাধ্যক্ষ মহোদয়, সেই সকল লোকক নিয়োগ কৰিবলৈ যথাযথ নিয়োগৰ পৰিস্থিতি সৃষ্টি কৰিব পৰা নাই। ফলত স্নাতকোত্তৰ খিতাপি লৈও ল'ৰা-ছোৱালী বহি আছে। গুৱাহাটী বিশ্ববিদ্যালয়তো যাতে স্নাতকোত্তৰ ডিগ্ৰী লৈ পাছ পৰা সকলক নিয়োগৰ ব্যৱস্থা কৰা হয়। আজি পাঠশালা স্কুলৰ মাষ্টৰ কাম কৰিবলৈ বা পিয়ন আদি চাকৰিৰ কাৰণে ডিগ্ৰীধাৰী বহুত ল'ৰা-ছোৱালী ঘূৰি ফুৰি আছে। সাধাৰণ ট্ৰেচাৰ কাম কৰিবলৈ ভীৰ কৰিছেহি। ৰাষ্ট্ৰৰ টকা-পইচা খৰছ কৰি ল'ৰা-ছোৱালী পঢ়ুৱা হয়। তেনে অৱস্থাত পাচ কৰি অহাৰ পিছত যদি নিযুক্তিৰ কাৰণে ঘূৰি ফুৰিব লাগে, তেতিয়াহ'লে ইমান বিলাক টকা-পইচা খৰছ কৰাৰ কি কাৰণ থাকিব পাৰে। তেওঁলোকক সঠিকভাবে উপকৃত কৰিবলৈ যদি কোনো ব্যৱস্থা নাথাকে, তেতিয়াহ'লে এই টকা-পইচা খৰছ কৰি লাভ কি হ'ব পাৰে। এই বিসঙ্গতি ত্ৰিশ বছৰ ধৰি চলি আহিছে, এইটো আৰু চলি থাকিব এইটো আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰোঁ। অসমৰ এক কোটি ত্ৰিশ লাখ মানুহৰ নিৰক্ষৰৰ পৰা সাক্ষৰ কৰিবলৈ কোনো ব্যৱস্থা নাই। ১৯৬১ চনৰ ভিতৰত ভাৰতীয় সংবিধান মতে সকলো লোককে বাধ্যতামূলক শিক্ষাদানৰ দ্বাৰা সাক্ষৰ কৰাৰ কথা আছিল যদিও সেইটো কিন্তু বলবৎ কৰাৰ কথা আজিলৈকে দেখা পোৱা নাই। এতিয়াও প্ৰাথমিক শিক্ষা ব্যক্তিগত উদ্যোগতেই চলি আছে। প্ৰাথমিক স্কুলঘৰ সজাৰ পিছত এচ-আই, ডি-আইৰ ঘৰে ঘৰে গৈ মাগুৰ মাছ, জহা চাউল লৈ কেইবছৰমান দিয়াৰ পিছত চাকৰি হয় আৰু তাৰে আকৌ চাৰি বছৰমান পিছতহে স্বীকৃতি পাব পাৰে। যদি এই ব্যৱস্থাৰ অবসান নহয়, তেতিয়া হ'লে প্ৰকৃত শিক্ষাৰ পৰিবেশ গঢ়ি উঠিব বুলি আশা কৰিব নোৱাৰি। প্ৰাথমিক শিক্ষকৰ পাঠদানৰ লগত কোনো সম্বন্ধ নাই, সম্পৰ্ক নাই। আমাৰ প্ৰাথমিক স্কুল বিলাকত শিক্ষা ব্যৱস্থাত আধি চলিছে। আমি কেৱল কৃষি ক্ষেত্ৰত আধি দিয়াৰ ব্যৱস্থা দেখিছিলোঁ; কিন্তু এতিয়া দেখিবলৈ পাইছোঁ যে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আচল শিক্ষকজনে ছুটি লয় আৰু তাৰ ঠাইত কোনোবা এজনক আধা বা কিবা এটা চুক্তিত দিয়া দৰমহাত কাম কৰিবলৈ দিয়া হয়। অৰ্থাৎ এজনে ঘৰতে বহি স্কুললৈ নোযোৱাকৈ, কাম নকৰাকৈ পইচা পাই থাকে। এইটো এটা তাজ্জুব ব্যৱস্থা।

খদ্দৰৰ কাপোৰ পিন্ধিলেই আৰু কংগ্ৰেছী অফিচটোলৈ অহা-যোৱা কৰিলেই শিক্ষক আৰু স্কুললৈ যাব নালাগে। দৰমহাএনেই পাই থাকে। এইটো সঁচা কথা। ইমানদিনে চলি আহিছে। ই বৰ গৰ্হিত কাম। ডি-আইৰ অফিচৰ সন্মুখত সদায় ভীৰ হৈ থাকে। নগাঁৱত তেনে ভীৰ দেখি ডি-আইয়ে সুধিলে যে ইমান ভীৰ কৰি থাকিলে পঢ়ুৱা কেতিয়া এইদৰে চলি থকা হৈছে অথচ জয়ঢোল কোবাৱা হৈছে প্ৰগতিৰ নামত। এইটো অৱস্থা নিৰাময় কৰিব লাগিব; নহ'লে শিক্ষাব্যৱস্থা জহন্নামে যাব। পইচা লৈ অসংখ্য শিক্ষক নিয়োগ কৰা হৈছে, তাৰ ভিতৰত এনে লোকো আছে, যিয়ে নিজৰ নামটো শুদ্ধকৈ লিখিব নোৱাৰে। এই বিলাক খেলিমেলি দূৰ নকৰিলে অদূৰ ভবিষ্যতে এটা বিৰাট ভয়াবহ অৱস্থাৰ সৃষ্টি হ'ব—যাতে এচ-আই, ডি-আইৰ ঘৰলৈ মাগুৰ মাছ, হাঁহকণী লৈ যাব নালাগে। এক সুস্থিৰ পৰিবেশৰ সৃষ্টি হব লাগে। আলিবাটৰ কাষৰে গ'ল দেখা পায় শিক্ষকে ঠেং দাঙি টেবুলত থৈ বহি থাকে আৰু ল'ৰা-ছোৱালী বিলাকে-ইফালে সিফালে ঘূৰি পিয়াপি দি থাকে। ই এটা অৰাজকতা। প্ৰাথমিক স্কুলৰ চাকৰি বিলাক চৰকাৰী কৰিলে। এইটো ভ'ল কথা; কিন্তু তেওঁলোকৰ মুখৰ মাত বন্ধ কৰিলে, তাৰ বাহিৰে কিন্তু আন একো কাম হোৱা নাই। ঘৰ সজাৰ কোনো ব্যৱস্থা নাই। ভঙা ঘৰ সকলো বিলাক স্কুলতে। প্ৰতিজন এম-এল-এৰ কাৰণে প্ৰতি সমষ্টিতে চল্লিশ-পঞ্চাশ হাজাৰ টকা দিয়া হয়, কিন্তু তাতো আধা-আধি ব্যৱস্থা। ক'বলৈ লাজ লাগে। কিন্তু যিয়ে গ্ৰাণ্ট দিয়ে এই বিল্ডিঙৰ কাৰণে, তেওঁক আধা দিব লাগে আৰু আধাহে স্কুলৰ চেক্ৰেটাৰীলৈ যায়। এই বিলাক বৰ দুখৰ কথা।

যিবিলাক ঠাইত মৈমনচিঙা লোক সকলে বাস কৰে, তাত শোষণৰ নীতি, দুৰ্নীতিয়ে চৰম পৰ্যায়লৈ গৈছে। এটা পইচাও স্কুল ঘৰ বন্ধা কামত নিয়োগ নহয়। আটাইখিনি পইচা দিওঁতা আৰু লওঁতা জনৰ মাজতে শেষ হয়। তেনেকুৱা উদাহৰণ দিব পাৰোঁ। প্ৰি-প্ৰাইমাৰী স্কুল নগাঁৱৰ ধূপগুৰিত কৰিবৰ কাৰণে ২৭ হাজাৰ টকা মঞ্জুৰী দিলে; কিন্তু আজিলৈকে ঘৰ তৈয়াৰ নহ'ল, পইচা খৰচ হৈ গ'ল। আজিলৈকে চৰকাৰৰ ফালৰ পৰা কোনো তদন্ত হোৱা নাই। ৰাজহুৱা ধনৰ এনে অপচয় দেখি কেতিয়াও সহ্য কৰিব নোৱাৰোঁ আৰু আওকাণ কৰি থকাটো

অন্যায় হ'ব। তাৰ পিছত নিয়োগৰ ক্ষেত্ৰত ইতিমধ্যে বহুতো কেলেংকাৰী হৈছে। প্ৰাইমাৰী স্কুলৰ ক্ষেত্ৰত মই ভাবো বক্তৃতা আলোচনা কৰাৰ প্ৰয়োজন নাই; কাৰণ ইতিমধ্যে কাগজে-পত্ৰে প্ৰচাৰ হৈছে, সদনতো বহুবাৰ আলোচনা হৈছে। গতিকে এই বিষয়ে সুচিন্তিত আলোচনা কৰিব লাগে। তাৰ পিচত যোৱা বছৰ চৰকাৰে এটা সিদ্ধান্ত ললে যে পাঠশালা স্কুলত কাম কৰিবলৈ নৰ্মাল পাচ হব লাগিব। মই বুজি নাপালো। এম, এ পাছ কৰাৰ পিচত সেইজন শিক্ষকে এম-ই স্কুলত কিয় কাম কৰিব লাগে। নৰ্মাল পাছ কৰিলে মজলীয়া স্কুলত পঢ়াব লাগে। আমি জানো আগতে গুৰুট্ৰেনিং পাছ কৰিলে পাঠশালাৰ কাৰণে কাৰণে উপযুক্ত শিক্ষক হয়। কিন্তু পাঠশালা স্কুলত নৰ্মাল পাছ শিক্ষক আনি এটা বিসংগতিৰ সৃষ্টি কৰা নাইনে? অসমৰ এতিয়াও ১১৭৪ জন নৰ্মাল পাছ নিবনুৱা ডেকা আছে। তাৰ উপৰিও যোৱা বছৰত এল, পি, এম, ইৰ পৰা বহুতো শিক্ষক নৰ্মাল প্ৰশিক্ষনলৈ পঠিয়াইছে। কোনো এজন শিক্ষকে যদি নৰ্মাল পাছ কৰি পাঠশালা স্কুলত পঢ়াবলগীয়া হয় তেনেহলে তেওঁৰ আচল শিক্ষা আৰু সাহিত্য প্ৰশিক্ষনৰ কোনো কামত নাহে যিহেতু পাঠশালা স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ লগত তেনে কোনো ব্যৱস্থা নাই। গতিকে পাঠদান কৰাৰ ক্ষেত্ৰত যাতে অযথা খৰচ নহয়, ৰাজহুৱা ধনৰ অপচয় নহয় সেইটো চিন্তা কৰা উচিত।

হাইস্কুলৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা এতিয়াও ব্যক্তিগত শিক্ষা হৈ আছে। চৰকাৰৰ তৰফৰ পৰা নীতি ঘোষণা কৰা হৈছে। কিন্তু ঘৰ সজা নীতি ঘোষণা কৰা হোৱা নাই। যি ঠাইত ৰাইজৰ অৱস্থা ভাল, ৰাইজে ঘৰ দুৱাৰ সাজি দিয়ে আৰু স্কুল চলিয়েই আছে। কিন্তু যি ঠাইত ৰাইজৰ অৱস্থা বেয়া তাত নতুন স্কুল কৰা দুৰৰ কথা পুৰনা স্কুলখনৰো অৱস্থা নাই, বৰষুনত পৰি উৰুলি গৈছে। এই ব্যৱস্থা দুৰ কৰিবলৈ চৰকাৰৰ নিশ্চয় পৰিকল্পনা থকা দৰকাৰ। তাৰপিচত মই শিক্ষকৰ দৰমহা আৰু নিযুক্তিৰ ক্ষেত্ৰত কেইটামান কথা কব বিচাৰিছো। মই এখন টেলিগ্ৰাম পাইছো যে ৰবনগৰ হাইস্কুলত গাৰ জোৰেৰে নিযুক্তি দিয়া হৈছে। পাৰ লগাই নাপালে আৰু নাপাৰ লগাই পালে। যাৰ ফলত আমৰণ অনশনৰ

ভাবুকি দিছে ; তাৰপিচত পাঠ্যক্ৰমৰ কথাটো চওঁক। সমাজ বিজ্ঞান বিষয়টো মাধ্যমিক স্তৰত প্ৰবৰ্তন কৰা হৈছে। মই বুজি নাপালো, কোন বিশেজ্ঞই বা কাৰ নিৰ্দ্দেশত এই চুপাৰিশ পাইছে। সমাজ বিজ্ঞান শিকাবলৈ, বিজ্ঞান, অংক, ভূগোল, সাহিত্য, দৰ্শন অৰ্থনীতি আদি বিষয়ৰ দৰকাৰ যিহেতু এই বিষয় কেইটা জৰিত আছে। অন্ততঃ এই পাঠদানৰ কাৰণে বুৰঞ্জী অৰ্থনীতি বা ৰাজনীতি বিজ্ঞান আৰু শিক্ষা এই কেইটা বিষয়ৰ ওপৰত স্নাতক হব লাগিব। যেনেকৈ ফিজিক্স, কেমিষ্ট্ৰী, মেথমেটিকছ থাকিলে বিজ্ঞানৰ স্নাতক আৰু কেমেষ্টী, জুলোজি, বটানী এই সকলো বিলাক থাকিলে কোনো এজন লোকজেক্ হয়। মই বুজি পোৱা নাই এই বিলাক শিক্ষকৰ দ্বাৰা বা এককুৱা শিক্ষাদানৰ পৰা ল'ৰা ছোৱালীৰ ভবিষ্যত কি হব পাৰে। এই বিষয়টো চিন্তা কৰা প্ৰয়োজন।

Prevails in the education system. In collegiate education, it is more rampant and wider and also the education imparted is completely purposeless. Some of my Hon'ble Member here will admit that corruption is in galore in the educational institution and also, what is called inefficiency, is in the galore in the Education Department. I have visited the D. P. I· 's offiice at 12 noon on a particular day and I found half the people in the D. P. I 's office were absent and this is the state of affairs that prevails. When I talked to the Boss of the D. P. I. 's office they said that they were under staff. You will not find a single man after 12 noon upto 2 p. m. and towards the end you will find only a few people. This is the state of affair not only there but elsewhere also. The D. P. I's a very top heavy administration. They simply work on the character roll and collect names of the people who are required. for management of their business. They do not require to make studies of the education system.

What is required at best for the office management can be managed by samll clarical staff. For that they do not required a dozen of persons like D.P.I., A.D.P.I. and Asstt D.P.I. What they are doing? You will find there are two Directorates, Directorate of Elementary Education and Directorate of Higher Secondary school.

In the Directorate of Public Instructions it deals only with that part of Secondary and Higher Secondary Schools. There, what they do? what is their business? Neither they determine the curryculum nor methods of teaching. Simply they see how many teachers are necessary and what money will be requred from the Government to defray the expenditure. This is their business an nothing else. Even papers are not screened and as a result injustice is being done to the people. For years together papers do not move from the D.P.J's office. So also the case in the Inspectorate. In the Inspectorates what they do They are there for maintaining the attendance registers. The Inspector does not go to schools. He does not care for what is thought in the schools. My personal experience is that the Inspector never visits schools even once in a year. He does not see what is being taught and how they are taught. Then what is the use maintaining such a huge staff at the cost of the people? So. I sumit, Sir, that the education system should be thoroughly overhauled and the policies must be recast and a definite programme must be taken to dispose of the existing disparity between literates and illiterates. -boA timeund programme must be charted out by the

Government to do away with the this illiteracy. It must go. Without removing the illiteracy a country cannot progress. We cannot afford to have a vast mass of people illiterate for long. Thank , Sir.

Mr. Deputy Speaker :—Now hon'ble Member Purna. Boro. But before he starts speaking I want to inform the House they will have to finish it today and the Minister will have to reply. The Minister will reply at 4-25 So, the hon'ble members may speak up to 4.25.

শ্ৰীপূৰ্ণ বৰো :—উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত কমৰেদ নিশিত্‌থ দাসে যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে বৰাক সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব খুজিছোঁ।

আমাৰ দেশত যি শিক্ষা ব্যৱস্থা চলি আছে এই শিক্ষা ব্যৱস্থা পৰিবৰ্ত্তনৰ বিশেষ প্ৰয়োজন আছে। বৰ্ত্তমানৰ প্ৰচলিত শিক্ষা ব্যৱস্থাই ছাত্ৰ সকলৰ প্ৰৱনতাক উন্নত কৰি ভৱিষ্যত জীৱনৰ কাৰণে উপযোগী কৰি তুলিব নোৱাৰে আৰু সেয়েহে স্বাধীনতাৰ পিচতো এই ৩০-৩১ বছঁৰ কালত যি শিক্ষা ব্যৱস্থা প্ৰচলন কৰি থকা হৈছে সি ভূমিদাৰ, পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ হকেহে কাম কৰিছে আৰু এই শিক্ষা ব্যৱস্থাই আমাৰ সাধাৰণ মানুহৰ কোনো ধৰণৰ উপকাৰ কৰা নাই। গতিকে এই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ প্ৰয়োজন আছে যাতে এই শিক্ষা ব্যৱস্থাই জনসাধাৰণক উপকাৰ কৰিব পাৰে আৰু ছাত্ৰসকলৰ প্ৰৱনতা উন্নত কৰি ভৱিষ্যত জীৱনব কাৰণে উপযোগী কৰি তুলিব পাৰে, তাৰ কাৰণে এই শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তনৰ প্ৰয়োজন। ইংৰাজ সকলে প্ৰবৰ্ত্তন কৰা শিক্ষা ব্যৱস্থাৰ যোগেদি আমাৰ দেশত কিছুমান কেৰেণী-মহৰী সৃষ্টি কৰা হৈছিল আৰু সেই সময়ত যি শিক্ষা ব্যৱস্থা আছিল তাৰ পিচতো বৰ্ত্তমান অৱস্থলৈকে প্ৰচলিত সমাজ ব্যৱস্থাত এই শিক্ষা ব্যৱস্থাৰ কিবা পৰিবৰ্ত্তন হৈছে বুলি আমি কব নোৱাৰোঁ, যাৰ ফলত আজি আমাৰ দেশত লাখ লাখ নিবনুৱা। এই শিক্ষা ব্যৱস্থাৰ প্ৰচলনৰ ফলত কিছুমান কেৰেণী মহৰীৰ সৃষ্টি হৈছে। এই শিক্ষাৰ দ্বাৰাই দেশৰ জনসাধাৰণক শিক্ষিত কৰি তোলাৰ যত্ন কৰা হৈছে যদিও

এতিয়াও বেচিভাগেই নিৰক্ষৰ হৈ আছে আৰু বৰ্ত্তমান আমাৰ দেশত স্বাক্ষৰৰ সংখ্যা মাত্ৰ ৩৬·৭% আৰু মহিলাৰ ক্ষেত্ৰত মাত্ৰ শতকৰা ১৮·৬ হৈ আছে। গতিকে আমাৰ দেশত বৰ্ত্তমানলৈকে যিমান সংখ্যক নিৰক্ষৰ আছে সেই নিৰক্ষৰ সকলক শিক্ষিত কৰাৰ ব্যৱস্থা হোৱা নাই। দেশত স্কুল কলেজ যিমান লাগে সিমান স্কুল-কলেজ হোৱা নাই আৰু চৰকাৰী হিচাবৰ পৰা এইটো জনা গৈছে যে দেশত ২ হেজাৰ, ৩শ ৮২ খন গাৱঁত এতিয়ালৈকে এল. পি, স্কুল পৰ্য্যন্ত পতা হোৱা নাই। সেই কাৰণে আমাৰ দেশত এতিয়ালৈকে নিৰক্ষৰৰ সংখ্যা ইমান বেছি হৈ আছে।

শ্ৰদ্ধেয় উপাধ্যক্ষ মহোদয়, ৰাছিয়াত যেতিয়া জাৰৰ শাসন চলিছিল তেতিয়া এই দৰে জনগণক নিৰক্ষৰ কৰি ৰখা হৈছিল আৰু সেই কাৰণে সাধাৰণ শ্ৰমিক-কৃষক সকলৰ সন্তান সকলে শিক্ষা গ্ৰহণ কৰিব পৰা নাছিল আৰু শিক্ষাৰ পৰা বঞ্চিত হৈ নিৰক্ষৰ হৈ থাকিব লগা হৈছিল আৰু সেই সকলে তেওঁলোকৰ উপাৰ্জ্জনৰ কাৰণে কাম কৰিব লগাত পৰিছিল নতুবা ধনীক কৃষকৰ ঘৰত ভেৰাৰখীয়া হৈ উপাৰ্জনৰ কথা চিন্তা কৰিব লগা হৈছিল আৰু সেই কাৰণে সেই সময়ত জাৰৰ শাসন চলি থকা অৱস্থাত দেশত অসংখ্য জনসাধাৰণ নিৰক্ষৰ হৈ আছিল। আমাৰ দেশতো বৰ্ত্তমান অৱস্থাত এই জনসাধাৰণক শিক্ষিত কৰি তুলিবৰ কাৰণে যথেষ্ঠ পৰিমানৰ স্কুল-কলেজ পতা হোৱা নাই আৰু এই অৱস্থাত এই সকল মানুহ দাৰিদ্ৰ সীমা ৰেখাত তলত বাস কৰিব লগা হোৱাৰ কাৰণে সাধাৰণ কৃষক-শ্ৰমিক ও ল'ৰা-ছোৱালীৰ স্কুললৈ যোৱাৰ সমৰ্থ নাই আৰু সেই কাৰণে নিৰক্ষৰতাৰ অন্ধকাৰৰ মাজত ডুব গৈ থাকিব লগা হৈছে। মই এটা কথা কৈছো যে বৰ্ত্তমান অৱস্থাত আমাৰ যিটো শিক্ষা ব্যৱস্থা চলি আছে ই কেৱল ধনীক শ্ৰেণীৰ স্বাৰ্থ পূৰণ কৰিব সাধাৰণ গৰীব শ্ৰমিক সকলৰ স্বাৰ্থ পূৰণ কৰিব নোৱাৰে। আমাৰ উচ্চ আৰু মাধ্যমিক স্কুলত যি শিক্ষা পালন কৰা হৈছে সি অত্যন্ত ব্যয় বহুল আৰু সেইকাৰণে সাধাৰণ মানুহৰ লৰা-ছোৱালী, দুখীয়া মানুহৰ লৰা-ছোৱালীয়ে কিতাপ-কাগজৰ যোগাৰ কৰিব নোৱাৰে আৰু স্কুললৈ যাব নোৱাৰে আৰু সেই কাৰণে তেওঁলোক নিৰক্ষৰ হৈ থাকিব লগা হয়। আজি আমাৰ দেশত সুলভ শিক্ষাৰ প্ৰচলন কৰি ব্যয় বহুল শিক্ষাৰ প্ৰত্যাহাৰ কৰাৰ প্ৰয়োজন আছে। তেতিয়াহে আমাৰ জনসাধাৰণ বিশেষ

কৈ দুখীয়া, সাধাৰণ কৃষকৰ যি সকল লৰা-ছোৱালী আছে সেই সকল স্কুললৈ গৈ বিদ্যা শিক্ষা গ্ৰহণ কৰাটো সম্ভৱ হব।

শ্ৰদ্ধেয় উপাধ্যক্ষ মহোদয়, সেই কাৰণেই আমাৰ দেশত সুলভ আৰু পৰ্য্যাত শিক্ষা যাতে দিব পাৰে তাৰ কাৰণে ব্যয় বহুল শিক্ষা ব্যৱস্থাৰ প্ৰতিকাৰ কৰাৰ প্ৰয়োজন আছে। এইটো কৰিব পাৰিলেই বিশেষকৈ দুখীয়া কৃষক, শ্ৰমিকৰ ল'ৰা-ছোৱালীয়ে বিদ্যা শিক্ষা গ্ৰহণ কৰাটো সম্ভবপৰ হব।

উপাধ্যক্ষ মহোদয় এই সকলোবোৰ সমস্যা সমাধান কৰিবৰ কাৰণে আমাৰ দেশত যিবোৰ বিদ্যা শিক্ষা দিয়াৰ কাৰণে স্কুল কলেজ পতা হৈছে সেই সকলোবোৰ ৰাষ্ট্ৰৰ হাতলৈ আনিব লাগিব। আমাৰ বৰ্ত্তমান অবস্থাত যি বিলাক গৰীব ৰাইজে পতা স্কুল আছে। সেই বিলাকৰ স্কুল চৰকাৰৰ হাতলৈ অনা হোৱা নাই। এই বিলাক ভেনচ স্তৰতেই চলি আছে। সেই বিলাক স্কুলত কৃষক, শ্ৰমিকৰ লৰা ছোৱালীয়ে শিক্ষা লবলৈ যায়। এই স্কুল সমূহ চৰকাৰে নোলোৱাৰ কাৰণে বা চৰকাৰে স্কুল পাতি নিদিয়াৰ কাৰণে গাৱে ভূঞে সকলো বিলাকতে স্কুল গঢ়ি উঠিব পৰা নাই। আমাৰ দেশত বৰ্ত্তমান যি শিক্ষা সংকোচন নীতি চলি অলি আছে এইটো পৰিহাৰ কৰিব লাগিব। লগতে এই শিক্ষানুষ্ঠানে সমূহ ৰাষ্ট্ৰৰ হাতলৈ আনি দেশৰ সকলো জনগনকে শিক্ষিত কৰি তুলিবৰ কাৰণে যত্নপৰ হব লাগিব। তেতিয়াহলেহে আমাৰ দেশত নিৰক্ষৰ মানুহ বিশেষ ভাবে শিক্ষিত হব পাৰিব। কমৰেদ শ্ৰীনিশিথ দাসে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ তাৰ ওপৰত মই এই কেই আষাৰ কথা কৈ মোৰ বক্তব্যৰ দীঘলীয়া নকৰি ইমানতে সামৰণি মাৰিলো।

Mr. Dkputy Speaeer :—I want to know from the Hon'ble Members whether they went to hear the replies from the Hon'ble Minister or not.

Shri Jainal Abedin :— Mr. Deputy Speaker, sir, differenu groups have submitted the Cut Motions but all

these groups are not accommodated. Therefore, sir, at-least one from each group shoud be accommodated to participath in this discussion.

Mr. Deputy Speaker :—In that case there will be no time for the Minister to reply.

শ্ৰীভূবনেশ্বৰ বৰ্মন :— যদি সকলোকেই কবলৈ নিদিয়ে তেন্তে হলে মন্ত্ৰীকে বক্তৃতা দিবলৈ দিয়ক

Shri Shanti Ranjan Das Gupta : – Sir, there is no seope of extension of time beyond 5 p.m. today. The discussion must be closed at 5 p.m.

Mr. Deputy Speaker : – Now, Shri Ramesh Cahandra Soha ia. অনুগ্ৰহ কৰি আপুনি ৫ মিনিট কব।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত মই দুআষাৰ মান কথা কব বিচাৰিছো। আমাৰ সৰহ ভাগ সদস্যই শিক্ষাৰ বৰ্ত্তমান সমস্যাৰ সম্পৰ্কত আলোচনা কৰি গৈছে। আমাৰ স্কুল পতাৰ সম্পৰ্কত আৰু চৰকাৰৰ তৰফৰ পৰা মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰ কালত শিক্ষাৰ দায়িত্ব চৰকাৰে লব বুলি বহুত বাৰ কৈ আহিছে। কিন্তু আমাৰ অসমত দেখা গৈছে আমাৰ ৰাইজৰ উদ্যোগত যি বিলাক শিক্ষানুস্থান হৈ আছে সেই বিলাক কি নীতিত পৰিচালিত হৈ আছে ? হাইস্কুল প্ৰাইমাৰী স্কুল বিলাকৰ কথা প্ৰায় বিলাক মাননীয় সদস্যই কৈ গৈছে। মই এই সংক্ৰান্তত ২।১ টা কথা উন্মুকিয়াব খুজিছো। আমাৰ চৰকাৰৰ নিয়ম হৈছে ৭ম, ৮ম, নম আৰু ১০ম শ্ৰেণীলৈহে হাইস্কুল কৰিব পাৰে। বিভাগীয় বিভাগীয় মেনুৱেলতো এই স্বীকৃতিৰ কথা উল্লেখ কৰিছে। বৰ্ত্তমান শিক্ষা বিভাগে নিয়ম কৰিছে এক বছৰ এনেকুৱাকৈ চলাব লাগিব। আনকি বিৰ্ত্তি আদিও লব নোৱাৰিব। তাৰপিচত ইন্সপেক্টৰ হৈ পৰিদৰ্শন কৰিব। এই বছৰ শিক্ষা মন্ত্ৰীয়ে ঘোষণা কৰিছে পাৰমিচন পোৱা স্কুলৰ

ফিজ মাফ দিব। মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো এই বিলাক স্কুলৰ ল'ৰা-ছোৱালীক বিৰ্ত্তিৰ টকা পোৱাটো কৰি দিব লাগে। নহলে বিৰ্ত্তিৰ টকাৰ পৰা এই বিলাক ল'ৰা বঞ্চিত হৈ থাকিব। এইটো হব লাগিলে এটা সামাজিক বৈষম্যও হব। আগতে ৫ জন শিক্ষক হলে এখন স্কুল অনুমোদন পাব পাৰে কিন্তু এতিয়া ৭ জন শিক্ষক নহলে মাধ্যমিক শিক্ষা বৰ্ড অনুমোদন নিদিয়ে। আমাৰ মাননীয় সদস্য যি সকল স্কুলৰ লগত জৰিত তেখেত সকলে এই বিলাক কথা জানে। নতুন স্কুল হলে ৮ম মান স্বীকৃতি পালে বহুত দিনৰ পিচত ৬০০ টকা পায়, ৯ম মান স্বীকৃতি পালে ৭৫০ টকা পায় আৰু ১০ম মান স্বীকৃতি পালে ৮০০ টকা পায়। আজিৰ এনেকুৱা দিনত ৮০০ টকাৰে বাইজে কেনেকৈ স্কুল চলাব পাৰে? যদি শিক্ষাৰ ক্ষেত্ৰত পৰিবৰ্ত্তন আনিব বিচাৰিছে তেতিয়া হলে টকা দিয়াৰ থিটো গ্ৰেৱ সেইটো বঢ়াব লাগিব। আৰু এটা পৰামৰ্শ দিব বিচাৰিছো; সেইটো হল ৫ চেপ্তেম্বৰৰ পৰা প্ৰাথমিক স্কুলৰ শিক্ষকৰ সেৱা চৰকাৰী কৰা হৈছে তেতিয়াই ৪০ হাজাৰ শিক্ষক আছিল। যোৱা বছৰ ২৩০০ আৰু তাৰ পিছত ২৫৪৪২ জন, মুঠতে ৬৫ হাজাৰ শিক্ষকৰ চৰকাৰী চাকৰিয়াল কৰিলে। বৃটিচৰ দিনৰ পৰা ১০০ বছৰৰ ভিতৰত গেজেটেড ৫ হাজাৰ আৰু নন গেজেটড ৯৫ হাজাৰ চৰকাৰী চাকৰিয়াল আছে। তেখেত সকলকেই চাৰভিচ ৰেকড মতে পেনচন সময়মতে দিব নোৱাৰে।

এই ৬৫ হাজাৰ চৰকাৰী কৰ্মচাৰীৰ সেৱাৰ চাৰ্ভিচ ৰেকৰ্ড সঠিক মতে ৰখা নাই, পেন্সন দিয়াৰ ব্যৱস্থা নাই। এই ৬৫ হাজাৰ শিক্ষকে ভয়ংকৰ অৱস্থাৰ সন্মুখীন হব লাগিব। দুৰ্ভগীয়া শিক্ষক সকলে ১৯৭৫ চনৰ ৫ চেপ্টেম্বৰত ৰিটায়াৰ হৈ গল এক পইচাও নাপালে। ১৯৭৫ চনত কেৱাজনো শিক্ষকে অৱসৰ ললে পেঞ্চনৰ ব্যৱস্থা নাই, গ্ৰেচ্যুটিৰ ব্যৱস্থা নাই, পেঞ্চন ৰেকৰ্ডৰ ব্যৱস্থা নাই। এই ব্যৱস্থা শিক্ষা মন্ত্ৰীয়ে চলি থাকিবলৈ দিবনে? ডি, পি, আই অফিচৰ কথা কোৱা হৈছে যে কাম বন নকৰে, মই এই কথাত একমত নহয়। প্ৰাথমিক এলিমেণ্টেৰী বৰ্ড, ষ্টেট প্ৰাইমাৰী বৰ্ড আছিল। ৪০ হাজাৰ কৰ্মচাৰী বৃদ্ধি হোৱাৰ পিচত আগৰ দৰেই চলি আছে। আগতে ডি, পি, আই

অফিচত দুই চাৰিখন চৰকাৰী স্কুল কলেজ আছিল । কিন্তু যোৱা বছৰ ২৫ হাজাৰ শিক্ষকৰ চাকৰি চৰকাৰী কৰণ কৰা হল । এই ২৫ হাজাৰ শিক্ষকৰ চাকৰি ৰুল প্ৰণয়ণ হোৱা নাই । এই সকল কৰ্ম্মচাৰীৰ চিনিয়ৰিটি ৰুল নহল । এই গোটেই খিনি ব্যৱস্থা নিকপকপিয়া কৰি শৃংখলা আনিবৰ কাৰণে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো চাবদিভিজনেল বৰ্ড বিলাকত শিক্ষাৰিদ দিয়াৰ ওপৰিও প্ৰাইমাৰী শিক্ষক সকলৰ পৰাও এজন প্ৰতিনিধি লবৰ কাৰণে মই শিক্ষামন্ত্ৰীক অনুৰোধ কৰিলো । তেতিয়াহলে তেওঁলোক সুবিধা অসুবিধাৰ কথা দাঙি ধৰিব পাৰিব । প্ৰাইমাৰী স্কুলৰ শিক্ষক এজনক ইউনিট চেকেূটেৰী কৰি দৰ্ম্মহা আনিবলৈ দিয়া হয় । চেকেূটেৰী জনে দৰ্ম্মহা আনিবৰ কাৰনে ডি, আই অফিচত দৌৰি ফুৰিব লাগে । আনহাতে সেই স্কুলখনত অনুপস্থিত হয় আৰু এই ধৰণে শিক্ষা দান কৰাত যথেষ্ট ব্যাঘাত জন্মিছে । গতিকে ডি, আই বা এচ, আইয়ে এই দৰ্ম্মহা দিয়াৰ দায়িত্ব লব লাগে । তাৰ পিচত আমাৰ মাধ্যমিক শিক্ষা পৰিষদত কৰ্ম্ম অভিজ্ঞতা বিষয়টো কেনে ভাবে কি কৰিছে বুজি নাপাও আমি যি আশা কৰিছিলো সেই আশা ফলবতী হোৱা নাই । এজন ছাত্ৰই যেতিয়া অংকত লেটাৰ পায় আমি তেতিয়া বজো লৰাজন পঢ়াত চোকা । কিন্তু কৰ্ম্ম অভিজ্ঞতাত লেটাৰ পাওঁতে কেনেকুৱা পাৰদাৰ্শিতা লাভ কৰে বুজিব পৰা ন যায় । গতিকে শিখা মন্ত্ৰী মহোদয়ে শীঘ্ৰ মাধ্যমিক শিক্ষা পৰিষদৰ লতগ আলোচনা কৰি সিদ্ধান্ত লব বুলি আশা কৰিলো । মঙ্গলদৈ মহকুমাত যোৱা তিনি বছৰৰ ভিতৰত ১৩-১৪ জন শিক্ষকক তিনি লাখ টকা অত্মসাত কৰা বাবে বৰ্খান্ত কৰি থৈছিল । এই শিক্ষকে ৩-৪ লাখ টকা কেনেকৈ নিব পালে, ডি, আই আৰু এচ, আইয়ে চহী কৰা বিলৰিলাকত নাছিলনেকি ? এচ, আই আৰু এ, এচ, আইৰ ওপৰত একচন লোৱা নহল । যদি দোষী হয় তেন্তে চাকৰিৰ পৰা খেদাই দিব লাগে যদি দোষী নহয়, এই বিষয়া ববীয়া সকলে এই বিল ড্ৰ কৰিবলৈ অনুমতি দিছিল কিয় ? যদি দোষী হয়, ড, আই আৰু এচ, আইৰ ওপৰত শাস্তি বিহাৰ ব্যৱস্থা হব লাগে । আমাৰ শিক্ষা বিভাগৰ প্ৰকাশন পৰিষদে উতসাহজনক কাম কৰিছে আৰু ভালে মান কিতাপ প্ৰকাশ কৰিছে । সাংস্কৃতিক দিশতো ভালে মান অৰিহনা যোগাইছে । এই শিতানত মাত্ৰ ৫ লাখ টকা ধৰা হৈছে । বিশ্বকোষ অভিধান খন উলিয়াবৰ

কাৰণে প্ৰকাশন পৰিষদক আৰু পইচা দিব লাগে । এই প্ৰকাশন পৰিষদে ভাৰতত যথেষ্ট সুনাম অৰ্জ্জন কৰিছে । এই প্ৰকাশন পৰিষদত সাহিত্যিক সকলক জৰিত কৰি Patrouage কৰিব লাগে । ইয়াকে কৈ সামৰণি মাৰিলোঁ ।

মাননীয় উপাধ্যক্ষ : পাচবাজিবলৈ আৰু ২৫ মিনিট সময় বাকী আছে । এই খিনি সময়ৰ ভিতৰত মিনিষ্টাৰৰ ৰিপ্লাই সম্পূৰ্ণ কৰিব লাগিব । পাচঁ বজাৰ পিছত সময় নাপাওঁ । যদি আপত্তি নকৰে মিনিষ্টাৰে ৰিপ্লাই দিয়ক ।

শ্ৰীমুকুট শৰ্ম্মা : এক মিনিট সময় লব খুজিছো, বক্তৃতা দিব খোজা নাই ।

মাননীয় উপাধ্যক্ষ : কেবাজনা সদস্যই কবলৈ বাকী আছে, চেক্ৰিফাইচ কৰি কবলৈ দিলে মিনিষ্টাৰে কওক ।

শ্ৰীলক্ষ্যধৰ চৌধুৰী : ( শিক্ষামন্ত্ৰী ) উপাধ্যক্ষ মহোদয়ে ইমান পৰে মাননীয় সদস্য সকলৰ মধু আৰু নীতিপুৰ্ণ বক্তৃতা শুনি মই শিক্ষামন্ত্ৰী হিচাবে আজি সচাকৈ বহু শিক্ষা আহৰণ কৰিলো । মই দুখেৰে জনাওঁ যে বহু সদস্যই কবলৈ সময় নোপোৱাৰ কাৰণে যদি কাৰোবাৰ ক্ষতি হৈছে শিক্ষামন্ত্ৰী স্বৰূপে সেয়া ক্ষতি মোৰ হৈছে । এই ক্ষতি পুৰণ এইবৰ আৰু নহব । তথাপি । আশা কৰিছোঁ দৈনিক কাৰ্য্যত সেই সকলো সদস্যৰ পৰা অসমৰ শিক্ষা ব্যৱস্থাত নতুন এটা দৃষ্টিভঙ্গী সমূহ ৰাইজে যাতে চন্দ্ৰ সূৰ্যৰ পোহৰ যেনেকৈ সকলো প্ৰণীয়ে পায় ঠিক তেনেকৈ শিক্ষাৰ পোহৰ আমাৰ অসমৰ ল'ৰা-ছোৱালী আনকি প্ৰাপ্ত বয়স্ক সকলেও পায় তাৰ প্ৰতি সহাৰি আৰু সহযোগ আগবঢ়াবলৈ মাননীয় সদস্য সকলক অনুৰোধ জনাওঁ । পোণতে মাননীয় সদস্য শ্ৰীনিধিৰ দাস ডাঙৰীয়াই কেইবাটাও দিশত আমাৰ শিক্ষা বিভাগৰ সংশোধন আৰু কিছু সমস্যা আগবঢ়াইছে । তেখেতক ব্যক্তিগত ভাবে জনতা চৰকাৰৰৰ তৰফৰ পৰা আৰু বিশেষকৈ শিক্ষা বিভাগৰ পৰা অভিনন্দন আৰু ধন্যবাদ জনাওঁ । সচাকৈ যি কেইটা দিশত সাধাৰণ স্কুলৰ পৰা আৰম্ভ কৰি কলেজৰ অনাৰ্চ শ্ৰেণীলৈকে যি বিলাক পৰামৰ্শ আগবঢ়াইছে সেই বিলাক আমি নিজে ভাবিছো আৰু একেলগে মন মিলাৰ কাৰণে তেখেতক আকৌ ধন্যবাদ জনাওঁ । এইবোৰ যাতে নিয়াৰিকৈ কৰিব পাৰো তাৰ কাৰণে সকলো মাননীয় সদস্যৰ পৰা সহযোগ বিচাৰিছো ।

উপাধ্যক্ষ মহোদয়, মোৰ বন্ধু ৰাণীম বসুমতাৰীয়ে বহুতো পৰামৰ্শ আগবঢ়াইছে। কিন্তু আপোনালোকে জানে যে, আগৰ যি কংগ্ৰেছ চৰকাৰ আছিল তেওঁলোকৰ লগত আমাৰ প্ৰতিৰ মিল সগূলি নহব। তেওঁলোকে পাওঁলে টিকট কাটি ছিল আৰু আমি পানী খাইটিলে টিকট কাজিছে। গতিকে এইটো ওলোটা হব। আগতে আমাৰ শিক্ষা ব্যৱস্থাটো আছিল চহৰমুখী আৰু এতিয়া আমি এই চহৰমুখী শিক্ষা ব্যৱস্থাক গাঁওমুখী শিক্ষা ব্যৱস্থা প্ৰাৰ্ত্তন কৰিবলৈ বিচাৰিছো। ইয়াৰ কাৰণে এতিয়াৰ পৰা প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ উপৰত জোৰ দিয়া হব। প্ৰত্যেকজন ল'ৰা ছোৱালীয়ে যাতে পঢ়িব পাৰে তাৰ কাৰণে আমি খৰটকীয় ব্যৱস্থা লৈ ৩। ৪ বছৰৰ ভিতৰত সম্পূৰ্ণ ল'ৰা ছোৱালীৰ পঢ়াৰ ব্যৱস্থা কৰিব লাগিব। আশাকৰো আপোনালোকে ইয়াত সহাৰি জনাব আৰু তাৰ লগতে প্ৰাপ্ত বয়স্ক যি সকলে ইমান দিনে শিক্ষাৰ মুখ নেদেখিলে তেওঁলোকৰ শিক্ষাৰ কাৰণে নিৰ্দ্দিষ্ট পাঠ্য ক্ৰম নাই যদিও অন্য ধৰণে পঢ়োৱাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰোপৰ এদাল্ট এদুকেচনৰ কাৰণে নিৰ্দ্দিষ্ট কাৰ্য্যসূচী আগবঢ়াব খুজিছো তাত আশাকৰো আমাৰ প্ৰতিজন সদস্যই সহাৰি জনাব। আৰু আমি এইটো বিচাৰিছো যে, অতি পিচপৰা অঞ্চলত যিবিলাক স্কুল হব সেইবিলাক ক্ৰমান্বয়ে উন্নয়নৰ স্নায়ুকেন্দ্ৰত পৰিণত কৰিব লাগিব। আমি বহুতো আশা কৰিছিলো আৰু মোৰ বন্ধু নহয়, ভাতৃসম পূৰ্ণ বড়োৱে সকিয়াই দিয়াত ভাল পাইছো। আমাৰ ৫০ ভাগ মানুহ মহিলা সকলৰ শিক্ষাৰ কোনো ভাল ব্যৱস্থা নাই। যিবিলাক অঞ্চলত কম সংখ্যক মহিলাৰ শিক্ষাৰ ব্যৱস্থা হৈছে তাত আৰু বৃদ্ধি কৰিব লাগে। আজি যে, মহিলাৰ শিক্ষা কম হৈছে তাৰ কাৰণেই আমি পুৰুষ সকলেই জগৰীয়া। এতেকে আমাৰ প্ৰতি জন সদস্যই তেওঁলোকৰ সমষ্টিত শিক্ষাৰ মহিলাৰ বাবে বিশেষ ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিবলৈ আগবাঢ়ি আহিব লাগিব!

উপাধ্যক্ষ মহোদয়, বসুমতাৰী ডাঙৰীয়াই বন্ধুভাবে কেইটামান পৰামৰ্শ আগবঢ়াইছে। বিশেষকৈ ব্যৱহাৰিক শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত। সেইটো জনতা চৰকাৰৰ শিক্ষা নীতিৰ এটা অন্যতম নীতি। সেই কাৰণে মই আশাকৰো শিক্ষা লাভৰ ক্ষেত্ৰত প্ৰাথমিক স্কুলৰ লগে লগে যাতে মাধ্যমিক স্কুলৰ শিক্ষা ১০।১২ বছৰৰ ভিতৰত গোটেই অসমতে যাতে সকলোৱে মাধ্যমিক শিক্ষাৰ কাৰণে আগবাঢ়ি আহিব পাৰে তাৰ কাৰণে

সংযোগ কৰা হৈ ছ । এই বিষয়ে জনতা চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহন কৰিব । ইয়াৰোপৰি আমাৰ যিবিলাক বাগিচা আছে সেইবিলাকতো যাতে সৰু সৰু শিশু সকলে শিক্ষা লাভ কৰিব পাৰে তাৰ কাৰণে জনতা চৰকাৰে সকলো ব্যৱস্থা গ্ৰহন কৰিব । আশাকৰো প্ৰতিজন সদসাই তাৰ কাৰণে আগবাঢ়ি আহিব তেওঁলোকে যি চুক্তি কৰিছিল, সেই চুক্তি মতে কাম নকৰাৰ কাৰণে মই মনত বৰ দুখ পাইছো । এইবাৰ ওলোটা ৰথ দেখি পানী খাইটীলৈ টিকট কটা দেখি হয়তো তেওঁলোকেও সমৰ্থন আগবঢ়াব ।

( ভইচ ঃ হৃদয় পৰিবৰ্ত্তন হব জানো ? )

পোহৰ বেছি দেখি তেওঁলোক অন্ধ হৈ যাব । আমাৰ মাননীয় সদস্য গোলেক কাকতি দেৱে কেইটামান পৰামৰ্শ আগবঢ়াইছে সেই কেইটা আমি আগতে ঠিক কৰা । পৰামৰ্শৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো । আক্ৰাম হোচেইন ডাঙৰীয়াই পৰামৰ্শ আগবঢ়াইছে আৰু লগতে কেইটামান বিভাগীয় দুৰ্নীতিৰ কথাও কৈছে । কাগজ বিতৰণৰ যিটো কথা তেখেঁতে উত্থাপন কৰিছে সেইটো সম্পূৰ্ণ সচা নহয় । আগতে এক্সাচাইজ বুক প্ৰদাকচন বুলি এটা অনুস্থান আছিল । সেই অনুস্থানেটো শিখা মন্ত্ৰী হৰেন তালুকদাৰৰ দিনতে হাফ এ মিলিয়ন জবৰ নীতিৰ ওপৰত যুৱ কংগ্ৰেছৰ লৰা কিছুমানৰ নামত বেনামা ভাবে পৰিচালিত হৈছিল । আৰু এজন আগৰৱাল চ হাব পৰিচালনা কৰি দুৰ্নীতি হাতত দিছিল । মাননীয় সদস্য হিতেশ্বৰ শইকীয়াই মোক নিজেই কৈছে এইটো আপুনি চাব । আমি কৈছিলো এইটোৰ পৰা সাবধান হব লাগে । আমি চাইছো আমি দেখিছো যে অসমত শতকৰা বহুতো লৰা ৩ মাহে ৩ মাহে শিক্ষিত ডেকা এই ব্যৱসায় কৰিবলৈ আহিব । কাৰণ ৩ মাহৰ মুৰে মুৰে কাগজ বিতৰণ হয় আৰু ইয়াত বহুত টকা । মানুহজনৰ নাম দি, পি, আগৰৱালা ।

মাননীয় সদস্য মথুৰা সিংহই এটা কথা কৈছে যে স্কুলত বন্ধ নোহোৱাকৈ বন্ধ হৈছে । মই বৰভাগলৈ যাওতে ৬ খন মান এল, পি স্কুলৰ ভিতৰত ৩ খান স্কুলৰ কাকো লগ পোৱা নাই । কাৰণ শুনিলো যে এখন স্কুলৰ শিক্ষকৰ বাপেকৰ বৰ টান । বাকী কেইখনত সোমোৱা

নাই। গতিকে এল, পি স্কুল বিলাকত ২জন কৰি শিক্ষক লাগে। এইটো মোৰ নিজ অভিজ্ঞতাৰ পৰা কৈছো। কাৰন এজন শিক্ষকেৰে এখন স্কুল চলোৱা টান।

মাননীয় উপাধ্যক্ষ মহোদয়, আটাইতকৈ ভাল আৰু শিক্ষা-প্ৰদ পৰামৰ্শ লাভ কৰিলো আমাৰ মাননীয় সদস্য শ্ৰীবানেশ্বৰ শইকীয়া ডাঙৰীয়াৰ পৰা। সঁচা কথা, পৰিকল্পনা নোহোৱাকৈ শিক্ষা ব্যৱস্থাৰ প্ৰচলন কৰাৰ কাৰণে পাঠশালা বিদ্যালয়ৰ কথা বেলেগেই বিশ্ববিদ্যালয়তো 'এগ্ৰিৰটানিত তুশ আঢ়ৈশ ছাত্ৰক কিয় শিক্ষা দিলে সেইটো ভাবিলে আচৰিত হব লাগে। ইয়াৰ বিহিত ব্যৱস্থা কৰিবলৈ ইতিমধ্যেই গুৱা-বিশ্ববিদ্যালয়লৈ লিখা হৈছে। লগতে এইখিনি লৰাই যাতে চাকৰিৰ আহতা লাভ কৰিব পাৰে তাৰ কাৰণেও ব্যৱস্থা কৰা হৈছে। 'চছিয়ল-জিষ্ট'ৰ কথাও আগবঢ়াইছে। এই ধৰণৰ পৰামৰ্শ বিলাক আহি থাকিলে আমি তাক সাদৰেৰে গ্ৰহণ কৰিম আৰু তাক বাস্তৱত ৰুপায়িত কৰি দুৰ্নীতি দূৰ কৰিবলৈ চেষ্টা কৰিম।

১৯৭৫ চনতে ধোপগুৰিত খোলা স্কুলৰ কথা এতিয়াও জনা নাই। কি হল, কি হৈ ছল আৰু কি হব সেই সকলো বিলাক কথা জানিবলৈ চেষ্টা কৰা হব। নৰ্ম্মাল, বেছিক, বি. টি আদি ট্ৰেইনিঙৰো প্ৰয়োজনীয়তা নিশ্চয় আছে! মোৰ নিজা দুবছৰীয়া শিক্ষক জীৱনৰ অভিজ্ঞতাৰ পৰাও আৰু নিজে এই বিষয়ে লোৱা ট্ৰেইনিঙৰ অভিজ্ঞতাৰ পৰা কব পাৰো যে, ট্ৰেইনিঙৰ ব্যৱস্থা নেথাকিলে শিক্ষকতা কৰাৰ মাদকতা নেথাকে আৰু শিক্ষা ব্যৱস্থাও ভাল নহয়। প্ৰাথমিক শিক্ষাৰ কাৰণে শিক্ষক সফল নৰ্ম্মাল বা বেছিক ট্ৰেইনিঙ পাছ কৰা হব লাগে। লগতে বি, টি ট্ৰেইনিঙৰো ব্যৱস্থা থাকিব লাগে। নহলে পাছকৰি গৈয়েই কলেজ বা বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিবলৈ টান হয়। ই অতি জটিল কাম। ডি, পি, আই আৰু ডি, ই দুটা বিভাগ খোলাৰ পৰা যে কি লাভ হৈছে মই সেইটো জনা নাই। কিন্তু তিনিমাহৰ ভিতৰতে বহুত বিলাক বেমেজালি হৈছে। গতিকে এইটোও পুনৰ বিন্যাসৰ প্ৰয়োজন হৈছে।

ভইছ. :— কিমান দিন লাগিব )

আপোনালোকে টকা দিলে মুঠেই সময় নেলাগে। মাননীয় সদস্য শ্ৰীৰমেশ চহৰীয়া ডাঙৰীয়াই শিক্ষক সকলৰ হাতৰ পৰা তিনিলাখ টকা নোহোৱা হৈছে বুলি কৈছে। লগতে তেখেতে কেইটামান পৰামৰ্শও আগবঢ়াইছে। তিনিলাখ টকা নোহোৱা হোৱাটো এটা অবিচাৰ আছিল। আগতেও কৈছো। আশাকৰো তেখেতৰ পৰা যাতে শিক্ষক সকলৰ কেনেকৈ সুবিছাৰ কৰিব পাৰি। আৰু বেছি সময় মই নলও। মই নিজেও গান্ধীবাদী লোক হিচাবে আনন্দ পাইছো যে, অন্তত শিক্ষক সকলে অনসন ধৰ্ম্মঘট কৰিছে। মাননীয় সদস্য কেইবাজনেও ধৰ্ম্মঘটৰ কথা উলিয়াইছে। শিক্ষক সকলেও অনসন ধৰ্ম্মঘট কৰিছে। গান্ধীবাদী লোক হিচাবে মই এইটোত আনন্দ পাইছো যে, অন্ততঃ এইটো শিক্ষা আমাৰ শিক্ষক সকলৰ হৈছে। কিন্তু তিনিমাহৰ ভিতৰতেই আহিব নালাগিছিল। চৰকাৰী কাৰণ হল, ৫৫ বছৰৰ শিক্ষক সকলৰ ওপৰৰ বিলাকৰ মূৰ কটা গল। সেই বিলাক পুনৰ আকৌ চাবলগীয়া হৈছে। আপোনালোকে জানে যে, মই বুঢ়া হৈও যিমান জোৰেৰ খোজ কাঢ়িব পাৰো, ডেকা বিষয়া সকলে সিমান জোৰেৰে নোৱাৰে। যিমান সোনকালে আহিব লাগে সিমান সোনকালে আহিব নোৱাৰে, যিমান জোৰেৰে যাব লাগে সিমান যোৰেৰ যাব নোৱাৰে। আগতে গৈছিল একালে আৰু এতিয়া হয়াতে আনকালে আহিব লগীয়া হৈছে।

আমাৰ মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই ঠিকেই কৈছে যে, প্ৰথমতে মাছৰ মূৰটোহে পচে। সেই দৰেই আমাৰ বিষয়া সকলক মুদ্ৰাৰ লগতহে তুলনা কৰিব পাৰি। তাৰে সৈতে মদো খাব পাৰি আৰু গাখীৰো খাব পাৰি। আমাৰ মন্ত্ৰী আৰু এম, এল, এ কে আদি কৰি বিধায়ক সকলে যদি অনাড়ম্বৰ, নিৰহংকাৰ আৰু সাধাৰণ লোকৰ দৰে বসবাস কৰিবলৈ পছন্দ কৰে তেতিয়াহলে, বিষয়া সকলেও ডাঙৰ ডাঙৰ অট্টালিকা বা প্ৰাসাদোপম ঘৰত বসবাস কৰিবলৈ চেষ্টা বা ইচ্ছা প্ৰকাশ নকৰিব। এই কথা মই মোৰ নিজৰ জীৱন অভিজ্ঞতাৰ পৰাই কৈছো। মই মন্ত্ৰী হৈও একো পৰিবৰ্ত্তন হবলৈ নিবিছাৰো। ইমান দিন যিমান সত হৈ আছিলো এতিয়া তাতকৈ আকৌ বেছি সজ হবলৈ নিৰিছাৰো। আপোনালোকৰ আশীৰ্ব্বাদ, সহায়-সহযোগ আমাক দিয়ক

যাৰ দ্বাৰা আমি আমাৰ ৰাইজক, সৰু সৰু ল'ৰা-ছোৱালী বিলাকক ডেকা, যুৱক-যুৱতী সকলক শিক্ষা দিয়াৰ মহান কৰ্ত্তব্যৰ ব্ৰতী হব পাৰো। অকল চাকৰিয়েই শিক্ষাৰ একমাত্ৰ উদ্দেশ্য নহয়। মহান সাংস্কৃতিক আৰু সংহতি পূৰ্ণসেৱা আৰু সতচৰিত্ৰৰ লোক সৃষ্টি কৰাই হৈছে শিক্ষাৰ প্ৰয়োজনীয় কাম বুলি মই ভাবোঁ। আশাকৰো, আপোনালোকে সেইদৰে সহায় সহযোগ আগবঢ়াব।

ধৰ্ম্মঘটৰ সংক্ৰান্তত এটা কথা কোৱা হৈছে। ৩১ ডিচেম্বৰত নহয়, ৩১ মাৰ্চ্চতহে। ৫টা পৰীক্ষা হৈছিল। পাঠশালাৰ শিক্ষক নিয়োগৰ কাৰণে ২৬হাজাৰ ল'ৰা-ছোৱালীয়ে আবেদন কৰিছিল। ১৯ হেজাৰে লিখিত পৰীক্ষা দিয়ে। ৯ হেজাৰে মৌখিক পৰীক্ষা দিয়ে। কিন্তু চাকৰিত নিয়োগ কৰাৰ ক্ষেত্ৰত এনেকথা ওলাল যে, বহুতো বিলাকক দৰ্খাস্ত নকৰাকৈয়ে আৰু পৰীক্ষা নিদিয়াকৈও চাকৰিত নিয়োগ কৰা হৈছে। আগতে নিৰ্দ্দেশ আছিল যে, এম, এল, এ সকলে এলেকা মতে চাকৰি দিব। ইত্যাদি বিলাক কাৰণেই কিছুমান বিশৃংখলাৰ কাৰণ সৃষ্টি হৈছে। এই বিলাক কথা মই আপোনালোকৰ ওচৰত ৰাখিছোঁ। মই ৰত্নাকৰ হব নোখোজো। সেই কাৰণে মই বিশেষ নকওঁ। বহুত খেলি মেলি আছে বুলি সকলোৱে কৈছেই। সঁচা কথা। এই বিলাক সোনকালেই দূৰ কৰিবৰ কাৰণে আপোনালোকৰ পৰা সহায় সহযোগ আশা কৰিছোঁ। গতিকেই তাৰ কাৰণে যিখিনি অনুদান আজি আমি বিছাৰিছো সেইখিনি আপোনালোকে কোনো দিধা নেৰাখি আমাক দিব লাগে।

**Mr. Dnputy Speaker**— Order, order, **It is 5 P.M. I, therefore, guillotine all the remaining cut motions.**

**I Now put Grant Nos, 34, 16, 7, 67, 64, 65, 73, 66, 59, 61, 62, 71, 45, 35, 69, 5, 6, 11, 53, 75, 4, 8, 38, 39, 44, 12, 13, 14, 15, 18, 27. 29, 30, 31, 52, 54, 36, 55, 60. 79, 20, 21, 46, 42, 72, 68, 78, 57, 76, 49, 9, 22, 48, 50 and 70.**

**( aftet a pause)**

The grants are passed,

I Now request the hon'ble Ministers, Members, officers, sitting in the Official Gallery, Press Reporters and Official Reporters to proceed to Room No. 1 for tea.

The House stands adjourned till 5-30 P.M.

( Adjournment for tea )

THE ASSAM APPROPRIATION (No. II) BILL, 1978:

( AFTER TEA BREAK )

Mr. Deputy Speaker Now Item No. 3(a), Shri Keshab Chandra Gogoi.

Shri Keshab Chandra Gogoi. ( Minister. Finance ).— Mr. Deputy Speaker, Sir I beg leave to introduce the Assam Appropriation ( Ne. II ) Bill, 1678.

Mr. Deputy Speaker .— Js it the Pleasure of the House to grant leave to introduce the Assam Appropriation ( No. II) Bill, 1978.

( Voices—Yes, Yes ).

Mr. Deputy Speaker :—Here is a message from the Governor which reads as follows "under provision of Article 207 (1) of the Constitutions of India, I, Lallan Prasad Singh, Governor of Assam, recommended the introduction in the Assam Legislative Assembly of the Assam Appropiration ( No. II ) Bill, 1978.

Shri Keshab Chandra Gogoi ( Minister. Finace) :—Sir, I beg to introduce the Assam Appropriation ( No. II ) Bill, 1978.

( The Secretary, A.L.A. read out the title of the Bill introduced ).

Mr. Deputy Speaker :—Here is a message from the Governor which reads as follows— "Under the provision of Article 207(3) of the Constitution of the India, I, Lallan Prasad Singh, Governor of Assam, recommended that the Assam Appropriation (No. II) Bill. 1978, be taken up for consideration by the Assam Legislative Assembly."

Shri Keshab Chandra Gogoi, (Minister, Finance) :—I beg to move that the Assam Appropriation ( No, II ) Bill, 1978, be taken into consideration.

Mr. Deputy Speaker :— Before the discussion starts I want to know to opinion of the House upto what time the Honourable members want to continue discussion ?

(Voices—7.30p.m., 8.00p.m. 9.00p.m. etc.)

শ্ৰীগোলোক কাকতি .—ইমান সময় অসম্ভব হব ।

Shri Noorul Huda :—Sir, those who are not willing to stay may go. We do not mind for that.

শ্ৰী অতুল গোস্বামী ঃ- চাৰি শ,ন কোটি টকাৰ বিনিয় ৰোজন বিল ইয়াত আহিছে যি সকলে যাব খোজে যাব পাৰে ।

শ্ৰীগোলক কাকতি ঃ- মই কথাটো উতযাপন কৰোতে যাবলৈ কব লগা হ'ল কিয় । উপাধ্যক্ষ মহোদয়, এইটো উচিত হোৱা নাই ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :- (মন্ত্ৰী) উপাধ্যক্ষ মহোদয়, এইটো বুজা বুজিৰ কথা ৯ বজালৈবৰ বেচি দেৰি হব । মই মাজে মধ্যে কব খুজিছো ৭'৩০ ওপৰত বৰ বেচি ৮ টা হলে ভাল হয় ।

**Mr. Deputy Speaker :-** Let us continue 8.00 p.m, It will be two hours and thirty minutes. There are other items also.

**Shri Noorul Huda :-** Let all of us speak 10 minutes each.

শ্ৰীগিয়াছুদ্দিন আহমেদ :- উপাধ্যক্ষ মহোদয় এটা কথা হ'ল এই আলোচনাত অংশ গ্ৰহণ কৰিবলৈ টাইম লিমিট দিব নে সদস্য সকলৰ নাম দিব লাগিব ?

মাননীয় উপাধ্যক্ষ :- লিষ্ট দিলে ভাল হয়।

শ্ৰীপ্ৰেম বৰা :- কোনোবাই কব খুজিলে আগতিয়াকৈ অধ্যক্ষৰ লব লাগে। সেই মতে নাম দিব লাগে।

মাননীয় উপাধ্যক্ষ :- প্ৰত্যেক বক্তবাৰ কাৰণে সময় ঠিক কৰি দিয়াই ভাল নেকি ?

শ্ৰীপ্ৰেম বৰা :- আধাঘণ্টা কৈ দিব লাগে।

মাননীয় উপাধ্যক্ষ :- ১০ মিনিটকৈ দিয়া হব।

*শ্ৰীশ্ৰীপ্ৰেম বৰা :- উপাধ্যক্ষ মহোদয়, এই যে ৪ শ, ৯ কোটি টকাৰ বিনিয়োজন বিলৰ দাবী মজুৰী বিছাৰিছে এই বিষয়ে মই কেইটামান পৰামৰ্থ দিব বিছাৰিছো। উপাধ্যক্ষ মহোদয়, আপুনি জানে বছৰৰ পাচত বছৰ এই বাজেট পাচ কৰি প্লেনৰ পাচত লোন হৈ গৈছে। কিন্তু ধাৰৰ মাত্ৰা পৰিকল্পাৰ পাচে পাচে বাঢ়ি গৈছে। তৃথীয় ৰাইজৰ কাৰণে এই ধাৰৰ মাত্ৰা বাঢ়ি যোৱাতো দুৰ্ভাগ্য জনক। আমাৰ এনেকুৱা পৰিকল্পনা কৰিব লাগে যাতে পৰিকল্পনাৰ জৰিয়তে ধাৰ মাৰিব পৰা যায়। যিহলৈকে যিমান পৰিকল্পনা হ'ল ধাৰ বাঢ়ি গ'ল। এই যে টকা বিলাক খৰছ হ'ল কিন্তু প্ৰভাকটিভ আননি কৰিব নোৱাৰিলে। এহাতে ধাৰ বাঢ়িল আৰু আন হাতে গাৱলীয়া খেতিয়কৰ অবস্থা দিনক দিনে বেয়া হৈ যাব ধৰিলে এই খিনিতে মই কেইটামান পৰামৰ্শ দিব বিছাৰিছো। বৰ্ত্তমান নতুন চৰকাৰে দৃষ্টি ভঙ্গী পৰিবৰ্ত্তন কৰিব লাগে। আজি ৰাজ্য খনত অনুমানিক জনসাধাৰণৰ পৰিসংখ্যা কিমান আছে এই বিষয়ে মই বিত্ত মন্ত্ৰী মহোদয়ক দৃষ্টি আৰ্কশন কৰিলো। আমাৰ ৰাজ্য খনত মুঠ ৰাজহৰ কিমান অংশ চৰকাৰী কৰ্ম্মচাৰীক

দা দৰমহা আদি দিয়াত খৰচ হয়, কিমান টকা আমাৰ উতপাদন শিল কামৰ কাৰণে খৰচ হয় ? আমাৰ অসমৰ গোটেই ৰাজহৰ ৭৫ ভাগ শতকৰা যদি আমাৰ কৰ্ম্মচাৰী সকলৰ দৰমহা আৰু আচবাব পত্ৰত খৰছ হয় বাকী ২৫ ভাগ জনসাধাৰণৰ উন্নয়ন শীল কামৰ কাৰণে খৰছ হয়। এতিয়া কথা হ'ল মুঠ জনসংখ্যাৰ কিমান অংশ কৰ্ম্মচাৰী ?

এটা এপ্ৰাক্সিমেট হিচাব কৰিলে দেখা যায় যে চাৰে ৬ লাখ, ৭ লাখতকৈ বেছি নহব। অৰ্থাত শতকৰা ৫ ভাগ জনসংখ্যাৰ কাৰণে আমি দুখীয়া ৰাইজৰ ৰাজহৰ শতকৰা ৭৫ ভাগ টকা খৰচ কৰি আছো। আন-হাতে বৃহত সংখ্যক শতকৰা ৯৫ ভাগ মানুহৰ কাৰণে ৰছৰি উপাৰ্জনৰ শতকৰা মাত্ৰ ২৫ ভাগহে থাকে। এইটো বৰ ডাঙৰ বিসংগতীয়ে দেখা দিছে। নতুন চৰকাৰে নতুন দৃষ্টী ভঙ্গীৰে এই গোটেই কথাটো পুনৰ বিবেচনা কৰাৰ প্ৰয়োজন হৈছে। পৰিকল্পনা আয়োগ আমাৰ ৰাজ্যখনৰ পৰিকল্পনাত এই গোটেইটো নতুন ভিত্তিত নতুন দৃষ্টি ভংগীৰে লোৱাৰ সময় আহিছে।

উপাধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে আমাৰ যি সকল প্ৰতিনিধি আছিছে সেইসকলৰ অধিকাংশই দুখীয়া ৰাইজৰ ভোট দ্বাৰা নিৰ্বাচিত্ত হৈ আহিছে। এইটো কথা আমি অস্বীকাৰ কৰিব নোৱাৰো যে নিৰ্বাচনৰ আগতে দুখীয়া ৰাইজৰ ঘৰলৈ গৈ তেওঁলোকৰ ঘৰত বঙাচাহ গুৰেৰে খাই নানা ধৰণৰ কথা কৈ তেওঁলোকৰ পৰা ভোট বিচাৰো। আৰু তেওঁলোকেও ভাবে নতুন প্ৰতিনিধিয়ে কি জানিবা তেওঁলোকৰ সামাজিক, আৰ্থিক উন্নতি সাধান কৰে। কিন্তু আমি ইয়ালৈ অহাৰ পিচত মন্ত্ৰীৰ পৰা বিধায়ক সকল নানান সমস্যাত জৰিত হৈ পৰো। আজি বোলে ট্ৰাইক. কালি বোলে শিক্ষক সন্থা, কৰ্ম্মচাৰী, ডাক্তৰ এচোচিয়েন, পৰহি বোলে ট্ৰেন্সফাৰ, প্ৰমোচন ইত্যাদি বিলাক কথাত লাগি থাকোতেই যায়। কিন্তু সেইবিলাক মানুহ কোন ? সেই সকল হল এই শতকৰা ৫ ভাগ মানুহ। আনহাতেদি শতকৰা ৯৫ ভাগ যি দুখীয়া মানুহৰ ভোট লৈ আহিছো তেওঁলোকৰ কথা চিন্তা কৰিবলৈ আমাৰ সময় নাই। গতিকে আজি নতুন চৰকাৰৰ দৃষ্টিভঙ্গীৰে এনে ধৰণেৰে পৰিকল্পনা কৰিব লাগিব, আমাৰ পৰিকল্পনা আচঁনি বিলাক যাতে গাওঁৰ দুখীয়া মানুহৰ অন্তৰ চোৱেগৈ আমাৰ ৰাজ্যখনৰ যিখিনি উপাৰ্জন এইখিনিয়েই যথেষ্ট নহয়, এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অসম ৰাজ্যখনক অৱহেলাৰ চকুৰে চাই আহিছে। গতিকে

নতুন চৰকাৰে কেন্দ্ৰীয়ে চৰকাৰক আমাৰ প্ৰাপ্য খিনিপোৱাৰ কাৰণে জনাব লাগিব । আমাৰ ৰাজ্যখনৰ পৰিসংখ্যা বিভাগটো অন্য ৰা পৰিসংখ্যাৰ নিচিনা নহয় । কিয়নো অন্যান্য ৰাজ্যৰ তুলনাত শিক্ষাৰ আমাৰ লগত কিমান সামঞ্জস্য, আমাৰ ৰাজ্যখনৰ আৰ্থিক অৱস্থা ৰাজ্যখনৰ জনমুৰি আয় কিমান কিমান মাটিত জলসিঞ্চন আচনি অ কত বিজুলি বাতি কিমান আছে, কত কিমান হাইস্কুল কিমান জনসাধা মাজত আছে, কিমান কলেজ আছে ইত্যাদি সকলোবিলাক কথা পৰিসংখ্যা বিভাগে যুগুত কৰিব লাগে । অন্যহাতেদি কেন্দ্ৰীয় চৰকা আমাৰ ৰাজ্যখনে কিমান কৰ দিয়ে আৰু বিদেশী মুদ্ৰা অৰ্জনত কিম অৰিহনা যোগায় আৰু সেই হিচাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান আৰু তাৰ তুলনাত অন্যান্য ৰাজ্যই কিমান টেক্স দিয়ে আৰু কিমান সেইবিলাক নতুন চৰকাৰে চাবলগীয়া হৈছে । নতুন চৰকাৰে আৰু দৃষ্টিভঙ্গী লৈ চাবলগীয়া হৈছে যে আমাৰ যিখিনি টকা পইচা পৰিকল্প খৰচ কৰা হয় সেইখিনি ওপৰ—গধুৰ হোৱাৰ কাৰণে এই দুখীয়া ৰা স্পৰ্শ কৰিব পৰা নাই । আমাৰ দুখীয়া জনসাধাৰণৰ আশা আকা পুৰন কৰিবৰ কাৰণে বহুত বিলাক প্ৰগতিশীল আঁচনি লব পাৰো যিমানেই প্ৰগ্ৰেচিশ লেজিচলেচনৰ ব্যৱস্থা কৰিব পাৰো কিন্তু বাস্তৱত বিলাক আমাৰ প্ৰশাসক সকলে যদি বাস্তৱত ৰূপায়িত কৰিবৰ কা প্ৰপাৰলি ইমপ্লিমেনট্ নকৰো তেতিয়াহলে আমাৰ যিমানেই সত উদ্দে নাথাকক আমাৰ কাৰ্য্যৰ ৰূপায়নত সেইবিলাক ব্যৰ্থ হৈ যাব। সৰ্বসাধ ৰাইজৰ ক্ষমতা লৈ ইয়াত আহি আমি আইন কৰিছো । কিন্তু সেই আ বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলে সি গনতন্ত্ৰৰ নামত কেৱল ভুৱা থাকিব । আমাৰ প্ৰশাসক সকল ৰাইজৰ প্ৰতিনিধি হৈ আহিছে । তে সকল নিৰ্ব্বাচন হোৱাৰ পিচত শপত গ্ৰহণ কৰি আন্তৰিকতাৰে যদি স সাধাৰণ দুখীয়া ৰাইজৰ উন্নয়ণ মূলক আঁচনিৰ কাৰণে যিবিলাক কল মুলক আঁচনিৰ কাৰণে সৌহাদ্যপুন মনোভাবেৰে কাম কৰাত আগব নাহে তেতিয়াহলে এই সকলোবিলাক আঁচনি কাগজতেই থাকিব । গতি মই মাননীয় সদস্য আৰু মন্ত্ৰী সকলক যিসকলে ৰাইজৰ প্ৰতিনিধিস্ব আহিছে তেওঁলোকক অনুৰোধ কৰিব বিচাৰিছো তেওঁলোকে যেন দুখী ৰাইজৰ আশা আকাংশা বাস্তৱত প্ৰতিফলিত কৰিবৰ কাৰণে যি স

বৰীয়া আছে তেওঁলোকক সেই দিশত দিহা—পৰামৰ্শ আগবঢ়াৰ।
তাৰ পিচত মই আৰু এটা কথা কৈ শেষ কৰিম। সেইটো
ৰ ৰাজ্যিক ভাষা প্ৰয়োগ আইন। এইখন কেতিয়াবাই পাচ কৰা
কিন্তু আজিও সেইখন বাস্তৱত পৰে প্ৰয়োগ হোৱা নাই। কিন্তু
বৰ্ষৰ আন আন ৰাজ্য বিলাকত বিধান সভাৰ পৰা আৰম্ভ কৰি চৰকাৰী
ৰ বিভিন্ন দপ্তৰ সমূহত ৰিজনেল লেংগুৱেজত কাম-কাজ হোৱা দেখা
। কিন্তু আমাৰ ইয়াত তেনে ধৰণে হোৱা নাই। গতিকে মই নতুন
ৰক এই ভাষা আইন অনতিপলমে প্ৰয়োগকৰাৰ কাৰণে চকু দিবলৈ
াধ জনালো। আমাৰ যিবিলাক সংখ্যালঘু সম্প্ৰদায় আছে সেই
প্ৰতিও যাতে সন্মান অকুন ৰাখে তাৰ বাবে সৌহাদ্যপুন মনোভাব
লি এই সকলক সহায় কৰে। মই বেছি নকও বাকী বিলাক বিষয়ত
য় সদস্য সকলে কৈ গৈছে। মুঠতে শতকৰা ৯৫ ভাগ দুখীয়া মানুহৰ
যিবিলাক উন্নয়ণমূলক আচনি, কাম হাতত লোৱা হৈছে সেইবিলাক
তেওঁলোকৰ কামত বিশেষ ভাবে আৰু তাৰ দ্বাৰা তেওঁলোকক
কৰে। এইখিনিকে নতুন চৰকাৰক আগতীয়া মশ পৰামৰ্শ দিলো।
মদ ছামচুল হুদা ঃ অধ্যক্ষ মহোদয়, মই এই এপ্ৰপ্ৰিয়েচন বিল
ওপৰত কেইটামান কথা ডাঙি ধৰিব বিচাৰিছো ইয়াৰ ভিতৰত
নি কথাই আলোচনা হল। সেই কাৰণে মই চৰকাৰক আনুৰোধ
যে চৰকাৰে অঙ্গীকাৰ কৰি যিখিনি প্ৰতিশ্ৰুতি দিছিল সেই টো
প্ৰশাসনত জনমুখী কৰি তুলিবলৈ যদিও আমি বস্তুতাত কওঁ
নতে গৰীব মানুহৰ কাৰণে বাজেট খনত কোনে ব্যৱস্থা নাই দ্বিতীয়েতে
লাকৰ দাবী পুৰণ কৰাৰ কাৰণে এই প্ৰশাসনত চেষ্টাৰ যথেষ্ট অভাৱ
া। এইচৰকাৰ আগৰ চৰকাৰ দৰেই চলি আছে। সচিবালয় খনটো
হা সাংমাটিৰ অৱস্থা। এটা সচিবৰে কিমান কেইটা বিভাগ আছে-
আচৰিত লাগে আৰু তেখেতসকলৰ টেবুলত ফাইল জমা হৈ পাহাৰ
কে। তেখেতসকল দৰাচলতে কোনো একটিভ নহয়-এতিয়াও ৰাজ্যৰ
ন অচল হৈ আছে। সেই কাৰণে এই সচিবালয়ৰ ক্ষমতা বিকেন্দ্ৰীকৰণ
জিলা প্ৰশাসনৰ হাতত ক্ষমতা অৰ্পন কৰি দিব লাগে। এইটোত
একমত নহয় তেতিয়াহলে সচিবালৰ যি সকল এ, চি, এচ, আছে
সকলৰ মাজত ক্ষমতা ভাগ কৰি দি সচিব সকলৰ ক্ষমতা বিকেন্দ্ৰীকৰণ

কৰিব লাগে । যোৱা তিনি বছৰ ধৰি আমি এটা কথা লক্ষ্য কৰি আহিছো আৰু সেই অভিজ্ঞতাৰে আমি বহু ধৰণেৰে চালিছে চাইছো তাত আমি পাইছো যে তিনি মাহৰ পিচতো সচিবালয়ৰ সচিৱ সকলে মন্ত্ৰী সভাৰ লগত আশানুৰুপ সহযোগ কৰিব পৰা নাই । যাৰ ফলত দৰকাৰী ফাইল বিলাকৰো কোনো কাম হোৱা মন্ত্ৰীসকলে ফাইল বিচাৰিলে কেৰাণীয়ে কয় মন্ত্ৰীয়ে আজিয়েই ফাইল বিচাৰিলে হবনে । তেনেকৈয়ে প্ৰয়োজনীয় ক্ষেত্ৰত দেখা যায় সচিবালয়ৰ বহুতো কেৰাণীয়ে নতুন চৰকাৰক মনেপ্ৰাণে গ্ৰহণ কৰিব পৰা নাই । যাৰ ফলত মন্ত্ৰীয়ে হুকুম দিয়া স্বা.ত্বও কেৰাণীয়ে ফাইল পঠাবলৈ অৱহেলা কৰি আহিছে আটাইতকৈ ডাঙৰ কথা হল মন্ত্ৰী ডাঙৰীয়াই এপ্ৰভড কৰা প্ৰস্তাৱটোও মুখ্য সচিবে নাকচ কৰি দিছে কংগ্ৰেছ প্ৰশাসনত মন্ত্ৰীয়ে হুকুম দি ৰেজিষ্টাৰক কাম কৰাব নোৱাৰিলে । সেইটোৱেই যদি চলি থাকে তেতিয়াহলে ইয়াত বুৰক্ৰেটিক প্ৰশাসনহে চলিছে ।

উপাধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসনৰ বাহিৰেও ভূমি বাজহৰ ক্ষেত্ৰত ৰাজ্যত বহুতো বে-দখল বাঢ়িছে । এইবিলাকৰ ক্ষেত্ৰত চৰকাৰে উচ্ছেদ কাৰ্য্য চলালে আমি বিধান সভাত বিৰোধীতা কৰি আহিছো কিন্তু উচ্ছেদ কৰিলেও এইবাৰ তেনে ধৰণে উচ্ছেদ কৰিব নোৱাৰিব - বেলেগ ধৰণেহে উচ্ছেদ কৰিব লাগিব । মই কব বিচাৰিছো যে যাকে তাকে উচ্ছেদ নকৰি বাচি বাচি উচ্ছেদ কৰিব লাগিব । তথা ভূমিহীন লোকে যত বে-দখল কৰিছে তেওঁলোকৰ মাজত বহুতো মহাজন বা চহকী লোক থাকিব পাৰে । সেইকাৰণে এই গৰীৱ সকলক উচ্ছেদ নকৰি তাত থকা চহকী লোক সকলকহে উচ্ছেদ কৰিব লাগে । এই ধৰণে বাচি বাচি উচ্ছেদ কৰিলে আমি সম্পূৰ্ণভাবে চৰকাৰক সহায় আৰু সহযোগ কৰিম । এই কথা প্ৰচাৰ কৰিবলৈ মই ৰাজহ বিভাগক অনুৰোধ কৰিছো । যোৱা ৩০ বছৰৰ ভিতৰত আমাৰ ৰাজ্যত তথা ভাৰতত বহুতো দৰিদ্ৰ মানুহৰ সংখ্যা বৃদ্ধি হল । চিলিং আইনৰ দ্বাৰা চৰকাৰে ভূমিহীন লোকক মাটি বিতৰণ কৰি দি মাটি বিতৰণ নীতি কাৰ্য্যকৰি কৰিব নোৱাৰিলে । গতিকে মই চৰকাৰক অনুৰোধ কৰিছো যাতে নকৰে ১বিঘা নহলেও আধা বিঘা কৰি হলেও উপৰঞ্চি মাটিবিলাক অধি গ্ৰহণ কৰি ভূমিহীনৰ মাজত বিতৰণ কৰি দিয়াৰ ব্যৱস্থা কৰক । চাহ বাগিছাৰ মাজ অথবা পৰি থকা উপৰঞ্চি

মাটি বিলাক অনতি পলমে অধি গ্ৰহণ কৰি মাটিহীন লোকৰ মাজত বিলাই দিবলৈ মই চৰকাৰ দাবী জনাইছো। তাৰোপৰি প্ৰকৃতিক দৰ্য্যোগ হলে আমাৰ মানুহৰ খাবলৈ পিন্ধিবলৈ হাহাঁকাৰ কৰিব লগীয়া হয় বিশেষকৈ অনাবৃষ্টি বা অতিবৃষ্টি নাইবা বানপানী বা তদ্ৰূপ গৰাখহনীয়াত প্ৰকৃতিক দুৰ্যোগৰ কাৰণে যেতিয়া অভাৱ অনাটন বৃদ্ধি হয় তেতিয়া হাড বজাৰ বিলাকত বস্তুৰ দাম দুগুনে বৃদ্ধি হয় । তেতিয়া প্ৰচুৰ পৰিমাণে চৰকাৰৰ ফালৰ পৰা সাহায্য দিয়াৰ কোনো ব্যৱস্থা নাই । নাম মাত্ৰ ২৫টা টকা ৰিলিফ আৰু বিহাবিলিটেচন বিভাগৰ পৰা দিয়ে - তাৰ বাহিৰে আন একো দিয়া নহয় । সেই কাৰণে প্ৰকৃতিক দুৰ্য্যোগৰ সময়ত এতিয়া যি অনুদান দিয়ে তাতোতকৈ বেছি অনুদান ধৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো । লগত ১৯৫২-৫৪ চনত যিটো টকাৰ মুল্য আছিল - এতিয়া সেইটো নাই - এতিয়া টকাৰ মুল্য বহুত কমিল । সেই ফালৰ পৰা ৩ টকাৰ ৩০০ টকা এজনক সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে । তাৰ বাবে এই ৰিলিক আৰু ৰিহাবিলিটেচন বিভাগক কাৰ্য্য কৰী ব্যৱস্থা হাতত লবলৈ মই দাবী জনাইছো ।

ৰাজহ বিভাগৰ ক্ষেত্ৰত দেখিছো মণ্ডল কাননগো সকলেই ৰাজত্ব কৰি আছে । লাটমণ্ডল বুলি তলত মণ্ডলৰ চহী নাথাকিলে মন্ত্ৰীয়ে মাটি দিব নোৱাৰে । কাৰণ ৰিপৰ্ট দিবৰ বেলিকা তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয় । তাৰোপাৰি তেওঁলোকে মাটি দিয়াৰ ক্ষেত্ৰত অৰ্থনীতিটোৰ নানা খেলিমেলি লগাই দুৰ্নীতিৰ আশ্ৰয় লয় । সেইকাৰণে গাওঁ পঞ্চায়ত পৰ্য্যায়লৈকে জিলাৰ প্ৰশাসনিক ব্যৱস্থা এচ, ডি, চি বা এচ, অ' সকলৰ কাৰ্য্য ক্ৰমনিক পুনৰ গঠন কৰিব লাগে । ফৰেষ্ট বিভাগৰ ক্ষেত্ৰত কওঁয়ে- আলিখিত লোকৰ ফৰেষ্টৰ মাটি দখল কৰি জমিদাৰী হৈ আছে । আনহাতে ফৰেষ্ট বিভাগে বনৰীয়া জীৱজন্তু ৰক্ষাৰ নামত কোটি কোটি টকা খৰচ কৰি আছে । অৰ্থনীতিৰ কাৰণে বনৰীয়া জন্তুৰ ওপৰত নিৰ্ভশীল হৈ আছে-অথচ এই বনৰীয়া জীৱজন্তুৰ কোনো নিয়ন্ত্ৰণৰ ব্যৱস্থা চৰকাৰে কৰা নাই । বনৰীয়া জন্তু হলেও তেওঁলোকে স্বাধীন চিতীয়া জীৱন নিৰ্ব্বাস কৰিবলৈ বিচাৰে । তাৰ ফলত মাহে মাহে বনৰীয়া ম'হ, হাতী গাহৰিয়ে খেতিস্কলৰ খেতি নষ্ট কৰিআছে- তাত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাই ।

তাৰোপৰি এই নিৰীহ বনৰীয়া জন্তু বিলাকৰ ওপৰত চোৰাং চিকাৰীয়া স্বাৰ্থ পুৰণৰ বাবে ব্যৱসায়ী ভিত্তি অৱলম্বন কৰি অহৰহ আক্ৰমণ চলাই আছে ; যোৱা কেইটামান বছৰৰ ভিতৰতে ৬৫ টা গড় অসমৰ চোৰাং চিকাৰীয়া হত্যা কৰিছে । এই হত্যাৰ অন্তৰালত চোৰাং চিকাৰীৰ লগত চৰকাৰৰ বন বিভাগৰ বিষয়া সকল নিৰ্ব্বিবাদে জড়িত হৈ আছে । শুনা যায় গড়ৰ খৰ্গ হেনো বহুতো লাগে । বহু দৰকাৰী বস্তু । নম্বৰ প্ৰিণ্ট কৰিবলৈ বোলে ইয়াক লাগে । সেই কাৰণে গড়ৰ খৰ্গ বিক্ৰি কৰিবলৈ চোৰাং চিকাৰীয়ে গড় হত্যা কৰি আছে । তাৰ কাৰণে যিবিলাক চোৰাং চিকাৰীয়ে গড়ৰ হত্যাকাণ্ড চলাই আছে সেইসকলক ধৰাৰ চেষ্টা কৰা নাই – লগতে যি উচ্চ বিষয়াই এই চোৰাং চিকাৰী বিলাকৰ লগত জড়িত হৈ আছে তেওঁলোককো তাৰ বাবে কোনো শক্তিমুলক ব্যৱস্থা লোৱা নাই । ইফালে চিকাৰীৰ নাম কলে বিষয়া সকল বেয়াই পায় । নাম কৈ দিলেও নধৰে ।

উপাধ্যক্ষ মহোদয় গতিকে দেখা যায় যে বন বিভাগৰ ৰাজহুৱা টকাৰ অপচয় কৰা হৈছে আৰু কিছুমান চুৰি ভাবাপন্ন দুনীতি পৰায়ণ বিষয়াকে সুবিধা দিয়া হৈছে । কুপৰ পৰা প্ৰ্যমিটত গছ কটাৰ নামত লাখ লাখ টকাৰ গছ কাটি শেষ কৰি পেলাইছে । মুল্যবান গছ বিলাক কাটি খ্যন্তাং কৰিছে । বিগত চৰকাৰৰ আমোলত দেখা গৈছে যে কোকৰাঝাৰ কচুগাওঁ, হলতগাওঁ আদিত নানাচালি গছৰ প্ৰামিট দিছে আৰু দয়াবান ফৰেষ্ট অফিচাৰ সকলে নানাচালি মানে শিশু গছৰ ঠাইত টিট গছ কৰি সেই মূল্যবান গছ বিলাক কাটিবলৈ দি দিছে । নিজৰ পকেটত ধন লোৱাৰ কাৰণে ৰাইজৰ সৰ্ব্বনাশ কৰা এনে বহুত অফিচাৰ আছে । হোলোং গছ কটাৰ নামত কেৱাঁবন পৰ্যন্ত আঁতৰ কৰিছে । হোলোং গছৰ চাৰ্ভে কৰিবলৈ গোটেই অসমৰ কাৰণে কম পক্ষেও তিনি বছৰ লাগে কিন্তু এজন অফিচাৰ গ'ল আৰু এদিন গৈ দ্বিতীয় দিন থাকি তৃতীয় দিনা ৰিপোৰ্ট দাখিল কৰিলে ; মাত্ৰ তিনিদিনতেই চাৰ্ভে কৰা হৈ গ'ল । ঔষধ পাতিৰ কাৰণে অতি মূল্যবান বহুত লতাজাতীয় দৰৱৰ গছ আমাৰ ইয়াত আছে আৰু সেইবিলাক বিদেশী মানুহে আহি অসমত সোমাই লৈ গৈ আছে কম কম মুল্য দি । ইয়াৰ উপৰিও সাপ কিছুমান আমাৰ ইয়াৰ পৰা ধৰি লৈ যোৱা হৈছে । প্ৰামিটত দিয়াতকৈ বহুত বেছি সাপ ইয়াৰ পৰা

ধৰি লৈ গৈছে তাৰ কাৰণে বন বিভাগৰ অফিচাৰ সকলে কোনো চকু নিদিয়ে ।

উপাধ্যক্ষ মহোদয়, আপুনি বেল বজাৰ যেন পাইছো । গতিকে মই সংক্ষেপ কৰিছো । আধুনিকীকৰণ কৃষি পদ্ধতিৰ নামত দুই চাৰি জন চাইকেলত উঠি ফুৰা গ্ৰাম সেৱাকৰে কোনো কাম নহব । ইয়াৰ কাৰণে প্ৰকৃত বাস্তৱ জ্ঞান দিয়াৰ ব্যৱস্থা কৰিব লাগিব। হাইস্কুল বা এম-ই পাৰ্যাতে লৰা-ছোৱালীক শিক্ষাৰ লগত কৃষি শিক্ষাৰো জ্ঞান দিব লাগিব । কেনেকৈ ট্ৰেক্টৰ চলাব লাগে, এক বিঘা মাটিত কিমান পৰিমাণৰ ইউৰিয়া লাগে, চুপাৰ ফচফেড আদি কিমান পৰিমাণৰ লাগে। সেই সম্পৰ্কত জ্ঞান দিব পৰা হব লাগে । কেৱল নামত ভীৰ কৰি মানুহ ৰাখিলেই নহব । জলসিঞ্চন ব্যৱস্থাও উন্নত কৰিব লাগিব । কৰ অধীক্ষৰ বিলাকে কৰ ফাকি দিয়ে গতিকে নিবুনৱা হৈ থকা শিক্ষিত ডেকা সকলক কৰ পুলিচ হিচাবে নিযোগ কৰিব লাগে। তেতিয়াহলে ঘুৰি ফুৰি দুই এ টকা পাবও আৰু চৰকাৰৰ কাৰণে কৰখিনি আদায় কৰি দিব পাৰিব । দিনে দহ টকাকৈ হিচাবত দিলেও এই নিবনুৱা সকল উপকৃত হব পাৰিব । বিক্ৰী কৰ আদায় কৰিবৰ কাৰণে বন বিভাগক এনফোৰ্চমেণ্ট পুলিচ নিয়োগ কৰিবলৈ অনুৰোধ কৰিলো ।

Mr. Deputy Speaker : I would request the Hon'ble Members to keep to the time. We will be discussing upto 8 O'clock. The time was fixed 10 minutes for every Hon'ble Member. If the Hon'ble Member continue more than 10 minutes then other Hon'ble Members will not get time for discussion and will be guillotined. Therefore, I request the Hon'ble Members to keep to the time.

মঃ ছামচুল হুদা ঃ ইয়াকে কৈ এপ্ৰোপ্ৰিয়চন বিলৰ ওপৰত মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

Mr. Deputy Speaker : Shri Atul Chandra Goswami.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ উপাধ্যক্ষ মহোদয়, এই অসম বিনিয়োজন বিলৰ ওপৰত ডুমাৰমান কথা কব খুজিছো। আগৰ দিনত ৰজা সকল 'ষষ্ঠাংশ বৃত্তয়ঃ' আছিল। অৰ্থাৎ প্ৰজাৰ উৎপন্নৰ ছয় ভাগেৰে ৰজা চলিব লাগিছিল। আৰু বাকী পাচ ভাগ প্ৰজাৰ কাৰণে আছিল। কিন্তু আজিকালি ৰজা হৈছে যষ্ঠপঞ্চমাংশ বৃত্তয়ঃ অৰ্থাৎ প্ৰজাৰ উৎপন্ন ছম ভাগৰ পাচ ভাগ ৰজাৰ কাৰণে ৰাখি বাকী এক ভাগহে প্ৰজাৰ কাৰণে ৰাখিব লগীয়া হৈছে। ইয়াৰ উদাহৰণ এটা দিছো। ১৯৭০ চনত যেতিয়া মেঘালয় আৰু মিজোৰাম অসমৰ লগত আছিল। 'তেতিয়া আই-এ-এচ বিষয়া আছিল ১১৭ জন। ১৯৭১ চনত আছিল অকল অসমৰ কাৰণে আই-এ-এচ বিষয়াৰ সংখ্যা ১৪০ গৰাকী হল আৰু এতিয়া ১৯৭৭ চনত যেতিয়া মেঘালয় আৰু মিজোৰাম অসমৰ পৰা আতৰি গৈছে অসম বুলিলে আমি এতিয়া যিখিনি ভূমিক বুজি পাওঁ সেই খিনিৰ কাৰণে ১৪৫ জন আই-এ-এচ বিষয়া কমিচনাৰ পদ বাঢ়ি গ'ল। সম্প্ৰতি জুইণ্ট চেক্ৰেটৰী, চেক্ৰেটৰী এই ৰিলাক লৈ চুপাৰ স্কেল পোৱা বিষয়া ২৭ জন হ'ল। এতিয়া আই এ এচ বিষয়া ১৪৫ জন আৰু তাৰ ভিতৰতে এই কেইজন চুপাৰ স্কেল পোৱা। দেখা যায় যিমান টকা দিয়া যায় বেছি অংশই কৰ্ম্মচাৰী সকলে লৈ যায়। ক্ৰিম তেওঁলোকে খায় আৰু সেই ক্ৰিমৰ পৰা ওলোৱা ঘোল অসমৰ জনসাধাৰণে খায়। ঘোলে শৰীৰ উপকাৰ কৰে কিন্তু সেৱাৰ প্ৰবচন আছে কি কৰিব ডুৰ্ব্বলা লোকৰ বোলে কি কৰিব ঘৃতৰ বেলে। এতিয়া এই ৰিধান সভাৰে যিখন অতি প্ৰয়োজনীয় কমিটি সেই কমিটিয়ে - অনুমোদন কৰা কথা কেইটামানৰ প্ৰতি মই বিত্তমন্ত্ৰী মহোদয়ৰ মনোযোগে আকৰ্ষন কৰিছো—২৬ ৰিপোৰ্ট পি এ চিৰ—

"The committee could not but expresses concern over the increasiug number of misappropriation cases and inordinate delay in disposal. The committee there fore recommends expenditions disposal of all the pending cases and action taken reported to the committee within three months from the date of presentation of the Report to the House".

উপাধ্যক্ষ মহোদয়, পাব্লিক একাউন্স কমিটিয়ে ১৯৬৭ চনৰ পৰা

১৯৭৭ চনলৈ দিয়া ৰিপোৰ্ট যদি চায় প্ৰত্যেক ৰিপোৰ্টতে এই পৰামৰ্শ দি আহিছে কিন্তু সেই পৰামৰ্শ কৃতকাৰ্য্য নহয় বা চৰকাৰে সেই অনুসৰি চেষ্টা নকৰে। মই আশা কৰিছো অন্ততঃ নতুন চৰকাৰে পাবলিক একাউন্ট কমিটিৰ ৰিপোৰ্টত বেছি দৃষ্টি ৰাখিব আৰু আশোৱাহ বিলাক দূৰ কৰাৰ চেষ্টা কৰিব। এপ্ৰোপ্ৰিয়েচন বিলৰ সমষ্টিতে যি টকা লোৱা হয় তাৰ ওপৰত আকৌ চাপ্লিমেন্টৰী দিমাণ্ড দিও লোৱা হয় কিন্তু ৩১ মাৰ্চত টকা বিলাক চাবদ্দাৰ কৰে নাইবা একচেচ খৰচ কৰে আৰু এই বিষাদতাৰ উদাহৰণ আমি সময়ে সময়ে উতথাপন কৰি আহিছো। আজি এই বিধান সভাত কিছুমান গ্ৰাণ্ট আলোচনাই নহ'ল গিলোটিং হৈ গ'ল। বিশেষকৈ জলসিঞ্চন বিভাগৰ লগত আমাৰ জাতিৰ উতপাদন ব্যৱস্থা আৰু অসমৰ মানুহৰ অঙ্গা অঁসাঙ্গী সম্পৰ্ক অছে সেই জলসিঞ্চন বিভাগৰ বিৰুদ্ধে বিধান সভাত অনেক তথ্যপাতি সহ অভিযোগ উতথাপন কৰা হৈছিল কিন্তু অতি আচৰিত সেই সম্পৰ্কে বিচাৰৰ ব্যৱস্থা নহ'ল। এই বিভাগৰ মুখ্য অভিযন্তা, অতিৰিক্ত মুখ্য অভিযন্তাৰ বিৰুদ্ধে লোহা লক্কৰ কিনা সম্পৰ্কে গুৰুতৰ অভিযোগ উত্থান কৰা হৈছিল কিন্তু তাৰ অনুসন্ধান কৰিবলৈ দিয়া হৈছে সেই বিভাগৰ এজন চুপাৰিনটেনডিং ইঞ্জিনিয়াৰক। লাখ লাখ টকা এই মুখ্য অভিযন্তায় অতিৰিক্ত মুখ্য অভিযন্তায় খৰছ কৰিলে, বজাৰ দাম যদি টনে প্ৰতি ২ হাজাৰ তেওঁলোকে তাত ৬ হাজাৰ দিলে য'ত লাখ লাখ টকাৰ অপচয় হ'ল দুজন বিষয়াই কৰা এনে অপকাৰ্যাৰ অনুসন্ধান কৰিব তেওঁৰ তলৰ এজন অধিক্ষক অভিযন্তাই যিজন বিষায়াক ১৯৭৫ চনৰ জৰুৰী কালীন অৱস্থাত কেইবাজনো ইঞ্জিনিয়াৰক লাটমাৰি প্ৰমোচন দিয়া হৈছে। জনতা চৰকাৰে এই প্ৰহসন গুচাই যদি প্ৰশাসন নিকা কৰিব নোৱাৰে তেনেহলে ৰাইজক সেৱক বুলি গৌৰব কৰিবৰ অধিকাৰ কত? আজি আমাৰ দেশত দুটা বস্তু যদি নহয়, ইণ্ড্ৰাষ্টি আৰু পাৱাৰ তেনেহলে আমি পিচপৰি যাম। পাৱাৰৰ ক্ষেত্ৰত আমি জানিছো আমাক ভৱিষ্যত ৬৪৫ মেগাৱট শক্তিৰ প্ৰয়োজন এতিয়া ৩০০ মেগাৱট প্ৰয়োজনৰ ভিতৰতো মাত্ৰ ১৪৫ মেগাৱট শক্তি লোৱা হৈছে। লাকুৱা আৰু কপিলিক লৈ হয়তো আৰু কিছু বাঢ়িব কিন্তু আমি দেখিছো আমাৰ ইয়াত ভাল ইঞ্জিনিয়াৰ থকা সত্ত্বেও এজন অবসৰপ্ৰাপ্ত মিলিটাৰী বিষয়াক অসম ৰাজ্যিক বিদ্যুত বোৰ্ডৰ সভাপতি কৰি অনা হৈছে যাৰ কাৰণে আনকি আমি গুৱাহাটী

আৰু যোৰহাটতো এইজন অফিচাৰৰ থকা মেলাৰ সুবিধা কৰি দিছো অকল বিষয়াই নহয় এই চেয়াৰমেন জনৰ পত্নীকো অৱসৰ বিনোদনৰ কাৰণে চৰকাৰৰ মুৰৰ পৰা পইছা দিবলগীয়া হৈছে। আমি ইমান উদাৰ। উপাধ্যক্ষ মহোদয়, মই পাৱাৰ মন্ত্ৰীক সুধিব খুজিছো এই খবৰ বিলাক সচা হয় নে নহয়। এজন কাৰ্য্যবাহী অভিজন্তাই জীপ্ন নং এ এচ কে ৫১৬১ এতিয়াও দচন এণ্ড কেমিকেলৰ পাচফালে লুকাই ৰাখিছে, আজিৰ ভিতৰতে খবৰ কৰিলে জানিব পাৰিব। এই জলসিঞ্চন বিভাগৰ কলিয়াববত এটা ব্ৰাঞ্চ আছে তাত টিৰপাল কিনা হৈছে প্ৰতি স্কুৱেৰ মিটাৰত ১·৭৫ পইছাকৈ অথচ বজাৰত তাৰ দাম প্ৰতি স্কুৱেৰ মিটাৰত মাত্ৰ ·৮৫ পইছা। চিমেণ্টৰ নষ্ট নহবৰ কাৰণে চিমেণ্ট শিলিকা জলি কিনা বুলি দেখুৱাইছে অথচ জখলাবন্ধাৰ এচ দি অ ফিছত ৩০০ বেগ চিমেণ্ট গোট মৰ মাৰি পৰি আছে। আনহাতে শিলিকা জেলি কিনি ৰাজহুৱা ধন এই বিভাগে অপচয় কৰিছে। এই বিভাগৰ কথা যিমানেই নকৰু কিয় কিন্তু মুখ্য অভিযন্তা আৰু অতিৰিক্ত মূখ্য অভিযন্তাক ৰক্ষনাবেক্ষন দি থকা হৈছে। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব ৰিছাৰিছো যে ইয়াৰ এটা ভাল তদন্ত হব লাগে কিয় ইমান টকা অপচয় হৈছে। তাৰ পিচত উদ্যোগ বিভাগৰে। এচ আই, দিচি বুলি এটা বিভাগ আছে। এই বিভাগটো কিয় কৰিছে মই নাজানে। এই বিভাগৰ কণ্ট্ৰলাৰ অফ ষ্টৰ্চ জনে লাখ লাখ টকাৰ টিনপাত চুৰি কৰি বিক্ৰী কৰা কাৰ বুলি অভিযোগ আছে। এই বিভাগে লাখ লাখ টকাৰ লোগ আৰু ফাৰ্নিচাৰ বিক্ৰী কৰি দিলে। বোৰ্ডে এই কাৰ্য্য কাৰণে কণ্টলাৰ অফ ষ্টৰ্চ জনৰ উপৰত প্ৰস্তাৱো ললে, এফিচিয়েন্সিবাৰো ক্ৰচ কৰিবলৈ দিয়া নাই আনকি বোৰ্ডে তেওঁক চাচপেণ্ড কৰিবলৈকো প্ৰস্তাব লৈছিল কিন্তু এইজন বিষয়াৰ বিৰুদ্ধে কোনো দিহাই অসম চৰকাৰে কৰা নাই। আমি শুনিছো যোৱা ৰবিবাৰে এচ আই দি চিৰ পৰা ১৪ হাজাৰ টকাৰ টিনপাত ওলাই গৈছে। এই বিলাক ৰাজহুৱা ধনৰ অপচয় নহয়নে? এই বিলাক কথাৰ কাৰণে কেতিয়াবা আগ্নেয়গিৰিৰ নিচনা উতপিড়ন হব। এই বিলাক ৰাইজৰ কষ্টপাৰ্জ্জিত টকা (সময়ৰ সংকেত)। জনসাধাৰনৰ টকা সত কামত ব্যৱহাৰ হব লাগে। উপাধ্যক্ষ মহোদয়, সত্য বৰা ভাণ্ডৰীয়াই ধন ব্যয় সম্পৰ্কে এটা প্ৰবন্ধ লিখিছিল। তাত তেখেতে কৈছিল যে ধন উপাৰ্জন কৰা তেনেই সহজ, কিন্তু ব্যায়

কৰাটোহে ডাঙৰ কথা। ধনৰ ব্যায় কেনে ধৰণেৰে কৰা হয় সেইটো নিৰ্ভৰ কৰে ধন ভালকৈ আৰু সতভাৱে খৰচ কৰাৰ ওপৰতহে। এই কথাটো সত্যনাথ বৰা দেৱে কৈছিল। ১৯৪৭ চনৰ পৰা ১৯৭৭ চনলৈকে দেখা যায় যে অসম চৰকাৰ ধন খৰচ কৰাৰ ক্ষেত্ৰত আটাইতকৈ বেয়া ধৰণেৰে ধন খৰচ কৰা চৰকাৰ। আমি আশা ৰাখিছো নতুন চৰকাৰে ধন খৰচ কৰাৰ ক্ষেত্ৰত সুনাম অৰ্জন কৰিব।

উপাধ্যক্ষ মহোদয়, আন এটা কথা কৈ মই শেষ কৰিব খুজিছো। সেইটো হৈছে আমাৰ বিত্ত বিভাগৰ কথা। এই বিভাগৰ টকা কেনেকৈ খৰচ কৰা হৈছে, সাংবিধানিক ধাৰামতে কৰিছে নে নাই সেই কথা আমি নাজানো। বিধান সভাত বিভিন্ন শিতানত, বিভিন্ন মন্ত্ৰীয়ে গ্ৰাণ্ট পাছ কৰি টকা লৈ যায়। কিন্তু পিচত সেই মন্ত্ৰীৰ পৰা কিবা কাৰণত টকা বিচাৰিলে ফাইনেন্সৰ কংকাৰেন্স নাই, দিব নোৱাৰো বুলি প্ৰায়েই কয়। এইটো কেনেকৈ হৈছে আমি কব নোৱাৰো। সেই কাৰণে মই কব খুজিছো যে এইটো নোহোৱাকৈ কিবা চিমপ্লিফাইদ ব্যৱস্থাৰে বিত্ত যোগান কৰিব পাৰিনে কি চাব লাগে। কিবা এটা কামৰ কাৰণে কোনেবা এটা বিভাগৰ ওচৰত টকা বিচাৰিলে যাতে মন্ত্ৰীয়ে ফাইনেন্সৰ অজুহাত দেখুৱাব নোৱাৰে তাৰ এটা ব্যৱস্থা হয় নে নহয় সেইটো চাব লাগে। মই এইটো পৰামৰ্শ দিছো আৰু লগতে মই এইটো আশা কৰো যে নতুন চৰকাৰে আমাৰ দেশত বিত্ত ব্যৱস্থাত থকা যিখিনি দূৰ্নীতি সেই খিনি বোধ কৰিবৰ কাৰণে চেষ্টা কৰিব লাগিব। আমাৰ দেশত কৰ ফাকি দিয়াৰ ক্ষেত্ৰত নানা কথা উঠিছে। এই ক্ষেত্ৰত চৰকাৰে বিষয়া সকলক বিশেষ অনুগ্ৰহ দেখুৱাইছে। পুলিছৰ গাখীৰ যোগানৰ ক্ষেত্ৰত অসম এজেন্সীক অনুগ্ৰহ দেখুৱাই থকা হৈছে। কিন্তু অসম এজেন্সীৰ মালিকজনে লাখ লাখ টকা কৰ আদি দিছে। এই মালিক জনৰ নগালেণ্ড আৰু ডিমাপুৰত ফাৰ্ম আছে বুলি কোৱা হৈছে। ডিমাপুৰৰ চেলচ টেক্স এক্ট মতে ৰেজিষ্ট্ৰেচন নোহোৱাকৈ কেনেকৈ এই ফাৰ্মে ৰাখিছে সেই কথা পুংখানুপুংখ ৰূপে চাব লাগে যাতে আমাক কোনো দিনে কৰ ফাকি দি থাকিব নোৱাৰে।

এইখিনি পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্রীনগেন শর্ম্মা :— উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্রী শ্রীগগৈ দেৱে যি অসম বিনিয়োজন বিল নং ২ উতথাপন কৰিছে তাৰ সমৰ্থনত মই মোৰ বক্তব্য দাঙি ধৰিছো আৰু লগে লগে দুটামান পৰামৰ্শ আগবঢ়াইছো ।

ইতিমধ্যে আমাৰ বিৰোধী দলৰ সদস্য সকলে অতি সুপৰামৰ্শ আগবঢ়াইছে, তৰ্ক-পাতিৰে বিভিন্ন ধৰণৰ অৱস্থা দাঙি ধৰিছে । মই মাথোন আমাৰ এই অসম দেশত স্থাপিত হোৱা নতুন চৰকাৰে, কি ধৰণেৰে কাম কৰিব বিচাৰিছে আৰু তাৰ বাবে কিমান ধন আগবঢ়াইছে এই বিষয়ে কেই আষাৰমান কম । ইতিমধ্যে ঘোষণা কৰা হৈছে যে ৰাইজৰ উন্নয়ণৰ বাবে যিবোৰ কাম আমি হাতত লম, সেই কাম বোৰৰ ক্ষেত্ৰত জন ক্ষমতা আৰু অৰ্থনৈতিক সংস্কাৰ সম্পদ হিচাবে লৈ এটা নতুন পদ্ধতি আৰম্ভ কৰিব খোজা হৈছে । এইটো কথা কোৱা হৈছে যে আমাৰ বাজেটৰ শত-কৰা ২৫ ভাগহে গাৱলীয়া ৰাইজৰ কামত, যত গাৱৰ মাজেৰে আলিবাট গৈছে, যি গাৱৰ মাজেৰে বান নিয়ন্ত্ৰণ ব্যৱস্থা হৈছে, যি গাৱঁৰ মাজেৰে ইৰিগেশ্যনৰ নলা গৈছে, তাৰ কাৰণে ধৰা হৈছে । কিন্তু তাত যি টকা পইচা খৰচ হয়, সেই ধন গাওঁৰ ৰাইজৰ হাতত নাথাকে, এই ধন মাধ্যবিত্ত আৰু চহৰত বাস কৰা ঠিকাদাৰ সকলৰ হাতত থাকে । আমি ইতিমধ্যে এনে এটা ব্যৱস্থা কৰিব খুজিছো যাতে এই ধন গাওঁৰ ৰাইজৰ হাতলৈ যায়, শ্ৰমিকৰ হাতলৈ যায় ।

ইতিমধ্যে প্ৰশাসনৰ ক্ষেত্ৰত বহু কথা কোৱা হৈছে, মই মাত্ৰ এটা পৰামৰ্শ আগবঢ়াওঁ, যিটো আমাৰ জনতাদলে ইতিমধ্যে চিন্তা কৰিছে । এইটো সচাঁ কথা যে আমাৰ দেশৰ শ্ৰমিক কৃষক সকলে যিখিনি উত্তপাদন কৰে আৰু তাৰ পৰা যি খিনি ৰাজহ গোট খায়; সেই গোটেইখিনি এ চাম শিক্ষিতলোক, শিল্পপতি ব্যৱসায়ীয়ে খাই সাং কৰে । প্ৰকৃত দৰিদ্ৰ শ্ৰমিক খেতিয়ক তাৰ পৰা বঞ্চিত হৈ আহিছে আৰু এইদৰে বঞ্চিত হোৱাৰ ক্ষেত্ৰত, আমাৰ আগৰ যিটো শাসন যন্ত্ৰ বা বৰ্ত্তমান যিটো শাসন যন্ত্ৰ আছে, এই যন্ত্ৰই অৰিহনা যোগাই আহিছে । মই সচাঁকৈ ইয়ালৈ আহি দেখিছো যে আমি সদায় ব্যস্ত হৈ থাকিব লাগে যিসকল অৰগেনাইজ গ্ৰোপ আছে তেওঁলোকক লৈ ।

আমাৰ অসংগঠিত লোক অসমৰ শতকৰা ৯০ ভাগ লোক, তেওঁলোক পিড়ীত অৱস্থাত আছে, যাৰ কাৰণে আমি একো কৰিব পৰা

নাই বা চিন্তা কৰিব পৰা নাই বা কৰিবলৈ অৱকাসো নাই। এই ক্ষেত্ৰত আমি ভাবোঁ, বিশেষকৈ যিটো শাসন যন্ত্ৰৰ দ্বাৰা আমি এই কাম পৰিচালনা কৰিব খুজিছো, এই ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা কৰিব লগা হব। সেয়ে হে মই চৰকাৰক কব খুজিছো যে, বিশেষকৈ চাকৰিয়াল সকলৰ ভিতৰত যি সকল ভাল লোক আছে তেওঁলোকে যাতে ভাল সুযাগ সুবিধা পায় আৰু ভালকৈ কাম কৰিব পাৰে, তাৰ বাবে চৰকাৰ যি চাৰ্ভিচ কন্দাক্ট ৰুল আছে সেইটো সম্পূৰ্ণ ৰূপে সলনি কৰিব লাগে। বৰ্ত্তমান যি চাৰ্ভিচ কন্দাক্ট ৰুল আছে, সেইখন বৃটিছৰ যুগৰ, যিখন সংশোধন এনেভাবে কৰা হৈছে যে, যিসকল চাকৰিয়ালে বেয়া কাম কৰে, বা কৰা পশানত লিপ্ত হয়, বা ইন ইফিচিয়েন্ট এই সকলৰ বাবে একো কৰিব নোৱাৰা অৱস্থা চলি আহিছে। যদি যিসকল ভাল চাকৰিয়াল সেই সকলৰ পদ মৰ্য্যাদা উন্নত কৰি জনসাধাৰণৰ স্বাৰ্থৰ হকে কাম কৰাৰ বাবে উতসাহ যোগাব লাগে, আৰু যিসকল ইয়াৰ বিপৰীতে, তেওঁলোকৰ বিৰোদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাৰ বাবে চাৰ্ভিচ কন্দাক্ট ৰুল নতুন কৰিব লাগে, প্ৰয়োজন হলে এটা কমিচন কৰাৰ ব্যৱস্থা কৰিব লাগে।

উদ্যোগৰ ক্ষেত্ৰত কিছুমান নতুন নীতি আমাৰ জনতা চৰকাৰে হাতত লৈছে যাৰ দ্বাৰা সৰু সুৰা উদ্যোগত কৃতকাৰ্য্যতা লাভ কৰিব পৰা হব আৰু যি চাকৰিতকৈ অধিক আকৰ্ষনিয় পেচা হব। এনেধৰণৰ উদ্যোগত নিশ্চয় চাকৰিতকৈ অধিক মানুহ নিয়োগ কৰিব পৰা যাব। সেয়েহে মই আশা কৰিছো অন্ততঃ যিটো নতুন নীতি, আদৰ্শ বা চিন্তা ধাৰা জনতা চৰকাৰ আগবঢ়াইছে সেই ক্ষেত্ৰত বিৰোধী দলৰ লোক সকলেও সহায় সহযোগিতা আগবঢ়াব আৰু এই দুই নং বিনিয়োজন বিলখনত সমৰ্থন আগবঢ়াব ইয়াকে কৈ মই সমৰণি মাৰিছো।

*শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় উপাধ্যক্ষ মহোদয়, বিনিয়োগ বিধেয়ক খন সমালোচনা কৰি মই কেইটমান কথা চমুকৈ আলোচনা কৰিব বিচাৰিছো।

ভুমি ৰাজহৰ সম্পৰ্কত ইয়াৰ আগতে কৰ্ত্তন প্ৰস্তাব আলোচনা কৰাৰ সুযোগ আমি নাপালো। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। ভুমি ৰাজহৰ সম্পৰ্কত বৰ্ত্তমান উল্লেখ যুগ্য খবৰ হল এটা আয়োগ গঠন

কৰি দিয়া হৈছে। আৰু এই সম্পৰ্কত অধ্যয়ন কৰি এটা প্ৰতিবেদন দাখিল কৰিবলৈ আয়োগক কোৱা হৈছে। আয়োগ গঠনৰ আচলতে উদ্দেশ্য কি ? এই সম্পৰ্কত মই একো কব নোৱাৰো। কিন্তু এটা কথা বৰ্ত্তমান যি বিলাক জলন্ত সমস্যা খেতিক সকলৰ মাজত দেখা দিছে এই সমস্যা বিলাক সামাধান কৰাৰ কাৰণে চৰকাৰে যিমান ততপৰ গতিত ব্যৱস্থা হাতত লব লাগিছিল সিমান ততপৰ গতিত ব্যৱস্থা হাতত লোৱা নাই। আমি জানো যে আধিয়াৰ সকলৰ নাম ৰেকৰ্ড কৰাৰ কাৰণে আমি বহুত বছৰৰ আগতেই আগৰ চৰকাৰে ঘোষণা কৰিছিল। তাৰ কাৰণে ৰায়তিশ্বত্ব দিয়াৰ নীতি ঘোষণা কৰিছিল আৰু ৰায়তিশ্বত্ব আইন খনত আধিয়াৰ সকলক ৰায়ত হিচাবে স্বীকাৰ কৰি তেওঁলোকৰ নামৰ ৰেৰ্কড তৈয়াৰ কৰাৰ কথা আছিল। কিন্তু বহুত ক্ষেত্ৰত আমি দেখিছো যে এই আইন খন বিধান সভাত গৃহিত হোৱাৰ আগতে গোটেই অসম জুৰি পট্টিদাৰ সকলৰ মাজত জাগৰণৰ সৃষ্টি হল। আৰু সুপৰিকল্পিত ভাবে আধিয়াৰ উচ্ছেদ চলিল। আগৰ চৰকাৰে এই জঘন্য উচ্ছেদ বন্ধ কৰিব নোৱাৰিলে। এইটো অলপ দিনৰ ভিতৰতে শেষ কৰিব লাগিব কিন্তু আজিলৈকে তাৰ আৰম্ভ নিয়েই নহল। কিন্তু দেখা গল আধিয়াৰ উচ্ছেদ ব্যাপক ভাবে চলি থাকিল। উদাহৰণ স্বৰূপে গোলোক গঞ্জত যথেষ্ট আধিয়াৰৰ নাম ৰেকৰ্ড কৰাৰ ব্যৱস্থা হৈছিল। সেই ঠাইত যথেষ্ট খেতিয়কক জোৰ কৰি উচ্ছেদ কৰিলে। এই উচ্ছেদত বহুতে বিশেষকৈ পুলিশ বিভাগে সক্ৰীয় ভাবে সহযোগ কৰিলে। আধিয়াৰ আইনত আছে এনেকুৱা কিবা ঘটনা ঘটিলে এচ দি অক দখাষ্ট কৰিব লাগে আধিয়াৰ সকলে। অৱশ্যে এইটো কথা চিৰ চৰিত ভাবে চলি আহিছে যে এনেকুৱা কিবা ঘটনা ঘটিলে এচ দি অ সকলে মাটিৰ মালিকৰ পক্ষ লয়। এইটো আমি ব্যাপক ভাবে হোৱা লক্ষ্য কৰিছো। আমি এই কথা গোটেই অসম জুৰি লক্ষ্য কৰিছো -ৰায়ত সকলৰ স্বাৰ্থ ৰক্ষাৰ দায়িত্ব যি সকল কৰ্ম্মচাৰীৰ ওপৰত ন্যস্ত কৰিছে সেই কৰ্ম্মচাৰী সকলেই ৰায়তৰ বিৰোদ্ধে কাম কৰি আহিছে। ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা এতিয়ালৈকে কৰা হোৱা নাই। আগৰ চৰকাৰেও এইটো কৰা নাই, বৰ্ত্তমানৰ চৰকাৰেও এইটো কৰা নাই। আৰু ভবিষ্যতেও এইটো কৰা হয়নে নহয় কব নোৱাৰো। সেই কাৰণেই এই কথালৈ চকু দিবৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো।

লগতে মই এইটো কথাও কব বিচাৰিছো যে গ্ৰাম্য ঋণ দূৰ কৰাৰ কাৰণে আইনত গাৱলীয়া খেতিয়ক সকল ঋণগ্ৰস্ত হৈ থাকে। গাৱলীয়া খেতিয়কে জন্মৰ পৰা মৃত্যুলৈকে গোটেই জীৱন ঋণৰ বোজা মূৰত লৈ মৃত্যু বৰণ কৰে। সোতখোৰ মহাজনৰ কবলৰ পৰা হাজাৰ হাজাৰ খেতিয়ক এই আইনৰ দ্বাৰা ঋণগ্ৰস্ত হৈ থকাৰ ব্যৱস্থা আছে। এই আইনৰ কুতি বিলাক দূৰ কৰিব লাগিব। দ্বিতীয়কে যি বিলাক ব্যৱস্থা আছে সেই বিলাক কাৰ্যকৰী কৰিবৰ কাৰণে আগৰ চৰকাৰে কোনো ব্যৱস্থা নললে, বৰ্ত্তমান চৰকাৰে কি ব্যৱস্থা লয় কব নোৱাৰো। তাত এটা ব্যৱস্থা আছে মাটি বন্ধক দি টকা ধাৰা কৰা ব্যৱস্থা। মহাজনে যদি ৫বছৰ দখল কৰে তেতিয়াহলে ঋণৰ টকা খিনি পৰিসোধ হোৱা বুলি গন্য কৰা হব। আৰু মাটি ঘুৰাই দিয়া হব। এই ঋণদাৰ সকলে সকলে দখাস্ত দিবলগীযা হলে এচ দি চিক দখাস্ত কৰিব আৰু এচ দি চিয়ে বিচাৰ কৰিব। আমি লক্ষ্য কৰিছো যে শতকৰা ১০০ ভাগ নহলেও শতকৰা ৯০টা কেচ মহাজনৰ পক্ষে যায়। মহাজনে এচ দি চিক টকা দিয়ে টকা দি আইনৰ উৰ্দ্দেশ্য ব্যৰ্থ কৰিছে। এই আইন ব্যৰ্থ কৰাৰ কাৰণে যি সকল জৰিত আছে সেই সকল হৈছে কৰ্ম্মচাৰী সকল। এই সম্পৰ্কত আগৰ চৰকাৰে ব্যৱস্থা হাতত লোৱা নাই, বৰ্ত্তমান চৰকাৰেও লোৱা নাই আৰু ভৱিষ্যতে লবনে নলয় সেই কথা আমি কব নোৱাৰো। আৰু এই আইন খনত কিছুমান কেৰুন আছে। খেতিয়ক সকলৰ বিৰোদ্ধে ৰায় দিয়ে সেই ৰাইৰ ওপৰত আপিল কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে গোৱাইগাৱৰ চাওতাল অঞ্চলত শতকৰা ৮০ ভাগ মাটি বিক্ৰী দলিল হিচাবে ৰেজিষ্টাৰ কৰা হয়। মুখে মুখে এটা কথা থাকে যে টকা ঘুৰাই দিলেই মাটি ঘুৰাই দিয়া হব কিন্তু বাস্তৱত গোটেই খিনি মাটি মহাজনৰ হস্তান্তৰ কৰা হৈছে। টকা ঘুৰাই দিলে মাটি ঘুৰাই দিয়াৰ যি আইন আছে সেইটো ব্যৰ্থ কৰিবলৈ চেষ্টা মহাজন সকলে চলাই আহিছে। ইয়াৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ ইনলেণ্ড ৱাটাৰ ট্ৰেন্সপৰ্ট নামৰ এটা বিভাগ আছে। এই বিভাগ বিলাকত ২।১টা নহয় নানা ৰকমৰ দুনীৰ্তি, শ্ৰজনপ্ৰিতি,, নিয়ম নীতিৰ বিৰোদ্ধে নানা ৰকমৰ কুকীৰ্ত্তি বিভিন্ন বিভাগত চলি আছে। ইনলেণ্ড ৱাটাৰ ট্ৰেন্সপৰ্ট যিটো অৰগেনাইজেচন আছে। সেইটোত স্বজনপ্ৰীতিৰ

জ্বলন্ত নিদৰ্শন দেখা গৈছে। আগৰ ডিৰেক্টৰ জন ডেপুটেচনত গল। সেই পদটো খালি হল। নিয়ম অনুযায়ী তলৰ যি জন ডেপুটি ডিৰেক্টৰ নেক্সট চিনিয়ৰ সেইজনক সেই পদটো দিব লাগে। তাকে নকৰি এজন বিশ্বস্ত নেতাৰ কোনোবা ঘনিস্ত ব্যক্তিক দিবলগীয়া হল। তেখেত হল এজন ২৬ বছৰীয়া ডেকা যুবক, যিজনৰ অৰ্হতাত যথেষ্ট সন্দেহ আছে। আগৰ চৰকাৰৰ সময়তেই এই কুকৰ্ম চলিছিল। আমাৰ চৰকাৰৰ সুস্পষ্ট নিৰ্দ্দেশ আছে ওপৰৰ পদ ফিল আপ কৰিব লাগিলে তলৰ পৰা প্ৰমোচন দিয়ে। এই ক্ষেত্ৰত প্ৰমোচন নিদি বাহিৰৰ পৰা আনি নতুন পষ্ট কৰিলে এক্স কেডাৰ নাম দি বেলেগ চেংচন কৰি নতুন লৰা এজনক দিয়া হল, এজন ডাঙৰ নেতাক সন্তুস্ত কৰিবৰ কাৰণে।

ডিৰেক্টৰ পোষ্টটো খালি হোৱাত এই লৰাজনক দিবৰ কাৰণে চক্ৰান্ত চলিছে। শুনিবলৈ পাইছো আগৰ চৰকাৰৰ কুকীৰ্ত্তি এই চৰকাৰে জানি শুনি সেইটোত অনুমোদন জনোৱাৰ কাৰণে প্ৰস্তুত হৈ আছে। বোধ হয় কেইদিন মানৰ ভিতৰত হব। নতুন চৰকাৰ হৈছে, আগৰ বহু দুৰ্নীতিৰ অবসান ঘটাব লাগিব। বাস্তব ক্ষেত্ৰত বহু দৃষ্টান্ত দেখা পাইছো যে আগৰ যিটো ট্ৰেডিচন সেইটো সমানে চলিছে। ভাৰত গল্পত ওৱাজেদ আলিয়ে লিখিছে - 'সেই ট্ৰেডিশ্যান সমানে চলিছে কোন পৰিবৰ্তন হয় না'। শিক্ষা সম্পৰ্কত যথেষ্ট আলোচনা হৈছে। মই মাত্ৰ এটা বাক্যৰ ভিতৰত শিক্ষা জগতৰ কথা কব বিচাৰিছো। ডি, পি, আই আৰু ডিৰেক্টৰ অৱ এলিমেণ্টেৰী এডুকেশ্যনৰ অফিচ কাহিলিপাৰাত আছে, এই অফিচ কেইটা দুৰ্নীতিৰ জঘন্যতম নৰকত পৰিণত হৈছে। ইয়াতকৈ আৰু বেচি কবলগীয়া নাই। অলপতে হৈ যোৱা ধুমহাত বিশেষ ভাবে ধুবুৰী মহকুমাৰ বিস্তৃত অঞ্চল ক্ষতিগ্ৰস্ত হৈছে। বহু ঘৰ-দুৱাৰ ভাঙিছে আৰু খেতি-বাতি নষ্ট হৈছে। এই সম্পৰ্কত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলে। যাতে ৰিলিফৰ ব্যৱস্থা কৰা হয়। ভেটেৰীনেৰী আৰু এনিমেল হাচবেণ্ডৰী বিভাগৰ দায়েৰী দেভেলপমেণ্টৰ কথা কব খুজিছো। দুগ্ধ উত্পাদন এটা প্ৰয়োজনীয় খাদ্য। সিদিনা প্ৰশ্নোত্তৰ কালত সংশ্লিষ্ট মন্ত্ৰীয়ে কৈছে যিমান খিনি গাখীৰ লাগে সিমান খিনি উতপাদন হোৱা নাই। অৱশ্যে তেখেতে কিমান খিনি গাখীৰ লাগে হিচাব দিব পৰা নাই। এনে এটা গুৰুত্বপুৰ্ণ খাদ্য যি খাদ্য নহলে

স্বাস্থ্য সুস্থ ভাবে থাকিব নোৱাৰে তাৰ উতপাদনৰ কাৰণে ব্যাপক প্ৰচেষ্টা হোৱা উচিত। সেই কাৰণে পৰামৰ্শ দিব খুজিছো দুগ্ধ উতপাদনৰ আচনিটো এটা স্বকীয়া সঞ্চালকৰ অধীনত আনিব লাগে। ভেটাৰীনেৰী আৰু এনিমেল হাচবেণ্ডেৰীৰ তলত এটা বেলেগ ডিৰেক্টৰেট বা কৰপৰেচন কৰি তাৰ অধীনত এই ব্যৱস্থাটো হাতত লব লাগে। চেৰিকালচাৰ আৰু ওইভিংৰ তাতশাল শিল্পৰ বিকাশ কৰাৰ যথেষ্ট সম্ভাবনা আছে। যি বিলাক সম্প্ৰদায় জন্মগত ভাব বা বংশগত ভাবে তাতশালৰ প্ৰতি অভিজ্ঞ নহয়, সেই সকল সম্প্ৰদায়ৰ মাজত যাতে তাতশাল জনপ্ৰিয় হয় তাৰ বাবে আচনি লোৱা উচিত। আগতে কিছুমান ওইভিং ট্ৰেইনিং কাম প্ৰদাকচন চেণ্টাৰ কৰাৰ আচনি লৈছিল। ধুবুৰী মহকুমাত কেইবাটাও ওইভিং ট্ৰেইনিং কাম প্ৰদাকচন চেণ্টাৰ আৰম্ভ কৰিব লাগিব। শিল্প সম্পৰ্কত এটা কথা কব খুজিছো। ধুবুৰী মহকুমাত লাখ লাখ নিবনুৱা হৈ আছে। বিশেষকৈ গাৰলীয়া অঞ্চলত নিৰক্ষৰ নিবনুৱাৰ সংখ্যা ইমান বেচি হৈছে যে খেতিবাতি কৰিবৰ কাৰণে মাটিবাৰী নাই বা বেলেগ কোনো কামৰ সুবিধা নাই। বৃটিচ ৰাজত্বত ধুবুৰীত এটা মেটচ্ ফেক্টৰী হৈছিল। তাৰ বাহিৰে দ্বিতীয় এটা উদ্যোগ ধুবুৰী মহকমাত আজি ইমান বছৰ ধৰি হোৱা নাই। গতিকে জনতা চৰকাৰে ধুবুৰী মহকুমাত শিল্প উদ্যোগ গঢ়ি তুলিবৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে। মই জনাত আগতে এটা চিগাৰেট ফেক্টৰী খুলিবৰ কাৰণে মাটি অধিগ্ৰহণ কৰিছিল। চিগাৰেট যদিও প্ৰয়োজনীয় বস্তু নহয় তথাপি উদ্যোগিক মুল্য আছে। তাত বহুত কৃষকৰ সুবিধা হব আৰু কৃষকে ধঁপাত উতপাদন কৰি উপকৃত হব মই আশা কৰিছো জনতা চৰকাৰে এই খিনি কৰিব। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীকমল বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই অসম বিনিয়োজন ২নং বিধেয়ক খন দাঙি ধৰিছে, তাক সমৰ্থন কৰি বক্তব্য ৰাখিব খুজিছো। মহাত্মা গান্ধীয়ে ৰামৰাজ্য প্ৰতিষ্ঠাৰ কৰাৰ কাৰণে পঞ্চায়তৰ দ্বাৰা সম্ভৱপৰ হব বুলি ভাবিছিল। কিন্তু বৰ্তমান পঞ্চায়ত কেনে হল সেই ক্ষেত্ৰত কিছু কথা কব বিচাৰিছো। গাওঁৰাসী ৰাইজৰ ভালৰ কাৰণে পঞ্চায়তে যিমান কাম কৰিব লাগিছিল সিমান খিনি কাম একেবাৰে হোৱা নাই, এই ক্ষেত্ৰত সকলো সদস্য নিশ্চয় একমত হব। সেই কাৰণে জনতা

চৰকাৰে নিশ্চয় পঞ্চায়ত যাতে দুখীয়াৰ দুখ মোচনৰ কাৰণে হয় আৰু উন্নয়ণ মূলক আচনি লব পাৰে তাৰ ব্যৱস্থা লবলৈ মই অনুৰোধ জনাওঁ। ইয়াৰ আগতে উন্নয়ণ খণ্ড গঠিত হৈছিল। আঞ্চলিক পঞ্চায়তৰ অধীনত। এই উন্নয়ণ খণ্ড বিলাকত যিমান বিলাক উন্নয়ণ খণ্ড বিষয়া আৰু কৃষি বিষয়া আৰু অন্যান্য বিষয়া আছে সেই বিলাকৰ কাম বন নোহোৱা হৈছে। সেই বিলাক বিষয়াৰ পৰা কাম পাবৰ কাৰণে বা কামত লগাবৰ কাৰণে চৰকাৰে আচনি লব লাগে। তেওঁলোকৰ পৰা ৰাইজে যাতে কাম আদায় কৰিব পাৰে আৰু উন্নতিৰ পথত আগবাঢ়ি যাব পাৰে তাৰ কাৰণে পঞ্চায়ত বিলাকত অধিক টকা যোগান ধৰিব লাগে : ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি পঞ্চায়তৰ হাতত ক্ষমতা অৰ্পণ কৰিলে গাওঁবাসী কৃষক ৰাইজৰ, শ্ৰমিক ৰাইজৰ দুখ মোচন কৰা কামত কৰিব পৰাটো সম্ভৱপৰ হব।

তাৰ পিচত মই বন বিভাগৰ কথা কব বিচাৰিছো। মাননীয় সদস্য সকলে জানে যে এই ফৰেষ্ট বিলাকত বহুত মানুহে বেদখল কৰি বন সম্পদ ধ্বংসৰ মুখলৈ আনিছে। ইয়াৰ গুৰি কথা হল ২০-২৫ বছৰ ধৰি এই বনগাওঁ বিলাকত চৰকাৰে বসবাস কৰিবলৈ মাটি দিছিল। ইমান দিন অতিক্ৰম কৰাৰ পিচত কাক মাটি দিব লাগিব, কি হিচাবে মাটি পাব বন বিভাগৰ পৰা মাটি কাটি আনি ৰাজহ বিভাগে দিব, এই সম্পৰ্কত স্পষ্ট নীতি নিৰ্দ্ধাৰণ নকৰাৰ কাৰণে এনে অবস্থা হৈছে!

আজি এনে এটা অৱস্থা হৈছে যে, ২০।২৫ বছৰ আগৰে পৰা পৰা যিবিলাক মানুহ বে-দখলকাৰী হিচাবে আছে আৰু আমি জানো যে, অসমৰ বিভিন্ন ঠাইত এনেদৰে বসবাস কৰা লোকক যোৱা জৰুৰী কালিন অৱস্থাত নৃশংস ভাবে জন্তু নিচিনাকৈ উচ্ছেদ কৰা হৈছে। যি সকল ট্ৰাইবেল মানুহ প্ৰকৃত খেতিয়ক, যিসকল পিচপৰা দুখীয়া মানুহ, কৃষক আছে সেই সকলক মানৱতাৰ অধিকাৰ দিয়া হোৱা নাই। জন্তুৰ নিচিনাকৈ থাকিবলৈ দিয়া হৈছে। ২০।২৫ বছৰৰ আগৰ পৰা বনাঞ্চলত বাস কৰা যিবিলাক মানুহ আছে তেওঁলোকক বনাঞ্চলত থকা বনাঞ্চলৰ অনুপযোগী মাটি বিলাকত স্থায়ী ভাবে বসবাস দিব লাগে। ইয়াৰ পিচত মই জনজাতি উন্নয়ন দপ্তৰৰ ক্ষেত্ৰত কিছু কথা কবলৈ ওলাইছো। আজি আমাৰ দেশ স্বাধীন হোৱাৰ ৩১ বছৰ অতিক্ৰম হল। ট্ৰাইবেল বা জনজাতিৰ উন্নয়নৰ

ক্ষেত্ৰত বহু কোটি টকা খৰচ কৰা হৈছে। এই জনজাতি সকলে অসমৰ অতি খিলঞ্জীয়া মানুহ। কিন্তু আজি তেওঁলোকে অসমতে অঘৰী হবলগা অৱস্থা হৈছে। সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিছো যে, জনজাতি দপ্তৰৰ যিমান অনুদান আছে এইবিলাকৰ দ্বাৰা জনজাতি ৰাইজৰ যাতে কল্যান হয় তেওঁলোকে যাতে নিজৰ দেশতে অঘৰী হৈ থাকিবলগা নহয় আৰু নিজৰ দেশৰ নিজৰ অধিকাৰ স্যাবগু কৰিব পাৰে তাৰ কাৰণে জনতা চৰকাৰক অনুৰোধ কৰিলো। আজি বহুতো ঠাইত ট্ৰাইবেল চাব প্লেন কৰা হৈছে, এই চাব প্লেন বিলাকৰ ক্ষেত্ৰত এনেকুৱা কিছুমান আচনি লোৱা হৈছে আৰু সেই আচনি বিলাক প্ৰকৃততে ট্ৰাইবেলৰ উপকাৰত আহিবনে নাহে এইটো কথা ভালকৈ চাব লাগিব। ট্ৰাইবেল চবে প্লেনত যিমান আচনি তৈয়াৰ কৰা হয়, এই বিলাক দিচপুৰত তৈয়াৰ কৰা হয়, আৰু অনুমোদনৰ কাৰণে সময়ৰ শেষ ভাগত মহকুমা পৰ্যায়কৈ জনজাতি উন্নয়ন পৰিষদলৈ পঠোৱা হয়। আৰু মহকুমা পৰ্য্যায়ত এই আচনিবিলাক মহকুমা জনজাতি উন্নয়ন পৰিষদৰ অনুমোদিব নাপালে সেই টকা উভতি যাব। ট্ৰাইবেল চাব প্লেনত অকল টকা ধাৰ্য্য কৰিলেই নহব প্ৰকৃততে কাম কৰিব পাৰিব লাগিব। আজি জনজাতি সকলে বহু ঠাইত জন্তুৰ দৰে কচু খাই জীয়াই আছে। গতিকে এই লোক সকলে যাতে দিনত এবেলা খাবলৈ পায় তাৰ কাৰণে ব্যবস্থা কৰিব লাগে। তেতিয়াহে এই চৰকাৰ ৰাইজৰ চৰকাৰ বুলি প্ৰমানিত হব। শেষত মই কবলৈ ওলাইছো যে, আমাৰ কেইবাটাও ট্ৰাইবেল বেল্ট আৰু ব্লক আছে। সৰ্ব্বমুঠ ৩৩টা বেল্ট আৰু ব্লক আছে। আজি ট্ৰাইবেলৰ নামত ইমানবোৰ মাটি সংৰক্ষন কৰা হৈছে তাৰ কোনো সমকে হিচাব নাই। অথচ প্ৰকৃত মাটি হীন খিলঞ্জীয়া জনজাতি লোক আজি নিজৰ দেশতে অঘৰী হিচাবে বসবাস কৰিব লগা অৱস্থা হৈছে। গতিকে এই জনজাতি লোক সকলক ট্ৰাইবেল বেল্টত আৰু ব্লকত মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গণতান্ত্ৰিক সমাজবাদী সমাজত এচাম মানুহে সুবিধা আদায় কৰিব আৰু এচামে অঘৰীৰ দিনিকৈ বসবাস কৰিব, সকলো সা-সুবিধা আদায় কৰিব, এইটো বন্ধ কৰিব লাগে। আমি অসমৰ পৰা কিয় ভটি যাবলৈ ওলাইছিলো। এই বিলাক চালি জাৰি চাব লাগিব। আমি একমাত্ৰ ৰাজনৈতিক কাৰণত বিৰোদ্ধা আচৰণ কৰা বুলি বহুতে অলোচনা কৰে। নানা

সমালোচনা কৰা হয়। সমালোচনা কৰিলে এই সমস্যা কেতিয়াও সমাধান নহয়। এই সমস্যা সমাধান কৰিবলৈ হলে সকলোৰে সহানুভূতিৰ দৰকাৰ হব। ইয়াৰ মূল কাৰণ হৈছে যে, আমাৰ দেশত যিবিলাক আদিম অধিবাসী, যি লগন্মজীয়া জনজাতি মানুহ সেই সকল আজি নিজৰ দেশত অমৰী হিচাবে থকাৰ কাৰণে, বহুতো সুবিধাৰ পৰা বঞ্চিত হোৱাৰ কাৰণে তেওঁলোকৰ মনত বিৰোপ মনোভাৱৰ সৃষ্টি হৈছে। এই সকলোবোৰ গহীত কামৰ কাৰণে আগৰ কংগ্ৰেছী চৰকাৰেই দায়ী।

এই কথা আমাৰ ট্ৰাইবেল ৰাইজে বুজি পাইছে। গতিকে আমাৰ জনতা চৰকাৰে যাতে সহানুভূত সহকাৰে এই সকলোবিলাক কথালৈ লক্ষ্য ৰাখে তাৰ কাৰণে চৰকাৰৰ ওচৰত মই নিবেদন কৰিলে যাতে আমাৰ জনতা চৰকাৰে সহানুভূতিশীল দৃষ্টিভংগীৰে এই কথা বিলাকলৈ লক্ষ্য ৰাখে আৰু জনজাতি ৰাইজৰ উন্নয়নৰ কাৰণে, কৃষক ৰাইজৰ উন্নয়নৰ কাৰণে সহানুভূতিৰ দৃষ্টিৰে চায়। যাতে ভবিষ্যতে আমি এখন সুন্দৰ অসম গঢ়ি তুলিব পাৰে।

শ্ৰীজয়নাল আবেদিন: মাননীয় উপাধ্যক্ষ, মহোদয়, আজি বিধান সভাত বিনিয়োজন বিধায়ক বিল যিখন উংথাপন কৰা হৈছে সেই বিতৰ্কত অংশ গ্ৰহণ কৰি দু আখাৰ মান কব খুজিছোঁ। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। মোৰ বোধেৰে এটা বিশেষ বিষয়ৰ ওপৰত অনেক বেছি সময় ধাৰ্য্য নকৰি সকলোবোৰ গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে কিছু কিছু আলোচনা হোৱা দৰকাৰ। মাননীয় উপাধ্যক্ষ মহোদয় প্ৰথমতে মই শিক্ষা সম্পৰ্কত চমুকৈ কেইটামান কথা কব খুজিছোঁ। আমাৰ ইমান দিনে চলি থকা শিক্ষা নীতিৰ প্ৰথম কথা হৈছে শিক্ষা সংকোচন। আজি শিক্ষা ব্যৱস্থাটো সংকোচিত কৰা হৈছে। বিভিন্ন শিক্ষা অনুষ্ঠানৰ আসন সংকোচিত কৰা হৈছে। বছৰে বছৰে পাঠ্যক্ৰমৰ পৰিবৰ্ত্তন কৰা হৈছে। মাচুল বঢ়োৱা হৈছে। শিক্ষাৰ পেটাৰ্ণ বদলি কৰা হৈছে। নানান ধৰণে আওপকীয়া ভাবে শিক্ষা নীতিটো সংকোচন কৰা হৈছে যাৰ ফলত স্বাধীনতাৰ ৩০/৩১ বছৰৰ পিছতো শতকৰা ৭০ ভাগতকৈও অধিক সংখ্যক লোক অশিক্ষিত থাকিব লগীয়া হৈছে। কংগ্ৰেছ দলৰ মাননীয় সদস্য এজনে শিক্ষাৰ ক্ষেত্ৰত যোৱা ৩০/৩১ বছৰে

কংগ্ৰেছে কৰা অগ্ৰগতিৰ ক্ষেত্ৰত কৃতিত্ব দাবী কৰিছে। কিন্তু মই এটা উদাহৰণেৰে সৈতে দেখুৱাব খুজিছোঁ যে, ১৯৬১ চনত শিক্ষিত হাৰ আছিল ২৭'৫ ভাগ আৰু ১৯৭১ চনত এই হাৰ বৃদ্ধি পাই হৈছেগৈ ২৮'৭ ভাগ। এই হাৰতেই যদি শিক্ষাৰ হাৰ বাঢ়ে তেন্তিয়াহলে, ১০০ জন লোকক শিক্ষিত কৰি গঢ়ি তুলিবলৈ হলে আমাৰ এহেজাৰ বছৰ লাগিব। যিটো সময়ত পৃথিবীৰ অন্যান্য দেশত ইউনিভাৰ্চেল লিটাৰেচি'ৰ সম্ভৱ হৈছে তেনে সময়ত আমাৰ দেশত শতকৰা এশলোকৰ শিক্ষা দিবলৈ এহেজাৰ বছৰ লাগিব লগীয়া হৈয়েই আছে। সেই পৰ্য্যায়লৈ যাবলৈ আমাৰ আৰু এহেজাৰ বছৰৰ দৰ্কাৰ হব। সেইকাৰণেইহে মাননীয় সদস্য জনে কৃতিত্ব দাবী কৰাত আমি আচৰিত হৈছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, এটা বলিষ্ঠ শিক্ষা নীতি গ্ৰহণ কৰি যিমান পাৰি কম সময়ৰ ভিতৰতে সাৰ্ব্বজনীন শিক্ষা নীতি প্ৰৱৰ্ত্তন কৰিবলাগে। চৰকাৰে নতুন শিক্ষা নীতি প্ৰবৰ্ত্তন কৰিছে যদিও এতিয়াও গাৱেঁ ভূঞে বসবাস কৰি থকা লোক সকলোৰ যি বিলাক লৰাছোৱালীয়ে ভেণ্টাৰ আদি স্কুলত পঢ়াশুনা কৰে সেই বিলাক লৰাছোৱালীৰ অসুবিধা এই গতিৰ ফলত ক্ৰমান্বয়ে বাঢ়িহে যাব বুলি এটা সন্দেহ প্ৰকাশ কৰা হৈছে। এই সম্পৰ্কে চৰকাৰে অননিতপলমেই এটা স্পষ্টিকৰণ দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয় আৰু এটা গুৰুত্ব পূৰ্ণ বিষয় হৈছে যে আমাৰ চৰকাৰে শিক্ষক সকলৰ ৰাজনৈতিক আৰু গণতান্ত্ৰিক অধিকাৰ ৰক্ষাকৰাত প্ৰতিশ্ৰুত বদ্ধ। জৰুৰীকালীন অৱস্থাত প্ৰাদেশিকৰণৰ যোগেদি শিক্ষক সকলৰ ৰাজনৈতীক আৰু নাগৰিক অধিকাৰ খৰ্বকৰি সেই বিলাক কাঢ়ি লোৱা হল। শিক্ষানুষ্ঠান বিলাকৰ অটনমিটো ৰক্ষা কৰিব লাগিব তাৰ লগে লগে শিক্ষক সকলক বিধান সভা, লোক সভা, বা বিভিন্ন লেকেল কমিটি বিলাকত বা লোকেল বড বিলাকত প্ৰতিদন্দিতা কৰিবলৈ সুযোগ দিব লাগিব। নিৰ্ব্বাচনৰ এই অধিকাৰ দিয়াৰ ক্ষেত্ৰত জনতা চৰকাৰে স্পষ্ট ঘোষনা দিবলাগিব।

কৃষিৰ ক্ষেত্ৰত আমাৰ দেশখন পিছপৰি আছে। স্বাধীনতাৰ পিছত আজি ৩০।৩১ বছৰৰ পিছতো আমাৰ দেশৰ শতকৰা ৮৫ ভাগ মানুহেই কৃষিত নিয়োজিত হৈ থকা স্বত্বেও আমাৰ দেশলৈ বাহিৰৰ পৰা কৃষিজাত

সামগ্ৰী আনিবলগীয়া হয়। ইয়াৰ অৰ্থ এইটোৱেই যে, কৃষি যান্ত্ৰিকীকৰণ আৰু শিল্পোন্নয়ণৰ ক্ষেত্ৰত আমাৰ দেশখন পিছপৰি আছে। আমাৰ দেশৰ সামগ্ৰিক অনগ্ৰসৰতাৰকাৰণ এইটোৱেই। দেশ যেতিয়ালৈকেই শিল্পৰ ক্ষেত্ৰত অগ্ৰসৰ হব নোৱাৰে আৰু কৃষি যান্ত্ৰিক পদ্ধতিৰে কৰিব নোৱাৰি তেতিয়া লৈকেই যিমানেই চৰকাৰ পৰিবৰ্ত্তন নকৰক কিয় আমাৰ দেশখনৰ আৰ্থিক দিশত মৌলিক পৰিবৰ্ত্তন কৰিব পৰা নেযাব। এইখিনিতেই এটা গুৰুত্বপূৰ্ণ কথা আহি পৰে যে, কৃষি যান্ত্ৰীকীকৰণ কৰাৰ ক্ষেত্ৰত আমাৰ বাধা কোনখিনিত ? কৃষিক যান্ত্ৰীকিকৰণ কৰাৰ লগে লগে আমাৰ দেশত ব্যাপক ভাৱে কৃষিত নিয়োজিত হৈ থকা লোক সকল হথাত নিবুনুৱা হৈ পাৰিব। কৃষি যান্ত্ৰিকীকৰণ নোহোৱাকৈয়েই বিভিন্ন শিল্প কেন্দ্ৰ বোৰত যথেষ্ট মানুহ ইতিমধ্যেই নিবনুৱা হৈ আছে। তেনেকুৱা এটা সময়ত যদি আমি কৃষি যান্ত্ৰিকীকৰণ কৰিবলৈ যাওঁ তেতিয়াহলে, আৰু অধিক নিবনুৱা আমাৰ আহি পৰিব। সেই সকল নিবনুৱা আকৌ কৰ্ম্মসংস্থান দিয়াৰ কাৰণে আমি নতুনকৈ আৰু শিল্প অনুষ্ঠান গঢ়ি তুলিব লাগিব। সেইকাৰণেইহে কৃষিক যান্ত্ৰিকীকৰণ কৰাটো একেবাৰেই সম্ভৱপৰ নহব যদিহে তাৰ ও ব. ও.ৰিকৈ শিল্প উন্নয়ণ ব্যাপক ভাবে কৰিব পৰা নেযায়। সেইকাৰণে কৃষি যান্ত্ৰিকীকৰণ আৰু শিল্পোন্নয়ণ এই দুটা পৰস্পৰে পৰস্পৰৰ লগত ঘনিষ্ঠ ভাবে জড়িত। এই দুটা কাম কৰিব নোৱাৰিলে আমাৰ নিবনুৱা সমস্যা কেতিয়াও দূৰ কৰিব পৰা নৈযাব আৰু আমাৰ দেশৰ অৰ্থনৈতিক অবস্থাৰ এটা সামগ্ৰিক উন্নয়ণ কৰিব পৰা নেযাব। আমাৰ ৰাজ্যত সম্পদৰ অভাৱ নাই। কৃষিজাত যি বিলাক সম্পদ আছে সেইবিলাকৰ সদব্যৱহাৰ হবলাগিব। কৃষিক যান্ত্ৰিকীকৰণ কৰাৰ লগে লগে যদি আমি ব্যাপক হাৰত শিল্পোন্নয়ন কৰিব নোৱাৰো তেতিয়াহলে, কেৱল অফিচ আদালত আদি খুলিয়ে আমি নিবুনৱা সমস্যাৰ সমাধান কৰিব নোৱাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ উপত্যকা বছৰেই বানপানী আৰু গড়াখহনীয়াৰ দাৰা উপদ্ৰুত হয়। সেই সকল লোকক ৰক্ষা কৰোটো আমাৰ চৰকাৰৰ কৰ্ত্তব্য। মাটি এনেকুৱা এটা বস্তু নহয় যিটোক আমি ইচ্ছা মতে বঢ়াব পাৰো ! সকলো মানুহকে খেতিৰ কাৰনে যথেষ্ট মাটি দিয়াটো সম্ভৱপৰও নহয়। গতিকেই বেলেগ ভাৱেৰে মানুহক সংস্থাপন দিব লাগিব। শিল্প উন্নয়ণৰ যোগেদিয়েই এইটোকৰা সম্ভৱপৰ হব। যি সকলে অকল মাটিৰ

ওপৰতেই বসবাস কৰে সেই সকলক পৰিকল্পত ভাৱে বসবাস কৰিবলৈ দিব লাগিব। বছৰে বছৰ হাজাৰ মানুহ ক্ষতিগ্ৰস্ত হয় বানপানী আৰু গড়াখহনীয়াৰ দ্বাৰা। পৰিকল্পিত আৰু স্থায়ী ভাবে সেই সকল লোকক পুনৰ সংস্থাপিত কৰিব নোৱৰাৰ কাৰণেই সেই লোক সকলৰ দ্বাৰা কৰেষ্ট ৰিজাৰ্ভ বিলাকত বেদখল হয়। ফলত বিশেষকৈ ট্ৰাইবেল আৰু অনাট্ৰাইবেল সকলৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি হয়। বহুত দিনৰ পৰাই বসবাস কৰি থকা দৈয়াংবনাঞ্চলটো বসবাসৰ কাৰণে মুকলি কৰি দিয়া কথাটো সিদিনা আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষনা কৰিছে। অকল এই বনাঞ্চলেই নহয়, এনেকুৱা বহুতো বিলাক বনাঞ্চল জনজাতীয় আৰু অজনজাতীয় লোকৰ দ্বাৰা বসবাস কৰি থকা হৈছে। আমাৰ গোৱালপাৰা জিলাতে আমটেঙা ৰিজাৰ্ভকে আদি কৰি বহুতো ৰিজাৰ্ভত নদী ভঙা হোৱা ভুমিহীন মানুহেবসবাস কৰি আছে। সেই বিলাকত পৰিকল্পিত ভাৱে পুনৰ সংস্থাপনৰ ব্যৱস্থাকৰিব লাগে অনতিপলমেই।

তাৰোপৰি, মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ ওচৰে পাজৰে যি বিলাক উদ্যোগ আদি আছে যেনে, অশোক পেপাৰ মিল, অইল ৰিফাইনেৰি, থাৰমেল প্লান্ট ইত্যাদি আৰু যি বিলাক শিল্পোদ্যোগৰ কথা চিন্তা কৰা হৈছে সেইবিলাকত আমাৰ শিক্ষিত আৰু অশিক্ষিত ছিন্নমূল নিবুনৱা সকল কৰ্ম্ম-সংস্থানৰ দিহা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, মোৰ আৰু দুই এটা গুৰুত্ব পূৰ্ণ কথা কবলগীয়া আছে। অসমত চাহ শিল্পকে আদি কৰি বহুত শিল্প আছে। তাৰ কিছুমান শিল্প বন্ধ হৈ আছে। ফলত বছৰে বছৰে বেকাৰৰ সংখ্যা বাঢ়িছে আৰু বহুত কৰ্ম্মী কৰ্ম্মচ্যুত হৈছে। এই বোৰ পুণৰ মুকলি কৰিব লাগে আৰু এই বোৰৰ প্ৰশাসন ব্যৱস্থা চৰকাৰে নিজৰ হাতলৈ নিব লাগে যাতে এই বোৰ বন্ধ হৈ নাযায়। তাৰ ব্যৱস্থা কৰিব লাগে। যিসকল শ্ৰমিক ইতিমধ্যে চাতাই কৰা হৈছে সেই সকলক পুণৰ চাকৰিত নিয়োগ কৰিব লাগে। মই এটা কথা কবলৈ পাহৰি গৈছো যে, উপদ্ৰুত যিসকল খেতিয়কক যিবিলাক ৰিলিফৰ টকা দিয়া হয় সেই টকা বিলাক কিছুমান দুৰ্নীতি পৰায়ন অফিচাৰে আত্মসাদ কৰে। উদাহৰণ হিচাৰে ধুবুৰী মহকুমাৰ এটা কথা মই উল্লেখ কৰিব বিচাৰো। তাৰ দক্ষিণ সালমাৰা চাৰ্কোলত ১লাখ ২৩ হাজাৰ টকা

দিয়া হৈছিল এম, এল, পি বিলিফ প্ৰাপ্ত হিচাবে । পৰিয়ালে প্ৰতি এই বিলিফ প্ৰাপ্তত ৩০০ টকাকৈ দিব লাগে । কিন্তু এচ, ডি, চিয়ে তাকে নকৰি, কাৰোবাক ১৫০ টকাকৈ কাৰোবাক খুব বেচি ১৯০ টকাকৈ দিছে আৰু বাকী টকাটো গাওঁসভাৰ সভাপতিৰ লগত লগ লাগি আত্মসাদ কৰিছে । কিন্তু তেওঁলোকক যি বিটিট দিয়া হৈছে সেই বিচিটত তিনিশ টকাকৈ পাইছো বুলি লিখাই লৈছে । ইয়াৰ কোনো প্ৰতিকাৰ নাই । মাথোন চাবলৈ বাকী আছে কোন দিনা খন সেই অফিচাৰ জনৰ পদোন্নতি হয় । উপাধ্যক্ষ মহোদয়, মই আৰু বেচি কথা নকওঁ । আমাৰ চৰকাৰে বৃহত্বৰ উদ্যোগৰ পৰিবৰ্তে গ্ৰামীন আৰু কুটিৰ শিল্প উদ্যোগৰ ক্ষেত্ৰতহে বেচি নজৰ দিছে । গ্ৰামীন আৰু কুটিৰ শিল্পও বহুৱা উচিত, কি আমি আজি এখন পুজি বাদী বজাৰত বসবাস কৰি আছো । এই বজাৰ খন টিকে কম্পিটিচনৰ ওপৰতহে । ফলত কুটিৰ আৰু গ্ৰামীন উদ্যোগৰ যিবিলাক বস্তু সেই বিলাকৰ দাম চৰা হয় । ফলত গ্ৰামীন আৰু কুটিৰ শিল্পজাতি সামগ্ৰী বিলাক আধুনিক বজাৰত কম্পিটিচনত টিকিব নোৱাৰে । সেই কাৰণে শেষান্তৰত এই উদ্যোগ বিলাক বন্ধ হৈ যায় । গতিকে মই কব খুজিছো যে মানুহৰ, জনসাধাৰণ ক্ৰমবৰ্দ্ধমান চহিদালৈ লক্ষ্য ৰাখি কেবল গ্ৰামীন আৰু কুটিৰ শিল্পৰ ওপৰত লক্ষ্য ৰাখিলে নহব, বৃহতৰৰ উদ্যেগৰো প্ৰতিষ্ঠা কৰা নিত্যান্তই দৰকাৰ । ইতিহাস চকাৰ পিচফালে যাতে আমি ঘূৰাবলৈ চেষ্টা নকৰে । আশা কৰো চৰকাৰে সকলো বিলাক চালি জাৰি চাই নতুন শিল্প নীতি ৰচনা কৰিব । এই খিনিকে কৈ মই বক্তব্যৰ সামৰনি মাৰিলো ।

শ্ৰীহেমেন দাস ঃ – মাননীয় উপাধ্যক্ষ মহোদয়, মই বিনিয়োজন বিলৰ ওপৰত সংক্ষেপে দুআষাৰ কথা কবলৈ বিছাৰিছো । মাননীয় সদস্য সকলৰ আলোচনাৰ পৰা এটা কথাই স্পষ্ট ভাবে ওলাই পৰিছে যে, প্ৰসাশনীয় যন্ত্ৰটোৰ বিভিন্ন ক্ষেত্ৰত দূৰ্নীতি পুঞ্জিভূত হৈছে । এই পুঞ্জিভূত দূৰ্নীতি যদি প্ৰসাশনত থাকে তেতিয়া হলে যিমান টকাই আমি খৰছ কৰিবলৈ আগ নাবাঢ়ো কিয় দুখীয়া দেশ খনক আগুৱাই নিযাটো সম্ভব নহব । দুৰ্নীতি শেষ কৰাৰ কাৰণে বা কমোৱাৰ কাৰণে আমি তললৈ চকু দিলে নহব । আৰম্ভ কৰিব লাগিব ওপৰৰ পৰাই । ওপৰ নিকা হলেহে

তলত কাম কৰা সকলো নিকা হবলৈ বাধ্য কৰাব পৰা যাব । তাৰ বাবে প্ৰথম দায়ীত্ব পৰিব মন্ত্ৰী সভাৰ ওপৰতে । আগৰ মন্ত্ৰী সকলে নিজৰ পৰিয়ালৰ বা নিজৰ অঙহি বঙহিৰ, জীবনৰ মান দত্ত উন্নত কৰাতহে সাশন যন্ত্ৰটো ব্যবস্থাৰ কৰিছিল আমাৰ জনতা চৰকাৰৰ মন্ত্ৰী সকলেও যদি পূৰ্ব্ব চৰকাৰৰ পথকে যদি অনুসৰণ কৰে তেতিয়া হলে আমি ধাৰ্য্য কৰা টকা জনসাধাৰণৰ কল্যানৰ কাৰণে খৰছ নহব । গতিকে শুদ্ধ নীতি আৰু সুষ্ঠ বাতাবৰণ এটা সৃষ্টি কৰা নিত্যান্তই প্ৰয়োজনীয় হৈ পৰিছে । দূৰ্নীতি কেবল অফিচতেই হৈ থকা নাই, বিভিন্ন মানুহে নিজৰ স্বাৰ্থ স্বৰিতাৰ্থ কৰিবৰ কাৰণে পৰিয়ালৰ বা অঙহি বঙহি লোকক গুৰুত্ব পৰ্ণ পদতত অধিস্থিত কৰিছে । তেনেকৈ অধিস্থিত কৰা মানুহ এতিয়াও শাসন যন্ত্ৰত শীৰ্ষ স্থান অধিকাৰ কৰি আছে । নিয়োগৰ ক্ষেত্ৰত মন্ত্ৰী সকলে ফোন আৰু নোটৰ ওপঁৰত নিৰ্ভৰ নকৰি লোক শেষা আয়োগ যি সকলে চাকৰি নিয়োগ কৰাৰ দায়ীত্ব থাকে সেই সকলৰ দ্বাৰা কৰিব লাগে । বিভিন্ন পদ পূৰণৰ কাৰণে বাতৰি কাকতত বিজ্ঞপ্তি প্ৰকাশ কৰিব লাগিব । কিন্তু আজি কি চলিছে প্ৰায় ১০০ দিন জনতা চৰকাৰে উপভোগ কৰিলে এতিয়াও ৰেগুলেচন থিত নিয়োগ বন্ধ হোৱা নাই । বৰঞ্চ বেচিহে হৈছে । ফলত যোগ্য সকল বাঞ্চত হৈছে আৰু নিবনুৱা সংখ্যা ভয়াবহ হিচাবে বৃদ্ধি পাইছে । সমাধানৰ পথ লব পাৰিলো হেতেন কিন্তু তিনি মাহত আমি সেইটো চেষ্টা কৰা নাই ফোন আৰু স্লিপটেই নিযুক্তি চলিছে ।

আমাৰ ইয়াত যদি কাৰোবাৰ, মন্ত্ৰী, এম, এল, এ আৰু ওপৰৰ কোনো বিষয়াৰ লগত সম্পৰ্ক ভাল নাই তেওঁলোকৰ বাহিৰে আজি অইনৰ চাকৰি পোৱাটো অসম্ভৱ হৈ পৰিছে । এইবিলাক কথা আজি চাবলগীয়া হৈছে । আমাৰ ট্ৰেন্সপোৰ্ট ডিপাৰ্টমেন্টত কেনেকৈ চাকৰি হৈছে; এই চাকৰিত নিযুক্তি দিয়াৰ ক্ষেত্ৰত কোনো ধৰণৰ ইন্টাৰভিউ বা পৰীক্ষাৰ কাৰণে জাননী দিয়া হোৱা নাছিল । গতিকে সঠিকভাবে এই নিয়োগ ব্যৱস্থা কৰিবলৈ নিয়োগ বিনিময় কেন্দ্ৰ বিলাকৰ জৰীয়তে চাকৰিত মকৰল কৰাৰ ক্ষেত্ৰত এটা সুব্যৱস্থা সোনকালেই লব লাগে যাতে সকলোৱে গম পোৱাকৈ ইন্টাৰভিউ আৰু পৰীক্ষা লতা হয় । আজি দেশৰ নিবনুৱা সমস্যাৰ সমাধানৰ কাৰণে অফিচ বা স্কুললৈ চকু দিলেই নহব ইয়াৰ কাৰণে

আমাৰ ৰাজ্যত অতি সোনকালেই এটা উদ্যোগীকৰণৰ পৰিবেশ গঢ়ি তুলিব লাগিব। যোৱা ৩০ বছৰে আমাৰ ইয়াত উদ্যোগীকৰণৰ ক্ষেত্ৰত কি কৰিলে? ভাৰতবৰ্ষৰ কিছুমান ডাঙৰ ডাঙৰ উদ্যোগপতিক মাতি আনি ইয়াত উদ্যোগ গঢ়িবলৈ সুবিধা দিছে ফলত এই চাম উদ্যোগপতিয়ে আমাৰ ৰাজ্যৰ গাৱলীয়া ৰাইজৰ টকা-পইচা সমূলাই কাঢ়ি নিছে। তাৰোপৰি এই উদ্যোগৰ সংখ্যা আজি আমাৰ ইয়াত কিমান আছে আৰু তাত কিমান সংখ্যক মানুহে চাকৰি কৰে, তাত থকা তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ সখ্যা কিমান আৰু তেওঁলোকৰ শিক্ষা-গত অৰ্হতা কিমান এইবিলাক খবৰ কোনে লৈছে। তাত কাম কৰা কিছুমানৰ ১০০ টকা পোৱা চাকৰিয়ালৰ দৰ্মহা ৰাতা ৰাতি ১০০টকা হৈছেগৈ। গতিকে আজি আমি এই উদ্যোগৰ ওপৰত গুৰুত্ব দিবলগীয়া হৈছেকিয়নো আজি এই উদ্যোগ বিলাক কোনে পাইছে? পাইছে কোনোৱা 'গোয়েংকা, আগৰবালা খেমকা ইত্যাদিয়ে আৰু আমি তেওঁলোকক বছৰ বছৰ ৰছৰ ধৰি টকা দি আছো। এই সকলেই আমাৰ ইয়াৰ লাইচেন্স লৈ ৰাহিৰত ভোজ-ভাত খাই আছে। আজি আমি যি সকলে নেতৃত্ব লৈছো ৰাইজৰ প্ৰতিনিধি হৈ আহিছো আমাৰ প্ৰত্যেকৰে কম বেচি হলেও আমাৰ দেশৰ মানুহক ভাল পোৱাতো নিতান্তই উচিত।

আৰু এই কথাটো আমি ভালদৰে মনত ৰখা উচিত। আমাৰ দেশত টি-ব্ৰোকাৰ আৰু তেনে ধৰণৰ কিছুমান অফিচ আছে যত আমাৰ নিবনুৱা ডেকাক নিযুক্তি দিয়াৰ কাৰণে চকু দিয়াটো প্ৰয়োজন হৈ পৰিছে। উদ্যোগৰ ক্ষেত্ৰত থলুৱা মানুহে গঢ়িব পৰা উদ্যোগ বিলাকত কম গুৰুত্ব দিয়ে। লাভজনক উদ্যোগ কাৰবন, আৰু কাঠৰ ভিত্তিত গঢ়া উদ্যোগ সেইবিলাক উদ্যোগ দিয়া হৈছে গোয়েংকা আৰু বিৰলা নিচিনা ডাঙৰ ডাঙৰ উদ্যোগ পতিক; কিন্তু যিবিলাক সৰু সৰু উদ্যোগ আমাৰ থলুয়া মানুহ বিলাকক লৈ গঢ়িব পাৰিলেহেতেন তেনেধৰণৰ উদোগ ৰাজহুৱা খণ্ডত কৰিব পাৰিলে হেতেন কিন্তু তেনেধৰণৰ উদ্যোগ এটাও আমাৰ ৰাজ্যত হোৱা নাই। থিক তেনেকৈ আজি আমাৰ চৰকাৰে স্লিপাৰ ইন্দ্ৰাষ্টি এটা তৈয়াৰ কৰিব পাৰিলেহেতেন কিন্তু তেনেধৰণৰ উদোগ তৈয়াৰ কৰাৰ কথা চৰকাৰে চিন্তা নকৰিলে। এই উদ্যোগৰ উতপাদনৰ ক্ৰেতা চৰকাৰ আৰু বিক্ৰী কৰোতাও চৰকাৰে কিন্তু মাজতে মিলিং কৰৰ নামত এক শ্ৰেণীয়ে টকা পইচা লৈ আছে তেওঁলোকৰ কিছুমান সৰু সৰু মিল আছে আৰু সেই মিলৰ জৰীয়তে মিলিং

কৰাৰ নামত টকা নি আছে। ইয়াৰ এটা লেবাব ডিপাৰ্টমেণ্ট আছে কিন্তু এই বিভাগে শ্ৰমিকৰ কাম কৰা নাই। তেওঁলোকে কাম কৰিছে শিল্পপতি সকলৰ, গতিকেই এই বিভাগৰ নামতো শলাই দিলেই ভাল হব। আমাৰ যিমান কেইটা চ-মিল আছে তাত শ্ৰমিক নাই কিন্তু তালৈ নিয়মিত ৰূপে ফেক্টৰীৰ ইন্সপেক্টৰ গৈ আছে আৰু তেওঁলোকৰ ৰিপোৰ্টত সকলো থিক আছে। আনহাতদি যি কেইজনে কাম কৰি আছে তেওঁ-লোকৰ জৰিকাৰ ব্যৱস্থা নাই। আমাৰ দেশলৈ ইংৰাজ অহাৰ পাচত আমাৰ দেশৰ গৰীব শ্ৰেণীৰ হাজাৰ হাজাৰ লোকে খাজনা আদায় দিব নোৱাৰাৰ ফলত আধিয়াৰ হব লগী হ'ল। আজি ৩০ বছৰৰ পাচত কোনোবা শিক্ষকৰ দৰ্মহা যদি ১২ টকা আছিল আজি সেইটো ১২ কুৰী হ'ল গৈ কিন্তু এই আধিয়াৰৰ জীৱন কোনো দিনে পৰিবৰ্ত্তন নহ'ল। তেওঁলোকৰ জীৱনৰ কোনো পৰিবৰ্ত্তন নহল। যোৱা বিধান সভাত মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল ৩৬৫ খন ট্ৰেক্তৰ অসমলৈ অহিছে, এখন ট্ৰেক্তৰে যদি ১০ জনৰ আধিয়াৰৰ মাটি চহাব পাৰে তেনেহলে এই ৩৬৫ খন ট্ৰেক্তৰে কিমান আধিয়াৰৰ মাটি কাঢ়ি নিলে সেইটো হিচাব কৰিলেই দেখা পাব। এই আধিয়াৰ সকলৰ জীৱনৰ মানদণ্ড কোনো দিনাই পৰিবৰ্ত্তন নহ'ল। এই বিৰাট সংখ্যক আধিয়াৰ খিনিক তলত পেলাই থৈ আমি আমাৰ দেশখনৰ উন্নতিৰ কথা ভাবিব নোৱাৰো। কংগ্ৰেছে ১৯৪৮ চনত পাচ ভাগৰ এভাগ আইন কৰিছিল, কিন্তু এই কংগ্ৰেছে এওলোকৰ মানদণ্ড উন্নিত কাৰৰ কাৰণে চেষ্টা নকৰিলে। মাননীয় সদস্য কমল বসুমতাৰী ডাঙৰীয়াই ট্ৰাইবেল সকলক মাটিৰ পৰা উচ্ছেদিত কৰাৰ কথা কৈছে। সঁচা কথা, আমাৰ আদীমবাসী সকলক মাটি পৰা আতৰাই মালিক সকলে কেনেদৰে তেওঁলোকক নিঠৰুৱা কৰিছিল এই বিষয়ে মই দাবী কৰিব বিচাৰিছোঁ যাতে এই ৰাজ্যৰ যি সকল আদিমবাসীৰ মাটি কাঢ়ি লৈ গৈছে তেওঁলোকক মহাজনৰ কবলৰ পৰা মুক্ত কৰি তেওঁলোকৰ নিজা মাটি ফিৰাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

অধ্যক্ষ মহোদয়, আমাৰ দেশৰ এই গৰীব জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে যি কোনো কামেই কৰিব লাগিলে তাক কৰাৰ কাৰণে চৰকাৰ আগবাঢ়ি যাব লাগিব। এই খিনি কবলৈ সুযোগ দিয়াৰ কাৰনে মই মাননীয় অধ্যক্ষ মহোদয়ক

আপোনাক ধন্যবাদ জনালো ।

শ্ৰীইব্ৰাহিম আলী : মাননীয় উপাধ্যক্ষ মহোদয়, বিনিযোজনৰ দ্বিতানত ৪০০, ০৯, ৪৯১০০০ টকা চৰকাৰে খৰচ কৰিবলৈ বিচাৰিছে । এই খিনি টকা অসমৰ ১ কোটি ৬২ লাখ মানুহৰ উন্নতি আৰু মঙ্গলৰ কাৰণে খৰচ কৰা হব বুলি কৈছে । এই সন্দৰ্ভত বিধান সভাৰ মজিয়াত মাননীয় সদস্য সকলে বিভিন্ন পৰামৰ্শ আগবঢ়াইছে । মই তাৰ লগতে কেইটামান বিশেষ কথালৈ আঙ্গুলিয়াৰ বিচাৰিছো যে এই ধন ৰাইজৰ মঙ্গল আৰু কল্যাণৰ কাৰণে ব্যৱহাৰ হব লাগে । যি সকলে চৰকাৰৰ ৰাজহলৈ বৰঙণী দিছে তেওঁলোক দৰিদ্ৰ । বিশ্লেষন কৰি চালে দেখা যায়, অধিক পৰিমানৰ ধন চৰকাৰৰ ৰাজহলৈ আহিছে সমাজৰ শতকৰা ৯০ ভাগ দৰীদ্ৰ জনসাধাৰণৰ পৰাহে আহিছে । দেশৰ প্ৰশাসনৰ মুল নীতি সেই সকল লোকৰ স্বাৰ্থৰ অনুকলে হোৱা বাঞ্চনীয় । নহলে দৰিদ্ৰ জন-গনৰ হাজহৱা ধন খৰচ কৰাৰ যথাৰ্থ নাই । ৰাইজৰ কষ্টোগাৰ্জ্জিত ধন জন-গনৰ দ্ৰুত অৰ্থ নেতিক উন্নতিৰ কাৰণে খৰচ কৰিব বুলি জনতা চৰকাৰৰ ওচৰত দাবী জনাইছোঁ ।

আজি প্ৰচুৰ পৰিমানৰ ধন অসমৰ ১ কোটি ৬২ লাখ মানুহৰ কাৰণে খৰচ নকৰি যদি এমুঠি মানুহৰ স্বাৰ্থৰ কাৰণে খৰচ কৰা হয় তেতিয়াহলে এই খৰচ অপচয় বুলি কব লাগিব । সমাজৰ দৰিদ্ৰৰ পৰা পোৱা ধন ধনীক শ্ৰেনীৰ পৰা কৰ- কাট্ৰলৰ যোগেদি গোটোৱা ধনতকৈ বহুত বেছি । এই টকাৰ সফল ভোগ কোন শ্ৰেনীৰ মানুহ কৰিছে সেইটো আমি জানো চৰকাৰ ধনীৰ বন্ধু হৈছে আৰু গৰীবক অৱহেলা কৰিছে ।

সাধাৰণতে বিড়ি দুখীয়াই খায় - তেওঁ ১০ পাইচা টেক্স দিব লাগে সমাজাৰ নিম্নত্বম লোক জনেও গধুৰ কৰাৰ বোজা বহন কৰিব লাগে । এই লোক সকল শ্ৰেণী বিশেষে অৰ্থ নৈতিক উন্নতিৰ সফল পোৱা নাই । সমাজত ধনী দুখীয়াৰ প্ৰভেদ দিনে দিনে বাঢ়ি গৈছে । কৃষক, শ্ৰমিক আৰু গাৱলীয়া লোক হতাশ হৈ পৰিছে । ন্যাস্ত স্বাৰ্থ মাটি গিৰি আৰু মহাজন শ্ৰনীয়ে অ'কো আ কৰি উঠিছে । বেকাৰ সমস্যা বাঢ়িছে । আজি অসমৰ অৱস্থা জটিল । অসমৰ ১ কোটি ৬২ লাখ মানুহৰ ভিতৰত শতকৰা ৭৭ ভাগেই কৃষক এই বুজন পৰিমাণৰ টকা উচিত ভাৱে খৰচ কৰা হলে-তেওঁলোকৰ জীৱনৰ মানদণ্ড পৰিবৰ্ত্তন হল হেতেন । কিন্তু হোৱা নাই আমাৰ অসমত কৃষিজীৱি কিমান আছে আৰু কৃষকৰ সংখ্যা কিমান তাৰ

এটা পৰ্য্যালোচনা হব লাগে । গাইপতি অৰ্থ নৈতিক গোট হিচাবে কৃষকক কটন দি উপৰঞ্চি মাটিখিনি প্ৰকৃত ভুমিহীন কৃষকক শীঘ্ৰ দিব লাগে । উপৰিঞ্চি শ্ৰমিকখিনিক কৃষি ভিত্তিক শিল্পলৈ স্থানান্তৰ কৰিব লাগে । এইটো যদি কৰিব নোৱাৰে তেতিয়াহলে এই টকাই কৃষকৰ অৱস্থা পৰিৱৰ্ত্তন সাধিব নোৱাৰিব । কৃষি উপযোগী মাৰি মুঠ কৃষি জীৱী লোক আৰু গ্ৰাম্য শিল্পৰ সমন্নয় ঘটাব লাগিব । কৃষক সকলৰ অৱস্থা উন্নত হোৱা নাই যদিও কৃষিজাতিৰ বস্তুৰ দাম বাঢ়িছে । ১৯৫০ চনত কৃষিজাত সামগ্ৰীৰ যি মূল্য আছিল আজি তাক দুইশ গুন বৃদ্ধি হৈছে । কৃষকৰ উৎপাদিত সামাগ্ৰীৰ মূল্য বৃদ্ধি হৈছে সচাঁ— কিন্তু কৃষক সকলৰ জীৱনৰ মানদণ্ডৰ পৰিবৰ্ত্তন হোৱা নাই । বজাৰত কৃষকৰ উত্পাদিত বস্তুৰ যিটো দৰ সেই সুবিধা আজি মধ্য শ্বত্ব-ভোগী সকলেহে গ্ৰহণ কৰি আছে । সেই মধ্য শ্বত্বভোগী সকল সমাজৰেই মানুহ । চৰকাৰী ধন খৰচ কৰিবলৈ যোৱাৰ লগে লগে সেই অধ্য শ্বত্ব-ভোগীসকলক যদি এৰাব নোৱাৰে তেতিয়াহলে কমৰেড হেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে দৰিদ্ৰ মানুহৰ অৱস্থাৰ পৰিবৰ্ত্তন আৰু জীৱনৰ মানদণ্ড কেতিয়াও উন্নত নহয় ।

শ্ৰীহেমেণ দাস : মাননীয় সদস্যজনে কমৰেড শব্দ উচ্চাৰণ কৰিছে— তেখেত আমাৰ কমৰেড নহয় ।

শ্ৰীইব্ৰাহিম আলি : মোৰ কমৰেড নহলেও চি, পি, এম,ৰ কৰ্মৰেড হয় ।

শ্ৰীহেমেন দাস . মাননীয় সদস্য জন জনা উচিত যে কমৰেড শব্দৰ অৰ্থ বেলেগ ।

শ্ৰীইব্ৰাহিম আলি : উপাধ্যক্ষ মহোদয়, অসমত আটাইতকৈ দুখীয়া লোক সকল হল মত্স্য জীৱী তেওঁবিলাক সকলোৰে অৱস্থা জটিল । আমাৰ অসমৰ মাছ জীৱী সকল নাইকীয়া হব ধৰিছে —সেই ঠাইও দালাল ব্যৱ-সায়ীয়ে ঠাই লৈছে । মাছৰ দাম বৃদ্ধি হৈছে । ৮/৯ টকাৰ ঠাইত এতিয়া মাছৰ দাম ১৮/২০ টকা হৈছে । অথচ এই মতস্য জীৱী সকলৰ অৱস্থা কিয় পৰিবৰ্ত্তন নহল । পৰহি বজাৰত দেখিছো মসস্য জীৱী সকলে টকাৰ কাৰণে মহাজন পিচ লবলগীয়া হৈছে । এই মাছ মৰীয়া সকলৰ সম্পত্তি বুলিবলৈ এখন জাল, এখন নাও আৰু কেইডালমান বাহঁ । আজি সকলো

খেতিয়কৰ ক্ষেত্ৰত মাটি পট্টন দিয়া হৈছে কিন্তু এই মতস্য ব্যৱসায়ী সকলৰ ক্ষেত্ৰত কাকো মাটিৰ জমীনক্ষেত্ৰ পট্টন দিয়া হোৱা নাই। তাৰ বাবে শ্লগান হৈছে—কিন্তু কাম হোৱা নাই।

উপাধ্যক্ষ মহোদয়, আমাৰ বান-নিয়ন্ত্ৰণ বিভাগৰ ক্ষেত্ৰত অসমৰ যিবিলাক ঠাইত বানপানী হয় আৰু যিবিলাক ঠাইত জলসিঞ্চনৰ প্ৰয়োজন আছে— এই দুয়োটা কাৰ্য্যৰ বাবে ভৌগলিক দৃষ্টি ভঙ্গিৰ ফালৰ পৰা এটা চাৰ্ভে হব লাগে। বানপানী বোধ কাৰণে টকা খৰচ কৰে সেই গোটেই বিলাকৰ সম্পৰ্কে বিভাগৰ আঙুলিৰ মুৰত হিচাব থাকিব লাগে। যাতে বান-নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰাৰ লগে লগে বাধ্য বাধকতা কমি নেযায়।

উপাধ্যক্ষ মহোদয়, বিদ্যুতৰ ক্ষেত্ৰত ১ কোটি ৬২ লাখ মানুহৰ কাৰণে অসমত ইলেক্ট্ৰিচিটিৰ কোনো ব্যৱস্থা নাই। পল্টন বজাৰত যিটো অফিচ আছিল সেইটো নাৰেঙ্গীলৈ স্থানান্তৰ কৰা হৈছে। স্থানান্তৰ কৰাৰ কাৰণে কিছুমান অফিচাৰেই পৰামৰ্শ দিছে। কিন্তু এই অফিচাৰ সকলক আৰু অফিছৰ আহিলাপাতি অনা-নিয়া কৰোতে পুনকাৰৰ নামত ৰাইজৰ কিমান ধন খৰচ হৈছে তাৰ কোনো হিচাব নাই। ইলেট্ৰিচিটিৰ বিভাগৰ যদি নিজাকৈ মাটিয়েই নাছিল তেতিয়াহলে নাৰেঙ্গীত কেনেকৈ বিল্ডি সাজিলে? সেই কথা আমাক জনাব লাগে। দুৰ্ভিক্ষৰ সময়ত সাহায্যৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰৰ যিটো ৰিলিফ এণ্ড ৰিহাবিলিটেচন বিভাগ আছে সেই বিভাগৰ পৰা যি বিলাক টকা গৰীব জনসাধাৰণক দিয়া হয় সেই টকা প্ৰকৃত দুখীয়া লোকে পোৱা নাই। গৰাবৰ টকা গৰীৱকেই দিয়াৰ কৰ্যাকৰী ব্যৱস্থা কৰিব লাগে। এইটো নকৰি আমোলাতান্ত্ৰিক ব্যৱস্থা কৰিছে। অসমত বানপানী বা তেনেধৰণৰ প্ৰাকৃতিক দুৰ্য্যোগৰ লগে লগে দুৰ্ভিক্ষ হয় আৰু তেতিয়াই মানুহ খাবলৈ নাপাই হাহাঁকাৰ লাগে+নাও লাগে, ঔষধ লাগে, আটা লাগে, চাউল লাগে, কাপোৰ লাগে ইত্যাদি। এই গোটেই বিলাকৰ ব্যৱস্থাৰ কাৰণে চৰকাৰে ৰিলিফ এণ্ড ৰিহাবিলিটেচন বিভাগ ৰাখিছে। এই ক্ষেত্ৰত তেওঁলোকে যেনেদৰে সেৱা আগবঢ়াব লাগিছিল তেনেদৰে নকৰি দুখীয়া প্ৰপীড়িত লোকক মৃত্যুৰ ঠেলি দিয়ে দুৰ্ভাগ্যৰ বিষয় বানপানী আৰু গৰাখহনীয়া আদি প্ৰকৃতিক

দুৰ্য্যাগৰ কাৰণে এই প্ৰদেশত যিখিনি টকা ধৰা হয়- সেইখিনিয়েই যথেষ্ট নহয় । ইয়াৰ বাবে আৰু বেছিকৈ টকা ধৰা হওক- তাত আমাৰ কোনো আপত্তি নাই ।

উপাধ্যক্ষ মহোদয়, শিক্ষাৰ সম্পৰ্কত হলে শিক্ষাৰ পৰিবৰ্ত্তন হৈছে - কিন্তু আমাৰ অসমলৈ এই পৰিবৰ্ত্তন আমি আনিব পাৰিছো নে ? গাওঁ পৰ্যায়ত যিবিলাক স্কুল আছে সেই স্কুলৰ অৱস্থা, শিক্ষক সকলৰ অৱস্থা আৰু লৰাছোৱালীবিলাকৰ যি অৱস্থা তাৰ কোনো পৰিবৰ্ত্তন নহল । বিশেষকৈ গাওঁ পৰ্য্যায়ত আঙুলি মূৰত লিখিব পৰা কেইটামান মাত্ৰ কলেজ আছে । সেই কলেজ বিলাকত অনাৰ্চ বিষয় নাই । গতিকে গাওঁ ইতিমধ্য যিবিলাক স্কুল নতুনকৈ স্থাপিত হৈছে - সেই বিলাকত যি আহোঁৱাস আছে সেই আহাঁৱাস দূৰ কৰক । লগতে আজি আমি যি দৰে প্ৰাথমিক স্কুলৰ কথা দোহাৰিছো মাধ্যমিক স্কুলৰ ক্ষেত্ৰত যাতে সেইটো নহয় তাৰ বাবে চৰকাৰ বিবেচনা কৰিবলৈ মই দাবী জনাওঁ ।

( গণ্ডগোল )

উপাধ্যক্ষ মহোদয়, এই ফালৰ পৰা দেখা যায় যে বহুতো মাননীয় সদস্যই দল পৰিৱৰ্ত্তন নতুন চৰকাৰত যোগ দিছে । আমি আশা ৰাখিছো তেখেত সকলৰ বহুত দিন তাতেই শুভবৰ্দ্ধন কৰক । অসমৰ ১কোটি ৬২ লাখ মানুহৰ অৱস্থা পৰিবৰ্ত্তনৰ বাবে চিন্তা কৰক । কথাৰে মানুহৰ পৰিচয় নিদি কাৰ্য্যৰ দ্বাৰা মানুহৰ পৰিচয় দিবলৈ সক্ষম হওক এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলোঁ ।

*শ্ৰীএ-এন-আক্ৰম হুচেইন : উপাধ্যক্ষ মহোদয়, মই এই বিনিযোজন বিলৰ ওপৰত কবলৈ থিয় হৈছো । এই বিলৰ ওপৰত মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই যিখিনি কথা প্ৰকাশ কৰিছে তালৈ চাই এইখন সমৰ্থন কৰিব লাগিব কিন্তু এপ্ৰোপ্ৰয়েচন যাতে আকৌ মিচ এপ্ৰোপ্ৰয়েচন নহয় সেই ভাবিয়েই সমৰ্থন কৰিছো ।

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (বিত্ত মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, আঠ বজালৈ আলোচনা কৰা কথা আছিল এতিয়া আৰু বিশ মিনিট বাকী আছে। মন্ত্ৰীয়ে ৰিপ্লাই দিব লাগিব । তাৰ কাৰণেও সময় লাগিব ।

শ্ৰীফনী মেধী : উপাধ্যক্ষ মহোদয় মই আগতে দুবাৰো গিলটিন হৈছো। এইবাৰ যাতে তৃতীয়বাৰ হব নালাগে।

*শ্ৰীএ-এন-আক্ৰম হুচেইন : আমাৰ জনসাধাৰণৰ বাবে গৃহনিৰ্ম্মানৰ বাবে ঋণ বাবদ আঠানব্বৈ লাখ সাতত্ৰিশ হাজাৰ টকা ধৰা হৈছে আৰু গৃহনিৰ্ম্মাণৰ কাৰণে দুই কোটি পচানব্বৈ লাখ উন্সত্তৰ হাজাৰ তিনিশ টকা ধৰা হৈছে। আমাৰ জনসাধাৰণৰ বাসস্থান আৰু চৰকাৰী বাসস্থানৰ মাজত আকাশ পাতাল বিভাজন। এজন মাননীয় সদস্যই কৈছিল যে ট্ৰেডিচন আগৰ পৰাই আছে। অসম কৃষি প্ৰধান দেশ। কৃষিৰ ক্ষেত্ৰত মুলধনৰ বাৰদ ধৰা হৈছে ছয়ত্ৰিশ লাখ টকা। ঋণৰ ক্ষেত্ৰত ধৰা হৈছে চাৰি কোটি দহ লাখ টকা। আপুনি শুনি আচৰিত হব। ভগবানে যদি সকলোকে কুশলে ৰাখে অহা বাজেট অধিবেশনলৈ যাতে এইটো নঘটে সেইটো আশা ৰাখিলো। আজিও হাজাৰ হাজাৰ মানুহ গড়াখহনীয়া মাটিহীন হৈ আছে। যতে ততে পৰি আছে। মুকলি আকাশৰ তলত পৰি আছে।

*শ্ৰীভবেন্দ্ৰ নাথ শইকীয়া : উপাধ্যক্ষ মহোদয়, ইমানখিনি মানুহ এই তিনি মাহৰ ভিতৰতে ক'ত ত'ত পৰি ওপঙি আছেনে আগৰ পৰাই আছে মাননীয় সদস্য গৰাকীৰ পৰা জানিব বিচাৰিছো।

*শ্ৰীএ-এন-আক্ৰম হুচেইন : চৰকাৰে পট্টন দিয়াৰ দৰকাৰ আছিল। মুখ্য-মন্ত্ৰী ডাঙৰীয়াই সদনত আৰু উচ্ছেদ নহয় বুলি কৰা ঘোষণাত আমি ভাল পাইছো। ফৰেষ্ট লেণ্ড যি বিলাক আছে সেইবিলাক ছয়গাওঁ সমষ্টিৰ ট্ৰাইবেল বিলাক বহি আছে। সেইবিলাক ঠাইত পট্টন দিব লাগে। ফৰেষ্ট অফিচাৰে খাজনা নলয় অথচ পইচা পোৱাৰ ব্যৱস্থা কৰি ৰাখিছে। বনগাওঁ মৌজাৰ বাউকিয়াৰ ট্ৰাইবেল ভাইসকলে যদি ভাত ৰান্ধিবলৈ খৰি আনিবলৈ যায় তেতিয়া হলে ফৰেষ্টৰ মানুহে ধৰে অথচ দিনে নিশাই ট্ৰাকে ট্ৰাকে কাঠ নি আছে সেইবিলাক ধৰাৰ ব্যৱস্থা কৰা নাই। এইটো এটা সাঁথৰ হৈ আছে।

শিক্ষাৰ বিষয়ে কব খোজো যে সংস্কৃত ভাষা ভাৰতৰ পুৰণি ভাষা। আন আন প্ৰদেশত উত্তৰ প্ৰদেশ আদিত সংস্কৃত শিক্ষাৰ কাৰণে

টোল আদিৰ ব্যৱস্থা আছে কিন্তু আমাৰ ইয়াত সেই উদ্দেশ্যত কোনো জোৰ দিয়া নাই। ফৰেইন এম্বেচি বিলাকত আমাৰ থলুৱা মানুহে কাম পোৱাৰ দিহা কৰিব লাগে। কিয়নো বাহিৰলৈ গলে ভাৰতৰ সীমা পাৰ হলেই আফগানিস্থান এৰি মিডল ইষ্ট পালেই আৰু আৰবী বা পাৰ্চী ভাষা নহলে নচলে। অথচ আৰবী আৰু পাৰ্চী ভাষাৰ ব্যৱহাৰ নাই।

( হাঁহিৰ ৰোল উঠে )

ই কেৱল মুছলমান সম্প্ৰদায়ৰ ভাষা নহয়। পৃথিৱীৰ ভাষা উত্তৰ প্ৰদেশৰ এজন বুঢ়া মানুহক পালো সুন্দৰ ফাৰ্চী কব পাৰে অথচ মুছলমান নহয়।

( সময়ৰ সংকেত )

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : উৰ্দু কা বাৰেমে কেয়া কহনা হ্যায়, বাতাইয়ে।

শ্ৰীএ-এন-আক্ৰম হুচেইন : কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান বিলাকত লাখ লাখ টকা খৰচ হয়। আমাৰ বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে কেন্দ্ৰীয় চৰকাৰক স্পষ্টভাৱে জনাই দিব লাগে। আমাৰ জনসাধাৰণৰ কাৰণে সেই বিলাক হব লাগে।

এইযে বহু সংখ্যক লৰাৰ দৰ্খাস্ত আহ্বান কৰি উন্টাৰভিউ পাতি ফাইনেল লিষ্ট তৈয়াৰ কৰিছিল আমাৰ বিশ্বাস আছে সেই বিলাক মেৰিটৰ ওপৰত কৰা হৈছিল। গতিকে সেই বিলাকৰ ম্যাদ আৰু ১ বছৰলৈ বঢ়াই দিব লাগে নহলে তেওঁলোক দৰ্খাস্ত কৰি কৰি হাতাশ হৈছে।

( সময়ৰ সংকেত )

গতিকে এই কথাবিলাকত ৰাজনৈতিক কালাৰ নিদি তেওঁলোকক নিয়োগ কৰিব লাগে। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে কৈছে যে তেখেতে ৰাজনৈতিক উদ্দেশ্য পৰিহাৰ কৰি শিক্ষানুষ্ঠান বিলাকক মন্দিৰত পৰিণত কৰিব।

Shri Noorul Huda : That was a political Selection during the Congrees regime. The hon member now wor s that Janata Govt. Should be pin pointed.

শ্ৰীএ-এন-আক্ৰাম হুচেইন : মই ছয়গাওঁ বিধানসভা সমষ্টিৰ কথা কৰ বিছাৰিছো তাত এখন হাইস্কুল আছে একেবাৰে পিচপৰা অঞ্চলত তাত এটা গড়কাপ্তানি ৰাষ্টা নাই মটৰগাড়ী নোসোমাই তাত এখন পুৰনা হাইস্কুল আছে গড়ৈমাৰী বুলি তাক হায়াৰচেকেণ্ডাৰী লৈ ৰূপান্তৰিত কৰিব লাগে।

Shri Noorul Huda : During emergency this was a politieal decisior.

*শ্ৰী-এ-এন আক্ৰাম হুচেইন : জৰুৰী কালীন অৱস্থাত সুযোগলৈ এই হাইস্কুলখনক হায়াৰচেকেণ্ডাৰী নকৰিলে। ( সদনত হুলস্থুল পৰিবেশ -ভইচ-কোনে নিদিলে কোনে নিদিলে )

এতিয়াও মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে এই স্কুলখনক হায়াৰচেকেণ্ডাৰী কৰে। আৰু গুমিৰ দলংখন যিহেতু ৰৰ পিচপৰা অঞ্চল তাত যাতায়াতৰ অসুবিধা লোৱাৰ ব্যৱস্থা কৰিব লাগে। লগতে মই মন্ত্ৰী মহোদয় সকলক ভ্ৰমণ কমাৰলৈ অনুৰোধ কৰিলো। ভ্ৰমণ কৰক যাতে ফুটি ভ্ৰমণ লৈ বিহুই সবাহে যাওঁক কথা নাই কিন্তু অফিছৰ কামকাজখিনি যাতে চায় তাৰবাবে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

*Shri Binoy Basumatari : Sir, according Rule 154 (3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assambly, the debate on an Appropriation Bill shall be restricted to matters of public importance or administrative policy implied in the grants covered by the Bill which have not already been raised while the relevant demands for grants were under consideration. He should not restrict his speech only to his constituency.

Mr. Deputy Speaker : Hon'ble Member Shri Medhi.

Shri Noorul Huda : We have given our names, Sir.

Mr. Deputy Speaker : Janata 2, CMP 1, CPI 1, National Congress 1, Congress (I) 1 and Independents and other 1. There are only 2 from Janata and 1 from each other group.

Shri Noorul Huda : Today, you had the pleasure of guillotining all the cut-motions and grants were passes. We could not raise any objection. But when we have important matters to raise, it is necessary that we should be allowed to doso. Even if the time is extended, we should be given the opportunity.

শ্ৰীগোলোক কাকতী : উপাধ্যক্ষ মহোদয় আপুনি নিজে সময় বান্ধি দিছে যেতিয়া ৮ বজালৈ থকাই ভাল ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা ( সংসদী পৰিক্ৰমা মন্ত্ৰী ) :— আগতে যিটো সময় নিৰ্দ্ধাৰন কৰা হৈছে সেইটো সদনৰ সম্মতি সাপেক্ষেই কৰা হৈছিল। এতিয়া যদি গোটেই ৰাতি বহে কোনো আপত্তি নাই, কিন্তু খোৱাবোৱাৰ বন্দোবস্তটো ইয়াত কাৰো কাৰণে কৰা নাই ।

Mr. Deputy Speaker : I went to know the opining of the House. It is about 8 P. M. now.

শ্ৰীগোলোক ৰাজবংশী . আমি বাৰে বাৰে কিমান বহিব বিভাইচ কৰি থকাটো ঠিক নহব। আগতে সদনৰ অনুমতি সাপেক্ষে ৮ বজালৈ বহা কথা সেইটো থকাই ভাল আৰু সেইমতেই আমি ২৪ জন সদস্যৰ মাত্ৰ এজনক দিছো আৰু সেই কাৰণে টাইম লিমিট কৰি দিয়া হৈছে। ৮ বজাত কৰিলেও মন্ত্ৰীয়ে উত্তৰ দিবলৈ আছেই আৰু তাৰ পিছত এজেন্সী আছেই গতিকে আগৰ সিদ্ধান্তকে ব্যাহাল কৰিব লাগে ।

শ্ৰীনূৰুল হুদা : যদি কংগ্ৰেস বেঞ্চ মনে করেন যে আমরা বললে তাদের আরু একজনকে বলতে হবে – তারা ১০ জন বলুন আমাদের কোন আপত্তি

নেই। কিন্তু এইভাবে কি কোন পার্টির বক্তাৰ সংখ্যা নির্দ্দিষ্ট হবে? এটা কি নীতি? কোন কোন সময় যদি কোন গুরুত্বপূর্ণ আলোচ্য বিষয় থাকে তাহলে নিশ্চয় কোন পার্টির একাধিক সদস্য তাদের বক্তব্য রাখতে পারেন। মহোদয়, আপনি নিৰ্দ'ল পার্টি থেকে একজনের পর আর একজনকে সময় দিয়েছেন কিন্তু আমরা কোন আপত্তি করিনি। কিন্তু এইভাবে যদি আমাদের মাননীয় কংগ্রেস সদস্য যিনি এককালে ডেপুটি স্পিকারও ছিলেন তিনি যদি এইভাবে বলেন যে মার্কসবাদী পার্টি থেকে আরেকজনকে বলতে দেওয়া হলে তাদের কংগ্রেস পার্টির আরো তিন চারজনকে বলতে দিতে হবে, - তাহলে আমরা বলবো আমাদের কোন আপত্তি নেই, তারা ১০ জনই বলুন।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী): ইয়াত যিটো কথা হৈছে সকলো কথাই আলোচনাৰ যোগেদি সিদ্ধান্ত কৰা হয়। সময়মতে থাকিব পাৰিলে ভাল। আজি শেষৰ দিন সকলোৱে আলোচনাত ভাগ লবলৈ বিছাৰে। আগতে সদন ৮ বজালৈ বহা কথা আছিল। এতিয়াও সদনৰ অনুমতি সাপেক্ষে সময় বঢ়াওক। ইয়াত একো ভুল বুজা বুজিৰ সৃষ্টি হব নালাগে। কোনো কথাই ইমপোজ কৰা কথা নহয়। হাউচে যি কয় তাকে মানি লম।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মন: মই এটা কথাৰ দৃষ্টি আকৰ্ষন কৰিব বিছাৰিছো সাধাৰণতে যিটো সিদ্ধান্ত হৈ যায় আৰু সেইমতে সময় নিৰ্দ্ধাৰন কৰি প্ৰত্যেক গ্ৰুপৰ পৰা সময় নিৰুপন কৰা হৈছে সেই সময়ৰ ভিতৰত এজন সদস্যই কওঁক বা বেছিয়ে কওঁক সেই সময়ৰ ভিতৰতে কব লাগে আৰু সেইটো সদৰয় পৰম্পৰা।

শ্ৰীগোলোক কাকতি: মই এটা ইনফৰমেচন দিব বিচাৰিছো -৯ বজালৈ বহে বহক তাত আপত্তি নাই কিন্তু এপ্ৰোপ্ৰিয়েচন বিলৰ সক্ৰান্তত ৰুল ৮৭ নং ৪৩ কৈছে।

The Speaker may, in order to avoid repetition of debate, require members desiring to take part in discussion on an Appropriation Bill to give advance

iniimation of the specific points they to intend to raise, and he may withhold permission for raising such of the points as in his opinion appear to be repetitions of the matters discussed on a demand for grant or as may not be of sufficient public importance. গতিকে ইয়াত লিখা আছে এটা পয়েন্টকে একেজন সদস্যই ৰিপিট কৰিব নালাগে।

Shri Dulal Chandra Barua ( Minister ) : I think every body will agree to extend upto 9 O'clock.

Mr. Deputy Speaker : It is for the hon'ble mumbers, if they like time may be extended up to 9 p. m. But at the same time I request when the hon'ble numbers speak they must not exceed 10 minutes.

Shri Altaf Hussain Mazumdar : Sir, will it include other items of the agenda ?

Mr. Deputy Speaker : Minister's reply is included here.

Shri Santi Ranjan Das Gupta : Sir, the things which have already been discussed should not be allowed to discuss again.

*শ্ৰীফণি মেধি ঃ উপাধ্যক্ষ মহোদয়, যিহেতু আজি শেষ দিন, গতিকে অসম বিনিয়োজন বিল খনৰ ওপৰত বেছি কথা নকৈ দুই চাৰিটা কথা কবলৈ মই বাধ্য হৈছো আৰু এইখিনি কোৱাৰ কাৰণে সদনে সুবিধা দিছে তাৰ কাৰণে মই ভাল পাইছো।

আমাৰ সদনত মাননীয় সদস্য সকলে নানা সমস্যাৰ কথা উত্থাপন কৰিছে আৰু তাৰ লগতে আক্ষেপ কৰিছে কিন্তু প্ৰশ্ন হল যে এই ৰাষ্ট্ৰখন আৰু ৰাষ্ট্ৰৰ যিটো চৰিত্ৰ সেই ৰাষ্ট্ৰ ভাৰতবৰ্ষ। যিটো ৰাষ্ট্ৰৰ চৰিত্ৰ সেইটো

কেৱল সামন্ততান্ত্রিক আৰু পূজিবাদীৰ অৰ্থনীতি। পূজীৰ কাৰণে এই ৰাষ্ট্ৰ বিদেশী সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰ হব লাগে। আৰু বাস্তৱ ক্ষেত্ৰত আমি যদি চাওঁ আমি দেখা পাম আমাৰ গাওঁবোৰত যিবোৰ চৌধুৰীহঁত মানে ডাঙৰ ডাঙৰ নামৰ মানুহ আছে সেই সকলৰ হাততহে পূজি আছে। পূজিপতিৰ হাতত থকা বৰ্ত্তমান চৰকাৰৰ এই ৰাষ্ট্ৰযন্ত্ৰ ধংস নকৰাকৈ, শেষ নকৰাকৈ যি চৰকাৰ গঠিত হব সেই চৰকাৰ এমুঠি মানুহৰ চৰকাৰ হৈ থাকিব. এই চৰকাৰ কেতিয়াও ব্যাপক জনসাধাৰণৰ চৰকাৰ হব নোৱাৰে আৰু তাৰ কাৰণে বৰ্ত্তমান এই সমস্যাবোৰৰ সৃষ্টি হৈছে।

উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত কৈছে যে উন্নত খাদ্য ব্যৱস্থা, শকত বিনিযোগৰ ভঁৰাল আৰু তুলনামুলক ভাৱে কম হাৰৰ মূল্য সূচীয়েই এই বছৰটোৰ বিশেষত্ত্ব। এইটো এটা সাধাৰণ ৰাক চাতুৰীৰ বাহিৰে আন একো নহয়। এখন দেশৰ মূল সমস্যা কত? আৰু ই কেতিয়া সৃষ্টি হয়? এই মূল সমস্যাটো হৈছে ভূমিসংস্কাৰ সমস্যা। এই ভূমিসংস্কাৰ কোনে কৰে? ইয়াৰ মূল বেমাৰটো কত? আমি এই মূল বেমাৰটোৰ লক্ষনহে চিকিতসা কৰি আছো আৰু জোৰ দিছো কিন্তু মূল বেমাৰটো চিকিতসা কৰাত আমি জোৰ দিয়া নাই।

উপাধ্যক্ষ মহোদয়, আজি শেষ দিন কাৰণে মই কেইটামান কথা উল্লেখ কৰিছো। অত্যাৱশ্যকীয় শিল্প সমুহৰ চাহিদা নাই এইবোৰৰ উতপাদন নিশ্চল হৈ গৈছে বা উতপাদিত সামগ্ৰী সমুহ ভঁৰালৰ স্তুপীকৃত হৈছে। মুল জনসাধাৰণৰ ক্ৰয় ক্ষমতা হ্ৰাস পোৱা বাবে এইবোৰ সামগ্ৰীৰ ভিতৰত বজাৰ নাইকীয়া হৈ গৈছে অথচ, আনহাতে অনৱশ্যকীয় শিল্প সমুহ বৰ্দ্ধিত সমৃদ্ধি শালী হৈ আছে এই দৰে ১৯৭৬—৭৭ চনত যেতিয়া কয়লাৰ উত্তদান শতকৰা ২'১, কপাহৰ উতপাদন ১'৮ বিকেন্দ্ৰী কৰণ খণ্ডত কপাহী কাপোৰৰ উতপাদন শতকৰা ২'৭ আৰু আচলতে মিল সমূহত কাপোৰৰ উতপাদন ০'৭ হাৰত বৃদ্ধি হৈছিল। সেই সময়ত বিয়াৰৰ উত্পাদন শতকৰা ৬৬'২ হাৰত, দাতমহাঁ পেষ্টৰ শতকৰা ৫৬'৩ হাৰত, দাতঁথহা গুৰিৰ শতকৰা ৩৮'৬ হাৰত, চামৰাযুক্ত কাপোৰৰ উতপাদন ৩৯'৯ হাৰত, ব্লিচাৰিন শতকৰা ২৪'৯ হাৰত. কোঠালীৰ শীত তাপ নিয়ন্ত্ৰণৰ ১০৮'৪ হাৰত, টিট আৰু প্লেট প্লাচ শতকৰা ৫৪'৯ হাৰত, ঘৰুৱা ৰিফ্ৰিজাৰেটৰ শতকৰা ৩৮'৯ হাৰত, চিলাই কলৰ ৪২'৬ হাৰত, মটৰ গাড়ীৰ ৬৭'৬

হাৰত কিন্তু বা ব্যৱসায়িক যানবাহান মাত্র শতকৰা ৮'১ হাৰত, স্কুটাৰ ৩৯ হাৰত উতপাদন বৃদ্ধি পাইছিল। ৰপ্তানীৰ নামত দেশখনক ক্ৰমান্বয়ে সাম্ৰাজ্যবাদী, অসাজিক অসাম্ৰাজ্যবাদীৰ হাতত বিক্ৰী কৰি দিয়া হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ দেশৰ যিবিলাক অনাৱশ্যকীয় সামগ্ৰী সেই বিলাকৰ উতপাদন কেনেকৈ বাঢ়িছে সেই কথা মই দাঙি ধৰিছো। এই অনাবশ্যকীয় বস্তুবোৰ বিদেশৰ পৰা আনিৰ লগা হৈছে আৰু তাৰ কাৰণে আমাৰ দেশে বিশেষকৈ আমেৰিকাৰ বজাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। ৰপ্তানীৰ নামত দেশখনক ক্ৰমান্বয়ে সাম্ৰাজ্য-বাদী সামজিক সাম্ৰাজ্যবাদীৰ হাতত বিক্ৰী কৰি দিয়া হৈছে। কিয়নো চাৰি শত্ৰুৰে আমাৰ দেশৰ জণগণৰ ওপৰত চলোৱা শোষণৰ ফলত দেশৰ ভিতৰত এইবোৰ বস্তুৰ চহিদা নাইকীয়া হৈছে। চৰকাৰৰ ভৰালত যথেষ্ট পৰিমান খাদ্য সামাগ্ৰী মজুত থকা সত্বেও খাদ্য সামগীৰ দাম বাঢ়ি আছে আৰু ক্ৰয় ক্ষমতা নথকাৰ হেতুকে বৃহত্ সংখ্যক জনসাধাৰণে এই খাদ্য সামগ্ৰীৰ ক্ৰয় কৰিব নোৱাৰে।

বিত্তমন্ত্ৰী মহোদয়ে দাবী কৰাৰ দৰে দেশৰ মূল্যসূচী তুলনামূলক ভাবে কম নহয়। গড় হিচাবত আগৰ বছৰতকৈ ১৯৭৭–৭৮ চনৰ মূল্য সূচীৰ শতকৰা ৫ভাগ বেছি আছিল। তদুপৰি সেই বছৰতেই কেইটামান অত্যা-ৱশ্যকীয় খাদ্য সামগ্ৰী হাত মূল্য বৃদ্ধি হৈছিল। ১৯৭৭—৭৮ চনত খাদ্য বস্তুৰ মূল্য সূচী গড় হিচাবত আগৰ বছৰতকৈ ১১'৫ শতাংশ বেছি আছিল। আনকি চৰকাৰি হিচাবত দেখুৱা যথেষ্ট খাদ্য সম্ভাৰ মজুত থকা সত্বেও যেতিয়া শস্য সামগ্ৰীৰ মূল্য ৪'৬ শতাংশ কৰি হৈছিল, তেতিয়া মচলাৰ মূল্য বৃদ্ধিও ৪৭'৫ শতাংশৰ কম নাছিল। আলুৰ দাম ২৭ শতাংশ, পিয়াঁজৰ দাম ৫৪'৯ শতাংশ আৰু ফল মূল-শাকপাঁচলি সমুদায়ৰ দাম ১৯ শতাংশ বৃদ্ধি পাইছিল। মাছৰ দাম ১৪'৯ শতাংশ, মাংসৰ দাম ১২'৪ শতাংশ আৰু চাহপাতৰ দাম ১৬'৩ শতাংশ বৃদ্ধি হৈছিল। আগৰ বছৰতকৈ ১৯৭৭—৭৮ চনত নিমখৰ মূল্য ২৩'৫ শতাংশ বেছি আছিল। বনস্পতি তেলৰ দাম ২৩'৫ শতাংশ বাঢ়িছিল, মিঠাতেলৰ দাম তাতকৈ বেছি বৃদ্ধি হৈছিল। বয়ন সামগ্ৰীৰ দাম ১১'১ শতাংশ বৰ্দ্ধিত হৈছিল। এই আটাইবোৰ হৈ চৰকাৰী পৰিসংখ্যা, কিন্তু বাস্তৱক্ষেত্ৰত মূল্য বৃদ্ধিৰ আৰু বেছি আছিল।

এই অৱস্থাটোকে মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ' সহজ মূল্যাসূচীৰ অৱস্থা, বুলি কৈছে। ইয়াৰ বিপৰীতে অত্যাৱশ্যকীয় কৃষিজাত কেচামালৰ দাম হঠাত নিম্মগামী হয়। যেনে ১৯৭৭-৭৮ চনত কপাহৰ দাম ২'৪ শতাংশ গ্ৰাস পায় আৰু ধঁপাতৰ দাম ৩২'৪ শতাংশ হ্ৰাস পায়। ইয়ে উত্পাদিত সামগ্ৰীৰ দাম নকমায়, বৰঞ্চ কাপোৰ আৰু চিগাৰেটৰ দাম বৃদ্ধিহে কৰিছে আনহাতে ১৯৭৫-৭৬ চনত অকল বিৰলা প্ৰতিষ্ঠানে ১৩০ কোটি টকাৰ মুঠ লাভ হয়, উক্ত বছৰৰ শেষত ইয়াৰ জানিৰ পৰা সম্পৃত্তি হয়গৈ ১০৬৫ কোটি টকাৰ আৰু সেই একে, বছৰতে ইয়াৰ বিক্ৰিৰ টকাৰ হয়গৈ ১৩০৯ কোটি টকা। ডাঙৰ ডাঙৰ ব্যৱসায়ী প্ৰতিষ্ঠান সমূহে ১৯৭৫—৭৬ চনত মুঠ লাভ কৰে ৬০০ কোটি টকা। সিহঁতৰ মুঠ সম্পত্তি ১৯৭২—৭৩ চনৰ ৩৫১৬ কোটিৰ পৰা ১৯৭৫-৭৬ চনত ৪৯৬৬ কোটি টকালৈ বৰ্দ্ধি পায়। এই আটাইবোৰে কি বুজায় ?

[ সময়ৰ সংকেত ]

উপাধ্যক্ষ মহোদয়, মোক এক মিনিট সময় বেছি দিয়ক।
মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কৈয়ে শেষ কৰিম ।

মাননীয় উপাধ্যক্ষ :— মাননীয় সদস্যই অলাগতীয়াল কথা কৈছে।

*শ্ৰীফনী মেধী :—আমাৰ অৰ্থনীতিৰ মূল সমস্যাটো আওকান কৰা হৈছে

এইটো আওকান কৰাৰ বাহিৰক প্ৰকাশ হৈছে। আমাৰ মূল জলন্ত সমস্যা হৈছে কৃষক সকলৰ সমস্যা। কৃষক সকলৰ মূল সমস্যা হৈছে ভূমিসমস্যা। যিহেতুকে ভূমি সমস্যাকে কেন্দ্ৰ কৰি অৰ্থনৈতিক সমস্যা আদি সমস্যা বিলাক ভূমি সমস্যাকে কেন্দ্ৰ কৰি ঘূৰে। ভূমি সমস্যাৰ লগত কোন বস্তু কিমান পৰিমান উতপাদন কৰিব লাগিব সেইটো নিৰ্দ্ধাৰণ কৰিব লাগিব। আমাৰ দেশত আজি নিবনুৱা সমস্যাৰ সৃষ্টি হৈছে। এই নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে, জনতা চৰকাৰে ১০ বছৰৰ ভিতৰতে নিবনুৱা সমস্যা সামধান কৰিম বুলি প্ৰতিজ্ঞা কৰিছে। কিন্তু আমি আজিলৈকে এই সমস্যা সমাধান কৰাৰ কোনো ব্যৱস্থা দেখা পোৱা নাই। জনতা চৰকাৰ কিয় মাৰকচিচ্ট চৰকাৰ হলেও কেৱল অধ্যাদেশ জাৰি কৰি কমিটি, কমিচন,

বহুৰাই সমস্যা সমাধান কৰিব নোৱাৰে। সেই কাৰণেই মই এই বিলাক সমস্যা ডাঙি ধৰিছো। আজি সদস্য সকলে অকিচাৰে কৰা দুৰ্নীতি বিলাক ডাঙি ধৰিছে। কিন্তু যি বিলাক দুৰ্নীতি হৈছে সেই বিলাক দুৰ্নীতিৰ মূল কত সেই বিলাক কৃহিয়াই চাব লাগিব। এই বিলাক উতমাটন কৰিব নোৱাৰিলে দুৰ্নীতিও দূৰ কৰিব নোৱাৰিব।

উপাধ্যক্ষ মহোদয়, মই এপ্ৰেপ্ৰিয়েচন বিলৰ সম্পৰ্কত এই বিলাক কথা কব লাগিব। কাৰণ শিক্ষাৰ ক্ষেত্ৰত মোৰ বহুত বিলাক কথা কবলগীয়া আছিল কিন্তু গি টিন হৈ যোৱাৰ কাৰণে মই কবলৈ নাপালো। সেই কাৰণে মই নতুন চৰকাৰক সকিয়াই দিব খুজিছো যদি ব্যাপক ভাবে অসমৰ শতকৰা ৯১ জন জনসাধাৰণৰ প্ৰতি যদি গুৰুত্ব দিয়া নহয় তেতিয়াহলে কংগ্ৰেছ চৰকাৰক জনতাই যেনেকৈ আঁতৰাই পঠিয়ালে সেই দৰে জনতা চৰকাৰকো জনতাই আতৰাই পঠিয়াব

Mr. Deputy Speaker :— Order, order. I would like to refer to Rule 154 (3) of the Rules of Procedure of this House for the information of the Hon'ble Members. According to this Rule, the debate on an Appropriation Bill shall be restricted to matters of public importance or administrative policy implied in the grants covered by the Bill which have not already been raised while the relevant demands for grants were under consideration. গতিকে একেটা বস্তুকে কৈ থাকিলে আমাৰ আলোচনাৰ অন্ত নহ'ব। সেই কাৰণেই মাননীয় সদস্য সকলে লক্ষ্য ৰাখি কলে ভাল হয়।

শ্ৰীফনী মেধী :— মাননীয় উপাধ্যক্ষ মহোদয়,

Mr D.puty Speaker :— Order orders.

শ্ৰীফনী মেধী :— মাননীয় উপাধ্যক্ষ মহোদয়, অৱদাৰ অৱদাৰ কয় নালাগে মই আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্রীনুরুল হুদা ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই যে প্রশ্নটি, এই যে সমস্যাটি এটা এই কদিন আলোচনার মধ্যে আসেনি বলে আমি উতথাপন করছি। সেটা হলো, রাজ্যিক সরকারী কর্ম্মচারীদের যেসব সমস্যা বেশ কয়েক বছর ধরে ঝুলন্ত অবস্থায় রাখা হয়েছে। এটা নিশ্চয়ই অনস্বীকার্য্য যে পূর্বতন সরকারই এই ধরনের সমস্যার সৃষ্টি করেছে। কিন্তু তবুও যেহেতু নতুন জনতা সরকার শ্রমিক এবং কর্ম্মচারীদের ব্যাপারে একটা নতুন দৃষ্টি ভঙ্গি নিয়েছেন, তাই আমরা আশা করি যে এই লক্ষাধিক রাজ্যিক কর্ম্মচারী যারা আমাদের রাজ্যে রয়েছেন, যারা গত মার্চ মাস থেকে অর্থাত মার্চমাসের ২১ তারিখ-এ এবং তার পর থেকেও বেশ কয়েকবার আমাদের মাননীয় মুখ্যমন্ত্রীর সঙ্গে দেখা সাক্ষাত করেছেন এবং তাদের দাবী দাওয়ার কথা পেশ করেছেন, । তাদের প্রতি সরকার সহানুভূতিশীল হবেন। আমি শুধুমাত্র তাদে কথা কয়েকটি সমস্যার কথা এখানে উতথাপন করবো।

১নং সমস্যা হলো যে গত ৭৭ ইংরাজীরে মে মাসে এবং ডিসেম্বর মাসের দুইটি ধর্ম্ম ট হয়েছিল তখন তদানিন্তন কংগ্রেসী রাজ্য সরকার বেশ কিছু সংখ্যক কর্ম্মচারীকে শাস্তি দিয়েছিল ! তারা ৫ হাজার অস্থায়ী এবং ক্যাজুয়েল কর্ম্মচারীদের চাকরী থেকে বরখাস্ত করেছিল এবং বেশ কয়েকজন কর্ম্মচারীকে প্যানেল ট্রান্সফার অর্থাত শাস্তি মূলক বদলি করেছিল। তাছাড়া ৪ জন কর্ম্মচারীকে ডিসমিস করা হয়েছিল। এরমধ্যে ডিব্রুগড়ে দুইটি এবং ডাইরেক্টর অব ওণ্ডাটি্জের দুইজন কর্ম্মচারী। এই ব্যাপারে নতুন সরকারের কাছে বার বার বলা সত্বেও আমাদের নতুন মুখ্যমন্ত্রী কোন সিদ্ধান্ত কেন যে আজও নিতে পারেন নি তা ভেবে আমরা আশ্চর্য হচ্ছি।

তাদের ২ নং সমস্যা হলো, প্রাইস ইণ্ডেক্স ডিসপিউট। ১৯৭৬ ইংতে যে ৩০ টাকা ইন্টিরিম্ রিলিফ হিসাবে দেওয়া হয়েছিল নতুন সরকার এসে এই ৩০ টাকা ১৯৭৭ ইংরাজীর ডি এ' সঙ্গে মার্জ করার ফলে এই রাজ্য সরকারী কর্ম্মচারীদের ক্ষতি হয়েছে বলে তারা প্রতিবাদ জানিয়েছে। এই প্রাইস ইণ্ডেক্স ডিসপিউট এর ব্যাপারে নতুন সরকার এখনও যে কোন সিদ্ধান্তে কেন আসতে পারছেন না তা আমরা বুঝতে পারি না।

তাদের ৩ নং সমস্যা হলো যে পে স্কেল এর ব্যাপারে নানা এনোমেলি রয়েছে। এই ব্যাপারে দেখা যাচ্ছে যে সেক্রেটারিয়েটের এসিষ্টেন্টদের বেতনের হার ২৭৫ টাকা থেকে বাড়িয়ে ৩২৫ টাকা করা হয়েছে। কিন্তু বিভিন্ন জেলার ক্ষেত্রে একই কর্ম্মচারীদের বেতনের হার আগের মতই রয়েছে অর্থাত ২৪০ টাকা। সুতরাং এই ধরনের যে বৈষম্য আছে, এর প্রতিবাদে রাজ্যিক সরকারী কর্ম্মচারীদের যে সংগঠন আছে সেই সংগঠন আমাদের মুখ্যমন্ত্রীর কাছে বারবার আপত্তি জানিয়েছে। কিন্তু এই নিয়ে কোন সমাধান আজও হয়নি।

চার নং কথা হলো যে, আমারা ইতিমধ্যে শুনেছি যে শ্রী আর, এস, পরমশিভম, আই এ এস 'এর নেতৃত্বে এই মাসের ১লা তারিখ সরকার একটি কমিটী গঠন করেছেন, অবশ্য আমি জানি না একথা কতদুর সত্য, কিন্তু একথা শুনেছি যে রাজ্য সরকারের কর্ম্মচারীদের বেতন হারে যে এনোমেলি আছে এই এনোমেলির ব্যাপারে এই কমিটী নাকি ৩ মাসের মধ্যে রাজ্য সরকারের কাছে রিপোর্ট দাখিল করবে। উপাধ্যক্ষ মহোদয়, আপনি নিশ্চয়ই জানেন যে বহুদিন যাবত্ এই এনোমোলর ব্যাপরে রাজ্য সরকারের কর্ম্মচারদের বহু অভিযোগ রয়েছে। সুতরাং এই পরিপ্রেক্ষিতে এই কমিটীতে রাজ্য সরকারী কর্ম্মচারীদের এসোসিয়েশনের একজন প্রতিনিধিকে সদস্য হিসাবে যদি না নেওয়া হয় তাহলে স্বার্থ সংরক্ষিত হবে না। উপাধ্যক্ষ মহোদয়, আপনি জানেন যে পশ্চিম বাংলায় এবং অন্যান্য রাজ্যে ও এই ধরনের কমিটিতে শ্রমিক কর্ম্মচারীদের প্রতিনিধি নেওয়া হয়েছে। সুতরাং আমাদের রাজ্য সরকারী কর্ম্মচারীদের দাবী হলো যে তাদের তরফ থেকে যেন একজন প্রতিনিধিকে এই পরমশিভম্ কমিটীতে নেওয়া হয়।

মহোদয়, তাদের ৫ নং অভিযোগ হলো যে অতি সম্প্রতি বিভিন্ন জেলায় তৃতীয় শ্রেণীর বিভিন্ন কর্ম্মচারীদের বিভিন্ন স্থানে ট্রেন্সফার করা হয়েছে। উপাধ্যক্ষ মহোদয়, আপনি জানেন যে তৃতীয় শ্রেণীর কর্ম্মচারীরা বেশী বেতন পান না এবং তাদের বেতন ২৫০ টাকা থেকে বেশী হলে ৪০০ টাকা পর্যন্ত, তার বেশী নয়। সুতরাং তাদেরে যদি এইভাবে এক স্থান থেকে অন্য স্থানে ট্রেন্সফার করা হয়, তাহলে তাদর কি অসুবিধা হবে

তা নিশ্চয়ই আপনি অনুনান করাতে পারবেন। কারন, আমাদের রাজ্যে বড় বড় যে সব অফিসার আছেন, তাদের বাসস্থান এবং অন্যান্য সুযোগ সুবিধা থাকার জন্য ট্রেন্সফার করা হলে তাদের কোন অসুবিধা হয় না। কিন্তু নিম্নপদস্থ কর্ম্মচারীরা তো এই সব সুযোগ সুবিধা পান না। সুতরাং আমি মাননীয় মুখ্যমন্ত্রী মহোদয়কে বিশেষ ভাবে অনুরোধ করব যে রাজ্যিক সরকরী কর্মচারীরা যে সমস্ত সুযোগ সুবিধা থেকে বহুদিন যাবত্ বঞ্চিত হয়ে আছে এবং যার জন্য তারা ২ বার ( মে, ১৯৭৭ ইংতে এবং ডিসেম্বরে ) ধর্ম্মঘটে নামতে বাধ্য হয়েছে, মুখ্যমন্ত্রী মহোদয় যেন সে গুলির প্রতি অত্যন্ত সহানভুতি সহকারে বিচার করেন। তাছাড়া, এইসব নিয়ে যাতে আবার ধর্ম্মঘটে নামতে না হয় তারজন্য রাজ্য সব কারের কর্ম্মচারীরাও বার বার মুখ্যমন্ত্রী মহোদয়ের কাছে ধর্ণা দিয়েছে। আমি আশা করব যে রাজ্যসরকার অত্যন্ত সহানুভূতির সঙ্গে তাদের যে সমস্ত নায্য দাওয়া আছে সেগুলির বিবেচনা করবে ন এবং এইসব সমস্যা সমাধানের একটা পথ বাতলে দেবেন।

মহোদয়, আমি আমার বক্তব্য আর বেশী দীর্ঘ করব না। কেবল আরও ২। ১টি কথা বলেই আমার বক্তব্য শেষ করব। উপাধ্যক্ষ মহোদর, আপনি হয়ত জানেন যে সমস্ত সরকারী গাড়ী আছে সেই গাড়ীগুলি সরকরের নিম্নস্তরের অফিসার থেকে আরম্ভ করে মন্ত্রী পর্যন্ত সকলের ব্যবহার করা সম্পর্কে সরকার কি নীতি বা দৃষ্টিভঙ্গী অবলম্বন করেন সেটা আমি আপনার মাধ্যমে জানতে চাই। কারন, আমরা দেখেছি যে সরকারী কাজ ছাড়াও বহু বে সরকারী কাজে, যেমন, ছেলেমেয়েদের স্কুলে পাঠাবার জন্য অফিসারগণ এইসব সরকারী গাড়ী ব্যবহার করেন। বিশেষতঃ আমি শিলচারের কথা বলছি যে স্কুলগুলি কাছাকাছি থাকা সত্বেও অফিসারগণ তাদের ছেলেমেয়েদের সরকারী গাড়ী দিয়ে স্কুলে পাঠান। প্রায়ই দেখা যায় যে অফিসের সময়ের আগে বা পরে অর্থাত, ১০টার আগে এবং ৫ টার পরে অফিসারগণ স্ত্রী পুত্র নিয়ে বাজারে যায়। এক্ষেত্রে আমি মন্ত্রীদের কথাও বলছি। তাছাড়া, এইসব গাড়ীর ড্রাইভার একজনই থাকে এং এই একজন ড্রাইভারের পক্ষে সকাল ৭টা থেকে আরম্ভ করে রাত ৮। ৯টা পর্যন্ত কি ভাবে কাজ করা সম্ভব এটা আমাদের বোধগম্য হয় না।

আমি এক্ষেত্রে অন্যান্য দেশের উদাহরন দিয়ে সময় নষ্ট করতে চাই না, কারন, এই সদনের সদস্যগণের একথা জানা আছে যে অন্যান্ত দেশে এবং বিশেষ করে যেগুলো উন্নয়নশীল দেশে বিপ্লব হয়েছে, সেই সমস্ত দেশের সরকার কি ভাবে গাড়ী ব্যবহার করে। কিন্তু, আমি এটুকু বলতে চাই যে নতুন জনতা সরকার যেন আগের সরকারের মতো গাড়ী ব্যবহার না করেন এবং কম পক্ষে যাতে গাড়ীর অপব্যবহার না হয় সেদিকে দৃষ্টি রাখেন। তাছাড়া ড্রাইভারদের কাজের যেন সময় নির্দ্ধারন করেন এবং যদি প্রয়োজন হয় তাহলে যেন দুইজন ড্রাইভার নিযুক্ত করার ব্যবস্থা করেন।

মহোদয়, আমি আর একটি কথা বলবো, সেটা হলো দূর্নীতির ব্যাপারে। আমাদের রাজ্য আসাম স্মল স্কেল ডেভলপমেন্ট কর্পোরেশন নামে একটি কর্পোরেশন আছে। এই কপো রেশন থেকে একজন বিশিষ্ট ভদ্রলোককে মাট্‌ন্ টেলো নামে একটি জিনষের ব্যবসা করতে দেওয়া হয়েছিল।

( ধ্বনি : মাট্‌ন্ টেলো কি ? )

এটা বোধহয় সাবান তৈরী করার জন্য ব্যবহার করা হয়। যাইহোক, এই ভদ্রলোক অন্যায় ভাবে, অবৈধভাবে এ সম্পূর্ণ মাট্‌ন্ টেলো বিক্রী করে ৪ লক্ষ টাকা উপার্জ্জন করেন এবং এজন্য এই ভদ্রলোকের বিরুদ্ধে রাজ্য সরকারের একটা সিভিল স্যুট আছে, একটা দেওয়ানী মামলা ঐ ভদ্রলোকের বিরুদ্ধে রাজ্য সরকারের তরফ থেকে করা হয়েছে। আমি বিগত সরকারের কথা বলছি। কিন্তু দেখা যায় যে এই ভদ্রলোকের বিরুদ্ধে এই সিভিল স্যুট থাকা সত্বেও তাকে ফকরুদ্দিন আলী আহমেদ স্পোর্টস ফেডারেশনের একজন বিশিষ্ট কর্ম্মকর্তা হিসাবে নিয়োগ করা হইয়াছে। আমি জানতে চাই যে এই ব্যাপারটা কতদূর সত্য। এবং যদি সত্য হয় তাহলে এই রকম একজন দুর্নীতিগ্রস্ত ব্যক্তিকে আমাদের আসাম রাজ্যের একজন বিশিষ্ট সন্তানের নামে যে স্পোর্টস ফেডারেশন করা হয়েছে অর্থাত ফকরুদ্দিন আলীআহমেদ স্পোর্টস ফেডারেশম, সেই খানে তাকে বসানোর কি যুক্তি থাকতে পারে তা আমি সরকারের নিকট থেকে জানতে চাই।

শ্ৰীখগেন বৰবৰুৱা : উপাধ্যক্ষ মহোদয়, জনতা লোক দলে আৰু চৰকাৰে গান্ধীৰ কথা বেচিকৈ কয়। গীতাত পঢ়িছিলো 'যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভবতি ভাৰত, অভ্যুস্তানম্ অধৰ্ম্মস্য তদাত্মানাং সৃজাম্যহম পৰিত্ৰাণায় সাধুনাং বিনাশয় চ দুস্কৃতাম, ধৰ্ম্মসং স্থাপনাৰ্থায় সম্ভবামি যুগে যুগে ।"তেওঁলোকে যদি ধৰ্ম আৰু ন্যায় প্ৰতিষ্ঠা কৰিবৰ কাৰণে জন্ম গ্ৰহণ কৰে এইটো খুব ভাল কথা। গান্ধী নীতি আৰু তেওঁখেত সকলৰ যি বক্তব্য তাৰ লগত বিৰাট পাৰ্থক্য আছে। গান্ধীয়ে দুৰ্নীতি কৰিবলৈ কোৱা নাই। ইয়াৰ আগতে দুৰ্নীতি নকৰো বুলি প্ৰস্তাব গৃহীত হৈ আছে। দুৰ্নীতি গোটেই প্ৰশাসন যন্ত্ৰৰ ভিতৰত আছে। তাক কেনেকৈ দুৰ কৰিব পাৰি ? গান্ধী নীতিৰ পৰিপ্ৰেক্ষিতত শিক্ষা বিস্তাৰ কৰিব লাগে সকলোৱে যাতে গান্ধীনীতিৰ কথা বুজি পায়। মন্ত্ৰী সকলে কৈছে কোনোবা এজনে দুৰ্নীতি কৰিলে শাস্তি বিহা হব, গান্ধীজীয়ে শাস্তি বিহিবলৈ কৈছিল নেকি ? কোনোবা কৰ্মচাৰীয়ে যদি দুৰ্নীতি কৰিছে তেনেহলে মন্ত্ৰীয়ে অনশন কৰিব লাগে অফিচাৰৰ ঘৰৰ আগত সত্যাগ্ৰহ কৰিব লাগে। এইটোহে গান্ধীৰ মত। গান্ধীৰ নীতি অন্তৰ পৰিবৰ্ত্তন কৰা শাস্তি দিয়া হয়। আজি গান্ধী টুপী জনতা ইও পিন্ধে। কংগ্ৰেছে ও কৰে প্ৰতিদানে কব খুজে তেওঁ-লোক প্ৰকৃত গান্ধীবাদী, আন এদলে কব তেওঁলোক প্ৰকৃত গান্ধীবাদী। গান্ধীবাদী নীতিৰ শিক্ষা প্ৰাইমাৰী স্কুলৰ পৰা বিশ্ববিদ্যালয় প্ৰৰ্য্যন্ত কৰক তাৰ বাবে কিতাপ পৰিবৰ্তন কৰক। আমাক পঢ়াইছিল যা স্বভাৰোহি যস্য ধৰ্ব্য তস্যাযো দূৰতি ক্ৰমস্বা। যদি কিৰতে ৰাজা সঃ কিং নায্যাকি উপাছনয

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত : এইটো কোৱাটো ভাল হোৱা নাই। কুকুৰক ৰজা পতা কথা কৈছে।

শ্ৰীখগেন বৰবৰুৱা : কিতাপত পঢ়া কথা কৈছো। কিতাপ ফালি পেলাওক।

শ্ৰীভুবনেশ্বৰ বৰ্মণ : এই উদাহৰণ পাবলিক মিটিঙত খাটে।

শ্ৰীখগেন বৰবৰুৱা : কিতাপত থাকিলে কিয় নহব ? কুকুৰক ৰজা কৰিলে জোতা কামুৰিব॥

( গণ্ডগোল )

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত : কুকুৰক ৰজা কৰিলে জোতা কামুৰিব এইটো কোৱাটো ভাল হোৱা নাই ।

শ্ৰীখগেন বৰবৰুৱা : ভেটিত নিচা বহিলে ভেটি খাৰ । কোৱাণত আছে অৰ্কাতুন কি চবি নিন্নছিন নাজি না মাকুম্বানা· সবাতুন আ তাহ্ ।

যদি কোনোবাই পাপ কাম কৰে , ভগৱানে তেওঁৰ নামত পাপ লিখিব আৰু যদি কোনোবাই দেখিও প্ৰতিকাৰ নকৰে ভগৱানে তেওঁৰ নমতো লিখিব । এইটো ভাব দৰ্শনৰ কথা । এতিয়া সকলো কিতাপ পত্ৰ পৰিবৰ্ত্তন কৰি গান্ধী নীতিত যদি শিক্ষা দিব নোৱাৰে তেনেহলে কেতিয়াও গান্ধীয়ে বিচৰা মতে নৈতিক চৰিত্ৰ উন্নতি হব নোৱাৰে । সেইদিনা আমাৰ পাৰ্লিয়ামেণ্টৰী মন্ত্ৰীয়ে কৈছিল যে, যিবিলাক ৰেয়া কিতাপ প্ৰচলিত হৈছে সেই বিলাক আতৰ কৰা হব বুলি কৈছিল । " কিন্তু ভি কুইন্সিৰ কনফেচন অব এন অপিয়াম ইতাৰ ( Confes ion of an opium cake ) নামৰ কিতাপত কোৱা হৈছে যে, জাৰ কালি আহোতে এদিন কানি খাই বৰ ভাল লাগিছিল । গতিকে গান্ধী নীতি চলাবলৈ হলে কিতাপ বদলি কৰিব লাগিব । গান্ধী নীতিত খাপ খোৱা কিতাপ আনিব লাগিব । দ্বিতীয় কথা হৈছে শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিটো যেটো ৰেচিও হৈছে সেইটো ভুল হৈছে ।

(সময়ৰ সংকেট)

মোক আৰু সময় দিব লাগিব । কাৰণ মাজতে মোৰ দিষ্টাব কৰিছে । এজন শিক্ষকৰ ৪০ জন ছাত্ৰ কেনেকৈ এইটো ঠিক হৈছে ? বুজি পোৱা নাই । নালন্দা বিশ্ববিদ্যালয়ত ছাত্ৰ আছিল ১০,০০০ হাজাৰ শিকক্ষ আছিল ১৫০০ শিক্ষাৰ পদ্ধতি মেচিনাৰিটো ভাল হব লাগে । আমি বৰ্ত্তমান টকা বিচাৰিছো আমাক টকা লাগে । আমাৰ এই বাজেটত দৰিদ্ৰ মানুহৰ বহুত টকা সোমাই আছে । আমাৰ পিন্ধা কাপোৰ, আমাৰ ফাউণ্টেইন পেন এই বিলাকতো টেক্সৰ লগেদি ৰাইজৰ বহুত টকা সোমাই আছে । আমি টকাৰ সদব্যৱহাৰ কৰিব লাগে । সদব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি প্ৰথমে দৰিদ্ৰ

শ্ৰেণীৰ প্ৰতি লক্ষ্য কৰিব লাগিব। আমাৰ দেশৰ কেইটামান ডাঙৰ সমস্যা আছে সেই বিলাক আমি শেষ কৰাৰ ব্যৱস্থা কৰিব লাগিব। টকা পইচা খৰচ কৰাত আপত্তি নাই।

মহোদয়, আমাৰ সীমা নগালেন্দৰ লগত অৰুনাচলৰ ঠিক হোৱা নাই এতিয়াও তাৰ কোন মীমাংসা হোৱা নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— আমি আমাৰ সীমা বিবাদ নাই বুলি কৈছো। মাননীয় সদস্য সকলে এই সম্পৰ্কে ইতিমধ্যে আলোচনা বিলোচনা কৰিছে। তেখেতে নিশ্চয় জানে আৰু আমাৰ মাননীয় সদস্যই নিশ্চয় এই সম্পৰ্কত আমাক সহায় কৰিব। পুনৰ সেই বিষয়টো উত্থাপন নকৰিলে ভাল হয়।

শ্ৰীখগেন বৰবৰুৱা :— আমাৰ শিল্পৰ ক্ষেত্ৰত চাকৰিৰ ক্ষেত্ৰত আমাৰ দৰিদ্ৰ জনসাধাৰণ জন সাধাৰণৰ নানা অসুবিধা হৈছে। আশাকৰো জনতা চৰকাৰে ১০ বছৰে ভিতৰত আমাৰ যিটো নিবনুৱা সমস্যা দুৰ কৰিম বুলি কৈছে। আজি জনতা চৰকাৰ হোৱা ভাৰতত ১ বছৰ পাৰ হৈ গল কিন্তু একো সমাধান নহল। আনহাতে অহা ১০ বছৰত ১৪ কোটি লোক বাঢ়িব আৰু বহুতো নিবনুৱা বাঢ়ি যাব। আমাৰ যিবিলাক গেচ আছে সেইবিলাকৰ ক্ষেত্ৰত দিনে ৪০ হাজাৰ টকাৰ গেচ নষ্ট হৈছে। সেই গেচ মানুহৰ ঘৰৰ চোতাললৈ পঠুচাই দি নানা ৰকমৰ সৰু সৰু উদ্যোগ প্ৰতিষ্ঠা কৰিব পাৰে কটাৰি, চিপাৰাং আদি গেচৰ সহায়ত তৈয়াৰ কৰিব পাৰে তাৰোপৰি মেঞ্জোত সাৰ কাৰখানা, তেল শোধনাগাৰ আদি প্ৰতিষ্ঠা কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আমাৰ অসমৰ বাহিৰত যিবিলাক উদ্যোগ আছে বা শিল্প আছে সেই বিলাকৰ হেড অফিচ অসমৰ ভিতৰলৈ আনিব লাগে। এসময়ত কথা আছিল নাঙল যাৰ মাটি তাৰ তাৰ পিচত পইচা যাৰ, চাকৰি তাৰ তাৰ পিচত এতিয়া লাঠি যাৰ চাকৰি তাৰ এই ধ্বনি আহিছে। গতিকে দৰিদ্ৰৰ পইচা যাতে সদ ব্যৱহাৰ হয়। তাৰ কৰণে আমাৰ নতুন

চৰকাৰে চাব লাগে । নহলে জনতা চৰকাৰ তিষ্ঠিব নোৱাৰে ।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) ঃ— মাননীয় উপাধ্যক্ষ মহোদয় এই পৱিত্ৰ বিধানসভাত মাননীয়সদস্য সকলে এপ্ৰপ্ৰিয়েচন বিলৰ ওপৰত যি পৰামৰ্শ সমূহ আগবঢ়াইছে তাৰ কাৰণে মই মাননীয় সদস্য সকলক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতাজ্ঞাপন কৰিছো । তেখেত সকলে যিবিলাক পৰামৰ্শ আগবঢ়াইছে আমি মন্ত্ৰী সভাৰ সদস্য সকলে তেখেত সকলৰ পৰামৰ্শ বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে যি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা নিশ্চয় লব । আমি এই চৰকাৰ গঠন কৰা আজি প্ৰায় ৩ মাহ মাত্ৰ হৈছে আজি আমাৰ মুখ্যমন্ত্ৰীয়ে জনতা চৰকাৰৰ ১০০ দিন হৈছে বুলি এটা আৰ্টিকাল দৈনিক অসম আৰু ট্ৰিবিউনত লিখিছে । সেইটো সকলোৱে নিশ্চয় পঢ়িছে ।

( আমি এতিয়াও পঢ়া নাই )

মাননীয় বিধায়ক সকল মই এই কথা কব বিচাৰিছো যে, ইমান কম সময়ৰ ভিতৰতে তেখেত সকলক সন্তুষ্ট কৰিব পৰা হয়তো আমি কাম কৰিব পৰা নাই, কিন্তু আমি যত্ন আৰু চেষ্টাৰ ত্ৰুটি কৰা নাই ।

কিন্তু আমি যত্ন আৰু চেষ্টাও নাই । যি দিন আগতে আহিছে তেখেত সকলে আমাৰ ভৱিষ্যতৰ কাৰ্য্যকলাপৰ ওপৰত সন্তুষিত হব পাৰিব । আজি আমাৰ জনতা চৰকাৰৰ ফালৰ পৰাই হওঁক বা আমাৰ মন্ত্ৰী সভাৰ ফালৰ পৰাই এই আশ্বাস আপোনালোকক দিব পাৰিম যে, আমি এটা নিকা চৰকাৰৰ প্ৰতিষ্ঠা কৰিবলৈ যি আশা ৰাখিছো তাক আখৰে আখৰে পালন কৰিম । আমাৰ মাননীয় মুখ্যমন্ত্ৰী আৰু যি সকল মাননীয় মন্ত্ৰীয়ে তেখেত সকলৰ বিভাগৰ ওপৰত কবলৈ সুবিধা পাইছিল সেই সকলে তেখেত সকলৰ বিভাগ সমূহৰ সম্বন্ধে ইতি মধ্যেই বহুত কথা কৈছেই । কেইটামান বিভাগৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উতথাপনৰ কাৰণে সময় নোহোৱাৰ বাবে মাননীয় সদস্য কেইজনমানে কিছু কথা কবলৈ সুবিধা নেপালে । এতিয়া সেই বিলাক কথা কবলৈ সুবিধা পাইছে আৰু কৈছে । গতিকেই মই সেই বিষয়ে বিভাগীয় মন্ত্ৰী সকলৰ হৈ উত্তৰ দিবলৈ চেষ্টা কৰিম । কিন্তু সময়ৰ অভাৱৰ

কাৰণে হয়তো গোটেই খিনি কথা কৈ শেষ কৰিব নোৱাৰিবও পাৰো। মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বড়া ডাঙৰীয়াই আমাৰ ধাৰৰ মাত্ৰা বাঢ়ি যোৱাত উদ্বেগ প্ৰকাশ কৰিছে। লগতে আমাৰ পৰিকল্পনা বিলাকো থিকমতে হোৱা নাই বুলি আক্ষ্যেপ প্ৰকাশ কৰিছে। তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছোঁ। মই মোৰ বাজেট বক্তৃতাতো সেই একেই কথা কৈছোঁ, আৰু এতিয়াও তেখেতক আমি এই আশ্বাস দিব পাৰিম যে, ভৱিষ্যতে আমাৰ যি বিলাক পৰিকল্পনা হব সেই বিলাকত যি ধন ব্যয় কৰা হব সেইবিলাক যাতে 'প্ৰডাক্টিভ' কামত খৰছ হয় কাৰণে চুকা নজৰ ৰাখিম। চৰকাৰী চাকৰিয়াল সকলৰ সম্পৰ্কেও তেখেতে কিছু কথাৰ উল্লেখ কৰিছে। তেখেতে কৈছে যে. আমি যি টকা খৰছ কৰো তাৰ হিচাবদিব নোৱাৰো। মই তেখেতক কব খুজিছো যে, ১৯৭৭-৭৮ চনৰ এই কালছোৱাত চাকৰিয়াল সকলৰ কাৰণে আমি দৰ্ম্মহাত ৭২ কোটি টকা খৰছ কৰিছোঁ। এইটো অসমৰ ৰেভিনিউ ৰিচিপ্টৰ ৭৫ ভাগ। গোটেই ৰাজ্যতে ৰেভিনিউ ৰিচিপ্ট ৩১ ভাগ হয়। ১৯৭৮-৭৯ চনত যিমান টকা চাকৰিয়াল সকলৰ কৰণে বিশেষকৈ দৰ্ম্মহা আদিৰ ক্ষেত্ৰত খৰছ হব তাৰো হিচাব আছে। কিন্তু এইখন এষ্টিমেটহে গতিকে সদনত দাখিল কৰিব খোজা নাই। চৰকাৰী কৰ্ম্মচাৰীৰ সংখ্যা হল, ১.৩৯ লাখ৬০০ জন তাৰ মানে আমাৰ জনসংখ্যাৰ শতকৰা এভাগতকৈও কম। গতিকে ইয়াৰ পৰা দেখা যায় যে আমাৰ ৰাজ্য খনত সৰহ সংখ্যক টকা চাকৰীয়াল সকলৰ দৰ্ম্মহা দিওঁতেই খৰচ হয়। মাননীয় সদস্য সকলে চৰকাৰী চাকৰিয়াল সকলৰ দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। বিশেষকৈ আমাৰ মাননীয় সদস্য শ্ৰীআবেদিন ডাঙৰীয়াই ধুবুৰীৰ এছ, ডি, চি এজনৰ দুৰ্নীতিৰ কথা উল্লেখ কৰিছে। মই আশা কৰিছো আৰু আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়েও ইয়াৰ আগতেই কৈ গৈছে যে. মাছৰ প্ৰথমতে মূৰটোহে পচে। তাৰ পিছতহে গা পচে। ইয়াৰ অৰ্থ হৈছে এইটোৱেই যে, মন্ত্ৰী সভাৰ সদস্য সকলৰ কাম কাজ যদি নিকা হয় তেতিয়া হলে, চৰকাৰী চাকৰিয়াল সকলো নিকা হবলৈ যত্নপৰ হব। মই মাননীয় সদস্য জনক জনাব খুজিছো যে, যি জন এছ, ডি, চিৰ-কথা কৈছে সেই জনৰ বিৰোদ্ধে ইতিমধ্যেই অনুসন্ধান আৰম্ভ হৈছে। তেখেতৰ পৰা টকা বিলোৱাৰ কামটো।

আনি এছ, ডি, অ-ক দিয়া হৈছে । লগে লগে ১৯০ আৰু ১৫০ টকা দিয়াৰ যিটো অভিযোগৰ কথা কোৱা হৈছে সেইটোৰো এটা সুমীমাংসা হব আৰু ভবিষ্যতে তেনে নহব ।

মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই 'এগ্ৰিকালচাৰ, ভূমি ৰাজহ আৰু উচ্ছেদৰ কথা কোৱাৰ উপৰিও বিত্ত বিভাগলৈ কিছু পৰামৰ্শ আগবঢ়াইছে । তেখেতৰ পৰামৰ্শ আমি বিবেচনা কৰিম । উচ্ছেদৰ সম্পৰ্কত তেখেতে যিটো কথা কৈছে আৰু আন এজন মাননীয় সদস্যইও কৈছে যে, আগলৈ আৰু উচ্ছেদ নহব । মই মাননীয় সদস্য জনক কব খোজোযে, মাননীয় মূখ্যমন্ত্ৰীয়েও কৈছিল যে, 'আমি সন্থহতে এতিয়া উচ্ছেদ বন্ধ ৰাখিছোঁ' । এই সম্পৰ্কে মই আমাৰ মাননীয় সদস্য সকলক আৰু এই সদনক জনাব খোজোযে, আমাৰ এনে কিছুমান ভূমি আইন আছে যি বিলাক আইনৰ দ্বাৰা আমাৰ কিছুমান মাটি 'চেটেলমেণ্ট' দিয়াৰ পৰা আমি ৰিজাৰ্ভ কৰি ৰাখিছোঁ । সেই মাটি কাকো দিব পৰা নেযায় । এনে কিছুমান মাটি আইন মতে কোনো মানুহক পতন দিয়াতআইন মতে বাধা আছে । সেই মাটি যদি কোনো লোকে বেদখলকৰে তেতিয়াহলে, আইনৰ ধাৰামতেই তাক উচ্ছেদ কৰিবৰ কাৰণে চৰকাৰৰ অধিকাৰ আছে । আমাৰ মাননীয় ৰাজহমন্ত্ৰীয়ে পাতি দিয়া 'লেণ্ড ৰিফৰ্ম্মছ কমিশ্যনে' সকলো বিলাক কথা পুংখানুপুংখ ভাৱে পৰীক্ষা কৰি চাব আৰু চৰকাৰক সিদ্ধান্ত আদি লোৱাৰ ক্ষেত্ৰত সহায় কৰিব । লগতে এই বিষয়ে মাননীয় সদস্য সকলেও পৰামৰ্শ আদি অগবঢ়ালে সেইটো প্ৰশংসনীয় হব । যি বিলাক আইন আছে প্ৰয়োজন হলে সেই বিলাক সংশোধন কৰা হব আৰু সংশোধন কৰাৰ ক্ষেত্ৰত এই কমিশ্যনে যি পৰামৰ্শ চৰকাৰক দিব সেই পৰামৰ্শ মতে চলিবলৈ আমি চেষ্টা কৰিম মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহম্মদ ডাঙৰীয়াই কিছুমান আইন আৰু নীতিৰ বিষয় কৈছিল । তেখেতে আধিয়াৰ আইনৰ কথাও উল্লেখ কৰিছিল । ৰায়তী খতিয়ানৰ কথাও তেখেতে কৈছিল কিন্তু মই তেখেতক কব খোজো আধিয়াৰ আইন আৰু এতিয়া নাই । ১৯৭১ চনত 'টেম্পৰেৰি চেটেল area টিনেন্সি এক্ট খনপোৱাৰ পিছত আধিয়াৰ সকলক 'অকেপেন্সি ৰায়ত হিচাৰে গণ্য কৰা হৈছে । সেই আইন অনুযাবী ৰায়তী খতিয়ান প্ৰস্তুত কৰিবৰ কাৰণে আদেশ জাৰি কৰিবপাৰে ।

সেই আইন অনুযায়ী চৰকাৰে যি কোনো এলেকাৰ কাৰণে এই ৰায়তী খটিয়ান প্ৰস্তুত কৰিবৰ কাৰণে নিৰ্দ্দেশ জাৰি কৰিবপাৰে, আৰু ইতিমধ্যে কিছু কিছু ঠাইত এই ৰায়তী খটিয়ান দিয়াৰ ব্যৱস্থা কৰা হৈছে এইক্ষেত্ৰত উল্লেখ কৰিব পৰি আইন যুগুত কৰিলেই নহব, আইন বিলাক যাতে বিধি গত ভাবে ব্যৱহাৰ কৰা হয় আৰু যি সকলৰ কাৰণে এই আইন বিলাক কৰা হৈছিল সেই সকলে যাতে তাৰ পৰা সহায় পাই তাৰ কাৰণে অৱশ্যকীয় ব্যৱস্থা হাতত লব লাগিব কেৱল আইন কৰি কাৰ্য্য-কাৰী কৰিব নোৱাৰিলে সেইটো কিতাপতে থাকিব। টি. এচ, Area Tenancy এক্ট মতে যি নিয়ম কৰা হৈছিল সেই আইন অনুযায়ী তিনি বছৰ দখলত থাকিলে সেই ৰায়ত অকুপেন্সী Tenant হব আৰু সেই মতে যি সকল ৰায়ত আছে সেই সকলে মালিকৰ অধিকাৰি হব পাৰে আৰু তাৰ কাৰণে বিধি বিধান আছে এই বিধি থকাৰকাৰণে মালিক সকলে উঠি পৰি লাগিছে যাতে ৰায়ত সকলে খটিয়ান নাপায়। ৰায়তী সকলে দৰ্খাস্ত কৰিলে আৰু তাৰ পাচত প্ৰিমিয়াম দিলে মালিকিস্বত্ব পাব। কিন্তু এই ৰায়তীসকলে যাতে খটিয়ান নাপায় তাৰ কাৰণে মালিক পক্ষ্যই চেষ্টা কৰি আছে। চৰকাৰৰ ফালৰ পৰা এই বিষয়ত সহায় পালে সেই আইন বলবত্ কৰোতে চৰকাৰে নিজেই সদইচ্ছাৰে যদি কাৰ্য্যকৰে তেতিয়াহলে ৰায়তীসকলে যি সুবিধা আইনমতে পাব লাগে সেই সুবিধা নিশ্চয় পাব। কিন্তু এতিয়ালৈকে তেনে সুবিধ নথকাৰ কাৰণেই এই আইন থকা স্বত্বেও সুবিধা বিলাক দুখিয়া ৰায়ত সকলে লব পৰা নাই। এই খিনিতে মই এটা কথা কব বিচাৰিছোঁ যে আমাৰ কেবাগৰকী সদস্যই আইন ব্যৱহাৰ কৰাৰ সময়ত অফিচাৰস কলে মালিক পক্ষ্য লোৱা বুলি কৈছে সেইটো কথা মই নিজে কিছু জানো কিয়নো মই বহু মালিকৰ হৈ উকালতী কৰি পাইছো গতিকে যদি চৰকাৰ এই ক্ষেত্ৰত আগবাঢ়ি নাহে তেতিয়াহলে এই ৰায়ত সকলোৰ সহায়ত সেই আইন নাহে। এই ৰায়ত সকলে যাতে আইন গত সহায় পায় যেনেকে Cr. Pc. মতে যদি কোনো আসামীয়ে টকা - পইচাৰ অভাবত কেচ defend কৰিব নোৱাৰে তেতিয়া চৰকাৰৰ পক্ষৰ পৰা এজন উকীল ধৰি দি তেওঁলোকক সহায় কৰা হয় সেইদৰে এই ৰায়ত সকলৰ হৈ চৰকাৰে উকিল আদি নিযুক্ত

কৰি দিব লাগিব, মই আশা ৰাখিছো। ৰাজহ মন্ত্ৰীয়ে এই বিষয়ে চিন্তা মাননীয় সদস্য সকলে এই বিষয়ে ৰাজমেলিৰ পৰা আশা কৰিব পাৰে যাতে বিভিন্ন বিষয়ত এই ৰায়তী সকলে চৰকাৰৰ পক্ষৰ পৰা যি খিনি সুবিধা পাব লাগে সেই খিনি পায়। মাননীয় সদস্য হুদা ডাঙৰীয়াই ফৰেষ্টৰ আইনৰ কথা কৈছিল আৰু তাত চলি থকা জমীদাৰ আৰু চোৰাং চিকাৰীৰ কথা কৈছে, এই ক্ষেত্ৰত ফৰেষ্ট বিভাগৰ মন্ত্ৰী মহোদয় আছেই, তেখেতে শ্ৰীসেগজনাথ নিশ্চয় এই বিষয়ে বিবেচনা কৰিব। কোৱা মতে এই পাৰমিট কেনে ভাবে দিয়া হৈছিল সেই কথা চৰকাৰে জানে। এই বিলাকৰ ব্যৱস্থাৰ বিভিন্ন বিভাগৰ মন্ত্ৰীয়ে লৈছে, বাকী যিবিলাক আসোঁৱাহ আছে সেই বিষয়ে আমাৰ মন্ত্ৰী সকল আৰু চৰকাৰ সজাগ। মাননীয় সদস্য সকলে আশা কৰিব পাৰে এই বিভাগত যি খিনি দূৰ্নীতি আছে বুলি কোন কোনে সদস্যই কৈছে সেই খিনি দূৰ কৰিবলৈ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই তেনে হব প্ৰভায় প্ৰয়োগ কৰিব পাৰিব।

মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই Financ বিভাগৰ কথা কৈছিল, মই আমাৰ বিভাগ থকা সমন্ধে কিছুমান বিধানৰ কথা কব বিচাৰিছো সেইটো হ'ল আমাৰ এই ফাইনেন্স ডিপাৰ্ট মেণ্ট সংবিধানৰ ১৬৮৩ ধাৰা অনুযায়ী চৰকাৰৰ কিছুমান নিয়ম আছে সেই নিয়ম মতে পৰি চালিত হয়। The Assam Rules of greatnue Buniss ৰুল ৩৩-৩৪ দফাত যি খিনি কথা কোৱা হৈছে তাত Finance Department কৰ্ত্তব্য আৰু দায়িত্বৰ কথা সন্নিবি কৰা হৈছে। তাৰ বাহিৰেও ফাইনেন্সিয়েল পাওয়াৰ দেলিগেট কৰিবৰ Delegation of Finacial power Rules এখন তৈয়াৰ কৰা হৈছে। কিন্তু সকলো গিনি দেলিগেট কৰাৰ সুবিধ নথকাৰ কাৰণে ফাইনেন্সলৈ আহিব লাগে। মই কব বিচাৰিছো বিত্ত বিভাগৰ কাৰণে কোনো বিভাগে অসুবিধা ভোগ কৰিব নালাগে। যেতিয়া আমাৰ বাজেটখন তৈয়াৰ হয়, তেতিয়া এটা এমাউণ্ট ধৰি দিয়া হয় আৰু সেইটো বেছিও হব পাৰে কমও হব পাৰে। গতিকে সকলো কথা পুংখানুপুখি ৰূপে বুজাই দিবৰ কাৰণে বিত্ত বিভাগে আৱশ্যকীয় সকলো তথ্য আৰু টকাৰ পৰিমাণে আন আন বিভাগৰ লগত অলোচনা কৰি আইন মতে কাৰ্য্য পৰিচালনা কৰাৰ ব্যৱস্থা কৰে। আমাৰ আই, এ, এচ আৰু চুপাৰ স্কেলৰ

বেছি হোৱা বুলি তেখেতে কৈছে। চৰকাৰে এইটো পৰীক্ষা কৰি চাব। জলসিঞ্চন বিভাগৰ কথা কোৱা হৈছে। তাত এজন অধীক্ষক অভিযন্তা, এজন কোৱালিটি কণ্ট্ৰ‌ল অফিচাৰ আছে। যি জনে মাননীয় সদস্য গৰাকীয়ে কোৱা কথাৰ বিষয়ে অনুসন্ধান কৰিব। তাৰোপৰি আমাৰ বিত্ত বিভাগৰ পৰাও এই বিষয়ে অনুসন্ধান কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। গতিকে তেখেতে নিশ্চত থাকিব পাৰে যে ইয়াত যদি কিবা দুৰ্নীতি আছে বা দুৰ্নীতি ধৰা পৰে তাৰ যথোচিত ব্যৱস্থা লোৱা হব। আকৌ তেখেতে কৈছে। সেই বিষয়েও অনুসন্ধান কৰা হব।

Shri M. Shamsul Huda :– Mr. Deputy Speaker Sir, one Minister is very peacefully sleeping.

*Shri Noorul Huda :— Mr. Deputy Speaker, Sir, one clarification. The allegation was against a high ranking officer- Chief Engineeror the Deputy Chief Engineer Now whether the responsibility of finding out the truth or enquiring into the allegation can be entrusted to an inforior subordinate officer ?

*Shri A. F. Golam Osmani Minister. Irrigation :— Sir, in the irrigation department, generally all sorts of allegations are enquired into by an officer who is called Quality Control Officer. He is as a officer of the rank of a Superintending Engineer. when any allegation comes the Department that allegation is investigated by the Quality Control officer otherwise in Case of criminal case under C. R. P. C. against higher or lower officers are enquired into by a police officer of the rank of S. I. or A. S. I.

Shri A tul Goswami :– Mr. Deputy Speaker, Sir :— Is it convincing ?

Shri Altaf Hussain Maiumdar := Mr. Speaker, Sir, this analogy does not stand in this case. The Officer

who is in Quality Control today, the day after tomorrow he may be under that Superior Officer and C. R. will be written by that superior Officer. Knowing all this who is that Suprintending Engineer who has the courage to go against his Superior Officer.

Shri Eiran Bezbarua : What is the rank of Officer who is going to enquire into the allegations ?

শ্ৰীকেশৱ গগৈ ( বিত্তমন্ত্ৰী ) :— উপাধ্যক্ষ মহোদয় ইয়াৰ আগতে মই কৈ গৈছো যে ফ ইনেন্স বিভাগৰ ফালৰ পৰা অনুসন্ধান কৰিবলৈ দিয়া হৈছে আৰু মই নিজেই এই বিষয়ৰ ওপৰত সম্পূৰ্ণ দৃষ্টি ৰাখিছো। গতিকে মাননীয় সদস্য সকলে এই বিষয়টো মোৰ ওপৰত এৰি দিলে মোৰ ফালৰ পৰা যি কৰিব লাগে মই কৰিম। মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই প্ৰশাসনীয় দুৰ্নীতি আৰু মন্ত্ৰী বৃন্দৰ আচৰণৰ বিষয়ে উল্লেখ কৰিছে। আমাৰ মাননীয় মন্ত্ৰী সকলৰ আচৰণৰ সম্বন্ধে ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিধি বিধান ৰচনা কৰিছে। মই ভাবো সকলোৱে এইটো শুনি সন্তোষ পাব আৰু জনতা চৰকাৰৰ যি সকল মন্ত্ৰী আছে সেই মন্ত্ৰী সকলৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি নীতি নিৰ্দ্ধাৰণ কৰিছে আৰু যি বিলাক বিধি বন্ধ কৰি দিছে সেই বিলাকৰ বাহিৰে মন্ত্ৰী সভাই কোনো কাম নকৰিব। তেখেতে আৰু এঠাইত টেলিফোন আৰু শিল্প-পত্ৰ দিহে প্ৰশাসন চলোৱা বুলি যিটো অভিযোগ আনিছে সেইটো সচাঁ নহয় আৰু ভৱিষ্যতেও যাতে তেনেদৰে কৰা নহয় তাৰ বাবে যথোপযুক্ত ব্যৱস্থা লোৱা হব। তাৰ পাছত তেখেতে ট্ৰেন্সপৰ্ট বিভাগৰ বিৰোদ্ধে যিটো কথা উত্থাপন কৰিছে সেই বিষয়ে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় ব্যৱস্থা লব বুলি আমি সকোলোৱে আশা ৰাখিব পাৰো।

আমাৰ মাননীয় সদস্য শ্ৰীনুকুল হুদা ডাঙৰীয়াই তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰী সকলক বদলি কৰাৰ সম্পৰ্কত তেখেতে জিলা প্ৰশাসনৰ কথা উল্লেখ কৰিছে : কিন্তু মই তেখেতক জনাব বিচাৰিছো যে জিলা প্ৰশাসনে বা ডি, চি 'যে কেতিয়াও ডিষ্ট্ৰীক্ট ট্ৰেন্সফাৰৰ কথা নাভাবে আৰু নকৰে। মাত্ৰ এটাই বিভাগ আছে যিটো ডিষ্ট্ৰীক্ট ট্ৰান্সফাৰ কৰে সেইটো হব পৰিবহণ

বিভাগ। এই ক্ষেত্ৰত মাননীয় সদস্য সকলে নিশ্চয় জানে যে জিলা পৰিবহণ অফিচৰ ভিতৰতো যি কেইজন কৰ্ম্মচাৰী বহুতো পুৰণি আৰু হৈ গৈছে সেই সকলৰ ক্ষেত্ৰতহে ডিষ্ট্ৰিক্ট ট্ৰ সফাৰৰ কথা ভবা হৈছে বাকী বিলাকৰ কথা ভবা হোৱা নাই। বাকী তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰীৰ অসুবিধাৰ কাৰণে যি সকলে ষ্ট্ৰাইকৰ কথা উল্লেখ কৰিছে সেই সকলৰ কথাও গুৰুত্ব সহকাৰে বিবেচনা কৰি আছে আৰু মই এই ক্ষেত্ৰত ইতিমধ্যে আশ্বাস দিছো। দৰ্ম্মহা 'এনামেলিচৰ' ক্ষেত্ৰত মই সিদিনাহে জানিব পাৰিছো যে এটা একাউন্টচ কমিটি কৰি দিয়া আছে। আৰু তাত আমাৰ ফালৰ পৰা ফাইনেনচিয়েল -কমিচনাৰো আছে আৰু ফাইনেনচিয়েল এডভাইজৰী অফিচাৰো আছে তেখেত্ত সকলে এইবিলাক চালিজাৰি চাব। লগতে আমাৰ ৰাজ্যত আৰু এটা দৰ্ম্মহা আয়োগৰ কথা চিন্তা কৰি আছো। ইতিমধ্যে চেণ্ট্ৰলত পে কমিচন নোহোৱাৰ কাৰণে ডিলে' হৈ আছে। এই পে-কমিচন হলেই এই এনামেলিচ বিলাকো অন্ত পৰিব বুলি আমি আশা ৰাখিছো। বাকী মাননীয় সদস্য সকলে যি বিলাক মূল্যবান পৰামৰ্শ আগবঢ়াইছে - সেইবিলাক মানি লৈছো আৰু সেই সকলোবিলাক বিষয়ৰ ওপৰত কবলৈ বৰ্ত্তমান সময়ৰ অভাব হৈছে। সেই কাৰণে মই সকলো মাননীয় সদস্য লৈ এই এপ্ৰিয়েচন বিলত অংশ গ্ৰহণ কৰাৰ কাৰণে ধন্য বাদ জ্ঞাপন কৰিছো আৰু তেখেত সকলৰ মূল্যবান পৰামৰ্শৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাইছো বৰ্ত্তমান মই সকলো মাননীয় সদস্য কে আশ্বাস দিব পাৰো যে তেখেত সকলে যি বিলাক কথা উথাপন কৰিছিল সেই সকলোবিলাকৰ বিষয়ে আমাৰ চৰকাৰে বিবেচনা কৰিব। ইয়াকে কৈ মই মাননীয় সদস্য সকলক এই এপ্ৰপ্ৰিয়েচন বিলখন গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো।

শ্ৰীতাৰিণী মোহণ বৰুৱা ঃ— উপাধ্যক্ষ মহোদয়, মোৰ এটা স্পষ্টীকৰণ আছে। এই জলসিঞ্চন বিভাগৰ দুনীতিৰ যিটো কথা ইয়াত উথাপন কৰা হল—সেই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ফাইনেনচ কমিচনাৰৰ দ্বাৰা অনুসন্ধান কৰিছে। ইয়াত যিসকল অফিচাৰ দুৰ্নীতিত অভিযুক্ত হৈ আছে সেই সকলক চাকৰিত ৰাখিব নে বদলি কৰিব ? আৰু এই সম্পৰ্কত যিটো অনুসন্ধান হব তাত আমাৰ সন্দেহ থাকি গল।

শ্ৰীকেশৱ গগৈ (বিত্তমন্ত্ৰী) ঃ— এই বিষয়ে লোকেল এক জামিনাৰক পৰিক্ষা নিৰিক্ষা কৰিবলৈ দিয়া হৈছে যদি প্ৰাইমাফেচী কেচ হয় তেতিয়া হলে তাৰ ব্যৱস্থা লোৱা হব ।

শ্ৰীঅতুল গোস্বামী :— এতিয়ালৈকে যিখিনি দৰকাৰী ফাইল তেওঁলোকৰ হাতত আছে- সেই বিলাক ইতিমধ্যে তেওঁলোকে জব্দ কৰিছে ।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— এই সম্পৰ্কীয় গোটেই বিলাক ফাইল ইতিমধ্যে লবলৈ কোৱা হৈছে আৰু কালিৰ ভিতৰতে ফাইলখিনি লৈ লবলৈ আদেশ দিয়া হৈছে ।

শ্ৰীঅজয় দত্ত ঃ— এই ফাইলৰ সংক্ৰান্তত আৰু এই দুৰ্নীতিৰ সংক্ৰান্তত যি সকল দুষ্ট বুদ্ধিৰ লোক জৰিত আছে সেই সকলক ছাচ্‌পেণ্ড কৰাই নহয় - সেই সকলক এৰেষ্ট কৰা হব নে নহয় ?

শ্ৰীকেশৱ গগৈ মন্ত্ৰী :— উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীঅজয় দত্তই যিটো কথা কৈছে- সেই সম্পৰ্কত মই তেখেতক জনাব বিচাৰিছো যে- এৰেষ্ট কেতিয়া হয় ? যেতিয়া তেওঁলোকৰ কোনো প্ৰাইমাফেচী কেচ থাকে তেতিয়াহে এৰেষ্ট কৰে । এই ক্ষেত্ৰত যদি তেওঁলোকৰ প্ৰাইমাফেচী কেচ আছে নে নাই অনুসন্ধান কৰাৰ পাছতহে জনাব পাৰিম ।

শ্ৰীযোগেন গগৈ ঃ— অসমত ১৬ লাখ ৰায়ত আছে ইতিমধ্যে প্ৰজাস্বত্ব আইনমতে তিনি লখ ৰায়ত তালিকভুক্ত হবলৈ এতিয়াও বাকী আছে। এতিয়া দেখা যায় যে—চৰকাৰৰ দুৰ্ব্বলতাৰ কাৰণে মাটিৰ মালিক সকলে বাঞ্চাল কৰিবলৈ সুবিধা পাইছে । গতিকে চিৰাচৰিত এই প্ৰজস্বত্ব আইন যোনকালে কাৰ্য্যকাৰী কৰক - যদি নকৰে অন্যান্য আইন বিলাকৰ ক্ষেত্ৰতো বাঞ্চাল নকৰিবৰ কাৰণে নিবেদন কৰা উচিত ।

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) :— সকলো কথাৰ ব্যৱস্থা লোৱা হব- কিন্তু মই মাননীয় সদস্য সকলক এই কথা কব পাৰো যে বেলেগ কানো আইন সাৰ্থক কৰিবলৈ দিয়া নহব ।

( Many honourable members rose to speak. )

Mr. Deputy Speaker :— No, no, I am on my legs. Enough of discussion has taken place on this. Now, I put the question that, "The Assam Appropration ( No. II ) Bill, 1978 be taken into consideration".

( The motion is adopted ).

Now, consideration clause by clause. I put/the motion that clauses 2 and 3 and the schedule do form part of the bill. ( The motion is adopted ).

I put the motion that ' Clause I, short title, preamdle, ensacting formula do form part of the bill.

(The motion is adopted )

Now, item 3(d).

Shri Keshab Chandra Gogoi (Minister) : - I begto move that the Assam Appropriation ( No. II ) Bill 1978 be passed.

শ্ৰীগোলোক ৰাজবংশীঃ-উপাধ্যক্ষ মহোদয়. বাজেটৰ ইয়াতে ডিটেইলচ আছে। মই এটা কথা কব খুজিছো। মাত্ৰ এটা পইন্টৰ ওপৰত। আশাকৰো এই ভাবে আগনাবাঢ়ি। তিনি মাহৰ ভিতৰত বিমান বোৰ্ড আদি জিলা পৰ্যায়ত গঠন কৰা হৈছে। সেই সকলো বিলাকতে এটা পাৰ্টিৰ মানুহ ৰখা হৈছো। ৰাজহুৱা সমৰ্থনৰ নামত পাৰ্টিৰ সমৰ্থন মতে কাম কৰি আছে। জিলা পৰ্য্যায়ত অনুসুচীত জাতি আৰু অন্যান্য পিচপৰা জাতি পৰিষদত একমাত্ৰ এটা পাৰ্টিৰ মানুহ।

( Noise in the treasury bench )

Shri Altaf Hussain Majumdar :— It is an incorrect statement. He should wiihdraw it. Because perssons have been taken faken from Congress and other parties also.

শ্ৰীগোলোক ৰাজবংশী :— ইয়াতে মই লিষ্ট লৈ আহিছো।

শ্ৰীভুবনেশ্বৰ বৰ্মণ :— একে পাৰ্টিৰ নহয় বুলি কৈছো ; যদি একে পাৰ্টিৰ হয় বুলি প্ৰমাণ কৰিব নোৱাৰে, তেতিয়া হলে কি হব।

শ্ৰীগোলোক ৰাজবংশী :— তেজপুৰ লিষ্টৰ কথা কৈছো মই ব্যক্তিগত ভাৱে জানো। অন্যান্য পিচপৰা সম্প্ৰদায় উন্নয়ন বোৰ্ডত জনতা পাৰ্টিৰ বাহিৰে আন মানুহ নাই।

শ্ৰীশান্তিৰঞ্জন দাসগুপ্ত :— নহয়। সেইটো নহয়।

(সদনত গোলমাল হয়।)

Shri Golak Rajbangshi :– Shri Inddr Kanta Bora is a defeated candidate of the Janata Party.

Shri Altaf Hussain Majumdar :– He should first withdraw the Statement he has made that in all other places of the State persons were appointed who members of Janata Party. This is a misleading statement.

শ্ৰীগোলোক ৰাজবংশী :– এইটো এটা মাৰাতক কথা অন্য দলৰ এম, এল, এ লোৱা নাই। এইটো মই দৃষ্টি আকৰ্ষণ কৰিছো।

Shri Dulal C. Baruah (Minister) : We should not create bad blood. There may be commission and commissions, but in general the Janata Govt. is against such things. I would request the hon. member to withdrawe the statement he has made so as to create a healthy atmosphere.

Shri Altaf Hussain Majumdar :— A point of order Sir, under what procedure this discussion is going on in the House.

Mr. Deputy Speaker : The hon. Minister for Parliamentary Affairs has said that there may be comission and commission, but there is no intention to do such things. Now, let us come to the real thing. I, now put the motion that " The Assam Appropriation ( No.II ) Bill, 1978 be passed.

The motion is passed, the bill is passed.

## CALLING ATTENTION

শ্ৰীমুকুট শৰ্ম্মা ঃ— উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৮ চনৰ ১৬ মে তাৰিখৰ দৈনিক জানমভুমী কাকতত প্ৰকাশিত "চৰলা পথাৰত অৱস্থান ধৰ্ম্মঘট" শীৰ্ষক বাতৰিটোলৈ বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো।

শ্ৰীৰমেশ মোহন কুলি (মন্ত্ৰী) :- মাননীয় অধ্যক্ষ মহোদয় যোৰহাট নগৰৰ পানী ওলাই যোৱা ব্যৱস্থা উন্নত কৰিবলৈ আৰু লগতে ভোগদৈৰ পানী টোকলাইৰ মূখেদি উজাই অহা বন্ধ কৰিবলৈ বান নিয়ন্ত্ৰণ বিভাগে এটা আঁচনি যুগুত কৰি ফেব্ৰুৱাৰী মাহৰ পৰা এই কাম হাতত লয়।

টোকলাই নৈৰ নামনি ছোৱাত ইয়াৰ গতি সলনি কৰি তৰাজানৰ লগ লগাই দিয়া কামটো এই আঁচনিৰ ভিতৰত পৰিছে। এই উদ্দেশ্যে চৰলা পথৰেৰ মাজেৰে এটা খাল বন্ধাৰ কামো এপ্ৰিল মাহৰ শেষৰ ফালে হাতত লোৱা হয়। কিন্তু কিছু সংখ্যক লোকৰ আপত্তিৰ বাবে কেইদিনমান কাম কৰি ইয়াক সাময়িক ভাবে স্থগিত ৰখা হয়।

চৰলা পথাৰৰ মাজেৰে খাল খন্দাৰ প্ৰতিবাদত এচাম লোকে সৰুচৰাই মহিলা সমিতিৰ যোগেদি সৰ্ব্বাই বন্ধাৰ চৰলা পথাৰত কৃষ্ণ নগৰ আলিৰ ওপৰত এপ্ৰিলৰ শেষ ভাগৰ পৰা অৱস্থান ধৰ্ম্মঘট পালন কৰিবলৈ লয়। প্ৰায় ১৫/২০ গৰাকী মহিলাই কিছু সংখ্যক সৰু সৰু লৰা ছোৱালী লগত লৈ ৰাতিপুৱা ৯ বজাৰ পৰা আবেলিলৈকে এই ধৰ্ম্মঘট এৰা ধৰাকৈ চলাই গৈছিল।

মাজতে উপায়ুক্তৰ লগত আলোচনা কৰি এই ধৰ্ম্মঘট ১২ মে তাৰিখৰ পৰা সাময়িক ভাবে স্থগিত ৰাখিছিল যদিও এই ধৰ্ম্মঘট আকৌ পালন কৰিবলৈ সিদ্ধান্ত লয়।

যোৱা ২৭ মে তাৰিখৰ পৰা 'বুলদজাৰ' আৰু বনুৱাৰ যোগেদি স্থানীয় ৰাইজৰ সহযোগ আৰু সমৰ্থনত আৰু জিলা কৰ্তৃপক্ষৰ সক্ৰিয় সহযোগত খালৰ খনন কাৰ্য্য পুনৰ আৰম্ভ কৰা হয়। উক্ত খনন কাৰ্য্য চলাই থকা অৱস্থাত কিছু লোকে ২৭ মে'ৰ দিনা বুলদজাৰ চালকক বাধ্য দিবলৈ গৈ প্ৰহাৰ পৰ্য্যন্ত কৰে। এই সংক্ৰান্তত তিনিজন লোকক পুলিচে আটক কৰে।

পিচদিনাও কামত বাধা দিয়া বৰে ২২ জন লোকক পুলিচে আটক কৰে। ইয়াৰ বাহিৰে খনন কাৰ্য্য কোনো বাধাৰ সম্মুখীন হ'ব লগা নহ'ল।

এই খনন কাৰ্য্য অৰ্থাৎ টোকলাই নৈৰ পানী তৰাজানত পেলোৱা কাম, খালৰ দুয়োকাষে আলি বন্ধাৰ বাহিৰে, প্ৰায় সম্পুৰ্ণ হৈছে আৰু টোকলাইৰ পানী সেই খালেদি বৈ গৈ তৰাজানত পৰিছে গৈ।

টোকালাই নৈ আগতে ভোনাদৈত পৰা ঠাইত বান্ধ দিয়া হেতুকে ভোগদৈৰ ওভটনি পানী সেই অঞ্চলত আমাৰ পৰা নাই। টোকলাইৰ উজনি অংশাত থকা বেদখল উচ্ছো কৰিবলৈ জিলা কৰ্তৃপক্ষই যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে।

**Mr. Deputy Speaker : Item No. 5.**

***Shri Phani Medhi :-** Mr. Deputy Speaker Sir, I want of raise a matter under Rule 301 of the Rules of procedure & conduct of Business in Assam Legislative Assembly relating to "টি, পি নোহাৰাকৈ হেজাৰ হেজাৰ টন বাহঁ বাহিৰলৈ নিয়াৰ ফলত যোগীখোপাস্থ অশোক কাগজ কল কেচা মালৰ তীব্ৰ সংকটৰ সম্মুখিন"।

উপাধ্যক্ষ মহোদয়, অসমত কাগজৰ কল এটাই মাত্ৰ আৰু সেইটো হৈছে যোগীখোপা। যিহেতু গোৱালপাৰাৰ বাঁহ অসম চৰকাৰে নিজত দিছিল কিন্তু বাঁহ উতপাদন হয় ৮০ হাজাৰ টন আৰু মিলক লাগে ১লাখ ২০ হাজাৰ টনৰ প্ৰয়োজন। গতিকে আশোক পেপাৰমিলৰ হংগন বেম্বোৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। অসম চৰকাৰে আৰু কৈছিল যে জাত ভোলোকা আদি বাঁহৰ দ্বাৰাও এই কাম কৰিব পাৰে এই পিৰপ্ৰেক্ষিতত অসমৰ চৰকাৰে ১৮ মে তাৰিখে এখন চৰ্কুলাৰ দিছিল—

Here is a Govt. Circular No. FRS. 21. 76/70 dated 18th May, 1978 (Amendment) under the Assam Forest Regulation VII of 1891) which states that :-

"Provided that no certificate of origin or other passes shall be required for transport of home growh, Jati, Barua, Bhaluka, Bakal, and Bethua Bamboos

within the district but transporting such bamboos by road, rail, steamer outside the district, a transt pass in preseribed form shall be taken from the nearest Revenue Station"

এই চিঠিৰমৰ্ম্মে অসম কাগজকলে অতিৰিক্ত বাঁহ নাপায়। বজাৰত ভাৰ কমপিটিচন চলিছে। এই বাহঁবিলাক কৰ্ণাটক অৰুনাচল আদি ঠাইলৈ গুচি যায় কাৰণ তেওঁলোকে বেছি দামত কিনিলৈ যায় আৰু সেইবিলাক ৰেলেৰে লৈ যায়। আশোক পেপাৰমিলে যদি ১২০ টকা দিয়ে তেনেহলে তেওঁলোকে ১৬০ টকা দিয়ে আৰু অশোক পেপাৰমিলে যদি ১৬০ টকা দিয়ে তেনেহলে তেওঁলোকে ২০০ টকা দিয়ে, এই ধৰণৰ এটা কমপিটিচন হোৱাৰ ফলত তেওঁলোকে বাহঁ কিনিব নোৱাৰা অৱস্থাত পৰিছে যাৰ কাৰনে আমাৰ কলৰ উতপাদন কমি গৈছে। অথচ দৈনিক হেজাৰ হেজাৰ টন বাহঁ ৰেলেৰে গৈ আছে কিন্তু বন বিভাগৰ তৰফৰ পৰা কোনো টিপি ইচু কৰাৰ ব্যৱস্থা কৰা নাই। আমাৰ মুখ্য বণসংৰক্ষকে জেনেৰেল মেনেজাৰলৈ এখন চিঠি লিখিছে কিন্তু কোনো কাৰ্য্যকৰী ব্যৱস্থা হোৱা নাই অথচ আমাৰ বাহঁৰ অৰিয়েণ্টেল পেপাৰ মিলৰ নিচিনা মিল চলি আছে। গতিকে মই এই বিষয়ে বন মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে অতিসোনকালে সুব্যৱস্থা হয়।

*Shri Samar Brahma Choudhury, ( Minister ) Mr. Speaker, Sir, We are very much aware of situation arising out of this. As there was no provision previously in the Assam Forest Manual vol. I to restrict movement of home growh bamboos outside the district, the representative of different paper Mills managed to take bamdoos outside Assam. For home grown bamboos no royalty is due to Govt. So there is no loss of revenue, but for such export of bamdoose outside the State the local industries are suffering a set back in procuring raw materials to run the in dusiry, and as per represen-

tation made by M/S Ashok Paper Mills an amendment under AFR VII of 1891 issued by the Government in Forest Department recently in the Assam Gazette vide No. FRs. 21/76/70 dated 18.5. 78 stating that transporting of bamboos by road, rail, and steamer outside the dislrict, a transit pass in prescribed form shall be taken from the nearest Railway Station. In response to the above, necessary instructions have been issued to all D. F. Os. in Assam vide No. FG.24 / Genl / Bamboo / 71-72 dated 13.6.78. In view of the above mentioned restrictions, it is hoped that large quantity of bamboos cannot be moved outside the State and as such M/S. Ashok Paper Mills will be in a position to purchase such bamboos for use their mill.

But the owners of home grown bamboos can sell the bamboos to any person they like and the Govt. has no control or can impose any prohibitory orders for sale of such bamboos, since no rovalty is to be paid by villagers growing bamboos is their own patta land. In view of this no loss of Govt. is involved. We have also issued another circular, Sir. I am reading it out. "To all Divisional Forests Officers of Assam, subject, Heme grown bamboo in Assam. In view of the rules framed by Government vide notification No. FRS. 21/76/70 dated 18.5 78 forwarded to all under memo no. FRS 21/76/70-A dated 18 5.78, you may submit offence report against any Station-master, Railways and Inland Water Transport for booking bamboos etc, as notified. If any tansit pass for home grown bamboos is demanded, this should only be issued after enquiry

into the origin of the Bamboo and person from whom such bamboo has been purchased. if such bamboos are to be transported outside the Assam, the tansit passes are to be issued by the respective D. F. Os after proper verification. This has been issued on 13 6.78. In addition to this, I may inform the House that we are examining the provision whether we can at all restrict the export of home grown bamboos sutside the State.

Shri Premadhar Bora :– It is interesting to note that only the Ashok Paper Mills, a public undertaking of the State of Assam if facing crisis for want of bamboo Can the Minister clarify this ?

Shri Samar Brahma Choudhury. ( Minister ) :— That is why we are looking, whether we can restrict the export completels.

Shri Phani Medhi :— Will the Minister tell me whether Government can impose levy on home grown bamboos which are going outside the State ?

Shri Samar Brahma Choudhury. ( Minister ) : – I have already referred the paper to L. R. for his opinion and only after his opinion is received we will be able to say whether we can levy at all.

Statement by Minister

Mr. Deputy Speaker :— Now, the hon'ble Minister, Transport and Municipal Administration desires to make a statement in connection with enhanced rate of taxation in the wards of G. M. C. for information of the hon'ble members.

*Shri Zahirul Islam ( Minister) : –Mr. Deputy Speaker, Sir, for some time past a large section had been

agitating of the Gauhati Municipal Corporation had been agitating in the press and the public against enhanced rate of taxation in the different wards imposed by the Corporation authorities. This morning also a deputation of the rate-payer met me in my chamber and strongly opposed the imposition of the enhanced rate of taxation on their holdings at this time when the Coporation is still in the state of superciession.

On the consideration of the objections raised by the rate-payers, I have since ordered that Corporation authorities will stay the realisation of the enhanced rate of taxes till the new elected body takes over the affairs of the corporation.

If the speaker kindly permits, I would like to bring the above facts to the notice of Honourable Members as the Assembly is in session.

Mr. Deputy Speaker :— The House stands adjourned till 10 A.M. tomorrow.

* Speech not corrected.

## ADJOURNMENT

The House then rose at 9.32 P. M. and stood adjourned till 10 A.M. on Thursday, the 22nd June, 1978.

Dated Dispur
The 21st June, 1978.

P. D. Barua,
Secretary
Assam Legistative Assembly.